CELEBRATING 25 YEARS
BILASIPARA CIVIL SUB-DIVISION
1989-2014

ISBN - 978-81-922276-6-5

# ৰূপালী গৌৰৱ

Celebrating

25


Silver Jubilee

## BILASIPARA CIVIL SUB-DIVISION
1989-2014


**Editors**

Parag Kr. Kakaty, A.C.S.


Dr. Haricharan Das




**Mahamaya Temple, Bagribari**



**Panbari Mosque**



**A View of River Brahmaputra from Chandardinga**




**Scenic Beauty of Hakama Beel**




**A view of the back side of the SDO (C)'s Office, Bilasipara**



**River Brahmaputra at Chandardinga**


**Golden Langur of Chakrashila Wild Life Sanctuary**



**Dheer Beel, Chapar**



ISBN - 978-81-922276-6-5

# ৰূপালী গৌৰাং

Celebrating

Silver Jubilee

## BILASIPARA CIVIL SUB-DIVISION
1989-2014

# RUPALI GAURANG

**Editors**

Parag Kr. Kakaty, A.C.S.

Dr. Haricharan Das

**ৰূপালী গৌৰাং ঃ** বিলাসীপাৰা মহকুমাৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ দ্বাৰা বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰ পৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ ।

**RUPALI GAURANG :** A souvenir published by Silver Jubilee Celebration Committee of Bilasipara Sub-Division from Sub-Divisional Public Library, Bilasipara.

*© S.D.O.(C), Bilasipara*

**ISBN - 978-81-922276-6-5**

প্ৰথম প্ৰকাশ - চেপ্তেম্বৰ, ২০১৪

**স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি**

**সম্পাদকদ্বয় ঃ**
পৰাগ কুমাৰ কাকতী, এ.চি.এছ.
ড° হৰিচৰণ দাস

**সদস্য ঃ**
ড° চিন্ময় শৰ্মা
মুজাম্মিল হক
ভাস্কৰ ভট্টাচাৰ্য
কামৰুজ্জামান
মোছলেম উদ্দিন আহমেদ
অম্লানজ্যোতি গোস্বামী

**বিজ্ঞাপন ব্যৱস্থাপনা ঃ**
হৃদয় ৰঞ্জন দাস
জগজীৎ কুমাৰ সিংঘী

**বেটুপাত ঃ**
আশানুৰ ৰহমান
ৰকিবুল হক

**আলোক চিত্ৰ ঃ**
অতনু শৰ্মা
মাধুৰ্য্য বৰুৱা (বুকু)

**ডি.টি.পি. আৰু অঙ্গসজ্জা ঃ**
গোপীনাথ কৰ্মকাৰ
বিশ্বজিৎ গোস্বামী
পিন্টু ঠাকুৰ

**মুদ্ৰণ ঃ**
গোপী অফছেট প্ৰেছ, বিলাসীপাৰা
মোবাইল - ৯৪৩৫২৮৯৫৬৫

# শ্ৰদ্ধাঞ্জলি

বিলাসীপাৰা মহকুমা গঠন, বিলাসীপাৰা মহকুমাৰ উন্নয়ন আৰু
বিলাসীপাৰা মহকুমা প্ৰশাসনৰ সেৱাত নিয়োজিত
যি সকল মহানুভৱ ব্যক্তি আমাৰ মাজৰ পৰা হেৰাই গ'ল,
তেওঁলোকৰ পৱিত্ৰ আত্মাৰ সদ্‌গতি
কামনাৰে
আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি
জ্ঞাপন কৰিলো।

— সম্পাদনা সমিতি

GOVERNOR
ASSAM

RAJ BHAVAN
GUWAHATI



August 09, 2014

## MESSAGE

I am glad to know that Bilasipara Civil Sub-division, Assam is organizing its silver jubilee celebration during the month of September 2014 and bringing out a souvenir to commemorate the occasion. I congratulate the organizers and wish the celebration a grand success.

**(Janaki Ballav Patnaik)**
Governor of Assam

Tarun Gogoi

Chief Minister, Assam
Guwahati

सत्यमेव जयते



Dispur
11/8/2014

## MESSAGE

I am happy to know that Bilasipara Civil Sub-Division has completed 25 years of its formation and celebrating this year as Silver Jubilee Year.

Bilasipara Sub-Division, dotted by places of historical importance like Chandar Dinga, is also blessed with natural beauty and splendor. Rich in agricultural products like rice and jute, its riverine landscape also has promises for nature lovers and tourists.

I hope the programmes in the Silver Jubilee celebration will amply showcase the resources and heritage of the sub-division and contribute for its prosperity.

I wish grand success of the celebration.

(TARUN GOGOI)

GOVT. OF ASSAM

# OFFICE OF THE DEPUTY COMMISSIONER

DHUBRI



: MESSAGE :

It gives me immense pleasure to hear that this year Bilasipara Sub-Division has completed 25th year of its creation and celebrating the year as "Silver Jubilee Year".

I am also glad to know that a souvenir will be published to commemorate this celebration. May the souvenir contributes to the rich literary works of the area.

Hope that the celebration will be a grand success.

Best Wishes.

(Kumud Ch. Kalita)
Deputy Commissioner,
Dhubri.

# ৰূপালী গৌৰাং

# RUPALI GAURANG



## উৎসৰ্গা

বিলাসীপাৰা মহকুমা গঠনৰ হকে
যিসকল সুধী-সজ্জনে
অহোপুৰুষাৰ্থ কৰিছিল সেই সকল
প্ৰয়াত অথবা জীৱিত মহানুভৱৰ নামত এই
'ৰূপালী গৌৰাং'
উৎসৰ্গা কৰা হ'ল ।

– সম্পাদনা সমিতি

# সূচীপত্ৰ




**ENGLISH SECTION**


| | | | |
|---|---|---|---|
| 1. | Reminiscences of S.D.O.(Civil), Bilasipara | Anuradha Adhikari Sarma, A.C.S. | 1 |
| 2. | Bilasipara Sub-Division :: An ideal Administrative Unit | Bhagawan Borah, A.C.S. (Rtd.) | 3 |
| 3. | Creation of Bilasipara Sub-Division and its Backdrop | Ardhendu Nath Chakravartty | 6 |
| 4. | Bilasipara Sub-Division and our expectations | Smt. Krishna Bati Koch | 11 |
| 5. | Call of the wild (Poem) | Anuradha Adhikari Sarma, A.C.S. | *Album* |
| | অসমীয়া বিভাগ | | |
| ৬) | সম্পাদকীয় - সোঁৰৱণীৰ ৰূপালী ঘাট | পৰাগ কুমাৰ কাকতী, এ.চি.এছ.<br>ড° হৰিচৰণ দাস | ১২ |
| ৭) | বিলাসীপাৰা মহকুমা গঠনৰ ঘটনাপঞ্জী | দয়াল পাল | ১৫ |
| ৮) | ভুল (কবিতা) | সেখ মহম্মদ উল্লাহ | ১৯ |
| ৯) | জমিদাৰকালীন বিলাসীপাৰা | অমূল্য কুমাৰ কৰ্মকাৰ | ২১ |
| ১০) | গোৱালপৰীয়া সমাজ আৰু সংস্কৃতি | মুজাম্মিল হক | ২৫ |
| ১১) | বিলাসীপাৰাত মৃৎশিল্প | প্ৰণৱ দাস | ৩০ |
| ১২) | অসম সাহিত্য সভাৰ চাপৰ অধিৱেশন ঃ এটি চমু আলোকপাত | হেৰম্ব কলিতা | ৩২ |
| ১৩) | আমাৰ বিলাসীপাৰা (কবিতা) | ইব্ৰাহিম আলী আহমেদ | ৩৪ |
| ১৪) | ৰূপালী প্ৰণিপাত (কবিতা) | পুৰঞ্জিত দাস | ৩৪ |
| ১৫) | অনুভূতি (কবিতা) | প্ৰণিতা কলিতা পাঠক | ৩৫ |
| ১৬) | শব্দ শইচৰ কথকতা (কবিতা) | ধনঞ্জয় সিন্হা | ৩৫ |
| ১৭) | বিলাসীপাৰাৰ বুৰঞ্জী ঃ এটি অৱলোকন | ড° হৰিচৰণ দাস | ৩৭ |

| | | | |
|---|---|---|---|
| ১৮) | বিলাসীপাৰা মহকুমা গঠন- উত্তৰণৰ চিৰস্মৰণীয় ঘটনা | মোছলেম উদ্দিন আহমেদ | ৪১ |
| ১৯) | আৰ্থ-সামাজিক উন্নয়ন, বিত্তীয় প্ৰতিষ্ঠান আৰু বিলাসীপাৰাৰ উজ্জ্বল ভৱিষ্যত | কল্যাণ কুমাৰ কলিতা | ৪৩ |
| ২০) | মোৰ মানসপটত বিলাসীপাৰা মহকুমা | অশোক কুমাৰ কলিতা | ৪৬ |
| ২১) | গছে-বনে মোহনীয়া মোৰ বিলাসীপাৰা | পিয়াৰ উদ্দিন আহমেদ | ৪৮ |
| ২২) | পোৱা নোপোৱাৰ আনৰি | শিবেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী | ৪৯ |
| ২৩) | হাকামা গাওঁৰ ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰয়াস | ভাস্কৰ ভট্টাচাৰ্য | ৫১ |
| ২৪) | বিলাসীপাৰা মহকুমাত ৰেডক্ৰছ ছোচাইটি | ডাঃ কানুলাল দাস | ৫৭ |
| ২৫) | কৃষি প্ৰযুক্তি আৰু ধুবুৰী জিলাত ইয়াৰ সম্প্ৰসাৰণ | ড° চিন্ময় কুমাৰ শৰ্মা, অভিজিৎ পাল | ৬১ |
| ২৬) | বিগত পঁচিশ বছৰত বিলাসীপাৰাৰ শৈক্ষিক বিকাশ | হিৰণ্য কুমাৰ নাথ | ৬৫ |
| ২৭) | বিলাসীপাৰাৰ সংবাদ পত্ৰ - আলোচনীৰ ইতিহাস | আলতাপ হুচেইন আহমেদ | ৭৩ |
| ২৮) | বিলাসীপাৰা মহকুমাৰ ঐতিহাসিক স্থানসমূহ | বিশ্বজিৎ গোস্বামী | ৭৭ |
| ২৯) | স্বাধীনোত্তৰ বিলাসীপাৰা মহকুমাৰ আৰ্থ-সামাজিক অৱস্থা ঃ এক চমু আলোকপাত | অৰ্পণা চক্ৰৱৰ্ত্তী | ৮১ |
| ৩০) | বিলাসীপাৰা মহকুমা স্থাপন আৰু আমাৰ বিষন্ন অতীত স্মৃতি | হৃদয়ানন্দ দাস | ৮৫ |
| ৩১) | গ্ৰাম্য অৰ্থনীতিত সমবায়ৰ ভূমিকা | তৰণীকান্ত ৰায় | ৮৯ |
| ৩২) | বিলাসীপাৰা মহকুমাৰ ৰূপালী জয়ন্তীৰ গীত | ভোলানাথ ৰায় | ৯০ |

# Reminiscences of SDO(Civil), Bilasipara

My first reaction to my posting as SDO(Civil), Bilasipara was mixed bag of reactions. The freshly occurred law and order situation of 2012 only added to my worries, not to speak of the prolonged distance from my hometown Guwahati. My friends, family, colleagues and seniors encouraged me to join in my new posting. I decided to go ahead and take up the challenge of being the first lady SDO(Civil) of Bilasipara Sub-Division since its inception.

My ride to Bilasipara was surprisingly nice. The beautiful topography soothed my anxieties. Paying obeisance at Mahamaya and Chandardinga temple was another beautiful and serene experience. My office was nice and formal and my officers and staff were polite, sincere and dedicated. I began my journey as the Sub-Divisional head of this huge and somewhat "controversial" (as stated by my office staff) Sub-Division.


The journey took me through myriad experiences of thoughts and actions. I must especially thank all my colleague officers, my staff, various line department heads and their staff and the entire public of Bilasipara for supporting, advising, encouraging, respecting and obeying my various requests and dictates. A few feathers were ruffled but this



was inevitable during the discourse of my duties as Sub-Divisional Head. But the positive responses from all quarters made this tenure a very satisfying one. I must specially thank Deputy Commissioner Dhubri, Sri Kumud Ch. Kalita, A.C.S. for the belief and trust he entrusted on me to make my own decisions regarding the administration of my Sub-division.

I feel very proud and humble at the same time to head Bilasipara Sub-Divisional Administration in its 25th Year of inception. The Silver Jubilee Celebration has been done on a low key basis bifurcating into several small functions.

The environment day celebrations, various seminars, awareness campaigns, medical camps, installations of idols of Padmashree Pratima Barua Pandey and former Chief Minister of Assam, Sarat Ch. Sinha have only added to the luster of the 25th year celebrations. The road communication has been developed with renovation of almost all roads and bridges of this sub-division.



The Sub-Divisional Administration has made a conscious effort to make the 25th year of this Sub-division a very memorable one for the public at large by making the administrative set up more prompt, more effective and more transparent.

I take this opportunity through this esteemed 25th year souvenir to wish everyone a Happy Silver Jubilee year and a big thank you in making my tenure as SDO(C), Bilasipara a very satisfying, enjoyable and memorable one.

With Thanks and Regards,

**Anuradha Adhikari Sarma, ACS**
Sub-Divisional Officer (Civil)
Bilasipara

◆◆

# Bilasipara Sub-Division :: An ideal Administrative Unit

*Bhagawan Borah, LL.B., A.C.S.*
*(Retd.) Tezpur.*

Dhubri is a large district. In an effort to have a better and more effective administration, Bilasipara Civil Sub-Division comprising of Bagribari, Bilasipara and Chapar Revenue Circles was set up in 1989.

A Sub-division is the most important unit of administration. It is the basic unit for the purposes of general administration, treasury, land revenue, land records and other items of work.

As a result of creation of the Sub-division, administration was brought closer to the people where the common man had been able to directly contact with the administration. Understanding the value of the common man is vital in democracy,

Initially, no doubt, we faced enormous difficulties in running the administration from the district headquarter as it lacked infrastructures to house the offices.


The Sub-division at that time probably had 595 revenue villages, 43 Gaon-panchayats, 4 Development Blocks and 3 Police Stations to serve the people at the grassroot level.

It had only three tea gardens in the name of major industry. But in the matter of agriculture, it was progressive one as the bulk of the soil was fit for agricultural activities. Most of the major crops like varieties of paddy, jute, wheat, rapeseed and mustard seeds and potato were cultivated. It had good surface communication with the National Highway passing through it. Interior places were well linked by district and village roads.

It had been a home for people of different communities. Different religions had been preached, practised and cultural pursuits followed. There had been a mingling of people, races, tribes, cultures and religions, which transformed the society into a true brotherhood. This tolerant outlook had really been a source of strength to the district administration as a whole.

The forest reserves, road side scenic beauty, the Florican Garden, the green hillocks and plains presented a beautiful landscape of the Sub-division. People were also fortunate to have the religious and spiritual blessings of Maa Mahamaya Temple situated at Bagribari.

It would be unfair if I omit to put on writing a few words about Late Sarat



Chandra Sinha, former Chief Minister of Assam and a political stalwart hailing from Chapar. He was one of the worthiest sons of modern Assam and an ideal citizen of the country. He made himself a unique breed of politician by his simple nature and a rare degree of selflessness.

I was then working as Addl. Deputy Commissioner in the district and was lucky and also proud on being selected to head the administration in the newly created Sub-Division. I was official-in-charge of the Sub-Division for a brief time. The period was peaceful. I was thankful to the people for their cooperation and for maintaining peace and communal harmony throughout.

*[The writer is the first S.D.O. (C) of Bilasipara Sub-Division]*

◆◆


*" Nationalism is greater than sectarianism and in that sense we are Indian first and Hindu, Muslims , Parsis and Christian after"*

***- Mahatma Gandhi***

*With Best Compliments From :*

**Singhi IRON FACTORY**

A Name Trusted Years For Quality





**Manufacturer & Supplier : Quality Steel Furnitures**


J.P. Road, P.O. Bilasipara , Dist. Dhubri

Assam - 783348, *Ph - 03667-250228 (O)*









---

*With Best Compliments From :*

*Ph - 9435125642(M)*
*9435126330(M)*

**Singhi HARDWARE STORES**

*: Deals In :*

G.C.Sheet, M.S.Bar,Angle, Flat Patti,
Cement & Other Hardware Items

*: Authorised Dealer :*

TATA Tiscon, Hindalco, Dalmia,Topcem, Dynalume.

*Shop Premise :*

*Bilasipara, Dhubri , Assam- 783348*

# Creation of Bilasipara Sub-Division and its Backdrop

*Ardhendu Nath Chakravartty*

There was a long-felt need for a Civil Sub-Division in Bilasipara. But, the need would never have been fulfilled unless there was a change in the Government in 1985 with sympathetic people in power.

The people of Bilasipara had a feeling that the administrative HQ of Dhubri is too far from their reach. This generated a sense of isolation from the mainstream of the administration. Knowing fully the problems faced by the local people, the government took no action and abandoned this corner of the District. All matters of public importance was concentrated and centered at Dhubri which is 45 km from Bilasipara and about 90 km from the district boundary at the Champa river bridge and Kokrajhar District boundary at Sapatgram.

The Kohli Commission constituted in 1976 had visited places including Bilasipara. A delegation, in which I was also a part, discussed at length with him at the Bilasipara Inspection Bunglow. Sri Kohli was avoiding our pin-point question in respect of creating a Sub-Division and spent the time talking about agricultural production, cultivable land area etc. which were not related with our main issue. We became very much disappointed at his attitude. In the meantime news spread that Kholi Commission had recommended and submitted its report to Assam Government in favour of creating a new Sub-Division at Bilasipara. Sri Giasuddin Ahmed, Bilasipara, former Deputy Speaker of Assam, Lt. Siraj Uddin Ahmed, then M.L.A. of Bilasipara West, leaders like Animesh Barman, Animesh Kanti Sarkar, Lt. Manik Das, Lt. Pulak Chakravartty etc. had initiated the demand for creation of Bilasipara Sub-Division on the basis of Kohli Commission's Report. A memorandum was submitted to late Chief Minister Hiteswar Saikia during 1984 which was out rightly rejected by him since the name of Bilasipara was not mentioned in the Kohli Commission report !

What is most upsetting is that we had a great leader like Sarat Chandra Sinha as our Chief Minister. If he wished he could have created the Sub-Division by a single stroke of a pen. He thought for all, worked for welfare of all the people of Assam but never thought about his personal gain and gain of the people of his birth place !

I along with our Assam Movement co-activists opposed the move to submit any memorandum or even a request letter to Sri Saikia. The Government of Hiteswar Saikia was then boycotted by AASU and All Assam Gana Sangram Parishad. I straightway refused to put any signature in the memorandum. Consequent to which I and our move-

ment activists were branded as an 'anti-Sub-Division element'!

In the meantime, Hiteswar Saikia government was dislodged in the aftermath of signing of the historic Assam Accord in 1985 and Assembly Election was declared in Assam.

After, the 1985 election, Asom Gana Parishad (AGP) came to power with overwhelming majority with Sri Prafulla Kumar Mahanta as the Chief Minister. At that time I was the District President of the AGP of Dhubri District. I had a personal and cordial relationship with him. On one fine Sunday morning (I am sorry, I have forgotten the exact date) on which day normally the Party president and CM Sri Mahanta used to visit the makeshift AGP HQ situated at Jor Pukhuri Paar (Uzan Bazar), I was waiting alongwith my party colleague Sri Bidhayak Chakravartty of Dhubri to meet him for some urgent party related matter. On entering the office he called me in and we discussed some organizational matters. After the discussion I gave him a letter requesting him to create some offices like a Sub-Treasury, Firestation, Employment Exchange Office, Tax office etc which were not available at Bilasipara. People had to run to Dhubri by travelling about 90 km and spend the whole day and money even for a small work like a treasury challan etc. The Chief Minister just looked over my letter and smiled saying " Why don't you take a Sub-Division then" ?

I felt like a dumbfounded one and I could not believe my own ears ! I lost my voice in excitement and disbelieve ! I just thanked him in shortest term and got up after quickly finishing the morning cup of tea with his favorite Chhana, Bhujia offered to us, left the place with a mixed feeling of joy and confusion. I, with Sri Bidhayak Chakravartty hurriedly took an Auto Rickshaw and came to my Hotel and packed up to leave for Bilasipara. Sri Chakravartty assured me that he had also clearly heard distinctly what Sri Mahanta told me " Why don't you take a Sub-Division then " ?

What is worth mentioning here that, I never mentioned in my letter that we need a Sub-Division at Bilasipara. I did this because I recollected Hiteswar Saikia's comment to a delegation of Bilasipara few years back that Bilasipara's name is not in Kohli Commission's report. And to avoid the embarrassment faced by late Sinha and others, I deliberately did not mentioned the point of creation of a Sub-Division.

I returned to Bilasipara the same day. My mind was in a state of unrest and confusion. What to do ? Did Sri Mahanta was really serious or was it in lighter vein ? On arrival at Bilasipara I met with late Arun Kumar Das and the Bilasipara unit of the AASU like Sri Debabrata Das, Jiten Sarmah, Uttam Kumar Choudhury, Ratul Das, (late) Keshab Kanti Deb Barma and the Anchalik AGP's office-bearers like Sanjit Das, Mohammed Hussain, (late) late Nilambar Das, Ardhendu Kalita, Swapan Basak and many others. Simultaneously, I called all the AGP local leaders like late Deba Kumar Chakravarty, late Jyotish Chandra Roy both President and

Secretary of the Bilasipara Anchalik Committee of the AGP at that time. After discussing with them it was decided that a postering drive will be undertaken first and subsequently memorandums by both the AGP and the AASU will be submitted to the Chief Minister for immediate formal declaration of the Sub-Division at Bilasipara.

The enthusiastic AASU, AGP workers lost no time and started postering, holding group meetings etc. I warned them not to launch any agitational programme against the Government. They understood my point and refrained themselves from such steps.

During the next visit of Chief Minister Sri Mahanta to Dhubri, a party meeting was held at Dhubri District Library auditorium. In the meeting while welcoming him, I read-out a memorandum concerning various developmental matters but I did not forgot to mention the offer made to me at the party HQ and praised him highly for his gift of creating a Sub-Division at Bilasipara. I aired him the feelings of the people of Bilasipara. He, in his speech, did not opposed the creation of the Sub Division at Bilasipara. I left no stone unturned to remind Sri Mahanta about creating the Sub-Division in my subsequent meets with him wherever I met him.

By this time, the local AASU Anchalik Committee started meeting Sri Mahanta in a series with the identical demand. AGP Anchalik Committee too met the Chief Minister with similar demand. The AASU workers took with them the AASU President Sri Atul Borah, Vice-President Sri Subhash Adhikary, Assistant General Secretary Sri Brojenjit Singha etc.

Finally, in the evening news bulletin of 14th August, 1988 All India Radio, Guwahati, had broadcasted the good news. A Civil Sub-Division with Bilasipara as its headquarter was declared. People became very much jubilant and a Diwali-like situation took place. What I know well from the development, there was no any agitation or movement for creating Bilasipara Sub-Division. Rather, it was a silent move to attain it. Sri Mahanta never talked about Kohli Commission. Bilasipara, Bijni and many places got Sub-Division without any agitation and Bongaigaon was declared a District ! The people of Bilasipara should be grateful to Sri Mahanta.

I am glad to mention here that it was a gift of the then Chief Minister Sri Prafulla Kumar Mahanta and his policy adopted by him at that time !! I am very much indebted to him and at the same time grateful to him. We are grateful to Sri Mahanta till today.

However, when I discussed about selecting a site for permanent Sub-Divisional HQ at Bilasipara, I and S. Panda, the then D.C. of Dhubri visited many places and finally he observed that the present Gauranga Nagar which then was the District Home Guards HQ was selected and sent proposal to the Government accordingly. It was Bamungaon Part-I village and the land available as per revenue records 1100 Bighas. The reasons behind choosing the present HQ was that no flood could reach it as happened in Dhubri in 1988. Sri Panda, the then Deputy

Commissioner of Dhubri had told me that Dhubri District headquarters would have to be shifted to Bilasipara if similar flood situation of 1988 repeat. It was his personal view based on the experienced of the devastating flood of 1988. I express my gratitude to both Sri Mahanta and Sri Panda. But, subsequently the Sub-Divisional HQ area was included in the BTAD. It could have been avoided had there been proper leadership.

The Sub-Division still lacks many things. I hope, the Government will sympathetically consider the needs like a full-fledged Court, Civil Hospital, Jail. Sub-Divisional Library, Auditorium, Museum, Archieve etc.. There is a library at Town Committee's Community Hall organised by some of the citizens as Sub-Divisional Library. But it is not under the Directorate of Library Services. A full-fledged library under government patronisation is an urgent need of Bilasipara.

*[The writer is a Journalist ]*

◆◆

With best compliments from

**STATE BANK OF INDIA**

Bilasipara Branch

P.O. Bilasipara,

Dist. Dhubri (Assam) PIN - 783348

***With best compliments from -***

GAUTAMGROUP

**(Registered Govt. Contractors)**

# Shree Gautam Construction Co. Ltd.

**Regd. Office: P.O. Bilasipara::Dist. Dhubri (Assam)**
**Phone: +91-3667-250276, 250373(Fax).**
**Email:** sgccl.blp@gmail.com

**Corporate Office:**
**4th Floor, Amaze Tower, Opp. Pan Bazar Over Bridge,**
**A. T. Road, Paltan Bazaar, Guwahati-781001, Assam**
**Phone: +91-361-2734058, 2630801.**
**Fax: +91-361-2632286**
**Email:** sgccpl@gmail.com

**We are experienced in the following types of Constructions:**

- ✓ Bridges
- ✓ Flyovers
- ✓ Buildings
- ✓ Highways
- ✓ Rural Roads
- ✓ International Border Security Fencing
- ✓ Civil works in Petrochemical Refineries
- ✓ De-silting of river and lakes.
- ✓ International Standard Check Gate system on National Highways.
- ✓ Most modern Medical College Buildings including Sanitary, Plumbing, Firefighting, CCTV, Internal Roads, Sewage Treatment & Water Treatment Plants and Electrification Works.

# Bilasipara Sub-Division and our expectations

*Smt. Krishna Bati Koch*

Bilasipara Sub-Division was created in the year of 1989 A.D. The foundation stone was laid down by Mr. Profulla Kumar Mahanta, the then Chief Minister of Assam, on the north-side of No. 31 National High way at Gaurang Nagar as permanent Office of S.D.O. (Civil). It is worthmentioning that during the cradle period, it had been running in rented house at Bilasipara J.P. Road for few years.

It was long standing aspirations and hopes of the people of Bilasipara. So when it come to fruit the people felt ecstasy owing to future prosperity of this backward area in all respects.

The Sub-Division is comprised of BTAD on the North and the River Brahmaputra is on the South. The River Champabati (Bahalpur) is on the East and the Dhubri Sub-Division (Panbari) is its western boundary. Apart from Bilasipara Town, there are four township Viz-Chapar, Sapatgram, Bagribari and Raniganj situated in the Sub-Division.

Since the creation of the Sub-Division developmental works of various schemes have been going on in small moves. Of course, some official developments have been done after a long time. A Hospital has been set up at Gourang Nagar near the S.D.O. (C)'s office but no functions till to-day, of course, it has become well and good for the people of the Sub-Division that a Sub-Treasury and a Judicial Court have been newly created and are functioning at present. The Agricultural sector of the Sub-Division is pitiable to say particularly the Irrigation systems under it. Due to lack of adequate supply of water in the paddy-fields and other crops, the productions are being less than expected.

Although the developmental works of the Sub-Division are in slow progress, yet the people are always expecting the future allround developments of it under initiative taken by the good higher authority on the days to come. People are very much optimistic to look forward the bright progress of the Sub-Division.

Bilasipara Sub-Division is mainly rural and agriculture based. That is why, the road connectivities are not so good among the villages as well as towns to some extent. Floods and drought like situations have affected the people of the Sub-Divisional in every year. Therefore, we think Government should give ear to redress such grievances of the public and develop the Sub-Division so that our next generation can change their mindsets for building up a strong nation.

*[ Writer is Senior Assistant of SDO (C) Office, Bilasipara]*

◆◆

সম্পাদকীয়

# সোঁৰৰণীৰ ৰূপালী ঘাট

বৈ থকা নৈ এখন ঘাটত ৰৈ নাথায়। বৈ যায় নৈ খনেৰে গৈ থকা নাও বা জাহাজ। মানুহৰ মেটমৰা বস্তু সম্ভাৰ কঢ়িয়াই নিয়া এনে নাও বা জাহাজ একোখন ঘাট পোৱাৰ লগে লগে খদমদম লাগে। সামগ্ৰী, বয়-বস্তু উঠোৱা নমোৱা আদি। নৈখনে তালৈ কেৰেপ নকৰে। আপোন মনে বৈ থাকে। মানুহ, জাহাজ, নাও নৈখনৰ বাবে অপৰিহাৰ্য নহয়।



মানুহৰ বাবে জলধাৰা বোৱাই থকা নৈ একোখন অপৰিহাৰ্য। মানুহৰ সকলো সভ্যতা গঢ়ি উঠিছিল নৈৰ পাৰত। যাতায়ত, কৃষি-বাণিজ্য, জীৱনচৰ্যাৰ বাবে আৱশ্যকতা এই সকলোবোৰ কাৰণতে নৈ একোখন মানুহৰ সভ্যতাৰ বাবে অপৰিহাৰ্য আছিল। আজিও অপৰিহাৰ্য।

বিলাসীপাৰাৰ সভ্যতাও নৈ কেন্দ্ৰিক। ইয়াৰ দক্ষিণ দিশেৰে বৈ গৈছে মহাবাহু ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰ অসমীয়া জাতিৰ হৃদয়। প্ৰাণী দেহৰ সকলোবোৰ তেজ আহি হৃদয়ত যিদৰে স্তূপীকৃত হয় আৰু পুনৰ বৈ যায়, এই অসমৰো সকলো ঠাইৰ জলধাৰা আহি লুইতত সমবেত হয় আৰু সাগৰলৈ বৈ যায়। ব্ৰহ্মপুত্ৰৰ এজনী ভনীয়েকো আছে। সুৰমা। তেওঁ বৰাকবাসীৰ জীৱনচৰ্যা পূৰ্ণ কৰে।

বিলাসীপাৰাৰ তিনিখন উপনৈ আৰু এখন শাখানৈ আছে। চম্পাৱতী, সেই ৰূপ কথাৰ নায়িকা চম্পাৱতী, যাৰ পাৰত ৰূপৰ পাহাৰ আৰু সোণৰ খনি। 'চম্পাৱতী তোমাৰ কাষত চপালো মোৰ নাও, ৰূপৰ পাহাৰ সোণৰ খনি— কিজানিবা পাওঁ'। বহু বণিক বিলাসীপাৰালৈ আহিছিল সোণৰ খনি ৰূপৰ পাহাৰ বিচাৰি-চম্পাৱতীৰে, সোণকোষেৰে অথবা গৌৰাঙেৰে। এদিন বণিজ কৰি উভতি আহোঁতে ইয়াৰেই ৰূপালীঘাটত নাও ডুবিছিল চান্দ সদাগৰৰ। চান্দ সদাগৰৰ নাওডুবা ঠাইখনিয়ে নাম পাইছিল চান্দৰডিঙা। সেই চান্দৰ ডিঙাৰ কাষতেই দুধনাথ পাহাৰ য'ত এহেজাৰ বছৰ আগতে ঋষি পালকাপ্যৰ আশ্ৰম আছিল। ঋষি পালকাপ্যই ইয়াতেই ৰচনা কৰিছিল হস্তায়ুৰ্বেদ। কামৰূপী ৰজাসকলৰ বৌদ্ধিক সভ্যতাৰ ছাপ মাৰি ইয়াত যদিও নাই কোনো স্তূপ বা স্তম্ভ, ইয়াৰ ভাষা কৃষ্টিৰ মাজত সেই 'গল্লিটিপ্পক'ৰ পালি প্ৰাকৃত ভাষাৰেই অৱশিষ্ট ৰৈ গৈছে। বিলাসীপাৰাৰ ভাষা কামৰূপী ভাষাৰ অংশ বিশেষ, য'ত জনজাতীয় সমন্বয় সাধিত হৈছিল উং-আং আদি ধ্বনি লালিত্য লগহৈ। সাধাৰণ জনতাৰ আৱেগ অনুভূতিৰ পৰা আৰম্ভ কৰি ঈশ্বৰ উপলব্ধিৰ গভীৰ অনুভৱলৈকে সাঙোৰ খাই আছে বিলাসীপাৰীয়া গীত-মাত-সংস্কৃতি। বিলাসীপাৰাত প্ৰাক্তন মহকুমাধিপতি শ্ৰী ধ্ৰুৱজ্যোতি দাসৰ প্ৰচেষ্টাত গঢ়ি উঠা 'উত্তৰণে' বিলাসীপাৰা মহাবিদ্যালয়ত আয়োজন কৰা ৰাষ্ট্ৰীয় আলোচনা চক্ৰত পণ্ডিত সকলে যি আলোচনা কৰিছিল তাৰ পৰা বুজা যায় যে বিলাসীপাৰা অবিভক্ত গোৱালপাৰাৰ এক প্ৰধান অংশ, গোৱালপাৰীয়া সভ্যতা সংস্কৃতিৰ এক আধাৰ। উল্লেখযোগ্য যে কোচ ৰজা নৰনাৰায়ণ-চিলাৰায়ৰ ৰাজ্য অৱসানৰ পাছতেই অঞ্চলটোৰ স্বকীয়তাত আঁচোৰ পৰিছিল। ধৰ্ম-দৰ্শন-ভাষা-কৃষ্টিলৈ ক্ৰমাৎ সোমাই আহিছিল বিদেশী প্ৰভাৱ। বৃটিছ অহাৰ আগতে প্ৰায় দুশ বছৰীয়া শাসন-শোষণৰ মাজত বিলাসীপাৰাবাসীৰ স্বকীয়তাই আৰু অধিক প্ৰতিবন্ধকতাৰ সন্মুখীন হ'ব লগা হয়। তথাপিও সত্যৰ যি অমোঘ শক্তি, প্ৰাণৰ যি নিজস্ব

তেজস্বিতা তাক এনে প্ৰতিবন্ধকতাই চিৰদিনে প্ৰতিহত কৰিব নোৱাৰিলে । কুৰি শতিকাৰ দোকমোকালিত বিলাসীপাৰীয়া প্ৰাণ সাৰ পাই উঠিল, ১৯১৯ চনত বিলাসীপাৰা বাসী ওলাই আহিল জালিৱানাৱালাবাগৰ হত্যাকাণ্ডৰ প্ৰতিবাদ কৰিবলৈ, বৃটিছ সেনাবাহিনীক যুদ্ধ যাত্ৰাত বাধা দিবলৈ । ওলাই আহিল ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনত , প্ৰাক্ স্বাধীনকালত বাংলাদেশৰ লগত চামিল কৰণৰ বাবে চলা ষড়যন্ত্ৰৰ বিৰুদ্ধে হোৱা আন্দোলনত, স্বাধীনতাৰ পিছত পশ্চিমবঙ্গৰ সৈতে চামিলকৰণৰ বাবে উঠা প্ৰস্তাৱৰ বিৰুদ্ধে হোৱা আন্দোলনত, ১৯৬০ চনৰ ভাষা আন্দোলনত, ১৯৭৯ চনৰ অসম আন্দোলনত যোগদানৰ বাবে। ১৯৯৬ চনত চান্দৰ ডিঙা পাহাৰ খন বাংলাদেশক লীজত দিয়াৰ বিৰুদ্ধে বিলাসীপাৰাবাসীয়ে কৰা আন্দোলন অসমৰ পৰিৱেশ আন্দোলনৰ এক লেখত ল'বলগীয়া অধ্যায়। বিলাসীপাৰাৰ হাকামা বিল অসমৰ প্ৰথমখন প্ৰস্তাৱিত সংৰক্ষণ নিৱেশ (Conservation Reserve, 2003 Act)। বিলাসীপাৰাৰ ৰাজনীতি, সমাজনীতি, সংস্কৃতি সাহিত্যৰ বৰ্ণাঢ্য ইতিহাস আছে। শৰৎ চন্দ্ৰ সিংহৰ দৰে মহান ৰাজনীতিকৰ জন্মদাতা হৈছে বিলাসীপাৰা মহকুমাৰ ৰাইজ । বিলাসীপাৰা মহকুমাৰ পৰা আজিও প্ৰকাশ পাই আছে সমন্বয়ৰ প্ৰতীক সপ্তবাৰ্তা, বিগত এঘাৰ বছৰ ধৰি প্ৰকাশ পাই অহা পৰিৱেশ পত্ৰিকা - সেউজ পত্ৰিকা, বাৰ্তালোচনী অৱবাহিকা, গৱেষণা পত্ৰিকা - গ্লোৱেল ৰিচাৰ্ছ মেথডোলজি জাৰ্নেল আদি। ইয়াৰ ময়নামতী, কাজল-ভোমোৰাই অসমৰ চুকেকোণে বিলাই আছে গোৱালপাৰীয়া লোকসংস্কৃতিৰ কীৰ্তি। নতুন পুৰুষে শিক্ষা, প্ৰশাসন, সমাজ সেৱা আদিৰ কামত সগৌৰৱে অৱদান আগবঢ়াইছে। বহু সীমাবদ্ধতাকো নেওচি বিলাসীপাৰাৰ সভ্যতা আজি গতিশীল । বিলাসীপাৰাৰ জনতাই অসমৰ, ভাৰতৰ প্ৰতিটো- জাতীয় আন্দোলনত অংশ গ্ৰহণ কৰি জাতীয় ইতিহাসত যুগমীয়া স্বাক্ষৰ ৰাখিবলৈ সক্ষম হৈছে। বিলাসীপাৰাবাসী ৰাইজৰ ইচ্ছাৰ প্ৰতি সন্মান জনাই ১৯৮৯ চনৰ ১ অক্টোৱৰত তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত চৰকাৰে অঞ্চলটোক মহকুমাৰূপে ঘোষণা কৰি কেৱল যে প্ৰশাসনীয় সুচলতাই আনি দিছিল এনে নহয়, অসমৰ ভূগোল আৰু বুৰঞ্জীত বিলাসীপাৰাক সন্মানিতও কৰিছিল। যিসকল সজ্জনৰ আশা শুধীয়া প্ৰচেষ্টাত এই মহকুমা গঠন সম্ভৱ হ'ল তেওঁলোক কৃতজ্ঞতাৰ পাত্ৰ। আজি এই মহকুমাৰ সোঁৱৰণীৰ ৰূপালী ঘাটত বৈ আমি অনুভৱ কৰিছো বিলাসীপাৰা মহকুমাবাসী প্ৰতিজন নাগৰিকৰ হৃদয়ৰ গৌৰৱ ধ্বনি আৰু লগতে এদিন সোঁৱৰণীৰ সোনালী ঘাটত বান্ধিব লগা 'বিলাসীপাৰা জিলা' ৰূপী জাহাজৰ আশাৰ গুঞ্জন। এই স্মৃতিগ্ৰন্থখনে বিলাসীপাৰাবাসীৰ সেই গৌৰৱ-গুঞ্জনকে প্ৰতিধ্বনিত কৰিছে।

পৰাগ কুমাৰ কাকতী, এ.চি.এছ.
ড° হৰিচৰণ দাস


◆◆




গৌৰাং নদীৰ দলং ।। আলোক চিত্ৰ - বুকু

*With Best Compliments from -*

+9194351-25674 (M)
03667-250272 (O)




**Jag-Jeet Trunk & Bucket Factory**

**Deals in :**

G.C. / G.P. Sheets, TATA Tiscon, Nirman TMT Bar,
Hardware Goods, S.S. Utensils & Aluminium Utensils etc.

**Near I.N.A. Playground, Bilasipara (Assam) - 783348**

---

Mobile : 09864849541

# Subh-Karan Singhi

**Authorised Dealer :**

STAR® CEMENT Solid Setting — LAFARGE CEMENT — Amrit™ Cement

**Near I.N.A. Playground, Bilasipara (Assam) - 783348**

# বিলাসীপাৰা মহকুমা গঠনৰ ঘটনাপঞ্জী

দয়াল পাল

বিলাসীপাৰা মহকুমা গঠনৰ প্ৰক্ৰিয়া ১৯৭৫ চনৰ পৰাই আৰম্ভ হয়। ১৯৭৫ চনত বিলাসীপাৰাৰ কিছু গণ্যমান্য ব্যক্তি বিলাসীপাৰাত মহকুমা গঠনৰ বাবে চৰকাৰৰ ওচৰত আবেদন জনায়। অসম চৰকাৰে মহকুমা গঠনৰ যুক্তিযুক্ততা বিচাৰ কৰাৰ বাবে এটি আয়োগ গঠন কৰে। উক্ত আয়োগ কোহিলী আয়োগ হিচাবে জনাজাত। উক্ত কোহিলী আয়োগে ১৯৭৬ চনত বিলাসীপাৰা ভ্ৰমণ কৰে আৰু বিভিন্ন জনৰ পৰা সাক্ষ্য গ্ৰহণ কৰে আৰু মহকুমা গঠনৰ যুক্তিযুক্তাক সুপাৰিচ কৰি চৰকাৰক প্ৰতিবেদন দাখিল কৰে। কিন্তু চৰকাৰে উক্ত প্ৰতিবেদনৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰি পেলাই থয়।

তাৰ পিছত ১৯৭৯ চনৰ ৭ জানুৱাৰী তাৰিখে বিলাসীপাৰাত মহকুমা গঠন কৰাৰ দাবীত বিলাসীপাৰা পাব্লিক হাইস্কুল প্ৰাঙ্গণত গিয়াচ উদ্দিন আহমেদ, এম.এল.এ ৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত চাপৰ, শালকোচা, লক্ষীগঞ্জ, ৰাণীগঞ্জ, বৰকান্দা, সাপটগ্ৰাম আদিৰ পৰা নেতৃস্থানীয় ব্যক্তি সকল উপস্থিত থাকে। সভাত প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহকে ধৰি ভালে মান বক্তাই মহকুমা গঠনৰ যুক্তিযুক্ততাৰ ওপৰত বক্তব্য আগবঢ়ায়। বিস্তাৰিত আলোচনাৰ অন্তত সভাই নিম্নলিখিত ব্যক্তি সকলক লৈ এখন প্ৰচাৰ সমিতি গঠন কৰি দিয়ে। সদস্য সকল হৈছেঃ - গিয়াছ উদ্দিন আহমেদ, বিধায়ক, শৰদিন্দু চক্ৰৱৰ্ত্তী, ডাঃ হীৰেণ ভট্টাচাৰ্য, হীৰেণ শৰ্ম্মা, ৰমেশ ৰায়, অনিমেষ বৰ্ম্মণ আৰু পঞ্চানন দাস। উক্ত কমিটীয়ে বিভিন্ন অঞ্চলত মেল মিটিং পাতি জনমত গঠন কৰে।

১৯৮৩ চনৰ ২৩ জুন তাৰিখে এটা ১৫ জনীয়া সঁজাতি দলে মুখ্যমন্ত্ৰী হীতেশ্বৰ শইকীয়াক দিছপুৰত লগ ধৰি বিলাসীপাৰাত মহকুমা গঠনৰ দাবীত এখন স্মাৰক পত্ৰ প্ৰদান কৰে।

উক্ত স্মাৰক পত্ৰৰ অসমীয়া ভাঙনি তলত ডাঙি ধৰা হ'ল।

<u>স্মাৰক পত্ৰ</u>

বিষয় ঃ- বিলাসীপাৰা, বগৰীবাৰী, চাপৰ ভূমিচক্ৰ, দক্ষিণ শালমাৰা থানা আৰু গোৱালপাৰা মহকুমাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰস্থ কিয়দাংশক সামৰিলৈ এটি মহকুমা গঠনৰ হকে।

মহাশয়,

আমি বিলাসীপাৰা, বগৰীবাৰী, চাপৰ ভূমিচক্ৰ, দক্ষিণ শালমাৰা থানা আৰু গোৱালপাৰা মহকুমাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰস্থ কিয়দংশ অঞ্চলৰ সমূহ ৰাইজৰ পক্ষে, নিম্ন স্বাক্ষৰকাৰী লোক সকলে নিম্নোক্ত কথাখিনি আপোনাৰ ওচৰত সদয় আৰু সহানুভূতিশীল বিবেচনাৰ্থে আগবঢ়ালো।

১) জনকল্যাণকামী ৰাষ্ট্ৰ এখনৰ ক্ৰমবৰ্দ্ধমান চাহিদাৰ সৈতে সঙ্গতি ৰাখি জনগণৰ আৰ্থ-সামাজিক উন্নয়ন তথা গণতান্ত্ৰিক মূল্যবোধ নিশ্চিত কৰিবলৈ প্ৰশাসন ব্যৱস্থাক মানুহৰ কাষলৈ চপাই লৈ যোৱাটো কৰ্ত্তব্য। প্ৰায় এক শতিকা পূৰ্ব্বে বৃটিছ ৰাজত্বই নিজৰ শাসন শোষণৰ সুবিধাৰ্থে গঠন কৰা জিলা আৰু মহকুমা সমূহে আজিৰ কল্যাণকামী ৰাষ্ট্ৰ বা ৰাজ্য এখনৰ উদ্দেশ্য কাচিৎ হে পূৰণ কৰিব পাৰিছে। গতিকেই ৰাজ্যৰ সাৰ্বিক উন্নয়নাৰ্থে শাসনযন্ত্ৰৰ সুস্থ পৰিচালনাৰ বাবে প্ৰশাসনীয় গোটবোৰৰ পুনৰ্গঠন দৰ্কাৰ হৈ পৰিছে।

২। আমি ভাল পাইছো যে, চৰকাৰে প্ৰশাসনক জনমুখী কৰাৰ নীতিৰ দ্বাৰা চালিত হৈ ইয়াক জনগণৰ কাষলৈ চপাই নিয়াৰ উদ্দেশ্যে ৰাজ্য খনৰ জিলা আৰু মহকুমাবোৰৰ পুনৰ্গঠনৰ বাবে ব্যৱস্থাৱাজি হাতত লৈছে আৰু অচিৰেই কিছু সংখ্যক নতুন জিলা আৰু মহকুমা গঠন কৰা হ'ব।

৩। প্ৰসঙ্গক্ৰমে আমি উনুকিয়াব খোজোঁ যে, শাসন পৰিচালনা গোটবোৰৰ পুনৰ্গঠন সংক্ৰান্তত গোৱালপাৰা জিলাত অৱস্থিত গুৰুত্বপূৰ্ণ ঠাই বিলাসীপাৰা, বগৰীবাৰী, চাপৰ আৰু ইয়াৰ সংলগ্ন এলেকাত মহকুমা গঠনৰ বাবে জনোৱা দীৰ্ঘদিনীয়া প্ৰস্তাৱটো বিবেচনা নকৰাটো চৰকাৰী সিদ্ধান্তৰ এটি ডাঙৰ ত্ৰুটি।

আমি বিষয়টো পুনৰ মুকলিৰ বাবে আৰু নিম্ন বৰ্ণিত তালিকাৰ ঠাই সমূহক সামৰি লৈ প্ৰায় চাৰি লাখ জনসংখ্যা অধ্যুষিত আৰু অন্যান্য যুক্তি সম্বলিত অঞ্চলটোত মহকুমা এটি গঠনৰ বাবে অনুকূল ব্যৱস্থা গ্ৰহণ কৰিব বুলি আপোনাক অনুৰোধ জনালো।

৪। দেশ বিভক্ত হোৱাৰ বাবে আৰু তদানীন্তন পূৰ্ব্ববঙ্গৰ

মাজেদি জলপথেৰে দেশৰ বাকী অংশৰ লগত সংযোজিত অসমৰ এখন বৃহত্তম আভ্যন্তৰীণ নদী বন্দৰ ধুবুৰীৰ নদীপথ বন্ধ হৈ যোৱাৰ বাবে গুৰুত্বৰ ফালৰ পৰা ধুবুৰী বৰ্তমানে এটি আওহতীয়া স্থানলৈ পৰ্য্যবসিত হৈছে। জিলাৰ কাৰ্য্যালয় এটা চুকত অৱস্থিত হৈ, তিনিও ফালে নদীৰে পৰিবেষ্টিত হৈ কেৱল এটি ক্ষীণ ভূমিখণ্ড মাৰফৎ জিলাৰ বাকী অংশৰ সৈতে সংলগ্ন হোৱাত, জিলাৰ সদৰ ঠাই ধুবুৰীৰ, ইয়াৰ অতীত গৌৰৱ আৰু ঐতিহাসিক গুৰুত্ব যিমানেই নহওক লাগে, বৰ্ত্তমানে ইয়ে জনসাধাৰণৰ অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক জীৱন প্ৰবাহৰ স্ৰোতৰ পৰা বিছিন্ন হৈ পৰিছে। যথাৰ্থতে, বিভিন্ন কাৰণবশতঃ যেনে অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক কাৰণত গোৱালপাৰা মহকুমাৰ সীমান্তবৰ্তী চম্পাৱতী নদীৰ পৰা বিস্তৃত হৈ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰস্থ বিশাল জনগোষ্ঠীৰ লগত জিলাৰ সদৰ ঠাইৰ বহল পাৰ্থক্য গঢ়ি উঠিছে। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণ আৰু প্ৰশাসন কৰ্ত্তৃপক্ষৰ মাজত নিকট সম্বন্ধ বৰ্ত্তাই ৰখা কঠিন হৈ পৰিছে। আৰু সেই বাবেই ধুবুৰী মহকুমাৰ সদৰ কাৰ্য্যালয়ে ইয়াৰ লগত জৰিত মানুহবোৰৰ গণতান্ত্ৰিক আকাঙ্খা সমূহ পূৰণ কৰিব নোৱাৰে। সেই বাবেই আমি গভীৰভাবে অনুভব কৰিছো - জনসাধাৰণৰ আশা আকাঙ্খা পূৰণাৰ্থে ওপৰোক্ত ঠাই সমূহক লৈ এটা পৃথক মহকুমা গঠন কৰাটো অনিবাৰ্য্য হৈ পৰিছে। বিলাসীপাৰাত এটা মহকুমা গঠন কৰাৰ পাছতো ধুবুৰীক ইয়াৰ সংলগ্ন গৌৰীপুৰ, গোলকগঞ্জ, আগমণি চক্ৰক সামৰি মহকুমা হিচাবে ৰাখিব পৰা যায়।

২। উত্তৰে কোকৰাঝাৰ মহকুমা, দক্ষিণে ব্ৰহ্মপুত্ৰ, পূবে চম্পাৱতী নদী আৰু পশ্চিমে গৌৰীপুৰ আৰু গোলকগঞ্জ ভূমিচক্ৰৰ দ্বাৰা পৰিবেষ্টিত ভূ-ভাগত প্ৰায় চাৰি লাখ জন-সংখ্যাৰ ঘনবসতি। পূৰ্বৰ পৰা পশ্চিমলৈ জাতীয় উচ্চ আলিবাট থকা আৰু ৰেল ষ্টেচনৰ লগত বিভিন্ন পথেৰে সংলগ্ন উক্ত সমস্ত এলেকাৰ মাজত প্ৰস্তাৱিত মহকুমা গঠন কৰা হলে চৰকাৰী শাসনযন্ত্ৰই জনগণৰ উন্নয়ন কৰিব পৰা আদৰ্শ প্ৰশাসনীয় গোট হ'ব।

৩। উপৰোক্ত সত্য সমূহৰ পৰিপ্ৰেক্ষিতত- বৰ্ত্তমান ধুবুৰী মহকুমাৰ অন্তৰ্গত সমগ্ৰ উত্তৰ পাৰৰ জনসংখ্যা প্ৰায় আঠ লাখ আৰু ১৯৭১ চনৰ লোকপিয়লৰ স্বাভাৱিক জনসংখ্যা বৃদ্ধিৰ বিবেচনা কৰি ওপৰত উল্লেখিত এলেকাত প্ৰায় চাৰি লাখ জনসংখ্যা থকাত এটা পৃথক মহকুমা গঠন কৰাটো সম্পূৰ্ণৰূপে যুক্তিযুক্ত হ'ব আৰু এই মহকুমাটো ঘোষিত হবলগীয়া যিকোনোটোতকৈ জনসংখ্যাৰ ফালৰ পৰা সংখ্যাগৰিষ্ঠ হ'ব।

৪। বিভিন্ন উৎসৰ পৰা যেনে ভূমি ৰাজহ, কৃষি, বন, ব্যৱসায়-বাণিজ্য আৰু অন্যান্য উৎসৰ পৰা সংগৃহীত হ'বলগীয়া চৰকাৰী ৰাজহৰ দ্বাৰা প্ৰস্তাৱিত মহকুমাটো অন্যান্য ঘোষিত হ'বলগীয়া নতুন যি কোন মহকুমাতকৈ আৰ্থিকভাবে অধিক টনকিয়াল হ'ব।

৫। মিশ্ৰিত জনসংখ্যাৰ পৰিপ্ৰেক্ষিতত এই এলেকাত প্ৰশাসনীয় তথা আইন শৃঙ্খলা বজাই ৰখা দিশৰ পৰা চালেও এটা প্ৰশাসনিক গোট অৰ্থাৎ মহকুমা সদৰ কাৰ্য্যালয় অতীৱ প্ৰয়োজন।

৬। সংক্ষেপে, এই প্ৰসঙ্গত জনসংখ্যা, এলেকা আৰু অন্যান্য দিশ বিবেচনা কৰি ওপৰত উল্লেখ কৰা সীমাৰ ভিতৰত এটা মহকুমা স্থাপন কৰাটো যুক্তিসঙ্গত হ'ব।

এই অৱস্থা সমূহৰ পৰিপ্ৰেক্ষিতত, আমি আপোনাক এটা সঠিক আৰু আইন সঙ্গত পৰীক্ষাৰ বাবে নিৰ্দ্দেশ দিবলৈ প্ৰস্তাৱটো বিবেচনাৰে তথা জনসাধাৰণৰ স্বাৰ্থত উল্লেখিত এলেকা সামৰি এটা মহকুমা ঘোষণা কৰাৰ আৱশ্যকীয় কাৰ্য্যপন্থা হাতত লবলৈ অনুৰোধ জনালো।

- তালিকা -

১। বিলাসীপাৰা থানা ঃ-(ক) বিলাসীপাৰা ভূমিচক্ৰ (খ) বগৰীবাৰী ভূমিচক্ৰ ।

২। চাপৰ থানা ঃ- (ক) চাপৰ ভূমিচক্ৰ

৩। মাজেৰআলগা গাওঁ পঞ্চায়ত (গোৱালপাৰা মহকুমাৰ)

৪। সতীৰমুখ, গাছপাৰা, কচুদোলা, ৰৌভুবি গাওঁ (গোৱালপাৰা মহকুমাৰ যোগীঘোপা গাওঁ পঞ্চায়ত)

৫। কলসাভাঙ্গা গাওঁ পঞ্চায়ত (গোৱালপাৰা মহকুমাৰ)

৬। জৰুৱা বন্দিহানা গাওঁ পঞ্চায়ত (দঃ শালমাৰা থানাৰ)

আপোনাৰ বিশ্বাসী -

স্বাক্ষৰকাৰীসকল ঃ-ঁশৰৎ চন্দ্ৰ সিংহ, গিয়াচ উদ্দিন আহমেদ, ঁডালিম কুমাৰ মেধি, ঁসিৰাজ উদ্দিন, এম.এল.এ , ঁমজিবৰ ৰহমান, ঁপুলক কুমাৰ চক্ৰবৰ্ত্তী, ঁঅনিমেষ বৰ্ম্মণ, ঁহবিবৰ ৰহমান, ঁৰমেশ ৰায়, ঁখগেশ ৰায়, আনোৱাৰ হুচেইন, ঁমানিক দাস, ইউছুৰ আলী আহমেদ,

প্ৰবীৰ কুমাৰ দে, ঁসুৰত জামাল, ঁআহমেদ হুচেইন, ছৈয়দ আহমেদ আলী।

এই স্মাৰকপত্ৰ পোৱাৰ পিছত ১৯৮৫ চনত হিতেশ্বৰ শইকীয়া চৰকাৰে বিলাসীপাৰাত মহকুমা গঠনৰ কথা ঘোষণা কৰে। ইয়াৰ পিছতেই মহকুমা গঠনৰ চৰকাৰী প্ৰক্ৰিয়া আৰম্ভ হয়।

১৯৮৮ চনৰ ২৮ নভেম্বৰ তাৰিখে অসম চৰকাৰৰ মহকুমা পুনৰ্গঠন আয়োগৰ অধ্যক্ষ হেমন্ত কুমাৰ মজুমদাৰে বিলাসীপাৰা ভ্ৰমণ কৰে আৰু ৰাইজৰ পৰা স্মাৰক পত্ৰ গ্ৰহণ কৰে। ইয়াত ঁশৰৎ চন্দ্ৰ সিংহ, গিয়াচ উদ্দিন আহমেদ, ঁসিৰাজ উদ্দিন, ইউছুফ আলী আহমেদ (এম.এল.এ.) আদিৰ নেতৃত্বত স্মাৰক পত্ৰ দাখিল কৰা হয়। অসম গণ পৰিষদ, সদৌ অসম ছাত্ৰ সন্থা আদি কৰি বহুতেই স্মাৰক পত্ৰ প্ৰদান কৰে।

ইয়াৰ পিছত ৯-৯-১৯৮৯ তাৰিখৰ গেজেট নো.টিফিকেচন যোগে চৰকাৰে বিলাসীপাৰা মহকুমা ঘোষণা কৰে আৰু ১-১০-১৯৮৯ তাৰিখে তৎকালীন ধুবুৰীৰ অতিৰিক্ত উপায়ুক্ত ভগবান বৰাক মহকুমাধিপতি নিয়োগ কৰি বিলাসীপাৰা চাৰ্কোল অফিচত মহকুমাধিপতিৰ কাৰ্য্যালয় অস্থায়ীভাবে উদ্বোধন কৰা হয়। ইয়াৰ পিছত ১৫-১১-১৯৮৯ তাৰিখে তৎকালীন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই উক্ত চাৰ্কোল অফিচতেই ফলক উন্মোচন কৰি আনুষ্ঠানিক ভাবে বিলাসীপাৰা মহকুমা উদ্বোধন কৰে। ২৬-৮-১৯৯৭ তাৰিখে মহকুমাধিপতিৰ কাৰ্য্যালয় বি. টি. এ. ডি.ৰ অন্তৰ্গত গৌৰাঙ্গ নগৰলৈ স্থায়ী ভাবে স্থানান্তৰিত কৰা হয়।

উল্লেখযোগ্য যে, গেজেট নোটিফিকেচনত মহকুমা সদৰ বিলাসীপাৰা বুলি স্পষ্ট ভাবে উল্লেখ থকাৰ পিছতো ৰাজনৈতিক কাৰণত মহকুমাৰ সদৰ কাৰ্য্যালয় গৌৰাঙ্গ নগৰত স্থাপন কৰা হয়। গেজেট নোটিফিকেচন তলত ডাঙি ধৰা হ'ল ঃ-

No. GAG(B)370/87110:- The Governor of Assam is,for administrative expediency, pleased to sanction the formation of a new Sub-Division in the District of Dhubri to be known as **Bilasipara Sub-Division with its headquarter** at Bilasipara comprising the area shown in the schedule below :-

**SCHEDULE**

1. Chapar Circle
2. Bilasipara Circle
3. Bogribari Circle

These orders shall take effect from 1st October, 1989.

ইয়াতে উল্লেখযোগ্য যে ১৯৯৩ চনত বি.এ.চি. চুক্তিৰ সময়ত চাপৰ চাৰ্কোলৰ অন্তৰ্গত বামুনগাওঁ ২য় খণ্ড গাওঁ ( যি ঠাইত বৰ্ত্তমানে মহকুমা সদৰ আছে) বি.এ.চি.ৰ অন্তৰ্ভূক্ত হয় যদিও বি.এ.চি. নেতৃত্বৰ লগত বুজাবুজি কৰি গাওঁ কৰ্ত্তন কৰিছিল । কিন্তু ২০০৩ চনত বি.টি.চি. চুক্তি স্বাক্ষৰিত হোৱাৰ সময়ত বি.টি.চি.ত পুনৰায় অন্তৰ্ভূক্ত হয় আৰু অসম চৰকাৰে মহকুমা সদৰ স্থানান্তৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সংক্ৰান্তত ২২/১২/২০০৩ তাৰিখে তদানীন্তন বিধায়ক আলী আকবৰ মিঞাৰ এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে কয় – যিহেতুকে কাৰ্য্যালয়টো বি.টি.চি. এলেকাত পৰিছে সেইহেতু চৰকাৰে স্থানান্তৰ কৰাৰ সিদ্ধান্ত লৈছে।

ইতিমধ্যে বিলাসীপাৰা মহকুমাৰ মহকুমাধিপতিয়ে মহকুমা সদৰ কাৰ্য্যালয় নিৰ্মাণৰ বাবে No. BRP.8/97/342 Dated Bilasipara the 15th December, 2003.নং চিঠি যোগে বিলাসীপাৰা চাৰ্কোল অফিচ সংলগ্ন ৪২ বিঘা মাটি আবন্টন দি চৰকাৰক প্ৰস্তাৱ দাখিল কৰে। কিন্তু ১১ বছৰ হ'ল মহকুমা সদৰ আজিও বি.টি এ.ডিতেই আছে। ইফালে বিলাসীপাৰা মহকুমাক জিলালৈ উন্নীত কৰাৰ দাবী উত্থাপিত হৈছে।

বিলাসীপাৰা মহকুমা গঠন হোৱাৰ ২৫ বছৰ হ'ল যদিও বিলাসীপাৰা মহকুমা বাসী চৰকাৰ নিৰ্দ্ধাৰিত বহু সা-সুবিধাৰ পৰা বঞ্চিত। যেনে –

১। **১০০ খন বিছনাযুক্ত মহকুমা চিকিৎসালয় ঃ-** চৰকাৰী নিয়ম মতে প্ৰশাসনিক মহকুমা গঠন হোৱাৰ লগে লগে ১০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয় এখন স্থাপন হ'ব লাগে। কিন্তু দুখৰ বিষয় বিলাসীপাৰা মহকুমা গঠনৰ ২৫ বছৰে ১০০ বিছনাযুক্ত মহকুমা চিকিৎসালয় নহ'ল।

যোৱা ১১/৯/৯৫ তাৰিখে তৎকালীন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই ১০০ খন বিছনাযুক্ত মহকুমা চিকিৎসালয়ৰ ভিত্তি প্ৰস্তৰ

স্থাপন কৰে বিলাসীপাৰা চহৰৰ পৰা ৯ কিঃ মিঃ আতৰত অৱস্থিত যমদুৱাৰ নামৰ আওহতীয়া পাহাৰীয়া ঠাইত। নিৰ্মাণ কাৰ্য্যও আৰম্ভ হ'ল। কিন্তু প্ৰদূষণ নিয়ন্ত্ৰণ আৰু বন বিভাগৰ আপত্তিত নিৰ্মাণ কাৰ্য্য বন্ধ হৈ গ'ল।

ইয়াৰ পিছত যোৱা ১২/৪/৯৮ তাৰিখে নিৰ্মাণ কাৰ্য্য বন্ধ হোৱা চিকিৎসালয়ৰ কাষত নাৰ্চৰ প্ৰশিক্ষণ কেন্দ্ৰৰ ভিত্তি প্ৰস্তৰ স্থাপন কৰি পূৰ্ণোদ্যমে কাম আৰম্ভ হ'ল। নাৰ্চৰ প্ৰশিক্ষণ কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য্য শেষ হ'ল যদিও চিকিৎসালয় নহ'ল। চিকিৎসালয় নহ'লে নাৰ্চৰ ট্ৰেইনিং চেন্টাৰ হ'ব নোৱাৰে। উপায়ন্তৰ হৈ ২৬/৩/২০০১ তাৰিখে নাৰ্চৰ প্ৰশিক্ষণ কেন্দ্ৰটোকেই ১০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ ৰূপান্তৰিত কৰি তৎকালীন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই উদ্বোধন কৰিলে। লগে লগে নাৰ্চৰ প্ৰশিক্ষণ কেন্দ্ৰটো বাতিল হৈ গ'ল।

উদ্বোধন কৰা হাস্পতালখন যিহেতু নিৰ্জ্জন পাহাৰীয়া ঠাইত আৰু ডাক্তৰ-নাৰ্চ-দৰৱ পাতিকে ধৰি অন্যান্য সা-সুবিধাৰ অভাৱৰ বাবে তালৈ ৰোগী নোযোৱা হ'ল সেইহেতু হাস্পতালটো বন্ধ কৰি মিলিটাৰী কেম্প পাতি দিয়া হ'ল। বৰ্তমানো হাস্পতালখন পৰিত্যক্ত অৱস্থাত পৰি আছে।

ইয়াৰ পিছত যোৱা ২২/২/২০০৬ তাৰিখে তৎকালীন স্বাস্থ্য মন্ত্ৰী ভূমিধৰ বৰ্মণে আহি বিলাসীপাৰা উপ-স্বাস্থ্য কেন্দ্ৰ চৌহদত নতুনকৈ চিকিৎসালয়ৰ ভিত্তি প্ৰস্তৰ স্থাপন কৰিলে যদিও সেয়াও নিৰ্মাণ নহ'ল। চূড়ান্ত ভেকোভাওনাৰ পিছত ৩০/১/২০০৯ তাৰিখে মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে চিকিৎসালয়ৰ ভিত্তি প্ৰস্তৰ স্থাপন কৰে বিলাসীপাৰা চহৰৰ পৰা ৫ কিঃ মিঃ উত্তৰত অৱস্থিত উপযুক্ত ৰাস্তা-ঘাট আৰু অন্যান্য আন্তঃগাঁথনি নথকা দ্বীপৰকুটি গাৱঁত। ভিত্তি প্ৰস্তৰ স্থাপন কৰি ১৮ মাহৰ ভিতৰত (তাৰ মানে ২০১০ চনৰ জুলাই মাহৰ ভিতৰত) নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হ'ব আৰু ৰাইজৰ সেৱাত মুকলি কৰি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিলে। কিন্তু বৰ দুখ আৰু পৰিতাপৰ বিষয় যে আজি ৬৫ মাহ অতিক্ৰম হোৱাৰ পাছতো নিৰ্মাণকাৰ্য্য অৰ্দ্ধ সমাপ্ত হৈ পৰি আছে। কেতিয়া আৰম্ভ হ'ব তাৰ কোনো নিশ্চয়তা নাই।

বিলাসীপাৰা চহৰ হোৱাৰ ৫৪ বছৰ হ'ল আৰু মহকুমা সদৰ হোৱাৰ ২৫ বছৰ হ'ল যদিও বিলাসীপাৰাত আছে বৃটিছ আমোলৰ মাত্ৰ এটা উপ-স্বাস্থ্য কেন্দ্ৰ। এই চিকিৎসাকেন্দ্ৰৰ পৰাই বিলাসীপাৰা অঞ্চলৰ দুই লক্ষাধিক ৰাইজে গ্ৰহণ কৰি আছে চিকিৎসা সেৱা। এই উপ-স্বাস্থ্যকেন্দ্ৰটোক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰিবলৈ বহু দিন ধৰি দাবী কৰি অহা হৈছে যদিও চৰকাৰে আজিলৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই।

২। বিশুদ্ধ খোৱা পানী যোগান ঃ-অসমৰ ভিতৰত বিলাসীপাৰাই বোধহয় একমাত্ৰ মহকুমা সদৰ চহৰ য'ত বিশুদ্ধ খোৱাপানী যোগানৰ কোনো ব্যৱস্থা নাই। ১৯৯৭ চনৰ পৰা নগৰ পানী যোগান আঁচনি এখন আৰম্ভ কৰিছিল যদিও এক চতুৰ্থাংশ কামো সম্পূৰ্ণ হোৱা নাই। পানীতো দূৰৰ কথা।

৩। ৰাজহুৱা পুথিভঁৰাল ঃ- মহকুমা গঠনৰ ২৫ বছৰ হল যদিও আজিলৈকে ইয়াত মহকুমা পুথিভঁৰাল নহ'ল। বহু আবেদন নিবেদন কৰাৰ পিছত এটুকুৰা বিতৰ্কিত মাটি আবন্টন দিয়াৰ বাহিৰে আন কোনো পদক্ষেপ চৰকাৰে লোৱা নাই। ২০০৭ চনত বিলাসীপাৰাৰ কেইগৰাকীমান উদ্যোগী সমাজকৰ্মী ড° হৰিচৰণ দাস, অজন্ত কলিতা আৰু প্ৰান্তৰ দাসে ৰাইজৰ এই দাবীটো তেতিয়াৰ মহকুমাধিপতি হেমেন দাস ডাঙৰীয়াক স্মাৰক পত্ৰ যোগে জনোৱাত দাস ডাঙৰীয়াই নিজা উদ্যোগ লৈ, নগৰ সমিতিৰ সৰু ৰাজহুৱা ভৱনটোত এটা বেচৰকাৰী মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰ দিহা কৰে। ২০০৭ চনৰ ২ জানুৱাৰী তাৰিখে উদ্বোধিত এই গ্ৰন্থাগাৰটো একাংশ পুথিপ্ৰেমীৰ সহযোগত চলি আছে আৰু 'চিত্ৰলেখা' নামেৰে এখন সাহিত্যলোচনীও নিয়মীয়াকৈ প্ৰকাশ কৰি আছে। গ্ৰন্থাগাৰিক দিৱস, শিল্পী দিৱস, বিষ্ণু ৰাভা দিৱস সময়ে সময়ে আলোচনা চক্ৰ আদি পাতি, স্থানীয় ৰাসমেলাত হাতেলিখা প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি অনুষ্ঠানটোৱে এটা স্বেচ্ছাসেৱী গ্ৰন্থাগাৰৰূপে সেৱা আগবঢ়াই আছে। চৰকাৰী মহকুমা গ্ৰন্থাগাৰৰ বিকল্পৰূপে বিলাসীপাৰাৰ বৌদ্ধিক সমাজে এই গ্ৰন্থাগাৰটোকেই মহকুমা গ্ৰন্থাগাৰ বুলি শান্তনা লভিছে। সুখৰ বিষয় যে এই গ্ৰন্থাগাৰলৈ সময়ে সময়ে খ্যাতিমান লেখক, অভিনেতা, শিল্পী আদিয়ে আহি আলোচনা আদিত ভাগ লৈছে। বিলাসীপাৰাৰ বহু প্ৰতিভাধৰক গ্ৰন্থাগাৰটোৱে সম্বৰ্ধনা জনাই অঞ্চলটোত কৃচ্ছ সাধনাৰ পৰিৱেশ সৃষ্টিৰ চেষ্টা চলাই আছে।




৪। **আৱৰ্ত্ত ভৱন** ঃ- বহু আবেদন নিবেদন কৰাৰ পিছত আৱৰ্ত্ত ভৱন নিৰ্মাণৰ কাম আৰম্ভ হৈছিল যদিও অৰ্দ্ধ সমাপ্ত হৈ পৰি আছে।

৫। **মহকুমা পৰ্য্যায়ৰ চৰকাৰী কাৰ্য্যালয়** ঃ- মহকুমা গঠনৰ ২৫ বছৰ হ'ল যদিও আজিলৈকে বহু চৰকাৰী কাৰ্য্যালয় স্থাপন নহ'ল। যেনে ঃ- (১) সমবায়, (২) সমাজ কল্যাণ, (৩) নিয়োগ বিনিময় কেন্দ্ৰ, (৪) বিক্ৰীকৰ ইত্যাদি।

আশাকৰো অদূৰ ভৱিষ্যতে এনেবোৰ অভাৱ দূৰ হ'ব আৰু মহকুমাটো পৰিপূৰ্ণ হ'ব।

*( লেখক - 'দি ছেন্টিনেল' কাকতৰ সাংবাদিক )*

◆◆

# ভুল

সেখ মহম্মদ উল্লাহ

কলমডাল হাতত তুলি লৈছো।
নীলা চিয়াঁহীৰ আখৰেৰে উকা কাগজখনতেই
ভুলৰ সংখ্যাবোৰ লিখিছো।
আকৌ কাটিছো
কাটিছো লিখিছো
নাই !
হিচাপ নিমিলে।
অহ্, মইতো অংক নাজানো
এতিয়াহে মনত পৰিল
এইবাৰ ভুলবোৰ বৰ্ণমালাৰে লিখিম
বৰ্ণমালাবোৰ শব্দ হ'ব
শব্দবোৰ বাক্য
তাৰ পিছত -
দাৰি, কমা বহুৱাই
ভুলবোৰৰ ইতিহাস লিখিম
যাতে মোৰ অনুজসকলে
আৰু ভুল নকৰে।



*( কবি বিলাসীপাৰা মহকুমা যোগান বিভাগৰ উপ-পৰিদৰ্শক)*

◆◆

*With Best Compliments From -*

# ABHINANDAN

**A HOUSE OF FASHION WEAR & SAREES**

J.P. Road, Bilasipara
Dist. Dhubri (Assam)
PIN -783348



Exclusive Showroom of
Manyavar, Pan America, Park Avenue, Raymond, Levi Strauss, Camaro, Jockey, Duke, UV & W.

# জমিদাৰকালীন বিলাসীপাৰা

অমূল্য কুমাৰ কৰ্মকাৰ

ইতিহাসৰ পাতত ৰাজতন্ত্ৰ আদিৰ কথা আলোচিত হয়। বিলাসীপাৰা তথা পুৰণি গোৱালপাৰা জিলা ৰাজতন্ত্ৰ (কোচ ৰজাৰ ৰাজত্ব) মোগলৰ অধীনত সামন্ততন্ত্ৰ আৰু শেষত বৃটিছ শাসনৰ অভিজ্ঞতাপুষ্ট । ১৯৪৭ চনৰ পৰা স্বাধীন ভাৰতৰ অংশ হিচাবে অতি গৌৰৱেৰে গণতন্ত্ৰৰ সোৱাদ গ্ৰহণ কৰি আছে।

মোগল আমোলত মোগল অধিকৃত অঞ্চলত ৰাজহ সংগ্ৰহৰ কাৰণে জায়গীৰ আৰু জমিদাৰী প্ৰথা প্ৰচলিত আছিল। কোচ আহোম বিৰোধৰ পিছত মোগল আহোম বিৰোধৰ ফলত মানাহ নৈ লৈকে মোগল সাম্ৰাজ্য বিস্তৃত হয়। গহীন বনাঞ্চল, নদ-নদী, খাল-বিল পূৰ্ণ অনুৰ্বৰ ভূমি, ক্ষীণ জনবসতি । ৫০০ বৰ্গ কিঃমিঃ চাপৰ এষ্টেটৰ ১৮৫৩ চনৰ জনসংখ্যা ৩৭২০ জন মাত্ৰ অৰ্থাৎ প্ৰতি বৰ্গ কিলোমিটাৰত ৮ জন প্ৰায় ('ইতিহাসেৰ আলোকে চাপৰ এষ্টেট') মোগলে অধীকৃত অঞ্চলৰ শাসন আৰু ৰাজহ সংগ্ৰহৰ দায়িত্ব দিয়া জনক "চৌধুৰী" আৰু ৰাজহক 'চৌধুৰাই' বুলি কোৱা হৈছিল। স্থানীয় প্ৰভাৱশালী ব্যক্তি এজনক এই দায়িত্ব দিয়া হৈছিল । চাপৰ এষ্টেটৰ প্ৰতিষ্ঠাতা জয়নাৰায়ণ শৰ্মা নামৰ এজন যুৱকৰ ওপৰত ৰাজহ সংগ্ৰহৰ দায়িত্ব ন্যস্ত কৰি 'চৌধুৰী' উপাধি দিয়া হৈছিল। জয়নাৰায়ণ শৰ্মাক পাঁচখন চৌধুৰীৰ দায়িত্ব দি মোগল চনদৰ জৰিয়তে জমিদাৰী পৰ্যায়লৈ ইয়াক উন্নীত কৰা হয় (১২৭৩ খৃঃ) [Zamindary System in Assam During British Rule - Dr. Santoo Barman, Ch -V, Page 50) উল্লেখ্য, প্ৰাচীন জমিদাৰীৰ কাৰণে মোগল আৰু বৃটিছ আমোলত ৰাজহৰ ব্যাপক পৰিৱৰ্ত্তন হোৱা স্বত্বেও চাপৰ এষ্টেটৰ ৰাজহ পূৰ্ব নিৰ্ধাৰিত ৬২৬ টকা ৩ অনা শেষ দিনলৈকে অপৰিবৰ্ত্তিত আছিল। এইখন জমিদাৰী গঠনৰ মূল উদ্দেশ্য আছিল জমিৰ ব্যৱহাৰ বৃদ্ধি। জয়নাৰায়ণ শৰ্মা মৈমনসিং জিলাৰ কিশোৰগঞ্জৰ মানুহ আছিল। সম্ভৱতঃ তেওঁ মোগল সেনাবাহিনীৰ বিশ্বস্ত কৰ্মচাৰী আছিল। স্মৰণীয় যে জয়নাৰায়ণ শৰ্মা ব্যতিৰেকে আন পাঁচখন জমিদাৰ স্থানীয় ব্যক্তি আছিল।

বিলাসীপাৰা কোচ ৰাজত্বৰ আগতে সম্ভৱতঃ ভূটান ৰজাৰ অধীন আছিল আৰু গহীন বনাঞ্চল ব্ৰহ্মপুত্ৰলৈকে বিস্তৃত আছিল। বিলাসীপাৰা নামকৰণৰ পৰা আৰু প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা বুজা যায় ইয়াত বড়ো সম্প্ৰদায়ৰ বসতি আছিল। ভোটেৰকান্দা, হাকামা আদি নামে সেইটোৱে সূচায় ।

প্ৰখ্যাত মেদিনী মোহন ব্ৰহ্মদেৱে ৬৩ তম অসম সাহিত্য সভা বিলাসীপাৰা অধিবেশনত (৭ইমাৰ্চ ১৯৯৭) বিলাসীপাৰাৰ নামকৰণৰ এটা যুক্তিগ্ৰাহ্য ব্যাখ্যা এনেদৰে দিছিল — এসময়ত ভূটান ৰাজ্য ব্ৰহ্মপুত্ৰ নদীলৈকে বিস্তৃতি লাভ কৰিছিল । ভূটানৰ দ্বিতীয় ৰাজমহিষী আছিল চিকনা অঞ্চলৰ বড়ো মহিলা । সেইজনী ৰাণীৰ গৰ্ভত জন্মিছিল চাৰিজনী কন্যা। তেওঁলোকৰ নাম আছিল যথাক্ৰমে সবাংছি, খালাইছি, ইলাইছি আৰু বিলাইছি । কনিষ্ঠা বিলাইছি আছিল অতীৱ সুন্দৰী । ৰজা আৰু ৰাণীৰ অতিকৈ মৰমৰ জীয়ৰী। সেয়ে মৰমৰ চিন স্বৰূপে ৰজাই ৰাখিলে বিলাইছি ছিখলাৰ নামৰে বিলাইছিপুৰ। ইয়ে কালক্ৰমে অপভ্ৰংশ হৈ বিলাইছিপাৰা আৰু অধুনা বিলাসীপাৰা। চাপৰ এষ্টেটৰ সদৰ আছিল চাপৰ। নদী-জঙঘল, ভূটিয়াৰ আক্ৰমণ, প্ৰজা বিদ্ৰোহ আদি সমস্যাই জুৰুলা কৰাত, জমিদাৰীখনৰ আদি চাপৰৰ পৰা বিলাসীপাৰালৈ স্থানান্তৰিত কৰা হয়, ১৮৪৭ ৰ পৰা ১৮৫৮ চনৰ ভিতৰত। কীৰ্তিনাৰায়ণৰ পিতা চন্দ্ৰ নাৰায়ণৰ (৫ম মতান্তৰে ৬ষ্ঠ জমিদাৰ) দেহান্ত হয় ১৮৪৭ চনত আৰু মাতৃ ৰোহিনী দেবীয়ে সদৰ স্থানান্তৰৰ সূচনা কৰে । কিন্তু স্থানান্তৰৰ কাম শেষ হোৱাৰ আগতে ১৮৫১চনত তেওঁৰ দেহান্ত হয় (এষ্টেটৰ প্ৰধান কৰ্মচাৰী বাবু ধৰণী কান্ত বাগচীয়ে এষ্টেটৰ দুৰ্যোগপূৰ্ণ সময়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি সদৰ স্থানান্তৰ আৰু ১৮৫৯ চনত বয়োপ্ৰাপ্ত তোলনীয়া ৰাজকুমাৰ কীৰ্ত্তিনাৰায়ণক জমিদাৰৰ দায়িত্ব লোৱাত সহায় কৰিছিল। ১৮৫১ৰ পৰা ১৮৫৮ চনলৈকে এষ্টেট Court of wards ত আছিল। ডঃ বৰ্মণে স্থানান্তৰৰ ঠাই নিৰ্বাচন সম্পৰ্কে লিখিছে - "Accordingly a site near "Bilasipara" which was then a jungle land was selected for the family residence ........." (Page 53 ch. of Z.S. etc.)

চাপৰ এষ্টেটৰ সদৰ বিলাসীপাৰালৈ স্থানান্তৰ আৰু ১৮৪৭ চনৰ পৰা বিলাসীপাৰা হৈ জাহাজ চলাচলৰ সূচনাই বিলাসীপাৰাত আধুনিকতাৰ পৰশ পেলায়। জমিদাৰৰ সদৰৰ লগতে আমোলা আৰু কৰ্মচাৰী পৰিবাৰৰ আগমন ঘটে, যেনে—ৰবীন বাবুৰ পৰিবাৰ, বাতাপাৰা, সাহেদ আলী চাহাবৰ পৰিবাৰ আদি ।বাতাপাৰা গাওঁখনত জমিদাৰৰ বৰকান্দাজ সকলৰ বাস আছিল। জমিদাৰৰ সদৰ স্থাপন হোৱাৰ আগতে থকা পুৰণি গাওঁ হৈছে ডিমাতলা আৰু বৰগাওঁ। ইয়াৰ আদি বাসিন্দা প্ৰধানতঃ অতি প্ৰভাৱশালী মৎস্যজীৱী আৰু মৎস্য ব্যৱসায়ী।

বিলাসীপাৰাই নদী বন্দৰৰ মৰ্যাদা লাভ কৰে ঊনবিংশ শতিকাত। ইয়াত কাঠৰ ব্যৱসায়ৰ প্ৰাধান্য লক্ষ্য কৰা যায়। যাতায়াত ব্যৱস্থাৰ উন্নতি হোৱাত প্ৰব্ৰজনকাৰীৰ সংখ্যা বৃদ্ধি পায়। প্ৰাচীন জনগোষ্ঠীৰ ভিতৰত বড়ো, কোচ ৰাজবংশীয়, নাথ বা যোগী, কলিতা প্ৰধান। ১৮৯৭ চনৰ ভূইকঁপৰ পিছত ব্ৰহ্মপুত্ৰৰ গতি সলনি হয় ফলত দক্ষিণ পাৰৰ পৰা বহুতে বিলাসীপাৰা, ৰাণীগঞ্জ, সাপটগ্ৰামত বসতি স্থাপন কৰে, যেনে- বিলাসীপাৰাৰ নয়াপাৰা।

ঊনবিংশ শতিকাত মৰাপাট এইটো অঞ্চলৰ অপৰিচিত কৃষি আছিল। তিল, সৰিয়হ, ঢেমছি, কুঁহিয়াৰ আদি আছিল অৰ্থকৰী ফচল লগতে শালি ধান। বিংশ শতিকাৰ প্ৰথম দশকৰ পৰা মৰাপাট খেতিৰ প্ৰচলন হয়। মৰাপাট খেতিৰ চাহিদা যিমানে বৃদ্ধি পায়, সিমানে দক্ষিণ আৰু পশ্চিমৰ পৰা প্ৰব্ৰজনকাৰীৰ সংখ্যা বৃদ্ধি পায়। ঊনবিংশ শতিকাত নদীৰ চৰ অঞ্চলত জনবসতি অতি তাকৰ আছিল। থলুৱা কৃষকে বানপানীপ্ৰৱণ অঞ্চলত কৃষিপামত পাৰ্গত নাছিল। বঙ্গৰ নদীবহুল এলেকাৰ প্ৰব্ৰজনকাৰী কৃষক সকলে পানীৰ জলাহ ঠাইত ধান উৎপাদন কৰিব পাৰে, পানী আৰু সাৰুৱা জমিত ধান, মৰাপাট, কলাই আদি উৎপন্ন কৰি কৃষি ক্ষেত্ৰত ব্যাপক পৰিবৰ্তন সাধন কৰে আৰু লগতে ৰাজহ আদায়ৰ হাৰ বৃদ্ধি পায়। কৃষি নিৰ্ভৰ ব্যৱসায় বাণিজ্যৰ কেন্দ্ৰ ৰূপে বিলাসীপাৰাৰ নাম উজলি উঠে। ফলত বৃহৎ ব্যৱসায়ীৰ আগমন ঘটে। চাহিদা আৰু যোগানৰ সূত্ৰ মতে বিভিন্ন জীৱিকাৰ মানুহৰ আগমনত জনগোষ্ঠীৰ গাঁথনিৰ ব্যাপক সলনি হয়। বৰ্তমানে মিশ্ৰ জনগোষ্ঠীয় সমাজখন গঢ়ি উঠে। সপ্তদশ বা অষ্টাদশ শতিকাত বিলাসীপাৰাত কোনো ধৰণৰ শিক্ষানুষ্ঠানৰ পৰিচয় পোৱা নাযায় ।মিলছ চাহাবৰ ১৮৫৩ চনৰ ৰিপৰ্টত ধুবুৰী আৰু বিলাসীপাৰাত দুখন এম,ই স্কুলৰ সন্ধান পোৱা যায়। বিলাসীপাৰা এম,ই, স্কুলৰ সৰ্বশেষ প্ৰধান শিক্ষক মাননীয় প্ৰফুল্ল বাগচি দেৱৰ পৰিচয় পোৱা যায়। ১৯২৮ চনত এম,ই, স্কুলখনক ইন্দ্ৰনাৰায়ণ একাডেমী নামেৰে হাইস্কুল ৰূপে উন্নীতকৰণ হয় আৰু মাননীয় প্ৰফুল্ল বাগচি দেৱে নৱগঠিত এই স্কুলত যোগ দিয়ে। মাননীয় শৰৎ চন্দ্ৰ সিংহ দেৱ, প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পৰা বাগচি দেৱৰ কথা জানিব পৰা যায়। জমিদাৰী সদৰ স্থানান্তৰৰ সময়ত সম্ভৱতঃ আমোলা সকলৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে স্কুলখন হৈছিল।

বিলাসীপাৰা সদৰৰ উত্তৰ আৰু পূৱফালে বিজনী এষ্টেট। এতিয়াও বিজনী কাছাৰীৰ নিদৰ্শন বৰ্তমান। হিচাব পাতিৰ কাকতপত্ৰ ৰখা ঠাই হিচাবে গাওঁখনৰ নাম হৈ যায় ঐতিহ্যপূৰ্ণ ৰোকাখাতা। ইয়াৰ পূৱফালৰ গাওঁখন হৈছে বিখ্যাত 'হাকামা গাওঁ ' ইয়াত নিম্ন বুনিয়াদি নামে এখন প্ৰাথমিক বিদ্যালয় স্থাপিত হয় ১৮৮৯ চনত। বিজনী বজাৰ সহায়ত ১৯৪০ চনত অসমীয়া মাধ্যমৰ প্ৰথম এম,ই স্কুল বৰ্তমানৰ ৰোকাখাতা হাইয়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰকাশ ঘটে। বিলাসীপাৰা সদৰ আৰু ওচৰ পাজৰৰ এয়ে আছিল জমিদাৰকালীন শিক্ষাদান ব্যৱস্থা।


সদৰ হোৱাৰ পিছৰ পৰা প্ৰায় ১৯৪০ চনলৈকে বিলাসীপাৰাৰ পূৰ্বাঞ্চলটো আছিল প্ৰধান ব্যৱসায়িক কেন্দ্ৰ যাৰ নাম 'পুৰণি ৰজাৰ'। গৌৰাং নৈৰ দাঁতিৰ অৰ্থাৎ টোকৰাবান্ধা পাহাৰৰ পৰা বৰ্তমান মছজিদ ৰোড লৈকে ঠাইখন জনবসতিপূৰ্ণ আছিল। বৰ্তমান বামুনপাৰা আৰু হীৰাপাৰাৰ দক্ষিণ অঞ্চলৰ গাওঁখন ভাংবাৰী নামে জনাজাত আছিল। দুৰ্গাপুৰ আৰু বৰ্তমান বজাৰৰ অধিকাংশ পুৰাতন বাসিন্দা সকলৰ ঘৰ আছিল বৰ্তমান ২নং হাতীপোতাত। গৌৰাং নৈৰ তাণ্ডৱত বহুতে ঘৰবাৰী হেৰুৱাই নতুন নিৰাপদ স্থানত ঘৰ বান্ধে। যেনে - অনিমেষ কান্তি চৰকাৰ, মাখনলাল চক্ৰৱৰ্ত্তী, জগদানন্দ চক্ৰৱৰ্ত্তী, সৰবিন্দু চক্ৰৱৰ্ত্তী আদিৰ ঘৰ স্থানান্তৰিত হয়। জমিদাৰবাৰীৰ প্ৰায় দুই তৃতীয়াংশ নদীগৰ্ভত নিমজ্জিত হয়। জমিদাৰ পৰিয়ালৰ সৰ্বশেষ জমিদাৰ মাননীয় নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰী এজন আধুনিক শিক্ষিত ব্যক্তি আছিল। ধন-দৌলতত আন আন জমিদাৰৰ তুলনাত বিখ্যাত নাছিল কিন্তু দান-ধ্যান কাৰ্যত বিখ্যাত। যেনে- জমিদাৰে ধুবুৰী বালিকা বিদ্যালয়ত দহ হাজাৰ, বিশ্বভাৰতীত পাঁচ হাজাৰ, কলিকতা কেন্চাৰ হাস্পতালত পাঁচ হাজাৰ টকা দান বৰঙণি আগবঢ়াইছিল। ইয়াৰ বাহিৰে বেনাৰসত

দীক্ষাগুৰু যোগীৰাজ বিশুদ্ধানন্দ মহাৰাজ কৰ্তৃক বিশুদ্ধানন্দ কানন আশ্ৰম প্ৰতিষ্ঠাৰ কাৰণে চল্লিছ হাজাৰ টকা দান আগবঢ়াইছিল। জমিদাৰী অধীগ্ৰহণৰ পিছতো চীনাযুদ্ধৰ সময়ত প্ৰতিৰক্ষা তহবিলত পাঁচ হেজাৰ টকা দান দিছিল। অধিগ্ৰহণ কালত প্ৰজাবৃন্দৰ পৰা পাবলগীয়া আঢ়ৈলাখ টকা ৰাজস্ব মুকুব ঘোষণা কৰে। এনে এজন মহানুভৱ প্ৰজাহিতৈষী জমিদাৰ ইতিহাসৰ পাতত বিৰল। ইন্দ্ৰনাৰায়ণ একাডেমী, শঙ্কৰদেৱ শিশু পাঠশালা আৰু নৃপেন্দ্ৰ নাৰায়ণ কলেজ ( বৰ্তমানে বিলাসীপাৰা মহাবিদ্যালয়) স্থাপনত মাটি আৰু গৃহ দান কৰি তেওঁ অনন্য কীৰ্তি ৰচি গৈছে। তেওঁৰ আমোলত বিলাসীপাৰা আধুনিকতাৰ পথত আগবাঢ়ে। জমিদাৰ স্বয়ং কলা কৃষ্টিৰ পৃষ্ঠপোষক আছিল। থলুৱা নৃত্যগীত, নাট লগতে আধুনিক অবাক আৰু সবাক চলচিত্ৰৰ লগত থলুৱা ৰাইজৰ পৰিচয় ঘটাই দিছিল ।চমুকৈ ক'বলৈ গলে বৰ্তমান বিলাসীপাৰাৰ ৰূপকাৰ ৰূপে জমিদাৰ নৃপেন্দ্ৰ নৰনাৰায়ণৰ অৱদান অনস্বীকাৰ্য।

বিলাসীপাৰা উন্নত গঞ্জত পৰিণত হয় ৭ম জমিদাৰ কীৰ্তিনাৰায়ণ চৌধুৰীৰ কালত। তেওঁ শাসিত ২৩ বছৰ (১৮৫৯ - ১৮৮২ খৃঃ) ৰ পৰা ঊনবিংশ শতকৰ শেষ দশকত আৰু ১৯০২ চনলৈকে কীৰ্ত্তি নাৰায়ণৰ মহিয়ষী মাতঙ্গিনী দেৱীয়ে তৎকালৰ মেনেজাৰ শ্যামল চাটাৰ্জী দেৱৰ সহায়ত বিলাসীপাৰাৰ বিকাশৰ বাট-উন্মুক্ত কৰিছিল। বিংশ শতিকাৰ প্ৰথম দশকত চৰকাৰী পোষ্ট অফিচ, থানা, ডাকবাংলা আদিৰ কাৰণে জমিদাৰে ভূমি আগবঢ়াইছিল। আনন্দনগৰৰ মাজেদি জমিদাৰ গৃহৰ দক্ষিণ ফালে দি হাকামা হৈ ফকিৰাগ্ৰাম ৰেল ষ্টেছনলৈকে যাতায়তৰ ৰাস্তা আছিল। জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ মাতৃদেৱী সুষমা দেৱীৰ নামত সুষমা চিকিৎসালয় স্থাপন কৰিছিল, লগতে ইন্দ্ৰনায়াৰণ একাডেমীৰ উত্তৰ ফালে পশু চিকিৎসালয়ৰ ব্যৱস্থা আছিল। নদী ভঙ্গ ৰোধৰ কাৰণে বাঁহ আৰু কাঠেৰে চেষ্টা কৰা হৈছিল। চল্লিছৰ দশকত দুৰ্ভিক্ষ প্ৰায় অৱস্থাৰ কাৰণে ধান আৰু চাউলৰ চোৰাং চালান ৰোধত নৈপথত হৰলটাৰী ব্যৱস্থা লোৱা গৈছিল। ত্ৰিশৰ দশকত ফকিৰাগ্ৰাম-বিলাসীপাৰা বাটৰ দুয়ো কাষত চিতুগছ ৰোপণ কৰা হৈছিল। ত্ৰিছৰ দশকত বজাৰ স্থানান্তৰ হয় আৰু আধুনিক বিলাসীপাৰাই গঢ় লয়। ১৯৫৯ চনৰ পৰা ক্ৰমে নগৰ সমিতি আৰু ১৯৮৮ চনত মহকুমা সদৰ হোৱাৰ পিছত ব্যাপক পৰিবৰ্ত্তন হয়। চাপৰ এষ্টেটৰ শেষ তিনিজন জমিদাৰ অৰ্থাৎ কীৰ্ত্তি নাৰায়ণ ইন্দ্ৰনাৰায়ণ আৰু নৃপেন্দ্ৰ নাৰায়ণ আৰু এওঁলোকৰ মহিয়ষী ক্ৰমে মাতঙ্গিনী দেৱী, সুষমা দেৱী আৰু আধুনিক শিক্ষিতা বেদবালা দেৱীৰ প্ৰভাৱ বিলাসীপাৰাৰ ইতিহাসৰ পাতত স্মৰণীয় হৈ থাকিব।

*(লেখক - ইন্দ্ৰ নাৰায়ণ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ)*

◆◆




"जय भिक्षु" "जय तुलसी"

**अहिंसा परम धर्म**

**"महावीर स्वामी"**

*With best compliments from*

# SETHIA BROTHERS




**(An ultimate name of trust)**
J.P. Road, P.O. Bilasipara,
Dist. Dhubri (Assam)

**Step in at Ground floor -**

***An exclusive showroom of all leading indian companies cosmetics, FMCG & Electronical products.***

Hawkins, Philips, VIP Luggages, Milton, Britannia, Eveready .....

Contact Person : 94351-26562 (P.K. Sethia)
94351-25550 (M.K. Sethia)

At 1st floor -


***An exclusive air conditioned showroom of mobile handsets of all Indian leading brands.***



**EXCLUSIVE DEALER OF**

**Sony LCD & Home Theatres**

[ High Profile Smart Phones & Aristocratic range of handsets need perfect knowledge of application Which **Rajib Sethia** can only provide ]



Hello - 9435126148

N.B. - Daily collection & deposit of VAT amount to Govt. is approx. Rs. 23365.45 per day.

# গোৱালপৰীয়া সমাজ আৰু সংস্কৃতি

মুজাম্মিল হক

অবিভক্ত গোৱালপাৰা জিলা অসমৰ অবিচ্ছেদ্য অংগ । জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে গোৱালপৰীয়া সকল অসমীয়া। পৌৰাণিক কালৰে পৰা এই ভূখণ্ড প্ৰাগজ্যোতিষপুৰ নতুবা কামৰূপৰ লগত সংযুক্ত । অতীজৰে পৰা চামে চামে বিভিন্ন জনগোষ্ঠী এই ৰাজ্যত প্ৰৱেশ কৰিছে। সহস্ৰ বছৰীয়া ইতিহাসে কয় বিভিন্ন সময়ত এই ভূখণ্ডৰ শাসক গোষ্ঠী আৰু মানচিত্ৰৰো পৰিবৰ্তন হৈছে। ৰজাঘৰীয়া কন্দল আৰু ৰাজনৈতিক উত্থান পতনৰ কাল ধুমুহা অতিক্ৰম কৰি গোৱালপৰীয়া সকল আজিও স্ব-স্থানত বিৰাজমান। ঘটনা বহুল আৰু ঐতিহ্যময় গোৱালপৰীয়া সমাজ আৰু সংস্কৃতি বোধগম্য হবলৈ অবিভক্ত গোৱালপাৰা জিলাৰ ইতিহাস সম্পৰ্কে দুআষাৰ কব লাগিব।

**গোৱালপাৰাৰ ইতিহাস** ঃ- ঐতিহাসিক তথ্যমতে পুষ্প বৰ্মন নামৰ ৰজা এজনে ৩৫০ খৃঃ পৰা ৩৮০ খৃঃ লৈ কামৰূপত ৰাজত্ব কৰিছিল। সেই সময়ত উত্তৰ ভাৰতত সমুদ্ৰ গুপ্তই শাসন কৰি আছিল। পুষ্প বৰ্মনৰ বংশধৰ মহেন্দ্ৰ বৰ্মণে গুপ্ত বংশীয় ৰজাক পৰাস্ত কৰি অশ্বমেধ যজ্ঞ পাতিছিল। ভাস্কৰ বৰ্মণে (৫৯৪ খৃঃ - ৬৫০ খৃঃ) উক্ত বংশৰে এজন পৰাক্ৰমী আৰু বিদ্যানুৰাগী ৰজা আছিল। ভাস্কৰ বৰ্মনৰ ৰাজত্ব কালতে চীনা পৰিব্ৰাজক হিউৱেন চাঙে ভাৰত তথা কামৰূপ ভ্ৰমণ কৰিছিল। ভাস্কৰ বৰ্মণৰ পাছত শালস্তম্ভ বংশীয় ৰজাই কামৰূপ শাসন কৰা দেখা যায়। শালস্তম্ভ শ্ৰীহৰ্ষ ৭২৫ খৃঃৰ পৰা ৭৫০ খৃঃলৈ এই ভূখণ্ডৰ ৰজা আছিল। শালস্তম্ভ বংশীয় শেষ ৰজাজন আছিল ত্যাগ সিংহ (৯৭০ খৃঃ ৯৯০ খৃঃ); ত্যাগ সিংহৰ পাছত পাল বংশীয় ব্ৰহ্মপাল (৯৯০ খৃঃ - ১০১০ খৃঃ) কামৰূপৰ অধিপতি হৈছিল। ব্ৰহ্মপাল ভগদত্তৰ বংশধৰ আছিল। পাল বংশৰ সৰ্বশেষ ৰজা আছিল জয়পাল, কামৰূপৰ পৰা উৎকললৈ তেওঁৰ ৰাজ্য বিস্তৃত হৈ আছিল। জয়পালৰ ৰাজত্বকালতে হিমালয় উপত্যকাৰ 'কম্বোজ' নামৰ যুজাঁৰু জাতি এটাই গৌড় ৰাজ্য আক্ৰমণ কৰি দখল কৰিছিল. । এই 'কম্বোজ' জাতিটোকে কোচ আৰু মেচৰ পূৰ্ব পুৰুষ বুলি বুৰঞ্জীবিদ সকলে ঠাৰৰ কৰিছে। পাল বংশীয় ৰজা বিগ্ৰহ পালৰ (১০৭০-১৭৭৫ খৃঃ) মৃত্যুৰ পাছত তেওঁৰ তিনিপুত্ৰ মহীপাল, শূৰপাল আৰু ৰামপালৰ মাজত ৰাজ সিংহাসন লৈ কন্দল আৰম্ভ হয় আৰু সেই চেগতে কৈবৰ্তবীৰ দিব্যকে গৌড় ৰাজ্য অধিকাৰ কৰে। দিনাজপুৰৰ এখন তাম্ৰলিপি মতে একাদশ শতাব্দীৰ প্ৰাক্ কালত ঈশ্বৰ ঘোষ নামৰ জনৈক ৰজা কামৰূপত শাসনাধিস্থিত হৈ থকা দেখা যায়। এই ঈশ্বৰ ঘোষে এদিন জটোদা নদীত স্নান কৰি ঢেকেৰী অঞ্চলৰ গাল্লিটিপ্পক ভূখণ্ড নিৰ্বোক শৰ্মাক দান কৰিছিল। গাল্লিটিপ্পক বা গোৱালটিলা শব্দৰ পৰা গোৱালপাৰা শব্দৰ উৎপত্তি বুলি কোৱা হয়।

গৌড় বংশীয় প্ৰথম জনা ৰজা বিজয় সেনে (১০৭৯-১১১৯ খৃঃ) কামৰূপ আক্ৰমণ কৰি বিজয়ী হয় আৰু কামৰূপৰ পশ্চিমাংশ পুত্ৰ বল্লাল সেনৰ অধীনস্থ কৰি থয়। এইখিনিতে উল্লেখনীয় যে পাল আৰু সেন বংশীয় ৰজা সকলে ভূমিৰ অধিকাৰ ভূঞা সকলৰ হাতত অৰ্পণ কৰি দেশ শাসন কৰিছিল। ৰজাৰ পৰা এনেদৰে ভূমিৰ অধিকাৰ প্ৰাপ্ত মানুহখিনিক ভৌমিক বা ভূঞা বোলা হৈছিল। এবাৰ কামৰূপৰ ৰজা দুৰ্লভ নাৰায়ণ আৰু গৌড় ৰজা ধৰ্মনাৰায়ণৰ মাজত যুদ্ধ হৈছিল। পাছত সন্ধি মৰ্মে মিত্ৰতা কৰি দুৰ্লভ নাৰায়ণে গৌড় ৰাজ্যৰ পৰা সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ পৰিয়াল আনি বৰদোৱাত সংস্থাপন দিছিল। গুৰুজনা শ্ৰীশ্ৰী শংকৰদেৱৰ (১৪৪৯ খৃঃ) পিতৃ চন্দীবৰ উক্ত সাতঘৰ কায়স্থৰ এঘৰ আছিল। ১২০২ খৃঃত দিল্লীৰ সম্ৰাটৰ আদেশানুসাৰে সেনাপতি বখতিয়াৰ খিলিজিয়ে কামৰূপ আক্ৰমণ কৰি দখল কৰিছিল। কিন্তু অলপ দিনৰ ভিতৰতে বল্লাল সেনৰ পুত্ৰদ্বয়ে মোগলক বিতাৰিত কৰি হৃত ৰাজ্য উদ্ধাৰ কৰিছিল। ১২০৫ খৃঃত আকৌ বখতিয়াৰে তিব্বত আক্ৰমণৰ উদ্দেশ্যে কামৰূপৰ মাজেদি অগ্ৰসৰ হয়। সেইবাৰ আলি মেচ নামৰ ইচলামত নৱ দীক্ষিত কছাৰী ৰজা এজনে বখতিয়াৰক সহায়-সহযোগিতা আগবঢ়ায়। সমসাময়িক কালতে কামৰূপৰ উত্তৰ পথেদি চীনৰ য়ুনান প্ৰদেশৰ অধিবাসী স্বৰ্গদেউ চুকাফাই পাটকাই পৰ্বত অতিক্ৰম কৰি অসমত প্ৰৱেশ কৰে। স্বৰ্গদেউ চুখাংফাই (১২৯৩ খৃঃ) চুতীয়া আৰু কছাৰী সকলক জয় কৰি ৰাজ্য বিস্তাৰ কৰে আৰু এসময়ত কমতাধিপতিৰে যুদ্ধত লিপ্ত হয় আৰু পাছত সন্ধি কৰি বৈৱাহিক সূত্ৰে মিত্ৰতা স্থাপন কৰে।

পঞ্চদশ শতিকাৰ মধ্যভাগত নীলধ্বজ নামৰ খেন বংশীয়

বীৰ এজনে পাল বংশীয় শেষ ৰজাজনক পৰাস্ত কৰি কামৰূপ দখল কৰে আৰু নিজকে 'কমতেশ্বৰ' বুলি ঘোষণা কৰে । খেন বংশীয় ৰজা সকলৰ দিনতে কামৰূপ নামৰ পৰিবৰ্তে কমতাপুৰ নামৰ প্ৰচলন হয়। এই বংশৰ তিনিজন ৰজা ক্ৰমে নীলধ্বজ, চক্ৰধ্বজ আৰু নীলাম্বৰ। কমতেশ্বৰ হৈ থাকোতে চক্ৰধ্বজে ধৰ্ম পৰিবৰ্তন কৰে (A Comprehensive history of Assam by S.L. Baruah) । নীলাম্বৰৰ ৰাজত্বকালতে গৃহ কন্দলৰ সুযোগলৈ হোচেন চাহে ১৪৯৮ খৃঃত নীলাম্বৰক পৰাস্ত কৰি বৰনদীলৈকে আগুৱাই যায়। হোচেন চাহে কমতাপুৰ দখল কৰি (১৪৯৩ খৃঃ) হাজোত ৰাজধানী পাতে আৰু পুত্ৰ দানিয়ালক শাসনভাৰ গতাই বংগলৈ উভতি যায়। কমতাপুৰ পতনৰ এই সংকটপূৰ্ণ অৱস্থাত ভূঞাসকলে মূৰ দাঙি উঠে আৰু তেতিয়াই বাৰজন মেচ সামন্তই একেলগ হৈ হাৰিয়া মণ্ডলক ৰজা পাতে। হাৰিয়া মণ্ডলৰ ৰাজ্যৰ চাৰিসীমা আছিল উত্তৰে ভূটান, দক্ষিণে ব্ৰহ্মপুত্ৰ, পূবে মানাহ আৰু পশ্চিমত সোণকোষ নদী। হাৰিয়া মেচৰ ৰাজ্যৰ ৰাজধানী আছিল চিকনাঝাৰ (সুকানঝোৰা, ফকিৰাগ্ৰাম) হাৰিয়া মেচ ওৰফে তুৰকা কোতোয়ালৰ (ধৰ্মান্তৰিত) মৃত্যুৰ পাচত পুত্ৰ বিশ্বসিংহ ১৪৯৬ খৃঃ পৰা ১৫৩৩ খৃঃ লৈ ৰাজত্ব কৰে। বিশ্ব সিংহই হোচেন চাহৰ পুত্ৰ দানিয়াল আৰু তুৰ্বককো পৰাস্ত কৰি কামৰূপৰ পৰা খেদি পঠিয়ায়। বিশ্ব সিংহৰ শক্তি আৰু পৰাক্ৰম দেখি ক্ষুদ্ৰ ক্ষুদ্ৰ সামন্তীয় ৰজা যথাক্ৰমে বিজনী, কৰাইবাৰী (হাটশিঙিমাৰী), খুটাঘাট, বৰনগৰ, ৰাইচিয়া বিশ্বসিংহৰ ৰাজ্যত চামিল হয়। প্ৰাচীন সংস্কৃত গ্ৰন্থ মতে এই অঞ্চলটো ৰত্নপীঠ নামে পৰিচিত আৰু যোগিনীতন্ত্ৰ মতে ৰত্নপীঠৰ পৰিসীমা হ'ল -

উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোৱা তু পশ্চিমে।

..............................................................

কামৰূপ ইতিখ্যাতঃ সৰ্বশাস্ত্ৰেষু নিশ্চিতঃ।।

গতিকে দেখা যায় যে অবিভক্ত গোৱালপাৰা জিলাৰ উপৰিও কোচবিহাৰ, ৰংপুৰ, জলপাইগুৰি তথা অবিভক্ত কামৰূপ জিলাও বিশ্বসিংহই প্ৰতিষ্ঠা কৰা কোচৰাজ্যৰ অন্তৰ্ভূক্ত আছিল। পৰৱৰ্তীকালত ৰাজমাতাৰ ইচ্ছানুসৰি কোচ ৰাজ্যৰ ৰাজধানী চিকনাঝাৰৰ পৰা কোচবিহাৰলৈ স্থানান্তৰিত হয়। মহাৰাজ বিশ্বসিংহৰ মৃত্যুৰ পাচত পুত্ৰদ্বয় মল্লদেৱে নৰনাৰায়ণ নামলৈ ৰাজ সিংহাসনত অধিষ্ঠিত হয় আৰু শুক্লধ্বজ ওৰফে চিলাৰায়ক সেনাপতিৰ দায়িত্ব অৰ্পন কৰে।

**কমতাপুৰ ভাগ ঃ** মহাৰাজ নৰনাৰায়ণৰ জীৱিত কালতে কনিষ্ঠ ভাতৃ চিলাৰায়ৰ মৃত্যু হয় আৰু ভতিজাক ৰঘুদেৱে বৰনগৰত (সৰভোগ) ৰাজধানী পাতি ৰাজ্য দাবী কৰে। মহাৰাজৰ অশেষ বুজনি স্বত্বেও মান্তি নোহোৱাত সোনকোষৰ পূৰ্বভাগ ভতিজাক ৰঘুনাৰায়ণক অৰ্পণ কৰে (কোচ-হাজো, ১৫৮১ খৃঃ) আৰু ৰাজ্য কোচবিহাৰ নিজ পুত্ৰৰ বাবে ৰাখি থয়। এনেকৈ কোচৰাজ্য কমতাপুৰ ক্ৰমে কোচ-হাজো আৰু কোচবিহাৰ নাম দুভাগত বিভক্ত হয়। দৰং ৰাজবংশাৱলী মতে,

বোলো আজি ধৰি দুইৰো কথা হৌক এটা।<br>
সত্যে সত্যে দুয়োজন ভৈলি মোৰ বেটা।<br>
আজি ধৰি দ্বন্দ নকৰিবি দুয়ো ভাই।<br>
বাপেৰ শপত আৰো আল্লাৰ দোহাই।।

মহাৰাজ নৰনাৰায়ণৰ মৃত্যুৰ পাছত পুত্ৰ লক্ষ্মীনাৰায়ণ কোচবিহাৰৰ ৰাজ সিংহাসনত অধিষ্ঠিত হয় আৰু ৰাজ্যত বিশৃংখলাই দেখা দিয়ে। স্বদন্ত আৰু ভাতৃ বিৰোধৰ সুযোগ লৈ মোগলে কোচ ৰাজ্যত প্ৰৱেশ কৰে। ১৬২২ খৃঃত মোগলে ৰঘুদেৱৰ পুত্ৰ পৰীক্ষিতৰ পৰা ধুবুৰী দুৰ্গ দখল কৰি লক্ষ্মীনাৰায়ণক অৰ্পন কৰে।

লক্ষ্মীনাৰায়ণৰ পাচত যথাক্ৰমে ৰাজকোঁৱৰ বীৰ নাৰায়ণ (১৬২৭ খৃঃ) আৰু প্ৰাণ নাৰায়ণ (১৬৩২-১৬৬৫) ৰাজপাটত অধিষ্ঠিত হয়। প্ৰাণ নাৰায়ণৰ ৰাজত্বকালতে বংগৰ চুবেদাৰ মহম্মদ চুজাই টোডৰমলৰ দ্বাৰা কোচবিহাৰৰ জৰীপ কৰি জমাবন্দী প্ৰস্তুত কৰে। উক্ত জৰীপ মতে কোচৰাজ্যৰ দুখন চৰকাৰ ক্ৰমে চৰকাৰ কোচবিহাৰ আৰু চৰকাৰ বাংগালভূম মোগল সাম্ৰাজ্যৰ অন্তৰ্ভূক্ত বুলি দেখুওৱা হয়। এই কাৰ্যত মহাৰাজ প্ৰাণ নাৰায়ণ ক্ষুন্ন হয় আৰু পৰৱৰ্তী সময়ত মোগলৰ সৈতে সংঘাতৰ সূত্ৰপাত ঘটে। বহু যুদ্ধ বিগ্ৰহৰ অন্তত ঐতিহাসিক শৰাইঘাটৰ যুদ্ধৰ (১৬৭১ খৃঃ) পৰিণতিত মানাহৰ পূৰ্বভাগ আহোম আৰু পশ্চিমাংশ মোগলৰ তলতীয়া হৈ পৰে। মোগলে এই কোচৰাজ্যৰ ৰাজপৰিয়াল আৰু ৰাজকাৰ্যৰ উচ্চ কৰ্মচাৰীক ৰজা (জমিদাৰ) পাতি বংগৰ পৰাই শাসন চলায়। গৌৰীপুৰ আৰু বিজনী ৰজা (জমিদাৰ) তাৰেই পৰিণাম। অৱশ্য ৰাজকাৰ্য পৰিচালনাৰ সাহায্যাৰ্থে মোগল কৰ্মচাৰীও নিয়োগ কৰিছিল। বংগৰ নবাব চিৰাজদৌলাৰ পতনৰ ফলত এই ভূখণ্ডও বৃটিছৰ অধীনস্থ

হৈ পৰে (১৭৬৫ খৃঃ)। একেদৰে ইয়াণ্ডাবু সন্ধিমতে ১৮২৬ খৃঃ ত অসমো বৃটিছৰ তলতীয়া হয় । তেতিয়া বৃটিছে অসম আৰু বংগক সাঙুৰি এখন প্ৰদেশৰ সৃষ্টি কৰে যাৰ ৰাজধানী আছিল ঢাকা (১৮৭৩ খৃঃ) । প্ৰাৰম্ভিক অৱস্থাত বৃটিছ শাসন তন্ত্ৰৰ প্ৰশাসনিক গোট 'জিলা' হিচাপে অবিভক্ত গোৱালপাৰা জিলা ৰংপুৰ জিলাৰ অন্তৰ্গত আছিল। ১৮২২ খৃঃত ৰংপুৰ জিলাৰ তিনিখন থানা যথাক্ৰমে ধুবুৰী, গোৱালপাৰা আৰু কৰাইবাৰীৰ (হাট-শিঙিমাৰী) সৈতে গাৰোপাহাৰকো সাঙুৰি দি এখন নতুন জিলাৰ সৃষ্টি কৰে আৰু নাম দিয়ে নৰ্থ ইষ্ট ৰংপুৰ জিলা। এইখন জিলাই পৰৱৰ্ত্তী সময়ত গোৱালপাৰা জিলা হিচাপে পৰিগণিত হয়। ১৮২৬ খৃঃত গোৱালপাৰা জিলাক অসম উপত্যকা মণ্ডলৰ আয়ুক্তৰ অধীনস্থ কৰা হয় কিন্তু এবছৰ পিছতেই অৰ্থাৎ ১৮২৭ খৃঃত গোৱালপাৰা জিলাক নৱগঠিত কোচবিহাৰ আয়ুক্তৰ অধীনলৈ লৈ যায়। এসময়ত বৃটিছে ভূটানো দখল কৰি পূৱদুৱাৰ আৰু পশ্চিম দুৱাৰ নামে দুভাগত বিভক্ত কৰে। ১৮৭৪ খৃঃ ত গোৱালপাৰা জিলা আৰু ভূটানৰ পূৱদুৱাৰ সংযুক্ত কৰি চূড়ান্ত ভাৱে অসমৰ মুখ্য প্ৰদেশ আয়ুক্তৰ অন্তৰ্ভূক্ত কৰি থয়।

১৯০৫ খৃঃত বংগভংগৰ কালছোৱাত এই জিলাক পূৰ্ব বংগৰ সৈতে সাঙুৰি দিয়ে কিন্তু ১৯১২ খৃঃত পুনৰায় বংগৰ পৰা পৃথক হৈ অসমৰ সৈতে চামিল হয়। এনেদৰে ১৯৪৭ খৃঃলৈ এই ভূখণ্ডক বংগৰ সৈতে সংযুক্ত কৰাৰ যি ৰাজনৈতিক প্ৰচেষ্টা চলিল তাৰ ফলত গোৱালপৰীয়া সমাজ-সংস্কৃতিত ব্যাপক পৰিবৰ্তন হ'ল।

গোৱালপৰীয়া সমাজ ঃ গোৱালপৰীয়া সমাজ সুবিশাল ভাৰতবৰ্ষ বা বৃহত্তৰ অসমৰ ক্ষুদ্ৰ সংস্কৰণ। বিভিন্ন জাতি জনগোষ্ঠীৰ আবাস ভূমি এই জিলা। কোচ-ৰাজবংশী, বড়ো, ৰাভা, গাৰো, জলধা এই অঞ্চলৰ আদিম অধিবাসী। দেশীসকল মূলতঃ উপৰোক্ত জনগোষ্ঠী সমূহৰ পৰা ধৰ্মান্তৰিত ।ব্ৰাহ্মণ আৰু কায়স্থ সকল আছিল কোচৰাজ্যৰ চালিকা শক্তি, কোচ ৰাজ্যৰ উত্থান-পতনত তেওঁলোকৰ যথেষ্ট অৰিহণা আছে । নাথ-যোগী, কলিতা সকলেও অতীজৰে পৰা এই অঞ্চলত বসবাস কৰি আছে । হীৰা, কমাৰ, নাপিত, মালাকাৰ, তাঁতী, জোলা, ডোম, হাড়ি, সূত্ৰধৰ সকলেও গোৱালপৰীয়া সমাজৰ অভিন্ন অংগ। বৃটিছ আগমণৰ লগে লগে বংগ ভাষী হিন্দু-মুছলমান আৰু হিন্দী ভাষী মাৰোৱাৰী-বিহাৰীৰো প্ৰবেশ ঘটে। বংগীয় মূলৰ হিন্দু খিনিক 'বঙালী' আৰু মুছলমান খিনি স্থানীয় ভাৱে 'ভাটিয়া' নামে জনাজাত। এই পূৰ্ব বংগীয় অভিবাসী মুছলমান খিনিয়ে আকৌ নিজকে চৰুৱা বা মিঞা বুলি পৰিচয় দিয়ে। আনহাতে ধৰ্মান্তৰিত মুছলমান সকল 'দেশী' (মুছলমান) নামে জনাজাত। দেশী সকলক আকৌ উজানি বুলিও কোৱা হয়।ব্ৰহ্মপুত্ৰৰ উজনিত বসবাস কৰাৰ বাবে অতিবাসী মুছলমানে দেশী সকলক 'উজাইনা' বা 'উজানি' বুলি ক'ব পাৰে। আনহাতে মানৰ অত্যাচাৰৰ ফলত উজনি অসমৰ মুছলমান সকলে ভটিয়াই আহি গোৱালপাৰা, কৃষ্ণাই, যোগীঘোপা চাপৰ-বিলাসীপাৰা অঞ্চলত বসতি কৰা বাবে উজনিৰ নামটো হ'ব'গে পাৰে বুলি কিছু পণ্ডিতে মত প্ৰকাশ কৰে।

ধৰ্ম বিশ্বাস ঃ অবিভক্ত গোৱালপাৰা জিলা মূলতঃ জনজাতীয় জনগোষ্ঠীৰ বাসস্থান । পৰম্পৰা আৰু ধৰ্মীয় আচাৰ অনুষ্ঠানত সম্প্ৰতি আৰ্য সংস্কৃতিৰ ছাপ বিদ্যমান। জনগোষ্ঠীৰ সমূহে ভূত-প্ৰেত, যাদু-মন্ত্ৰ আৰু বিভিন্ন দেৱ-দেৱী মানি চলে। শিৱ-পাৰ্বতী, দুৰ্গা, কালী, বিষহৰি, লক্ষ্মী, মদন, বিষ্ণু, নাৰায়ণ আদি দেৱতাৰ পূজা কৰে। ৰাজবংশী, কলিতা, নাথ-যোগী সকলৰ একাংশ বৈষ্ণৱ ধৰ্মত দীক্ষিত। অধিকাংশই গৌড়ীয় বৈষ্ণৱ পদ্ধতিত কীৰ্তন কৰে। পূজা পাতলৰ ভিতৰত মনসা পূজা, সোনাৰায় পূজা, কাতি পূজা, বাঁস পূজা, ঠাকুৰাণী পূজা, আজাঙ্গাৰ পূজা, সত্যনাৰায়ণ পূজা, বুঢ়া-বুঢ়ীৰ থান পূজা উল্লেখযোগ্য। নাথ-যোগী সকলৰ মুখ্য দেৱতা গোৰক্ষনাথ বা ধুমসিয়া ঠাকুৰ। আলপাইন জনগোষ্ঠীয় কলিতা সকল আৰ্যধৰ্মী যদিও বহুতে একশৰণ নাম ধৰ্মত শৰণ লৈছে । বড়ো সকলৰ মূল উপাস্য দেৱতা শিৱ আৰু দেৱী বাথৌ। দেশী সকলে ইছলামিক নীতি-নিয়মেৰে প্ৰাৰ্থনা কৰে যদিও পূৰ্ব পুৰুষৰ বিশ্বাস, পৰম্পৰা সম্পূৰ্ণৰূপে পৰিত্যাগ কৰিব পৰা নাই, পূজা পাতল বাদ দি অন্যান্য অনুষ্ঠান উপভোগ কৰে।

গোৱালপৰীয়া ভাষা ঃ অভিভক্ত গোৱালপাৰা জিলাৰ সকলো জাতি জনগোষ্ঠীৰ উমৈহতীয়া ভাষা গোৱালপৰীয়া। গ্ৰীয়াৰছনে এই ভাষাটোক 'ৰাজবংশী ভাষা' বুলি উল্লেখ কৰিছে, আনহাতে এণ্ডাৰছনৰ মতে এই ভাষাটোৰ নাম 'দেশীভাষা' বা ৰংপুৰীয়া ভাষা। সুদীৰ্ঘ সময় ধৰি গোৱালপাৰা (অবিভক্ত) জিলাৰ পূৰ্ব ভাগ আহোমৰ অধীনস্থ হৈ থকা বাবে এই অঞ্চলৰ ভাষাত অসমীয়া ভাষাৰ (মান্য) ছাপ আছে। আনহাতে ধুবুৰী, গৌৰীপুৰ, গোলোকগঞ্জ, কোচবিহাৰলৈ এই অংশৰ ভাষাটোত বাংলা ভাষাৰ

ছাপ পৰাটো স্বাভাৱিক । ৰাজবংশী ভাষাবিদ সকলৰ মতে ধুবুৰী, গৌৰীপুৰ, গোলোকগঞ্জ আগমণিৰ গ্ৰাম্য অঞ্চলত প্ৰচলিত কথিত ভাষাটোৱে প্ৰকৃত ৰাজবংশী ভাষা।

গোৱালপৰীয়া ভাষাৰ প্ৰকাৰ ঃ সমাজ বিদ্যাৰ তত্বানুযায়ী প্ৰতি সাত কিলোমিটাৰত ভাষা একোটাৰ শব্দ আৰু উচ্চাৰণৰ পৰিবৰ্তন আৰম্ভ হয়। উদাহৰণ স্বৰূপে অসমতে অসমীয়া ভাষাৰ শব্দ আৰু উচ্চাৰণৰ প্ৰভেদ লক্ষণীয়, তেনেকৈ বাংলা ভাষাৰো আঞ্চলিক ৰূপ আছে। গতিকে কোচৰাজ্য বা কমতাপুৰৰ প্ৰচলিত ভাষাৰ ভিন্নতা স্বাভাৱিক । স্থান ভিত্তিক ৰাজবংশী বা দেশী ভাষাৰ এই পাৰ্থক্যৰ বাবে গোৱালপৰীয়া সকল কেবাটাও ভাগত বিভক্ত । এই ভাগ কেইটাৰ বিষয়ে জানিবলৈ হলে পুনৰায় কোচৰাজ্য বা মোগলৰ শাসন কাললৈ উভতি যাব লাগিব ।

বৃটিছ শাসনৰ প্ৰশাসনিক কেন্দ্ৰ সমূহ হল প্ৰদেশ, জিলা, চাৰ্কোল, মৌজা, তহচিল আদি আনহাতে মোগলৰ সাম্ৰাজ্যৰ প্ৰাশাসনিক গোট সমূহ আছিল চুবা (প্ৰদেশ) চৰকাৰ (জিলা), পৰগনা (চাৰ্কোল) তালুক আদি। টোডৰমলে কৰা জৰীপমতে কামৰূপৰ চাৰিখন চৰকাৰ ক্ৰমে (ক) চৰকাৰ কামৰূপ (খ) চৰকাৰ ঢেকেৰী (গ) চৰকাৰ বাংগালভূম আৰু (ঘ) চৰকাৰ দক্ষিণকুল । চৰকাৰ ঢেকেৰী নটা পৰগণা আৰু চৰকাৰ দক্ষিণ কূল এঘাৰটা পৰগণাত বিভক্ত। পৰগণা সমূহ হ'ল-খুঁটাঘাট, গুমা, পৰ্বতজোৱাৰ, কচবে ধুবুৰী, জাৰিয়া, তাৰিয়া, ঘিলা, চাপৰ, মেচপাৰা, কালুমালুপাৰা, ৰাইচিয়া, কৰাইবাৰী, গাৰোমহল আদি। জাৰিয়া পৰগণাৰ মানুহখিনি আৰু ভাষাটোক ঝৰুৱা (হাব্ৰাঘাট), ৰাইচিয়া পৰগণাৰ ভাষা আৰু মানুহখিনিক– বাউসিয়া, ঘুৰলা পৰগণাৰ ভাষাটো ঘুল্লীয়া আৰু মহেন্দ্ৰগঞ্জ বা গাৰোপাহাৰৰ ভাগটো হ'ল মহেন্দ্ৰগঞ্জী বা মানিকেৰচৰী। এইখিনিতে উল্লেখনীয় যে মোগল আমোলত ৰংপুৰৰ পূৰ্বদিশ ঘোৰাঘাটৰ ওচৰত এটা গড় (বান্ধ) আছিল, যাৰ উত্তৰ-পূৰ ভাগক বাহিৰবন্দ আৰু দক্ষিণ পশ্চিম ভাগক ভিতৰবন্দ বুলি কোৱা হৈছিল। ধুবুৰী, দিনাজপুৰ, ৰংপুৰৰ একাংশ বাহিৰ বন্দৰ এলেকাধীন। সেই বাবে উক্ত অঞ্চলৰ ভাষা আৰু মানুহখিনিক বাহিৰবন্দী বা বাইৰবন্দী বুলি কোৱা হয়। কোচৰাজবংশী, দেশী, নাথ-যোগী সকলে তেনেকৈ এটা গোটে আনটো গোটক চিনাক্ত কৰে। কলিতা সকলৰ আকৌ বেলেগ এটা ঠাল আছে - জয়পুৰীয়া । তেওঁলোক ব্ৰহ্মাপুত্ৰৰ দক্ষিণ পাৰৰ জয়পুৰ ডিহিৰ বাসিন্দা। জয়পুৰ ডিহিত প্ৰায় একুৰি খন গাওঁ আছিল, যিবোৰ আজি ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন । অৱশিষ্ট গাওঁ সমূহ পোৰাভিটা, জামাদাৰহাট, কুমৰী, মেদেৰটাৰী আদি। নাথ-যোগী সকলৰ অধিকাংশই বাউছিয়া, অৱশ্য ঘুল্লীয়া নাথো আছে।

**গোৱালপৰীয়া লোকগীত ঃ** লোকগীত সদায় পৰম্পৰাগত, লোকগীতৰ কোনো নিৰ্দিষ্ট গীতিকাৰ বা গায়ক নাথাকে। গোৱালপৰীয়া লোকগীত সমূহ ভাৱাইয়া বা চটকা নামে জনাজাত। সুধাকণ্ঠ ভূপেন হাজৰিকাদেৱে এই গীত সমূহক গোৱালপৰীয়া লোকগীত বুলি নামকৰণ কৰিছে। গোৱালপৰীয়া লোকগীতৰ বৈশিষ্ট্য হ'ল এই গীত সমূহ সাৰ্ব্বজনীন, অসাম্প্ৰদায়িক। গোৱালপৰীয়া লোকগীতত জীৱনৰ সুখ-দুখ, প্ৰেম-পিৰিতী, হৰ্ষ - বিষাদ সকলো প্ৰকাৰ ভাবেই বিদ্যমান। লিখনিৰ কলেবৰ বৃদ্ধি আৰু পাঠকৰ ধৈৰ্য্যচ্যুতিৰ আশংকাত দুটা মানহে উনুকিয়াই থ'লো -

(ক) কৃষ্ণক প্ৰেম নিবেদন ঃ

প্ৰেম জানেনা ৰসিক কালাচান, কালা ঝুৰিয়া
থাকে মন, কতদিনে হইবে কালা - তোমাৰ
দৰশন...কালাৰে।

(খ) প্ৰেমৰ বাবে জাতি ত্যাগৰ স্বীকাৰোক্তি ........

ধল্লা নদীৰ পাৰে পাৰে - মাহুত চৰায় হাতী।
তোৰ কালাৰ পীৰিতিৰ তৰে - আমৰা দিলং জাতি।

(গ) দুৰনিবটীয়া প্ৰেমিকক লগ পাবলৈ গাৰোৱানক আকু মিনতি -

ও কি গাড়ীয়াল ভাই হাকাও গাড়ী তুই চিলমাৰীৰ ক

(ঘ) দেওৰ বৌৰ অভিযোগ, অভিমান–

কাইঞ্চাবাৰীত বেতেৰ আৰা
হাল জুৰছং ভাউজী বৰ দোলা।
পেটেৰ ভোকে প্ৰাণ যায় ভাউজী
এতোবেলা পন্তা নাই মোৰ খেতে-

বৌৱে কৈছে –

বিয়ানায় বেৰাইছং দেওৰা পথে
হাইটপেৰ নাপাং দেওৰা, ঐ না কমৰেৰ বিষে
খাও পন্তা দেওৰা বগলে বসিয়া ৰে ।
....অ মোৰ ভাৰেৰ দেওৰা তোক দেখং মুই নিজে



মানুষেৰ মতন।

গৃহ কন্দল আৰু উপপতি - পত্নীৰ হাই কাজিয়া-
ও কিৰে শাংনা, মাৰিলু কেনে
আন্দোন ঘৰত মাৰিলুৰে শাংনা
পূৱেৰ ঘৰটা নৰে, পাচিলাবাৰীৰ কৈৰালি আম
ধুপ ধুপীয়া পৰে, শাংনা মাৰিলু কেনে।।

মুঠৰ ওপৰত গোৱালপৰীয়া জন-জীৱনৰ চিত্ত চুই
ৱাকৈ প্ৰতিটো দিশৰে বাস্তৱিক চিত্ৰ গোৱালপৰীয়া লোকগীতত
ৰকৈ বৰ্ণনা কৰা আছে।

**সামৰণি** ঃ অতি সম্প্ৰতি গোৱালপৰীয়া জনগোষ্ঠী সমূহ
 নিজ কথিত ভাষা, সংস্কৃতি, উন্নয়ণৰ নামত স্পৰ্শকাতৰ ।প্ৰকৃত
গোষ্ঠীয় ইতিহাস আৰু অজ্ঞতাৰ হেতু উচ্চাত্মিকা বা নিচাত্মিকা
ৰ ক্ৰিয়া কৰি আছে। জাতীয় স্বাৰ্থ আৰু বৃহত্তৰ অসমীয়া জাতি
ন প্ৰক্ৰিয়াৰ প্ৰতি নিৰুদ্বেগ, উদাসীন। কৃত্ৰিম জনগোষ্ঠীয় প্ৰীতিৰে
ধাবাদী ব্যক্তি কিছুমানে ৰাজনীতি কৰি ভাতৃঘাতী হবলৈ প্ৰৰোচিত
ছে।

এই সন্ধিক্ষণত বুদ্ধিজীৱী, গৱেষক, তথা প্ৰশাসনে
ৱালপৰীয়া জাতি-জনগোষ্ঠী সমূহৰ ইতিহাস উদ্ধাৰ কৰি অসম
ঙ্গীত অন্তৰ্ভূক্তিৰ আৱশ্যক । সমান্তৰাল ভাৱে গোৱালপৰীয়া
লৰ মাজত অসমীয়া ভাষা সংস্কৃতিৰ প্ৰচলন আৰু আত্মীকৰণৰ
ৱ সুপৰিকল্পিত কাৰ্যব্যৱস্থা হাতত ললে নিশ্চয় বৃহত্তৰ অসমীয়া
জাতি গঠন প্ৰক্ৰিয়া সফল আৰু ত্বৰান্বিত হ'ব ।

<u>প্ৰসংগ পুথি</u> ঃ


১) কোচবিহাৰেৰ ইতিহাস (প্ৰথম খণ্ড)— খাঁ চৌধুৰী আমানত উল্লা ।
২) কোচবিহাৰেৰ ইতিহাস - ভগৱতী চৰণ বন্দোপাধ্যায়।
৩) উত্তৰবংগেৰ ইতিহাস - ৰণজিৎ দেৱ ।
৪) সটীক ৰাজোপাখ্যান -কোচবিহাৰেৰ প্ৰাচীন ইতিহাস ঃ বিশ্বনাথ দাস
৫) ৰাজ্য কোচবিহাৰেৰ ৰাজ কাহিনী ঃ (অনুবাদক) নৃপেন্দ্ৰ নাথ পাল।
৬) কোচবিহাৰেৰ ইতিবৃত্ত ঃ ৰণজিৎ দেৱ।
৭) গোৱালপৰীয়া লোক সংস্কৃতি ঃ দ্বিজেন নাথ
৮) অসমৰ কোচ-ৰাজবংশী জনজাতি ঃ ড° দ্বিজেন্দ্ৰ নাথ ভকত
৯) ৰাজবংশী ভাষা-সাহিত্যৰ পৰিচয় ঃ ড° দ্বিজেন্দ্ৰ নাথ ভকত
১০) আমি কেতিয়া অসমীয়া হলো ঃ পাচু গোপাল চক্ৰৱৰ্তী
১১) ৰাভা জনজাতিৰ চমু ইতিবৃত্ত ঃ ধনঞ্জয় ৰাভা
১২) ঐতিহাসিক পটভূমিত ঐতিহ্য মণ্ডিত ইচলাম ধৰ্মী সকল ঃ
আকদাচ আলী মীৰ ।
১৩) অসমৰ মুছলমান - সমাজ আৰু সংস্কৃতি (সম্পাদনা) ঃ
মহম্মদ তাহেৰ ।
১৪) সূৰ্য্যখড়ি দৈৱজ্ঞৰ দৰঙ্গ ৰাজবংশাৱলী (সম্পাদনা) ঃ
বিশ্বনাৰায়ণ শাস্ত্ৰী ।
১৫) চিত্ৰলেখা (আলোচনী) ঃ বিলাসীপাৰা ৰাজহুৱা গ্ৰন্থাগাৰ।
১৬) প্ৰান্ত জাগৰণ (পত্ৰিকা) ঃ পশ্চিম অসম জাগৰণ মঞ্চ, ধুবুৰী
১৭) JGURSA গৱেষণা পত্ৰিকা, ২০১৪ ঃ গুৱাহাটী বিশ্ববিদ্যালয়।


◆◆

# বিলাসীপাৰাৰ মৃৎশিল্প

প্ৰণৱ দাস

বিলাসীপাৰা মহকুমাৰ চিত্ৰ আৰু ভাস্কৰ্য্য চৰ্চাৰ ইতিবৃত্ত পোৱা একেবাৰে অসম্ভৱ । মোৰ সীমিত অভিজ্ঞতাৰ বাবে বহুত কথাই বাদ পৰি যাব পাৰে। এই অঞ্চলৰ শিল্প-চৰ্চ্চা কেতিয়াৰ পৰা গঢ়লৈ উঠিছে তাক খাটাংকৈ কোৱা টান।

মানুহৰ শ্ৰেষ্ঠ কৰ্ম্মখিনিয়ে সুকুমাৰ কলা । সুকুমাৰ কলাৰ ভিতৰত শ্ৰেষ্ঠ স্থান পোৱা কলা কেইবিধ হ'ল - সাহিত্য, সঙ্গীত নাটক, চিত্ৰ, ভাস্কৰ্য্য আৰু স্থাপত্য । আজিৰ পৰা প্ৰায় ৫০ হাজাৰ বছৰ আগতে যেতিয়া আদিম মানৱ গুহাবাসী আছিল তেতিয়াই মানুহৰ মগজত প্ৰথমে এই সুকুমাৰ কলাই ঠাই পাইছিল । ৫০ হেজাৰ বছৰ আগতে ফৰাচী দেশৰ শোভেট গুহা আৰু স্পেইনৰ আলতামিৰচ গুহা আৱিস্কাৰ হোৱাৰ পাছত মানুহে অনুমান কৰিবলৈ পালে যে আজিৰ পৰা প্ৰায় ৫০ হাজাৰ বছৰ আগতে এই গুহাবাসী মানৱে গুহাৰ দেৱালত কিছুমান আঁক-বাঁক দি চিত্ৰ আঁকিবলৈ চেষ্টা কৰিছিল। কিন্তু কিছুদিন আফ্ৰিকাৰ গহীন অৰণ্যত আৰু কিছুমান গুহা আৱিস্কাৰ হোৱাও দেখা গ'ল। আফ্ৰিকাৰ গুহাবোৰ আৰু অতি প্ৰাচীন। অনুমান কৰি থিৰাং কৰা হৈছে, এই গুহা বিলাকৰ সময় আজিৰ পৰা প্ৰায় ডেৰলাখ বছৰ আগৰ । গুহাবাসী মানৱ ইতিহাসৰ পৰা সুকুমাৰ কলাৰ জন্ম বৃতান্তৰ কথা আমি জানিব পাৰো । বিলাসীপাৰা মহকুমাৰ পৰিমণ্ডলত ভিতৰত কেতিয়া ক'ত চিত্ৰকলাৰ চৰ্চা আৰম্ভ হৈছিল তাক কোৱা বৰ টান। ১৯৫০ চনৰ আগলৈকে ইয়াৰ থলুৱা হীৰা সম্প্ৰদায়ৰ মানুখিনিয়ে অতীতৰে পৰা ছবি অঁকাৰ কাম কৰিছিল অৰ্থাৎ তেওঁলোক ইয়াৰ থলুৱা মানুহখিনিৰ কাৰণে ধৰ্মীয় কাৰ্য্য সম্পন্ন কৰিবলৈ হীৰা সম্প্ৰদায়ৰ মানুহখিনিয়ে কুঁহিলাৰ পাতল পাতত বিভিন্ন দেৱ-দেবীৰ মূৰ্ত্তি আঁকি থলুৱা মানুহৰ ধৰ্মীয় কাম সমাধা কৰাত সহায় কৰি জীৱিকা নিৰ্বাহ কৰাত নিজক নিয়োজিত কৰিছিল। ইয়াৰ ভিতৰত মনসাদেৱী - বিষহৰি, শিৱ আদি বিভিন্ন দেৱ-দেবীৰ প্ৰতিমূৰ্ত্তি আঁকিছিল। সাধাৰণতে তেওঁলোকে ৰঙৰ কামত মৌলিক তিনিটা ৰঙৰ ব্যৱহাৰ জানিছিল। বলিষ্ঠ ছেপেটা ৰঙৰ টান বোৰ আছিল বিখয়- ৰেখাৰ গতিময়তা। ইয়াৰ বাহিৰে প্ৰায় এশ বছৰ আগতে বিলাসীপাৰাৰ হাকামা অঞ্চলত দুই এজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকে সাঁচি পাতৰ পুঁথিও ৰচনা কৰিছিল। সেই পুঁথিবোৰত দুই এখনত চিত্ৰণো কৰা আছিল। কলা আৰু ৰঙা ৰঙৰ ব্যৱহাৰ কৰি পুঁথি লেখা দেখিবলৈ পাওঁ । কুঁহিলাৰ পাতত অঙ্কণ আৰু কুঁহিলাৰ কামৰ বাবে হীৰা সম্প্ৰদায়ৰ মানুহখিনিৰ ভিতৰত লক্ষী হীৰা আৰু শ্ৰী নাচো হীৰাৰ নাম উল্লেখ কৰিব পাৰি। অতীতকালৰে পৰা তেওঁলোকৰ পূৰ্ব্ব পুৰুষ সকল এই কামতেই নিয়োজিত আছিল। প্ৰাচীন কালৰে পৰা অসমত মৃৎশিল্প পোৱা যায়। কেতিয়া, কেনেকৈ এই শিল্পৰ প্ৰচলন হ'ল- তাক সঠিককৈ ক'ব নোৱাৰি। অনুমান হয় মানৱ ইতিহাসত টকাৰ আৱিস্কাৰ হোৱাৰ পৰা সমাজত মৃৎপাত্ৰ তৈয়াৰ কৰা পদ্ধতি উদ্ভাৱন হৈছিল । পিছে সুদীৰ্ঘ কালৰ পৰা এই হীৰা সম্প্ৰদায়ৰ মানুহখিনি কিয় শিল্পটো উন্নত পদ্ধতিৰে আগুৱাই নিয়াত অকণো সক্ৰিয় নহল তাৰ কাৰণ বোধকৰো অভাৱ আৰু শিক্ষাৰ দৈন্যতা । ইয়াৰ বাহিৰে চৰকাৰৰ কৰ্মকৰ্ত্তা সকলৰ ইচ্ছাকৃত অৱহেলাও ইয়াৰ ফল । চৰকাৰৰ ইমানবোৰ উন্নয়নমূলক কাৰ্য্যসূচীয়ে কিয় এওঁলোকক ঢুকি নাপায়- ভাবিলে আচৰিত লাগে ।

ভাৰত বিভাজিত হোৱাৰ বা স্বাধীনতাৰ পাছত অৰ্থাৎ ৫০ৰ দশকৰ আৰম্ভণিৰ লগেলগে পূৰ্ব্ব বঙ্গৰ পৰা পাল সম্প্ৰদায়ৰ মৃৎশিল্পৰ কাম কৰা জনগোষ্ঠীৰ বিশেষ মানুহখিনিৰ অবিৰত আগমণৰ পৰা এই অঞ্চলৰ মাটিৰে মূৰ্ত্তি সজোৱা আৰু মূৰ্ত্তি পূজাৰ প্ৰচলন হয়। এই ক্ষেত্ৰত বিলাসীপাৰাৰ গোৰনাথ পাল আৰু বগৰীবাৰীৰ যোগেশ পালৰ নাম উল্লেখ কৰিব পাৰি ।

ইয়াৰ পৰৱৰ্ত্তীকালত শ্ৰী নিত্যানন্দ সাহা নামৰ এজন প্ৰখ্যাত শিল্পীয়ে কলিকতাৰ পৰা আহি ইয়াত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। তেওঁৰ চাৰুকলা (চিত্ৰ কলা) আৰু ভাস্কৰ্যৰ কৰ্ম্মৰাজিৰ প্ৰতি আকৃষ্ট হৈ পৰৱৰ্ত্তীকালত ইয়াৰ কিছু সংখ্যক যুৱকে অলপ হলেও এই কামত ব্ৰতী হয় আৰু আজিৰ বিলাসীপাৰা মহকুমাত চিত্ৰ আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত এক অবিৰত কৰ্ম্ম সংস্কৃতিয়ে এটা বিশেষ ৰূপ লয়।

*( লেখক বিলাসীপাৰাৰ এগৰাকী প্ৰসিদ্ধ চিত্ৰ আৰু ভাস্কৰ্য শিল্পী)*

◆◆

বিলাসীপাৰা মহকুমাৰ ৰূপালী জয়ন্তী উপলক্ষে ৰাইজলৈ শুভেচ্ছা জ্ঞাপন কৰিলো।

মোবাইল - ৯৯৫৪১ ৪৮৮৪৯

# Sarada Gold

প্ৰোঃ সঞ্জয় দাস

**স্বৰ্ণ গহনাৰ উত্তম প্ৰতিষ্ঠান**

চক্ বজাৰ, বিলাসীপাৰা



# অসম সাহিত্য সভাৰ চাপৰ অধিৱেশন ঃ এটি চমু আলোকপাত

হেৰম্ব কলিতা

মনত পুহি ৰখা বহু ইচ্ছা, আকাংখা আৰু হেঁপাহ, অৱশ্যে এই হেঁপাহ কেৱল আমাৰেই নহয়, এয়া নিশ্চয়কৈ সমগ্ৰ চাপৰবাসী তথা বিলাসীপাৰা মহকুমাৰ জনসাধাৰণৰ হেঁপাহ। প্ৰতি বছৰে আমন্ত্ৰণ জনাই আহিছিল চাপৰ সাহিত্য সভাই অসম সাহিত্য সভাৰ পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত কৰাৰ বাবে । সাহিত্য সভাৰ বোকাখাট অধিৱেশনত পৰৱৰ্তী অধিৱেশন চাপৰত হ'ব বুলি প্ৰচাৰো হ'ল । কিন্তু মুহূৰ্ত্ততে সলনি হ'ল সিদ্ধান্ত । পৰৱৰ্তী অধিৱেশন বিলাসীপাৰাত। তথাপিও ভাগৰি পৰা নাছিল চাপৰ সাহিত্য সভা । সভাৰ প্ৰতিখন অধিৱেশনতে আমন্ত্ৰণ তথা দাবী জনাই আহিছিল চাপৰত অধিৱেশন হ'ব লাগে। অবিভক্ত গোৱালপাৰা জিলাৰ মধ্যস্থল চাপৰ। বৰ্তমানৰ ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাৰ সংগম স্থল চাপৰ। সুন্দৰ জন গাঁথনি । সকলো ধৰ্ম-ভাষা-জাতি-উপজাতিৰ মিলন ভূমি চাপৰ ।অসম সাহিত্য সভাৰ অধিৱেশনে সাতামপুৰুষীয়া জনগাঁথনি সমৃদ্ধ চাপৰত ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ পথ সুচল কৰিব আৰু অধিৱেশনৰ উদ্দেশ্য সফল হ'ব। এই উদ্দেশ্য লৈ ২০০৫ চনৰ ছিপাঝাৰ অধিৱেশনলৈ বুলি চাপৰ সাহিত্য সভাৰ ২৬ জনীয়া প্ৰতিনিধি দল এটি ৰাওনা হয়। এইবাৰ চাপৰ সাহিত্য সভাৰ আমন্ত্ৰণ অসম সাহিত্য সভাই এৰাব নোৱাৰিলে । ছিপাঝাৰ অধিৱেশনৰ মুকলি সভাত সভাপতি মাননীয় শ্ৰীযুত কনকসেন ডেকাদেৱে পৰৱৰ্তী অধিৱেশন চাপৰত হ'ব বুলি ঘোষণা কৰাৰ লগে লগে চাপৰৰ পৰা যোৱা গোটেই প্ৰতিনিধি দলটোৱে মঞ্চলৈ উঠি সভাপতি মহোদয়লৈ আনুষ্ঠানিক আৰু পৰম্পৰাগত ভাবে চলি থকা নিয়ম অনুসাৰে শৰাই, গামোছা, আৰু তামোল-পাণেৰে আমন্ত্ৰণ আগবঢ়ালে । এই প্ৰতিনিধি দলটিত বয়োজ্যেষ্ঠ ব্যক্তি ক্ৰমে প্ৰসন্ন কুমাৰ দাস, ভবানন্দ মেধি, নিখিল চন্দ্ৰ, তৰুণী কান্ত ৰায় আৰু শাখা সভাৰ সভাপতি ডম্বৰুধৰ ৰায়, সম্পাদক হেৰম্ব কলিতা সমন্বিতে ২০ গৰাকী প্ৰতিনিধি আছিল। ওভতনি যাত্ৰাকালত গোটেই বাটটোতে বিহুগীত গাই , ৰং-তামছা কৰি অহা বয়োজ্যেষ্ঠ সকলৰ পাৰভঙা উছাহ চাবলগীয়া হৈছিল। চাপৰৰ জনসাধাৰণৰ ওপৰত পৰিল এটি গধুৰ দায়িত্ব । সৰ্বত্ৰে আলোচনা আৰম্ভ হ'ল। এই মহাসভা অধিবেশন কেনেকৈ সুকলমে পাৰ হ'ব ।

ইতিমধ্যে অসম সাহিত্য সভাৰ মূল সমিতিৰ ফালৰ পৰা চাপৰ সাহিত্য সভালৈ আনুষ্ঠানিক পত্ৰ আহি পালে। চাপৰ সাহিত্য সভাই মূল সভাৰ নিয়ম অনুসাৰে কাম-কাজ আৰম্ভ কৰিলে। আদৰণী সমিতি গঠনৰ কুছ-কাৱাজ চলিল। শাখা - সভাই প্ৰথমতে আদৰণী সমিতি খনৰ এখন উপবিধি প্ৰস্তুত কৰিলে। প্ৰাৰম্ভিক সভা ১৬-০৬-২০০৫ তাৰিখে অনুষ্ঠিত হয়। এইখন সভাতে উপবিধিখন গ্ৰহণ আৰু আদৰণী সমিতি গঠনৰ তাৰিখ স্থিৰ কৰিলে । ৰত্নপীঠ মহাবিদ্যালয়ত ১৭-০৬-২০০৫ তাৰিখে আদৰণী সমিতি গঠনৰ বাবে প্ৰতিনিধিমূলক ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত সভাপতিৰ বাবে জননেতা শৰৎ চন্দ্ৰ সিংহৰ নামটো গৃহীত হয়। পিছত অন্যান্য পদবী বাবে ৰাজনৈতিক ভাবে প্ৰভাৱিত কিছু লোকে হুলস্থূলীয়া পৰিৱে সৃষ্টি কৰাৰ বাবে সভা আধাতে সামৰিব লগা হয়। আদৰণী সমিতিখ সভাপতিৰ আসন অলংকৃত কৰিবৰ বাবে জননেতা শৰৎ চন্দ্ৰ সি নামটোৱে সৰ্বত্ৰে আলোচনা হ'ল । চাপৰ সাহিত্য সভাইও সি দেৱক সভাপতি কৰিব পাৰিলে অধিৱেশন সফল হবই বুলি দৃঢ় পোষণ কৰিলে । ৰাজহুৱা সভা আৰু শাখা সভাৰ সিদ্ধান্ত গুৱাহাটীলৈ চাপৰ সাহিত্য সভাৰ পৰা এটা প্ৰতিনিধি দল শৰৎ ( বাবু শব্দটো চাপৰৰ এটা সন্মানীয় উপাধি) কায পালেগৈ আলোচনা আৰু প্ৰাৰ্থনা জনোৱাৰ পাছতো তেখেতক সৈমান পৰা নগ'ল সভাপতিৰ আসন অলংকৃত কৰাৰ বাবে । পোন প্ৰস্তাৱ নাকচ । মাত্ৰ তেখেতৰ একেটাই কথা "স্বাস্থ্যৰ অৱস্থা বেয়া, অধিবেশনলৈ হয়তো মই জীয়াই নাথাকিম " । অধিৱে বাবে সকলো দিহা- পৰামৰ্শ আৰু সহায় আগবঢ়োৱাৰ কথা

বাবুৰ কথা আখৰে-আখৰে ফলিয়ালে। ২০০৫ চনৰ ২৫ স্বৰত তেখেতৰ মহা প্ৰয়াণ হয়।

দীৰ্ঘ দিনৰ অন্তত আধাতে সামৰি থোৱা ৰাজহুৱা সভাখন া আৰম্ভ কৰিব লাগে বুলি শাখা সভাই সিদ্ধান্ত গ্ৰহণ কৰে । অনুসৰি ২২-১০-২০০৫ তাৰিখে অনুষ্ঠিত হোৱা প্ৰতিনিধি ক ৰাজহুৱা সভাত আদৰণী সমিতি গঠন কৰা হয়। সভাত শ্ৰীযুত ন্ন কুমাৰ দাস, বিধায়ক শ্ৰীযুত প্ৰশান্ত কুমাৰ বৰুৱা আৰু প্ৰাক্তন সদ শ্ৰীযুত আব্দুল হামিদ এই তিনি গৰাকী ব্যক্তিক সভাপতি লী হিচাপে লৈ এখন বিশাল আদৰণী সমিতি গঠন কৰা হয় । সমিতি খনত জিলা প্ৰশাসন, মহকুমা প্ৰশাসনৰ লগতে জিলাখনৰ হিত্য সভাৰ লগত জড়িত থকা ব্যক্তি আৰু বিভিন্ন সংগঠন সমূহকো হয়। গঠিত হোৱা আদৰণী সমিতিৰ কাৰ্য্য নিৰ্বাহিকে এখন তি - নিৰ্দ্ধাৰিণ সমিতি , কৰ্ণধাৰ সমিতি লগতে ৩১ খন উপসমিতি ন কৰি দিয়ে।

অসম সাহিত্য সভাৰ ঊনসপ্ততিতম চাপৰ অধিৱেশনৰ ম-কাজ খুব লেহেম গতিৰে আগবাঢ়িল । দুঃচিন্তা, অনিশ্চয়তা, ন্দহ, বেমেজালি, বাদ-বিসম্বাদ আদিৰে আগবাঢ়ি থাকিল কাম- জ । বিধায়ক শ্ৰীযুত প্ৰশান্ত কুমাৰ বৰুৱাদেৱে তেখেতৰ বিধায়ক জিৰ পৰা পাঁচ লাখ টকা অনুদান আগবঢ়ালে, চাপৰ সাহিত্য সভা লগ্ন কৰি এটি স্মৃতি ভৱন (সভা গৃহ) নিৰ্মাণ কৰাৰ বাবে। ১৮-০৯- ০০৬ তাৰিখে সভা গৃহৰ আধাৰশিলা স্থাপন কৰে বিধায়ক মহোদয়ে াৰু সময়মতে সাজিও উলিয়ায় । গড়কাপ্তানি (গৃহ) বিভাগে চাপৰ ৰিদৰ্শন বঙলাত এটি শীত-তাপ নিয়ন্ত্ৰিত নতুন ভৱন নিৰ্মাণ কৰি য়ে।

আদৰণী সমিতিৰ সিদ্ধান্ত মৰ্মে অধিৱেশনৰ ক্ষেত্ৰখন জননেতা শৰৎ চন্দ্ৰ সিংহ ক্ষেত্ৰ "নামেৰে নামকৰণ কৰা হয়। ক্ষেত্ৰৰ াম ফলক উন্মোচন কৰে অসম সাহিত্য সভাৰ মাননীয় সভাপতি ীযুত কনকসেন ডেকাদেৱে । অধিবেশনৰ এটি মাঙ্গলিক অনুষ্ঠান লাই-খুটা" স্থাপন । নামনি অসমৰ বিশিষ্ট গৱেষক, সাহিত্যিক অম্বিকা ৰণ চৌধুৰী দেৱে ২২-০১-০৭ তাৰিখে শংখ, ঘন্টা, উৰুলিৰ মাজত লাইখুঁটা" স্থাপন কৰে।

২০০৭ খ্ৰীষ্টাব্দৰ ১৬,১৭,১৮, আৰু ১৯ মাৰ্চৰ পৰা আৰম্ভ হ'ল শৰৎ চন্দ্ৰ সিংহ ক্ষেত্ৰত অসম সাহিত্য সভাৰ ৬৯ তম অধিৱেশন । এফালে অসম বন্ধ আৰু আনফালে এক উছৱ মুখৰ পৰিৱেশ। চাপৰৰ প্ৰতিঘৰ মানুহৰ মনত যে কিমান আশা, কোনে কিমান দায়িত্ব পালন কৰিব পাৰে। এই জন সমুদ্ৰক কেনেকৈ যে আপ্যায়িত কৰিব পাৰিব ! অসম বন্ধৰ আহ্বান দিছে সদৌ অসম কোচ ৰাজ-বংশী যুৱ ছাত্ৰ সন্মিলনীয়ে। সভাপতি কনকসেন ডেকা দেৱ আৰু আদৰণী সমিতিৰ নেতৃবৃন্দই বহু চেষ্টা কৰিও বন্ধ উঠাই লোৱাৰ বাবে সৈমান কৰাব নোৱাৰিলে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰতিনিধি আহিয়ে থাকিল। বন্ধৰ কালছোৱাত কিছু প্ৰতিনিধি আহি থাকোতে জখমো হ'বলগীয়া হয় দুৰ্বৃত্তৰ হাতত। ১৬ মাৰ্চৰ ৰাতিপুৱা ৮.৩০ বজাত বৃক্ষ ৰোপন আৰু ৰাতিপুৱা ৯ বজাত নৱ- নিৰ্ম্মিত চাপৰ সাহিত্য সভাৰ স্মৃতি ভৱন উন্মোচন কৰি অধিবেশনৰ কাৰ্য্যসূচী শুভাৰম্ভ কৰে সভাপতি শ্ৰী কনকসেন ডেকাদেৱে।

আদৰণী সমিতিৰ দ্বাৰা কেইবাখনো প্ৰকাশিত পুথি উন্মোচন হয়। শৰৎ চন্দ্ৰ সিংহৰ জীৱনী ভিত্তিক গ্ৰন্থ, গল্প, সংকলন, কবিতা-পুথি সংকলন, চৰ-চাপৰিৰ ওপৰত সংকলনৰ লগতে সমগ্ৰ মহকুমা তথা জিলাখনৰে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ভাষা, সাহিত্য, সংস্কৃতি, আদিৰ সকলো দিশ সামৰি 'চক্ৰশীলা-চম্পাৱতী' নামেৰে প্ৰকাশিত স্মৃতি গ্ৰন্থখন প্ৰকাশ পায়। মূল সভাৰ পৰা বিশ্বকোষ, ভালকেইখন গ্ৰন্থ, লগতে জিলা সভাৰ ফালৰ পৰাও ভালে কেইখন গ্ৰন্থ প্ৰকাশ পায়। তাৰোপৰি বিভিন্ন লেখক লেখিকাৰ প্ৰায় ৫০ খনৰো অধিক গ্ৰন্থ-পুথি অধিবেশনত উন্মোচিত হয়। অধিবেশনত এখন সুসজ্জিত নাৱত মাননীয় সভাপতিক লৈ এক বাৰে-বৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা হয়। অসম সাহিত্য সভাই প্ৰস্তুত কৰি উলিওৱা সকলো কাৰ্য্যসূচী সুকলমে সমাপন কৰা হয়। গ্ৰন্থমেলা, প্ৰদৰ্শনী আদিও অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ কাৰ্য্যসূচী মতে বুৰঞ্জী সন্মিলনত (পশ্চিম অসমৰ ভাষা-বুৰঞ্জী আৰু লোক-সংস্কৃতিৰ ধাৰা) সঞ্চালনা কৰে শ্ৰীযুত কনক শৰ্মা দেৱে। 'জনগোষ্ঠীয় ভাষা-সাহিত্যৰ বিকাশৰ সমস্যা' শীৰ্ষক আলোচনাচক্ৰ সঞ্চালনা কৰে শ্ৰীযুত ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মদেৱে। লগতে 'নবীন লেখক-লেখিকাৰ সমস্যা আৰু সমাধানৰ উপায়' শীৰ্ষক আলোচনাচক্ৰ সঞ্চালনা কৰে শ্ৰীমতী ৰীতা চৌধুৰী মহোদয়াই। মুকলি অধিবেশনত বিশিষ্ট অতিথি আৰু আমন্ত্ৰিত বহু অতিথিয়ে অংশ গ্ৰহণ কৰে। শ্ৰীযুত নন্দ কুমাৰ দেৱবাৰ্মা (ত্ৰিপুৰা), ড০ চিলভানুছ নায়াৰ (মেঘালয়), শ্ৰীযুত চি.আৰ. মৌদগল্ল, সঞ্চালক,

পঞ্জাব-হাৰিয়ানা সাহিত্য একাডেমী, শ্ৰীযুত বিদৰ সিংহ, শ্ৰীযুত বাৰেন চাপাৰ, শ্ৰীযুত বসন্ত কুমাৰ দলে আদিৰ লগতে চাপৰৰ সন্তান আমেৰিকা যুক্তৰাষ্ট্ৰৰ ইলিনয় বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা কৃষিবিজ্ঞানী ড° প্ৰশান্ত কুমাৰ কলিতাই বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে । অতিথি আৰু প্ৰতিনিধি সকলৰ থকা-খোৱাৰ ব্যৱস্থা প্ৰশংসনীয় আছিল। অতিথি সকলক আদৰণী সমিতিয়ে দিয়া উপহাৰ সমূহৰ আমাৰ ভিতৰত আমাৰ গোৱালপাৰীয়া সংস্কৃতিৰ অংগ বতলাৰে (কুঁহিলা) নিৰ্মিত "ডিঙা" (নাওঁ) বিশেষ ভাবে সমাদৃত হৈছিল।

সাংস্কৃতিক প্ৰাণকেন্দ্ৰ তথা ইতিহাস প্ৰসিদ্ধ চাপৰ অধিৱেশনত মূল সভাৰ বিষয়ববীয়া আৰু আমন্ত্ৰিত অতিথিবৰ্গলৈ গামোছা, শৰাইৰ উপৰিও সভাপতি ডেকাদেৱৰ একান্ত ইচ্ছা অনুসৰি সমন্বয়ৰ প্ৰতীক হিচাবে অসমৰ বিভিন্ন জনগোষ্ঠী (গামোছা সদৃশ) মান বস্ত্ৰৰেও সম্বৰ্ধনা জনোৱা হয়। অধিবেশনৰ কাৰ্য্যসূচী সমূহত পৰিবেশন কৰা ২১ টাত কৈ বেছি সমবেত সংগীত পৰিচালনা কৰে শ্ৰীমতী অনিতা দাস আৰু শ্ৰীযুত প্ৰণমেশ কান্তি সিংহই । অধিৱেশনত অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ দেৱৰ উপস্থিতি হঠাৎ বাতিল হোৱাৰ লগে লগে চৰকাৰে দিব লগা অনুদানৰ পৰাও আদৰণী সমিতি বঞ্চিত হ'ব লগা হয়। অসম বন্ধৰ বাবে এইদৰে বহু অনুদান আদৰণী সমিতিৰ হাতলৈ নাহিল । ফলত ভীষণ আৰ্থিক সংকটত পৰিব লগা হয় আদৰণী সমিতি। তৎসত্বেও সমিতিয়ে সুকলমে সকলো কা সমাপন কৰে। অসম সাহিত্যসভাৰ ঊনসপ্ততিতম চাপৰ অধিৱেশন চাপৰৰ জনসাধাৰণৰ বহুদিনীয়া আশা বহু মিঠা-কেঁহা অভিজ্ঞতা সফল সমাপ্তি ঘটিল। এইদৰে অসমৰ এটা জাতীয় অনুষ্ঠানৰ পূণ অধিৱেশন বিলাসীপাৰা মহকুমাৰ বিলাসীপাৰা আৰু চাপৰত ম দহ বছৰৰ ব্যৱধানত দুবাৰকৈ অনুষ্ঠিত হোৱাটো মহকুমাটোৰ ব গৌৰৱৰ কথা ।

*(লেখক চাপৰৰ এগৰাকী সাহিত্য সংগঠ*

◆◆

# আমাৰ বিলাসীপাৰা

**ইব্ৰাহিম আলী আহমেদ**

আমাৰ
বিলাসীপাৰা
নৈ বিল
পাহাৰে আৱৰা

চম্পাৱতী, সোণকোষ
টিপকাই
হাকামা, ধীৰ বিল
দীপলাই
মাছ-কাছ বিলায়

নানা ধৰ্ম
নানা জাতি
আছো আমি
প্ৰীতিৰে জীয়াই।

*(লেখক এগৰাকী উদীয়মান কবি)*

◆◆

# ৰূপালী প্ৰণিপাত

**পুৰঞ্জিত দাস**

শ্ৰদ্ধাৰ বিলাসীপাৰা মহকুমা মোৰ
কিহেৰে পুজিম তোমাক,
শিৰনত কৰি প্ৰৱেশ পথত
প্ৰণিপাত কৰো জনতাক ।

গছ- বন, তৰু-তৃণ সকলোৱে যেন
সাজি-কাচি উঠিছে ৰূপালী ৰঙত,
শান্তিকামী জনতাই উৰাই শান্তিৰ ধ্বজা
ৰাখিছে নিদৰ্শন বিশ্ব দৰবাৰত।

মূৰুখমতি, ক্ষুদ্ৰতম কণা মই
মহকুমাটিয়েই হওক মোৰ পৰিচয়,
সমন্বয়-সংস্কৃতিৰ এই মহকুমা
হওক জয় জয় ময় ময় ।।

*(লেখক মহকুমাধিপতিৰ কাৰ্যাল*

# অনুভূতি

**প্ৰণিতা কলিতা পাঠক**

তুমি পঁচিশ বছৰীয়া হ'লা ।
অধীৰ আগ্ৰহেৰে ৰৈ আছিলো
এবুকু উৎকণ্ঠা আৰু আৱেগৰ বন্যাত
তুমি আহিবা বুলি ।
তুমি অহাৰ দিনা
প্ৰাণ পাই উঠিল
সেউজীয়া হ'ল ধৰা ।
এমুঠি আশা হৈ আহিলা
সপোনবোৰ ডেউকা কোবাই উৰিল
আকাশ চুবলে' ।
পাৰ হ'ল মধুৰ ক্ষণবোৰ
শুনিলো তোমাৰ উচুপনি ।
গৌৰাং নৈয়ে ৰং সলালে
বতাহ এছাটিয়ে জগাই দিলে
তুমি বোলে গাত ৰূপালী
বোল সানিলা ।
আশা, উৎসাহবোৰ
উশাহ হৈ থাকিল
ভৱিষ্যতলৈ ..........!

*(কেৰি বিলাসীপাৰা মহকুমা কাৰ্যালয়ৰ এগৰাকী কনিষ্ঠা সহায়িকা)*

# শব্দ শইচৰ কথকতা

**ধনঞ্জয় সিন্‌হা**

আহক আমি চেতনাৰ পথাৰখন
কৰ্ষণ কৰোঁ
ভালকৈ চহ হ'লে পথাৰ
সপোনৰ ভোগজৰা ভঁৰাল
আটোমটোকাৰি হ'ব
গাঁৱৰ গৰিমা আমাৰ
শিৰা-শোণিতেৰে বব
ভাৱনাৰ ভোগদৈ
উজনি-নামনিক চুমিব
পথাৰৰ আজীৱন প্ৰেমিক আমি
ন শইচৰ সুগন্ধত
আমাৰ গোটেই গাঁওখনি
এতিয়া আমোলমোল
মন পথাৰৰ শইচ, শিপামূলতো এতিয়া
এজাক দবাপিটা বৰষুণৰেই দৃঢ় জাননী
আকাংক্ষাৰ মৌৰাঁহতো
গুণ গুণ গুঞ্জনেৰে আটিল মায়াজাল ।

*(কবি এগৰাকী শিক্ষক)*

◆◆

vodafone

*With best Compliments from -*

**M/s. Tribeni Enterprise**

Vodafone Mini Store

&

**M/s. M.G. Coal Trader**

Hero Motocorp showroo

**Mr. Gopal Ch. Sa**

**Proprie**

Hero

*Hum mein hai Hero*

# বিলাসীপাৰাৰ বুৰঞ্জী ঃ এটি অৱলোকন

ড° হৰিচৰণ দাস

বুৰঞ্জী বা ইতিহাস বুলিলে আমাৰ এক ধাৰণা যেন, ই কোনো এখন ঠাইৰ ৰজা-ৰাণীসকলৰ বংশ পৰিক্ৰমা। কোন চনত কোন ৰজা হ'ল, কাৰ লগত যুদ্ধ কৰিলে, কাক বিয়া কৰালে ইত্যাদি। কিন্তু ইতিহাস মানে ৰাজ পৰিয়ালৰ বংশাৱলী অধ্যয়ণ নহয়, প্ৰৱাহমান জনৰ সভ্যতাৰ অধ্যয়ণহে। ড° ভূপেন হাজৰিকাই লিখি থৈ গৈছে – "আগৰ বুৰঞ্জী লেখকে লিখিছিল ৰজা-মহাৰজাৰ কথা, আজিৰ বুৰঞ্জী লেখকে লিখিছে মানুহৰ মুকুতিৰ কথা।" প্ৰসিদ্ধ ঐতিহাসিক ড° ডি ডি কৌশাম্বীয়ে 'ভাৰতৰ ইতিহাস' (অসমীয়া অনুবাদ- ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য) গ্ৰন্থ সেয়ে কোনো ৰাজবংশীয় অধ্যয়ণৰ আধাৰত লিখা নাই, লিখিছে ভাৰতৰ বিভিন্ন নৃগোষ্ঠীয় লোকৰ মাজত হোৱা সমন্বয়ৰ আধাৰত গঢ়ি উঠা সভ্যতাৰ ইতিহাসহে। আমি বিলাসীপাৰাৰ বুৰঞ্জী বুলি কওঁতেও তেনে দৃষ্টিয়েই গ্ৰহণ কৰিম।

ড° ডি. ডি কৌশাম্বীয়ে তেওঁৰ 'ভাৰতৰ ইতিহাস' গ্ৰন্থত খ্ৰীষ্টপূৰ্ব ২০০০ চনলৈকে গংগা উপত্যকাত কোনো জনবসতি নাছিল বুলি উল্লেখ কৰিছে আৰু বঙ্গদেশ সম্পূৰ্ণভাৱে অৰণ্য আছিল বুলি উল্লেখ কৰিছে। যদি সেয়ে হয়, বৰ্ত্তমানৰ বিলাসীপাৰাতো তেনেসময়ত মানুহৰ বসতি থকা বুলি অনুমান কৰিব নোৱাৰি। কিন্তু কৌশাম্বীয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কথা উল্লেখ নকৰালে চাই, সেই সময়ত, বৰ্তমান অসমৰ এলেকা সমূহত জনবসতি নাছিলেই বুলি ধৰি ল'ব নোৱাৰি। প্ৰাগজ্যোতিষপুৰৰ সম্পৰ্কে মহাভাৰতত বৰ্ণনা থকালৈ চাই ক'ব পাৰি যে, অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত পাঁচহাজাৰ বছৰ আগতেই সু-সংগঠিত দেশ আছিল। প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰ, ভগদত্ত আদিৰ কথা আমি মহাভাৰতত স্পষ্টভাৱে পাওঁ। আকৌ গুৱাহাটীত বৈশিষ্ঠাশ্ৰমে ৰামায়ণী যুগলৈকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইতিহাসক টানি লৈ যায় - কাৰণ ঋষি বৈশিষ্ঠ্য আছিল ৰামৰ শিক্ষক। যিয়েই নহওক, আমি সিমান দূৰলৈ যাব নোৱাৰিলেও, বিলাসীপাৰাৰ ইতিহাস কামৰূপীয় সভ্যতাৰ সময়ৰ পৰা ধৰিব পাৰোঁ। কামৰূপৰ শ্ৰেষ্ঠ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ সময়ত নিশ্চিতভাৱে এই অঞ্চলত জনবসতি আছিল। অঞ্চলটো কামৰূপৰ ৰত্নপীঠৰ ভিতৰুৱা আছিল। একাদশ শতিকাত, ইয়াৰ বৰ্তমানৰ দুধনাথ মন্দিৰ আৰু চান্দৰডিঙা অঞ্চলত ঋষি পালকাপ্যৰ আশ্ৰম আছিল। ঋষি পালকাপ্য আছিল হস্তী বিশাৰদ, তেওঁ হস্তায়ুৰ্বেদ ৰচনা কৰিছিল। পালকাপ্য ঋষিৰ জন্মস্থান আছিল বৰ্তমানৰ শদিয়া অঞ্চলত, তেওঁ হাতীৰ বিষয়ে গৱেষণা কৰাৰ স্বাৰ্থত এই ঠাই পাইছিলহি আৰু শেষত তেওঁ বৰ্তমানৰ কেৰেলা ৰাজ্যত আশ্ৰম পাতিছিল। কেৰেলাত পালকাপ্য ঋষি এগৰাকী হস্তী বিশাৰদ ৰূপে আজিও বিখ্যাত। পালকাপ্য ঋষিৰ আশ্ৰমৰ অস্তিত্বই প্ৰমাণ কৰে, প্ৰাচীন বিলাসীপাৰা অঞ্চলত শাস্ত্ৰ চৰ্চা হৈছিল, বিদ্বান লোক আছিল আৰু সু-সংগঠিত ৰাজ্যও আছিল। ইয়াৰ পিছতে অঞ্চলটো কামতাপুৰ বা কোচ ৰাজ্যৰ অধীনলৈ গৈছিল। কোচৰজা নৰনাৰায়ণ, সেনাপতি চিলাৰায় বা তেওঁলোকৰ পুত্ৰ-পুত্ৰাদিয়ে শাসন কৰা সময়লৈকে বিলাসীপাৰাৰ জনজীৱন, এই অঞ্চলৰ কোচ-কলিতা-বড়ো-নাথ আদি সমাজ স্বকীয় ভাষা-কৃষ্টিৰে উজ্জ্বল আছিল। সেই সময়ত মুছলমান সকলৰ বসতি আছিল তেনেই তাকৰীয়া। ১৭ শতিকাৰ পৰাহে ইয়াত মুছলমানসকলৰ বসতি বিস্তাৰিত হয়। অধ্যাপক শশী শৰ্মাদেৱৰ ৰচনাৰ পৰা জানিব পৰা মতে, যি সময়ত বৰদোৱাত মহাপুৰুষ শঙ্কৰদেৱৰ গুৰু মাধৱ কন্দলিয়ে টোল স্থাপন কৰিছিল, সেই সময়ত বৰ্তমানৰ বিলাসীপাৰাৰ হাকামাত সংস্কৃত শিক্ষাৰ কেন্দ্ৰ আছিল। হাকামা-শালকোচা অঞ্চলৰ গৃহ-বিশেষে সংৰক্ষিত সাঁচিপতীয়া আৰু তুলাপতীয়া পুথিৰ অস্তিত্বলৈ মন কৰিলেই ইয়াৰ যথাৰ্থতা ওলাই পৰে। হাকামাত জামাল কছাৰী নামৰ, মাধৱদেৱৰ এজন বন্ধু থকাৰ কথা 'কথাগুৰু চৰিত'ত পোৱা যায়। মাধৱদেৱ মহাপুৰুষে পাটবাউসীৰ পৰা কোচবিহাৰলৈ অহাৰ বাটত, হাকামাৰ জামাল কছাৰীৰ ঘৰত নিশা যাপনৰ কথা গুৰুচৰিতত উল্লেখ আছে। ইয়াত সত্ৰও আছিল, নাতি দূৰৈৰ ফুটকীবাৰীত বৰ্তমানো সত্ৰ আছে। হাকামা অঞ্চলটো এসময়ত জনজাতীয় ৰজাৰ শাসনাধীন আছিল আৰু পৰৱৰ্ত্তী সময়ত জনজাতীয় ৰাজ্যৰ অৱসান ঘটি কোচৰাজ্যৰ অধীন হৈ পৰিছিল। কোচ ৰজা নৰনাৰায়ণৰ দেহাৱসানৰ পাছত তেওঁৰ পুত্ৰ আৰু চিলাৰায়ৰ পুত্ৰৰ মাজত হোৱা অৰিয়াঅৰিৰ ফলস্বৰূপে অঞ্চলটো মোগলৰ অধীনলৈ যায় আৰু মোগল শাসন ব্যৱস্থাৰ অধীনত ইয়াত জমিদাৰী প্ৰথা গঢ়ি উঠে। পিছলৈ বৃটিছ শাসকবৰ্গইও

অঞ্চলটোত জমিদাৰী শাসন ব্যৱস্থাই বাহাল ৰাখে। বিলাসীপাৰা অঞ্চলটো চাপৰ জমিদাৰীৰ অংশ আছিল আৰু ১৯৫৯ চনলৈ বিলাসীপাৰা জমিদাৰী শাসনৰ অধীনত আছিল। এই সম্পৰ্কে ড° অজিত কুমাৰ বৰুৱাই 'চান্দৰডিঙা'ত লিখিছে-"চাপৰ জমিদাৰী স্থাপিত হয় বৰুণডাঙাত (ৰূপচীৰ ওচৰত) পিচলৈ এওঁলোকে - প্ৰথমতে চাপৰ, পিছত বিলাসীপাৰাত সদৰ কাৰ্যালয় পাতে। চাপৰৰ জমিদাৰে সেৱায়েৎ (পূজাৰী) হিচাপে জমিদাৰী চলাইছিল। এই জমিদাৰীৰ সৃষ্টি হয় দেৱোত্তৰ সম্পত্তিৰ দ্বাৰা। প্ৰায় ১২৩,৫৫২ একৰ ভূমিত এই জমিদাৰীৰ বিস্তৃতি আছিল। ইয়াৰ বেচিভাগ ঠাই চৰ অঞ্চল। অতীতত কিছুমান মুছলমান, ৰাজবংশী, কলিতা আৰু মেচ কৃষক আছিল। ইয়াৰ শেষ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে বিলাসীপাৰা কলেজৰ কাৰণে ভূমিদান কৰিছিল।" বিলাসীপাৰাৰ জমিদাৰকালীন সময়ছোৱাৰ প্ৰথমখিনি জমিদাৰী শাসন-শোষণৰ আৰু পিছৰখিনি ৰাইজৰ সংগ্ৰামৰ সময় আছিল। বৃটিছে এই অঞ্চলটো বাংলাদেশৰ লগত চামিল কৰাৰ প্ৰস্তুতি চলোৱাৰ সময়ত ইয়াত এক ব্যাপক বিদ্ৰোহৰ সূচনা হৈছিল। আনহাতে অঞ্চলটোত অসমীয়া থলুৱা ভাষাক জমিদাৰী শাসন ব্যৱস্থাই পৃষ্ঠপোষকতা নকৰাৰ বিৰুদ্ধেও এক বিদ্ৰোহৰ সৃষ্টি হৈছিল। এনে বিদ্ৰোহৰ ফলশ্ৰুতিত অঞ্চলটো বাংলাদেশৰ সৈতে চামিলকৰণৰ পৰা ৰক্ষা পৰিছিল আৰু আনহাতে অসমীয়া ভাষাৰ শিক্ষানুষ্ঠান গঢ়ি উঠি ৰাজ্যভাষাৰ বিকাশ ত্বৰান্বিত হৈছিল। শিক্ষাৰ ক্ষেত্ৰত বিলাসীপাৰা প্ৰাচীন গোৱালপাৰাৰ প্ৰাণকেন্দ্ৰ আছিল। বিলাসীপাৰাৰ স্থানীয় লোকভাষা আৰু লোক সংস্কৃতিৰ আধাৰ হৈছে গ্ৰাম্য কৃষিজীৱী জনসাধাৰণ, প্ৰাচীন কামৰূপীয় ঐতিহ্য আৰু কৃষ্টি। গোৱালপাৰীয়া লোকভাষাও, অন্যান্য উত্তৰ ভাৰতীয় ভাষাৰ দৰেই সংস্কৃতমূলীয় এক ভাষা, কিন্তু ইয়াৰ এক হোজা জনজাতীয় ঠাঁচ আছে। সৰল কৃষিজীৱী সমাজৰ প্ৰকৃতিপ্ৰেমী বিশ্বাসৰ আধাৰত ইয়াত সোনাৰায় পূজা, এউৰী মাগা, বাঁহ পূজা, বুঢ়া-বুঢ়ী পূজা, হুদুম পূজা আদি কৃষ্টিয়ে গঢ় লৈ উঠিছিল। আনহাতে পুৰণি ভাৰতীয় মহাকাব্যিক সভ্যতাৰ বা সাহিত্যৰ প্ৰভাৱত কুশানগান, কবিগান আদিৰো সৃষ্টি হৈছিল। বিলাসীপাৰাৰ স্থানীয় ইছলামধৰ্মী সকলৰ কৃষ্টি-সংস্কৃতিতো এই সাংস্কৃতিক ধাৰাৰ প্ৰভাৱ পৰিলক্ষিত হয়। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়ৰে পৰা অঞ্চলটোলৈ পূৰ্ববঙ্গীয় লোকৰ প্ৰৱাহ আৰম্ভ হৈ ইয়াৰ জনগাঁথনিত ব্যাপক প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। ১৯৫০-৫১ চনৰ বাংলাদেশৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত ভালেসংখ্য বাঙালী লোকে বিলাসীপাৰালৈ প্ৰব্ৰজন কৰিছিল। ১৯৭১ চন বাংলাদেশৰ স্বাধীনতা বিপ্লৱৰ সময়তো ভালেমান শৰণাৰ্থ বিলাসীপাৰালৈ আহি বসতি স্থাপন কৰিছিল। বিলাসীপাৰাৰ বৰ্তমান সমাজখন সেইবাবে এক সংমিশ্ৰিত 'আন্তৰ্জাতিক' সমাজেই বুলি পাৰি। ভাৰতৰ স্বাধীনতা সংগ্ৰামতো বিলাসীপাৰাৰ ৰাইজৰ উল্লেখযো অংশ গ্ৰহণ আছিল। ১৯১৯ চনৰ পাঞ্জাৱৰ জালিৱানাৱালাবাগ স্বাধীনতাকামী জনগণৰ ওপৰত চলা গুলীচালনাৰ ঘটনাৰ প্ৰতিবাদ কাৰ্যসূচীৰে বিলাসীপাৰাত স্বাধীনতা সংগ্ৰামৰ সূচনা হৈছিল উল্লেখনীয় যে, সেই সময়ত শৰৎ চন্দ্ৰ সিংহ নামৰ (মুখ্যমন্ত্ৰী শৰ চন্দ্ৰ সিংহ নহয়) এজন সংগ্ৰামীয়ে এই প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃ বহন কৰিছিল। ১৯২১ চনত, এই গৰাকী শৰৎ চন্দ্ৰ সিংহৰ নেতৃত্ব স্বাধীনতা সংগ্ৰামী সকলে লগ হৈ বিলাসীপাৰাত কংগ্ৰেছ কমি গঠন কৰে। এই কমিটি গঠনৰ পিছতে শৰৎ চন্দ্ৰ সিংহ চৰকা ৰোষত পৰে আৰু কাৰাৰুদ্ধ হ'ব লগা হয়। ১৭ মাহ কাৰাবৰণ ক পিছত তেওঁ কাৰাগাৰৰ পৰা ওলাই আহি পুনৰ স্বাধীনতা সংগ্ৰা জপিয়াই পৰে। কানি আৰু বিদেশী বস্ত্ৰ বৰ্জন আন্দোলন আৰম্ভ হ বিলাসীপাৰাবাসী ৰাইজে ইন্দ্ৰ নাৰায়ণ একাডেমীৰ খেলপথা বিদেশী বস্ত্ৰ দাহনৰ ৰাজহুৱা কাৰ্যসূচী পালন কৰে। ইতিমধ্যে বৃ চৰকাৰী উৎপীড়নৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ কমিটি দুৰ্বল হৈ অ কিন্তু ১৯৩৪ চনত আই. এন. এ. ৰ শিক্ষক ৰমেশ চক্ৰৱৰ্তীৰ নেতৃ কংগ্ৰেছ কমিটিৰ পুনৰ গঠন হয়। এই সমিতিৰ সভাপতি আ মাধৱ ভট্টাচাৰ্য আৰু সম্পাদক আছিল ৰমেশ চক্ৰৱৰ্তী। কাৰ্য সদস্য সকল আছিল প্ৰফুল্ল চক্ৰৱৰ্তী, দেৱাজ উদ্দিন চৰকাৰ, নৃ চক্ৰৱৰ্তী, মানিকলাল চক্ৰৱৰ্তী আৰু শৰৎ চন্দ্ৰ সিংহ। বিলাসীপ কংগ্ৰেছৰ বিপ্লৱী সংগঠন শক্তিশালী কৰিবলৈ অমিয় কুমাৰ বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মাৰ দৰে নেতাসকলে আহি এখন অনুষ্ঠিত কৰিছিল। ১৯৩৮ চনত গোপীনাথ বৰদলৈয়ে জাহা আহি বিলাসীপাৰাৰ জনসভাত যোগদান কৰিছিল। ১৯৩৯ সৰ্বভাৰতীয় কৃষক নেতা স্বামী সহজানন্দই বিলাসীপাৰালৈ স্বাধীনতা সংগ্ৰামী বিলাসীপাৰাবাসীক উৎসাহিত কৰিছিল। চনত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ৰামগৰ অধিবে বিলাসীপাৰাৰ দেৱাজউদ্দিন চৰকাৰে প্ৰতিনিধি হিচাপে যোগ

ক্ত বছৰতে স্বামী যোগানন্দ গিৰিৰ উদ্যোগত বিলাসীপাৰাত 'নাম ৰো সংঘ' স্থাপিত হয়। ˚ প্ৰফুল্ল চক্ৰৱৰ্ত্তী আৰু ˚ নিধু দাস উক্ত ঘৰ ক্ৰমে সভাপতি আৰু সম্পাদক আছিল। ১৯৪৫ চনত াহৰলাল নেহৰুৱে ৰেলযোগে আহি বিলাসীপাৰাৰ ৰাইজক ধীনতা সংগ্ৰামৰ বাবে উদ্বুদ্ধ কৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত জাৰ হাজাৰ বিলাসীপাৰাবাসীয়ে স্বাধীনতাৰ প্ৰথমটো দিৱস উদ্‌যাপন ৰিছিল। পুথি-পাঁজিত যিসকল বিলাসীপাৰীয়া স্বাধীনতা সংগ্ৰামীৰ ম সততে পোৱা যায় তেওঁলোক হৈছে— মহাদেৱ সিংহ, কালু কাজি, ফুল্ল চক্ৰৱৰ্ত্তী, হৰেন্দ্ৰ সৰকাৰ, পূৰ্ণ দত্ত, মতি সাহা, বসন্ত শীল, ৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী নহয়, এওঁৰ ঘৰ আছিল বিলাসীপাৰা চহৰৰ মাতলাত), হৰিচৰণ দাস (এই লেখক নহয়), মানিকলাল চক্ৰৱৰ্ত্তী, পন চক্ৰৱৰ্ত্তী, দেৱাজউদ্দিন চৰকাৰ, মহম্মদ আলী চৰকাৰ, নীল কাৰ, আব্দুল আজিজ চৰকাৰ আদি। সাংবাদিক দয়াল পালে তেওঁৰ ৰন্ধ আৰু কবিতা' গ্ৰন্থত লিখিছে—"১৯৪৩ চনত বৃটিছ সৈন্য বাহিনীক া দিবলৈ বিলাসীপাৰাৰ প্ৰায় পাঁচ হাজাৰ জনতাই "হৰিচৰণ দাসৰ তৃত্বত ৰাষ্ট্ৰীয় ঘাই পথ কাটি দি বহুতো কংগ্ৰেছ কৰ্মীয়ে গ্ৰেপ্তাৰ বৰণ ৰি জেললৈ যায় —"। স্বাধীনোত্তৰকালত বিলাসীপাৰাবাসীয়ে আন ট আন্দোলনত জৰিত হ'ব লগা হৈছিল — সেয়া হ'ল এলেকাটো শ্চিমবঙ্গৰ সৈতে চামিল কৰণৰ কাৰণে চলা ষড়যন্ত্ৰৰ বিৰুদ্ধে। ই আন্দোলনৰ নেতৃত্ব দিছিল প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই। ৎ চন্দ্ৰ সিংহ এই অঞ্চলৰ জনপ্ৰিয় নেতা আছিল। বিলাসীপাৰাৰ ধায়কৰূপে নিৰ্ব্বাচিত হৈ এদিন তেওঁ মুখ্যমন্ত্ৰীৰ আসন শুৱনি ৰিছিল। অসমৰ ৰাজনীতিত বিলাসীপাৰাৰ বিধায়ক গৰাকীয়ে অনন্য ক্ষৰ ৰাখি থৈ গৈছে আৰু জননেতাৰূপে অভিধা লাভ কৰিছে। লাসীপাৰা মহকুমা গঠনৰ বাবে চৰকাৰক স্মাৰক পত্ৰ দিয়া প্ৰথম দ্যোগী আছিল শৰৎ চন্দ্ৰ সিংহ। এজন নিকা আৰু নিষ্কাম সমাজকৰ্মী খা ৰাজনৈতিক নেতা শৰৎ চন্দ্ৰ সিংহক জন্ম দিছিল বিলাসীপাৰাৰ তান্ত্ৰিক সমাজখনেই। ১৯৬২ চনৰ ৰাজ্য ভাষা আন্দোলন আৰু ৭৯ চনৰ পৰা হোৱা ছবছৰীয়া অসম আন্দোলনতো বিলাসীপাৰাবাসী ইজৰ যোগদান উল্লেখনীয়।

১৯৮৯ চনৰ ১ অক্টোবৰত বিলাসীপাৰাবাসী ৰাইজে বহু কাঙ্খিত মহকুমা লাভ কৰে। পঁচিশ বছৰৰ পিছত মহকুমাটো জিলা চাপে ঘোষণা কৰাৰো দাবী উত্থাপিত হৈছে। ৯৭১.৮৮ বৰ্গকিলোমিটাৰ এলেকাৰ এই মহকুমা বিয়পি আছে ৯০°২০" ৰ পৰা ৯১°১১" পূৱ দ্ৰাঘিমাংশ আৰু ২৬°১১"ৰ পৰা ২৬°৭" উত্তৰ অক্ষাংশলৈ। ৫৯৫ খন ৰাজহ গাওঁ আৰু ৩ খন নগৰ, ৪৩ খন গাওঁ পঞ্চায়ত সম্বলিত এই মহকুমাটো মূলতঃ কৃষি প্ৰধান। চম্পাৱতী, গৌৰাং আৰু টিপকাই ইয়াৰ মাজেদি বৈ যোৱা ব্ৰহ্মপুত্ৰৰ উপনৈ। চান্দৰডিঙা, দুধনাথ, টোকোৰাবান্ধা ইয়াৰ অন্তৰ্গত প্ৰধান পাহাৰ। নাৰিয়া পাহাৰ নামৰ পাহাৰখনো সৰু যদিও বৈশিষ্ট্যপূৰ্ণ। গৌৰাং নৈৰ আশে-পাশে বহুতো টিলা আছে। এসময়ত অঞ্চলটো শালগছেৰে ভৰি আছিল। শালকোচা গাওঁখনে সেই ঐতিহ্য বহন কৰিছে। ইয়াৰ বুঢ়া-বুঢ়ীথানৰ পাহাৰ কেইখনত আজিও শালগছ বিদ্যমান। টিলাপাৰা, চিৰাকুটাতো ভালেকেইখন পাহাৰ আছে। পাহাৰবোৰ শিলৰ। চান্দৰডিঙা গ্ৰেনাইট শিলৰ পাহাৰ। বিলাসীপাৰা মহকুমাৰ কাষেৰে ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। ধীৰ (অসমৰ দ্বিতীয় বৃহত্তম জলাশয়), হাকামা, ডুডুৱা, তালুমালু আদি কেবাটাও জলাশয়ে মহকুমাটোৰ পৰিৱেশ সমৃদ্ধ কৰিছে। বিলাসীপাৰা মহকুমাৰ পূৱে বঙাইগাওঁ জিলা, পশ্চিমে ধুবুৰী মহকুমা, উত্তৰে কোকৰাঝাৰ জিলা আৰু দক্ষিণে গোৱালপাৰা জিলা। মহকুমাটো দীঘলে ৬০ কিলোমিটাৰ, প্ৰস্থই ২২ কিলোমিটাৰ। মৌচুমী প্ৰধান সময়খিনিত প্ৰচুৰ বৰষুণ হয়, বানপানী প্ৰধান প্ৰাকৃতিক সমস্যা। স্থলপথেই মূল যোগাযোগ। ৰেলপথেৰে পোনপটীয়া যোগাযোগ আজিকোপতি হৈ উঠা নাই। মহকুমাটোৰ মানৱ সৃষ্ট পৰিৱেশৰ উন্নয়ন আৰু ভৌগলিক অৱস্থানৰ সামঞ্জস্য নাই। নগৰ পৰিকল্পনা অনুন্নত। গ্ৰামাঞ্চলত যাতায়ত ব্যৱস্থা আজিও সুচল হৈ উঠা নাই। মধে মধে গঢ়ি উঠা ইটা ভাটা বিলাকে মহকুমাটোৰ প্ৰাকৃতিক পৰিৱেশৰ যথেষ্ট ক্ষতি সাধন কৰিছে। অৰণ্য অঞ্চল ব্যাপক হাৰত কমি গৈ আছে। শৰৎ চন্দ্ৰ সিংহৰ পিছত অঞ্চলটোৰ পৰা বলিষ্ঠ নেতা ওলোৱা নাই। ৰাইজৰ যথাৰ্থ দাবী আদায় কৰিবলৈ অতি সম্প্ৰতি কোনো সমাজ-ৰাজনৈতিক আন্দোলন গঢ়ি উঠা নাই। উল্লেখনীয় যে ১৯৭৮ চনলৈকে বিলাসীপাৰাৰ বিধান সভা সমষ্টি আছিল এটাই। চাপৰ অঞ্চলটো সেই সময়ত কোকৰাঝাৰ সমষ্টিৰ অন্তৰ্গত আছিল। ১৯৫২ চনৰ পৰা বিলাসীপাৰাৰ বিধায়কৰূপে আমি পাওঁ ক্ৰমে - মহম্মদ উমৰ উদ্দিন, জাহান উদ্দিন আহমেদ (১৯৫৭), দেৱাজ উদ্দিন চৰকাৰ (১৯৬২), গিয়াছউদ্দিন আহমেদ (১৯৬৭), (১৯৭২); ১৯৭৮ চনত বিলাসীপাৰা বিধানসভা সমষ্টি পূৱ আৰু



পশ্চিম হিচাপে ভাগ হয়। বিলাসীপাৰা পূবৰ পৰা প্ৰথমে নিৰ্বাচিত হয় শৰৎ চন্দ্ৰ সিংহ (কং) আৰু পশ্চিমৰ পৰা নিৰ্বাচিত হয় গিয়াছ উদ্দিন আহমেদ (চি.পি.আই.)। ইয়াৰ পিছত বিলাসীপাৰা পূবৰ পৰা ক্ৰমে - ৰুক্মিনী ৰায় (১৯৮৩, কং), শৰৎ চন্দ্ৰ সিংহ (কং.স), আনোৱাৰ হুচেইন (১৯৯১), প্ৰশান্ত কুমাৰ বৰুৱা (১৯৯৬, ২০০১, ২০০৬, অ.গ.প.), গুল আখতাৰা বেগম (এ. আই. ইউ. ডি. এফ.)। আনহাতে বিলাসীপাৰা পশ্চিম সমষ্টিত চিৰাজউদ্দিন আহমেদ (১৯৮৩, কং) ইউছুফ আলী আহমেদ, (১৯৮৫ ইউ. এম. এফ,), গিয়াছউদ্দিন আহমেদ (১৯৯১ চিপিআই), আলী আকবৰ মিঞা (১৯৯৬ কং-টি), আলী আকবৰ মিঞা (২০০১, অ.গ.প.), হাফিজ বছিৰ আহমেদ (২০০৬, ২০১১, এ. আই. ইউ. ডি. এফ. )। বিলাসীপাৰা মহকুমা ধুবুৰী সংসদীয় সমষ্টিৰ অন্তৰ্গত। ১৯৫২ চনৰ পৰা ক্ৰমে সমষ্টিটোৰ সাংসদসকল হৈছে - গিয়াছউদ্দিন আহমেদ (কং), আমজাদ হুছেইন (১৯৫৭, ১৯৬২, পি. এছ. পি, ), জাহানউদ্দিন আহমেদ (১৯৬৭, পি.এছ.পি, ), মইনুল হক চৌধুৰী (১৯৭১ কং), আহমেদ হুছেইন (১৯৭৭, কং), আব্দুল হামিদ (১৯৮৫, ইউ. এম. এফ), নুৰুল ইছলাম (১৯৯১, কং), আব্দুল হামিদ (১৯৯৮, কং), আনোৱাৰ হোছেইন (২০০৪, কং), বদৰউদ্দিন আজমল (২০০৯, ২০১৪, এ. আই. ইউ. ডি. এফ.)।

বিলাসীপাৰা মহকুমাৰ মহকুমাধিপতি সকলে যদিও অতি কম সময়ৰ বাবে সেৱা আগবঢ়োৱাৰ সুযোগ পাইছিল তথাপিও মহকুমাৰ বিকাশত তেওঁলোকৰ অৱদান কম নহয়। এতিয়ালৈকে মহকুমাটোত ২৭ জন মহকুমাধিপতিয়ে সেৱা আগবঢ়াইছে। ১৯৮৯ চনৰ পৰা বিলাসীপাৰাৰ মহকুমাধিপতি ৰূপে আমি পাওঁ ক্ৰমে — ভগৱান বৰা (১৯৮৯), ধ্ৰুৱজ্যোতি হাজৰিকা (১৯৮৯-৯০), ডও ভি.এন. বৰা (১৯৯১), এ. মজুমদাৰ (১৯৯১), যতীন্দ্ৰ লহকৰ (১৯৯১), এচ.এন.বৰ্মণ (১৯৯১-৯২), চি.নাৰ্জাৰী (১৯৯২), মিজানুৰ ৰহমান (১৯৯২-৯৪), ডি.এন.বৰগোহাঁই (১৯৯৪), ইন্দ্ৰাৱতী দাস (১৯৯৪), কে.কে. ৰাজখোৱা (১৯৯৪-৯৫), আকবৰ আলী (১৯৯৫-৯৬), অবিনাশ যোশী (১৯৯৬-৯৮), এ.এম.ডেক (১৯৯৮-৯৯), এম.কে.ঠাকুৰীয়া (১৯৯৯-২০০০), এচ.শ্বা (২০০০), জি.ডি.ত্ৰিপাঠী (২০০০-২০০২), আৰ.পি. দাস (২০০১ ২০০৩), এ. বৰুৱা (২০০৩-২০০৪), পি.বৰুৱা (২০০৪-২০০৫), হেমেন দাস (২০০৫-২০০৭), সিদ্ধাৰ্থ সিং (২০০৭-২০০৯), ধ্ৰুৱজ্যোতি দাস (২০০৯-২০১১), এম.এল.সুৰেকা (২০১১-২০১২), জে.ভি.এন.সুব্ৰমনিয়ম (২০১২-১৩), হেমন্ত ভূঞা (২০১৩) আ অনুৰাধা অধিকাৰী শৰ্মা (২০১৩ - .....)।

অসমৰ বৃহত্তৰ সমাজখনলৈ অৰ্থনৈতিক, সাংস্কৃতিক আ সামাজিক দিশেৰে বিলাসীপাৰা মহকুমাৰো অনবদ্য অৱদান আছে সময়ে সময়ে প্ৰাকৃতিক আৰু সামাজিক দুৰ্যোগে দেখা দিলেও ইয় ৰাইজে তাক ধৈৰ্য সহকাৰে অতিক্ৰম কৰি আহিছে আৰু এখন শান্তিপ্ৰি সংস্কৃতিবান সমাজৰ পৰিচয় দাঙি ধৰি আহিছে। ১৯৯৭ চন বিলাসীপাৰাত আৰু ২০০৭ চনত চাপৰত অসম সাহিত্য সভ অধিৱেশন অনুষ্ঠিত কৰি বিলাসীপাৰা মহকুমাবাসীয়ে অসমীয়া ভাষ সংস্কৃতিৰ প্ৰতি গভীৰ আস্থা আৰু আনুগত্য প্ৰকাশেই নহয় সংৰক্ষ আৰু বিকাশতো মহত্বপূৰ্ণ বৰঙণি যোগাইছে।

*(লেখক 'গ্লোৱেল ৰিচাৰ্চ মেথডোলজি জাৰ্ণাল' অ 'সেউজ পত্ৰিকা'ৰ মুখ্য সম্পাদক)*

◆◆

অতীত ইতিহাসে ৰিঙিয়ায়

# বিলাসীপাৰা মহকুমা গঠন-উত্তৰণৰ চিৰস্মৰণীয় ঘটনা

মোছলেম উদ্দিন আহমেদ

অতীতৰ বুৰঞ্জী লেখক সকলে ৰজা-জমিদাৰৰ প্ৰাচীন বিলাসীপাৰা অঞ্চলটোৰ কথা লিখি থৈ গৈছিল। বৰ্ত্তমান ৰাজনৈতিক আৰু প্ৰশাসনিক ক্ষেত্ৰত পূৰ্বৰ মানচিত্ৰ সংকুচিত হ'ল। ওঠৰ শতাব্দীৰ মাজ ভাগত বিজনী ৰজাই চাপৰ এষ্টেট গঠন কৰি ৰাজত্ব চলাইছিল। অখণ্ড ভাৰতবৰ্ষৰ পূৰ্ব বঙ্গ আৰু বৰ্তমানৰ বাংলাদেশৰ ময়মনসিং অৰ্থাৎ কিশোৰগঞ্জ চাব ডিভিজনৰ পৰা জয়নাৰায়ণ শৰ্মাই বিজনী ৰজাৰ পৰা চাপৰ এষ্টেটৰ জমিদাৰী লাভ কৰিছিল। পৰবৰ্ত্তী কালত অৰ্থাৎ কীৰ্ত্তি নাৰায়ণ চৌধুৰীৰ ৰাজত্বকালত মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ তীব্ৰ গৰাখহনীয়াত চাপৰ এষ্টেটখন ধ্বংস হৈ অস্তিত্বৰ সংকটত পৰে। যাৰ বাবে উপযুক্ত স্থান হিচাপে চাপৰ এষ্টেট খন বিলাসীপাৰালৈ স্থানান্তৰিত কৰা হয়। বৰ্তমানৰ বহলপুৰৰ চম্পাৱতী নদীৰ নৈ পৰীয়া জালিকুৰা, পুঠিমাৰী, তাৰাঙ্গাপুৰ, হাতীপোতাৰ পৰা মায়াৰচৰ বয়জেৰ আলগালৈ বিস্তীৰ্ণ চৰাঞ্চলখন এসময়ত বিলাসীপাৰাৰ জমিদাৰীৰ অধীনস্থ হৈ আছিল। আনফালে বগৰীবাৰীৰ পৰ্বতজোৱাৰ এষ্টেট জমিদাৰ হাতীবৰ চৌধুৰীৰ অধীনত ৰঙামাটি-পাণবাৰীৰ মোগল সাম্ৰাজ্যৰ জামা মছজিদসহ বিস্তীৰ্ণ পৰ্বতজোৱাৰ পাহাৰ খন আছিল। বিলাসীপাৰাৰ জ্যেতি প্ৰসাদ আগৰৱালা পথৰ পৰা উত্তৰে ক্ৰমে ৰাণীগঞ্জ, লক্ষীগঞ্জ, ফুটকীবাৰী, সাপটগ্ৰাম, ভাওৰাগুৰি, দোতমা, ফকিৰাগ্ৰাম, কোকৰাঝাৰ, বাসুগাওঁ, বঙ্গাইগাওঁ, সিদলী, বিজনী, অভয়াপুৰীলৈ বিজনী ৰজাৰ অধীনত চলিছিল। বৰ্তমানৰ বিলাসীপাৰা নগৰ খনৰ ৮, ৯ আৰু ১০ নং ৱাৰ্ড তিনিখনত ক্ৰমে এসময়ত ৰোকাখাতা, ব্ৰাহ্মণ পাৰাত জমিদাৰৰ কৰকাটল সংগ্ৰহ কৰাৰ কাছাৰী আছিল। কাছাৰীৰ কাষতে বিলাসীপাৰা ৰাজহ চক্ৰ বিভাগটো স্থাপন কৰা হৈছে। বিলাসীপাৰাৰ জমিদাৰীৰ অধীনত চাপৰ, কাজিপাৰা, বৰুণডাঙা, ঘুনিমাৰী, ডুবাচুৰি আৰু মাঝেৰ আলগাতো কাছাৰী স্থাপন কৰি খাজনা আদায় কৰিছিল। এই অতীত বুৰঞ্জীৰ পৰা পৰাধীনতাৰ শিকলি ছিঙি স্বাধীনতা আৰু স্বাধীন ভাৰতৰ প্ৰশাসনিক ক্ষেত্ৰত বিলাসীপাৰা মহকুমাটোৰ ভৌগলিক ক্ষেত্ৰৰ মানচিত্ৰখন অধিক সংকুচিত হৈ পৰিছে। অৱশ্যে মহকুমাটোৰ উত্তৰণ বহু গুণে বৃদ্ধি পাইছে। বিলাসীপাৰা মহকুমাটোৰ অতীত ইতিহাস বহন কৰি অহা বিলাসীপাৰা আৰক্ষী থানাখন চিৰসাক্ষী হিচাবে ৰৈ আছে। ১৯০১ চনত স্থাপিত হোৱা থানাখনৰ অধীনস্থ বিলাসীপাৰা ফকিৰাগ্ৰাম, দোতমা, কোকৰাঝাৰ, চাপৰ, বগৰীবাৰী, ৰঙামাটি পাণবাৰীলৈ আছিল। অৱশ্যে ১৯৫৬ চনত অসম চৰকাৰে জমিদাৰী অধিগ্ৰহণ কৰে। বিলাসীপাৰাৰ জমিদাৰৰ পুৰণি গৃহত বিলাসীপাৰা ৰাজহ চক্ৰ বিভাগৰ কাৰ্য্যালয়টো চলোৱা হৈছিল। বৰ্তমানৰ নায়েৰ আলগা উন্নয়ন খণ্ডৰ কাৰ্যালয়টোৱে বিলাসীপাৰা ৰাজহ চক্ৰ বিভাগৰ কাৰ্যালয় আছিল। ১৯৭১ চনৰ পৰা বিলাসীপাৰা মহকুমা গঠনৰ দাবী কৰি অহা হৈছিল। বিভিন্ন ৰাজনৈতিক দল সমূহৰ দাবী 'স্মাৰক পত্ৰ'ৰ ওপৰত নিৰ্ভৰশীল হৈ চৰকাৰী ফাইলতে আৱদ্ধ হৈ পৰিছিল। কিন্তু ছবছৰীয়া অসম আন্দোলন আৰু ছাত্ৰ নেতা সকলৰ দ্বাৰা গঠিত অসম গণ পৰিষদ চৰকাৰ শাসনৰ গাদীত বহে। এই সময়োপযোগী সময়ৰ সৎ ব্যৱহাৰ কৰিবলৈ বিলাসীপাৰাৰ বুদ্ধিজীৱী, প্ৰতিটো দলৰ নেতা কৰ্মী সকলে বিলাসীপাৰা আঞ্চলিক ছাত্ৰ সন্থাই আৰম্ভ কৰা বিলাসীপাৰা মহকুমা দাবীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়ায়। মহকুমা দাবীৰ প্ৰথম খন স্মাৰক পত্ৰ প্ৰস্তুত কৰে বুৰঞ্জীবিদ্, অৱসৰ প্ৰাপ্ত চাকৰিয়াল তথা অবিভক্ত গোৱালপাৰা জিলাৰ বুদ্ধিজীৱী প্ৰয়াত শিৱানন্দ শৰ্মাদেৱে। তেখেতেই প্ৰথম গোৱালপাৰীয়া লোক কৃষ্টি সংস্কৃতিৰ অনুষ্ঠান 'ময়নামতী শিল্পী সমাজ' দলটোৰ জন্মদাতা । এই গৰাকী স্বনামধন্য ব্যক্তিৰ শুভ বুদ্ধিৰ লগতে প্ৰাক্তন আছু নেতা অৰুণ কুমাৰ দাসৰ উৎসাহক চাবি কাঠি কৰি মহকুমা গঠনৰ দলপতি হিচাপে ছাত্ৰ নেতা দেৱব্ৰত দাস, উপদেষ্টা প্ৰয়াত কেশৱ দেৱ বাৰ্মা, সভাপতি উত্তম চৌধুৰী , সম্পাদক জিতেন শৰ্মা, সাংগঠনিক সম্পাদক মোছলেম উদ্দিন আহমেদ, সক্ৰিয় ছাত্ৰ কৰ্মী সাজ্জাদ বিন মহম্মদ আলী সৰকাৰ, ছাইদুল ইছলাম, ধনঞ্জিৎ কলিতা, নিৰঞ্জন শৰ্মা, সমন্বিতে এদল ছাত্ৰ কৰ্মীয়ে মহকুমাৰ দাবীত আন্দোলন তীব্ৰতৰ কৰি তোলে। মহকুমা গঠনৰ যাৱতীয় গোহাৰি, স্মাৰক পত্ৰ প্ৰস্তুত কৰাৰ গুৰি ধৰোঁতা আছিল শ্ৰমিক নেতা শ্ৰীযুত অনিমেষ কান্তি চৰকাৰ ডাঙৰীয়া। ধনবিত ব্যয়ৰ ক্ষেত্ৰত আগবাঢ়ি আহিছিল বিলাসীপাৰা মাৰোৱাৰী সন্থাৰ কৰ্মকৰ্তা সকল, কংগ্ৰেছ নেতা প্ৰয়াত পুলক চক্ৰৱৰ্তীদেৱ। গুৱাহাটীত মহকুমা দাবীৰ প্ৰতি সহাঁৰি জনায় সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ -সভাপতি শ্ৰী সুভাষ অধিকাৰী, সাধাৰণ

সম্পাদক শ্ৰী অতুল বৰা, সহকাৰী সাধাৰণ সম্পাদক শ্ৰী ব্ৰজেনজিৎ সিনহা, ছাত্ৰ নেতা ধ্ৰুৱ প্ৰসাদ বৈশ্য গৌৰীপুৰীয়া কন্যা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ পত্নী ড° জয়শ্ৰী গোস্বামী বাইদেউৱে। গুৱাহাটীৰ দিছপুৰ লাষ্ট গেটত মহকুমাৰ দাবীত আন্দোলনৰ প্ৰস্তুতিত সহাঁৰি জনাইছিল তাত বসবাস কৰি থকা বিলাসীপাৰাৰ বাসিন্দা সকলে। অসম বিধান সভাৰ সদনত বিলাসীপাৰা মহকুমা গঠন কৰিবলৈ দাবী তুলিছিল প্ৰাক্তন বিধায়ক ইউছুফ আলী আহমেদ ডাঙৰীয়াই। মহকুমা গঠন হোৱাৰ আগমূহুৰ্তত মহকুমাটোৰ মুখ্য কাৰ্যালয়ৰ স্থান নিৰ্দ্ধাৰণক লৈ পূৱৰ বহলপুৰ ৰঙা মাটি আৰু পশ্চিমৰ মূৰাবাৰীৰ দাবী নসাৎ কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত জননেতা শৰৎ চন্দ্ৰ সিংহদেৱ আৰু অসম বিধান সভাৰ প্ৰাক্তন উপাধ্যক্ষ, বিধায়ক, চিৰ কমিউনিষ্ট নেতা গিয়াছ উদ্দিন আহমেদ ডাঙৰীয়াদ্বয়ে মহকুমাটো মধ্য স্থানত স্থান নিৰ্দ্ধাৰণৰ সন্মতি জনোৱাত ওজৰ আপত্তিৰ যৱনিকা পৰে। অৱশেষত তীব্ৰতৰ আন্দোলনক গুৰুত্ব সহকাৰে লৈ ১৯৮৯ চনৰ ১৪ আগষ্টৰ সন্ধিয়া অসম চৰকাৰে বিলাসীপাৰাক মহকুমা হিচাপে ঘোষণা কৰে। আৰু তাৰ পিছতে বিলাসীপাৰাৰ জনপ্ৰিয় চিকিৎসক, সমাজ সেৱক প্ৰয়াত অমৰেন্দ্ৰ দাসদেৱৰ "দেৱাৰুণ কুঠি" নামৰ গৃহটোত মহকুমা কাৰ্যালয়ৰ কাম কাজ আৰম্ভ হয়। পৰৱৰ্ত্তী সময়ত বিলাসীপাৰা ৰাজহ আৰু ভূমি চক্ৰ বিভাগৰ কোঠালীলৈ মহকুমা কাৰ্যালয়টো স্থানান্তৰিত হয়। আনফালে মহকুমা কাৰ্যালয়ৰ নিৰ্দ্ধাৰিত স্থান গৌৰাংখাচৰ পাহাৰৰ ওপৰত থকা অসম গৃহ ৰক্ষী বাহিনীৰ প্ৰশিক্ষণ কেন্দ্ৰটো স্থানান্তৰিত কৰি পাণবাৰী-চুপাৰিঘাটলৈ নিয়া হয়। গৌৰাং খাচতে মহকুমা কাৰ্যালয়ৰ গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰি তোলা হয়। কিন্তু দ্বাৰ মুকলিত বিলম্ব হয়। ১৯৯৭ চনত অসম সাহিত্য সভাৰ ৫৩ তম বিলাসীপাৰা অধিবেশনত মুখ্য অতিথি হিচাপে আমন্ত্ৰিত হোৱা ভাৰতৰ উপ-ৰাষ্ট্ৰপতি সৰ্বশ্ৰী কে.আৰ.নাৰায়ণনদেৱ, তেখেতৰ সহধৰ্মিণী উষা নাৰায়ণন দেৱীৰ ক্ষন্তেক বিশ্ৰামৰ বাবে বৰ্তমানৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ কোঠালীটো ব্যৱহাৰৰ উপযোগী কৰি তুলি আদৰণী সমিতিৰ সভাপতি প্ৰয়াত শৰৎ চন্দ্ৰ সিংহ দেৱ আৰু তেতিয়াৰ মহকুমাধিপতি আই.এ.এছ. বিষয়া শ্ৰীযুত অবিনাশ যোশী ডাঙৰীয়াই মুখ্য অতিথি মহোদয়দ্বয়ৰ দ্বাৰাই এক প্ৰকাৰ উন্মোচনৰ ব্যৱস্থা কৰি তোলে। কিছুদিন পিছত মহকুমাধিপতি যোশী ডাঙৰীয়াই পাহাৰৰ দৃষ্টি নন্দন পৰিৱেশৰ চৰকাৰী আৱাস গৃহত থকাৰ ব্যৱস্থা কৰে। বিলাসীপাৰা মহকুমাটোৰ ভৌগলিক আয়তন ৯৭১৮৮ বৰ্গ কিঃমিঃ। পূৱত বহলপুৰ চম্পাৱতী, পশ্চিমত মোগল সাম্ৰাজৰ ৰঙামাটি পাণবাৰী জামা মছজিদ, উত্তৰত সাপটগ্ৰাম টিপকাই আৰু বৃহত্তৰ মহামায়া বনাঞ্চল অভয়াৰণ্য চক্ৰশীলা, চৌবাৰী, বাঙালডোবা ধীৰ বিল আৰু দক্ষিণত ব্ৰহ্মপুত্ৰ চান্দৰডিঙা, টোকৰাবান্ধা, আৰু বয়জেৰ



আলগা৲ৈ বৃহত্তৰ চৰাঞ্চল । এই বিস্তীৰ্ণ অঞ্চলটোৰ ভৌগলি চাৰিসীমা সংকুচিত হৈ সংকটত পৰিছে। চকুৰ পচাৰতে বিলাসীপ মহকুমাটোৰ ২৫ বছৰ হ'ল। অৰ্থাৎ ৰূপালী জয়ন্তী বৰ্ষ। বিলাসীপ মহকুমাটোৰ মহকুমাধিপতি শ্ৰীমতী অনুৰাধা অধিকাৰী ডাঙৰীয়াণী, সাহিত্য সংস্কৃতিৰ অনুৰাগী মহকুমা নিৰ্বাচনী বি শ্ৰী পৰাগ কুমাৰ কাকতী, ৰাজহ আৰু ভূমি চক্ৰ তথা সহকাৰী বন্দো প্ৰাধিকাৰী বিষয়া শ্ৰী সত্যজ্যোতি বৰুৱা, অভিজিত সিন্‌হা সমি অতিৰিক্ত সহকাৰী আয়ুক্ত শ্ৰী গীতাৰ্থ বৰুৱা, কুমাৰ সুৰজিৎ কাৰ্যালয়টোৰ জ্যেষ্ঠ সহায়ক তথা গোৱালপাৰীয়া লোককৃষ্টি সংস্থ গায়ক-বাদক-ৰচক শ্ৰী ভোলানাথ ৰায়, মহকুমা কাৰ্যালয়ৰ অ বিষয়া কৰ্মচাৰী, বিলাসীপাৰা মহকুমা আৰক্ষী, সেনা, অৰ্ধ-সাম বাহিনী, চৰকাৰী বিভাগ সমূহ আৰু মহকুমাবাসী ৰাইজৰ সহযোগি গৌৰাং খাচৰ পাহাৰ জিলিকাই বিলাসীপাৰা মহকুমাটোৰ ৰূ জয়ন্তী বৰ্ষই কঢ়িয়াই আনক আশাৰ বতৰা আৰু শ্ৰীবৃদ্ধি ।

*(লেখক এগৰাকী সাংবাদিক*

◆◆

# আৰ্থ-সামাজিক উন্নয়ন, বিত্তীয় প্ৰতিষ্ঠান আৰু বিলাসীপাৰাৰ উজ্বল ভৱিষ্যত

কল্যাণ কুমাৰ কলিতা

সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ গাঁৱে-ভূঞে সজোৰে কোবাই যোৱা কেইটামান উল্লেখনীয় প্ৰসংগৰ ভিতৰত উন্নয়ন অন্যতম। দিনে দিনে বাঢ়ি যোৱা মূল্যবৃদ্ধি, আন্দোলন, সহজলভ্য ধনৰ আশা, নিবনুৱা সমস্যা, বানপানী, সংকুচিত কৃষিভূমি, চৰকাৰৰ শিথিল নীতিৰ দৰে সমস্যাবোৰক প্ৰত্যাহ্বান হিচাপে লৈ কোনো এটা অঞ্চলৰ উন্নয়ন সম্ভৱ, যদিহে সেই অঞ্চলৰ কৰ্মসংস্কৃতিত স্বকীয়তা আৰু আদৰ্শ থাকে। অসমৰ বাকী অঞ্চলসমূহৰ তুলনাত বিলাসীপাৰা বা বৃহত্তৰ বিলাসীপাৰাৰ গ্ৰামীণ অৰ্থনীতি পুতৌলগা। অঞ্চলটোৰ অধিকাংশ লোকেই কৃষিজীৱী। পৰম্পৰাগত কৃষি কৰ্ম আৰু গ্ৰামীণ আন্তঃগাথনিৰ শামুকীয় গতিয়ে বিলাসীপাৰাৰ আৰ্থ সামাজিক উন্নতিত প্ৰভাৱ পেলাইছে।

বৰ্তমান সময় একেটা কামকেই অন্য ধৰণে কৰাৰ সময়। প্ৰয়োজন হৈছে এক আকাংক্ষিত কৰ্ম সংস্কৃতি আৰু অব্যৱহৃত সঠিক চিন্তাধাৰাবোৰক ব্যৱহাৰিক ৰূপ দিয়াৰ। উন্নয়নক আগুৱাই নিবলৈ ব্যৱহাৰ কৰিব লাগিব দক্ষতা আৰু সক্ষম পৰিচালন ক্ষমতা। সংকুচিত কৃষিভূমিত অধিক উৎপাদন কৰিবলৈ প্ৰয়োজন হৈছে অধিক উৎপাদন ক্ষম শস্য আৰু একে সময়তে প্ৰযুক্তিৰ সঠিক ব্যৱহাৰ, আন্তঃগাথনিৰ সহযোগ আৰু চৰকাৰৰ শক্তিশালী নীতিৰ। আৰ্থ-সামাজিক উন্নয়নৰ সম্পূৰ্ণ ছবিখন কেইবাটাও নীতি আৰু সফলতাৰ সমষ্টি। বিলাসীপাৰাও ইয়াৰ ব্যতিক্ৰম নহয়। আমাৰ সমাজত অৰ্থৰ অভাৱ নাই, অভাৱ আছে নীতিৰ। নীতিত দায়বদ্ধতাৰ প্ৰয়োজন সমাজৰ সকলো স্তৰৰ জনসাধাৰণৰ।

বিলাসীপাৰা মহকুমাৰ সৰহভাগলোকেই কৃষিজীৱী। কৃষকসকলৰ পৰম্পৰাগত কৃষিকৰ্ম আৰু প্ৰযুক্তি এই অঞ্চলত এতিয়াও অপৰিৱৰ্তিত। বৃহত্তৰ বিলাসীপাৰা মহকুমাত উন্নতমানৰ কৃষি প্ৰযুক্তিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে। বিলাসীপাৰাৰ কৃষিজগত খনত অঞ্চল বিশেষ নমুনাৰ (Area specific Model) ৰ আৰ্হিত জলকীয়াৰ নিচিনা খেতিক বিশেষ ভাৱে অগ্ৰাধিকাৰ দিব লাগে। বৰ্তমান উৎপাদনৰ লগে লগে ১টকাৰ পৰা ১০ টকাৰ ভিতৰত কৃষকে এক বিশেষ বণিক গোষ্ঠীক জলকীয়া বিক্ৰী কৰিবলৈ বাধ্য হয়। ইয়াৰ প্ৰধান কাৰণ বিজ্ঞান সন্মত হিমঘৰ আৰু প্ৰণালীবদ্ধ বজাৰৰ অভাৱ। একে সময়তে ভাৰতবৰ্ষৰ অন্যান্য বজাৰত বিলাসীপাৰাৰ জলকীয়াই আকাশলংঘী মূল্য অধিকাৰ কৰে। কৃষি বিভাগে এই বিষয়ত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ সময় সমাগত। বৃহত্তৰ বিলাসীপাৰা অঞ্চলত বজাৰৰ ওপৰত চৰকাৰী কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণ অতি পুতৌলগা। বজাৰৰ নীতি আৰু কৰ সংগ্ৰহৰ ব্যৱস্থাত একাংশ অসাধু ব্যৱসায়ীয়ে সুবিধা লৈ আহিছে। ভাৰতৰ স্বাধীনতাৰ ৬৮ বছৰ পিছতো বৃহত্তৰ বিলাসীপাৰাত খাদ্য সামগ্ৰীৰ পৰ্য্যাপ্ত ভঁৰাল ঘৰ নাই। হিমঘৰ আৰু গ্ৰামীণ ভঁৰাল ঘৰে খাদ্য সামগ্ৰীৰ অপচয় বন্ধ কৰে আৰু খেতিয়কক উচিত মূল্য দিয়াত সহায় কৰে। যাৰ ফলত খেতিয়কে দুগুণ আত্ম-বিশ্বাসেৰে কৃষিকৰ্মত নিয়োজিত হবলৈ উৎসাহ পায়। হিমঘৰ বা শীতলীকৰণ ঘৰৰ বাবে বিত্তীয় প্ৰতিষ্ঠানে ঋণ আৰু 'নাবাৰ্ড'ৰ পৰা ৰেহাই অথবা পুনৰ ঋণৰ ব্যৱস্থা আছে। আগ্ৰহী আৰু দক্ষ আবেদনকাৰীয়ে ইয়াৰ বাবে যোগাযোগ কৰিব পাৰে। এই ধৰণৰ ব্যৱস্থাই জলকীয়া খেতিৰ আনুসংগিক বাণিজ্যৰো জন্ম দিব পাৰে।

বৃহত্তৰ বিলাসীপাৰা অঞ্চলত হিমঘৰ বা গ্ৰামীণ ভঁৰাল ঘৰৰ উপৰিও আন এক প্ৰণালীবদ্ধ সম্ভাৱনাময় দিশ হৈছে খাদ্যৰ প্ৰণালীকৰণ উদ্যোগ। জলকীয়া পাউদাৰ আৰু ফ্লেক্স (Flakes) ৰ পেকেট আজিকালি সহজলভ্য। এই ধৰণৰ ক্ষুদ্ৰ উদ্যোগে বিলাসীপাৰা অঞ্চলত জলকীয়া খেতিৰ উৎপাদনৰ মূল্য সংযোজন কৰিব। বৈজ্ঞানিক পদ্ধতিত কৰা এই মূল্য সংযোজনে অঞ্চলটোৰ একাধিক নিৰনুৱাক কৰ্মসংস্থাপন দিব। ভাৰতবৰ্ষৰ আগশাৰীৰ মছলা উদ্যোগ, ঔষধ প্ৰস্তুতকাৰী সংস্থা, আই.টি.চি. ৰ দৰে অনুষ্ঠানে পৰামৰ্শ, সহযোগ আৰু বাণিজ্য ক্ষেত্ৰত যোগসূত্ৰকাৰী হিচাপে কাম কৰিব পাৰে।

জলকীয়া পাউদাৰ আৰু ফ্লেক্সৰ দৰে প্ৰণালীকৰণ উদ্যোগে খেতিয়কসকলক এক নিৰ্ভৰযোগ্য, উৎসাহিত ৰাস্তা দেখুৱাব ।

আনহাতে, এই উদ্যোগীকৰণত আৰ্থিক অনুদান ঋণ যোগে প্ৰদান কৰিবলৈ 'ভাৰতীয় ষ্টেট বেংক'ৰ দৰে ৰাষ্ট্ৰীয়কৃত বেঙ্ক অতিকৈ আগ্ৰহী। ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰদৰে অসমৰ বিভিন্ন লঘু উদ্যোগীকৰণত বিত্তীয় প্ৰতিষ্ঠানে সহায়ৰ হাত আগবঢ়াই আহিছে। জলকীয়াৰ দৰে, সৰিয়হ, মৰাপাট, পৰম্পৰাগত শাক-পাচলি, কুঁহিয়াৰ, ধান আদিৰ খেতিৰ বাবে বিলাসীপাৰা আঞ্চলৰ মাটি উপযোগী আৰু সাৰুৱা। এই উৎপাদিত সামগ্ৰী সমূহকো প্ৰণালীকৰণ উদ্যোগত পেকেটিং কৰি বিলাসীপাৰাৰ আৰ্থ-সামাজিক ক্ষেত্ৰখন চহকী কৰিব পাৰি। স্বয়ংক্ৰিয় উদ্যোগীকৰণে শিক্ষিত নিবনুৱাকো বিশেষভাৱে আকৃষ্ট কৰা দেখা যায়।

বিলাসীপাৰা অঞ্চলত দুগ্ধ উদ্যোগৰ সম্ভাৱনাও অতি উজ্জ্বল। গাখীৰ আৰু গাখীৰৰ পৰা উৎপাদিত সামগ্ৰীৰ বজাৰখনে গো-পালক সকলক যথেষ্ট উৎসাহ যোগায়। গাখীৰৰ প্ৰাণালীকৰণ বিলাসীপাৰা অঞ্চলত আন এক প্ৰয়োজনীয় লঘু উদ্যোগ।

কৃষিৰ ওপৰিও বিলাসীপাৰাত আন এক সম্ভৱনাপূৰ্ণ উদ্যোগ হৈছে পৰ্যটন উদ্যোগ। অঞ্চলটোৰ দাঁতি-কাষৰীয়া বগৰীবাৰীৰ মহামায়া শক্তিপীঠ, স্নানঘাট, পানবাৰী মছজিদ, সোণালী বান্দৰৰ আধিপত্য থকা চক্ৰশীলা সংৰক্ষিত বনাঞ্চল, চান্দৰডিঙা পাহাৰ, হাকামা পক্ষী অভয়াৰণ্য (প্ৰস্তাৱিত) আদিকে লৈ এক শৃংখলাবদ্ধ কেন্দ্ৰস্থল বিলাসীপাৰা চহৰত স্থাপিত কৰিব পাৰি, য'ত পৰ্যটকে তথ্য আৰু অন্যান্য সা-সুবিধা সমূহৰ বিষয়ে সহজভাৱে জানিব পাৰিব। পৰ্যাপ্ত পৰিমানে বিজ্ঞাপনৰ অভাৱে বিলাসীপাৰাৰ এই ঐতিহাসিক স্থানবোৰলৈ পৰ্যটক আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা নাই। আধুনিক পৰ্যটন উদ্যোগে অঞ্চলটোৰ নিবনুৱা সমস্যা কিছুপৰিমানে হ্ৰাস কৰিব পাৰে। চৰকাৰী আৰু বে-চৰকাৰী ভাৱে হ'লেও বিলাসীপাৰাত এখন আধুনিক পৰ্যায়ৰ শিশু উদ্যানৰ প্ৰয়োজন অনুভৱ কৰা যায়। আনহাতে অৱসৰ বিনোদনৰ বাবেও এনেধৰনণৰ উদ্যানে বিশেষ ভাৱে অৰিহণা যোগায়। পৰিকল্পিত ভাৱে উদ্যানখনৰ লগতে ব্যায়ামশালা, বয়োজ্যেষ্ঠসকলৰ যোগাসনৰ ব্যৱস্থাই সমাজৰ সুস্থিৰ পৰিৱেশ অনাতো সহায়ৰ হাত আগবঢ়াব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সপোনৰ ভাৰতবৰ্ষত তেখেঁ
'স্কীল ইণ্ডিয়া' (Skill India) বুলি কথা এটা উল্লেখ কৰিছে
বিলাসীপাৰা অঞ্চলৰ ষ্টীল ফাৰ্ণিচাৰ আৰু ফেব্ৰিকেচন উদ্যো
এলুমিনিয়ামৰ বাল্টি উদ্যোগ অসম বিখ্যাত। অসমৰ বিভিন্ন স্থান
বিলাসীপাৰা অঞ্চলৰ দক্ষ শ্ৰমিক নিয়োজিত হৈ থকা দেখা যা
গতিকে এই উদ্যোগৰ বিকাশ স্থানীয় ভাৱে উন্নতমানৰ কৰিলে প্ৰ
আত্মনিয়োজন সম্ভৱ হৈ উঠিব।

ইতিমধ্যে উল্লেখ কৰা সকলো কেইটা দিশতেই বিত্ত
প্ৰতিষ্ঠানে বিশেযভাৱে অঞ্চলটোত সহায়ৰ হাত আগবঢ়াই আহি
আন আন বিত্তীয় প্ৰতিষ্ঠানৰ লগতে ভাৰতীয় ষ্টেট বেঙ্কৰ অৱ
বিশেষ ভাৱে উল্লেখনীয়। অঞ্চলটোৰ ৫০০০ ৰবো অধিক কৃষ
বেঙ্কৰ পৰা কৃষি ঋণ লাভ কৰিছে। ইয়াৰোপৰি দৰিদ্ৰ পৰিয়া
ছাত্ৰ-ছাত্ৰীসকলৰ বাবেতে উচ্চ শিক্ষাৰ বাবে শিক্ষা ঋণ আৰু নিব
এহাজাৰৰো অধিক নিবনুৱা আবেদনকাৰীয়ে ঋণ লাভ কৰিছে। আ
সামাজিক উন্নয়নৰ ক্ষেত্ৰত বিত্তীয় প্ৰতিষ্ঠানে এক সুকীয়া স্থিতি গ্ৰ
কৰে। লঘূ আৰু গুৰু উদ্যোগীকৰণৰ বিত্তীয় প্ৰতিষ্ঠানৰ ঋণৰ সহায়
সমাজৰ একাংশই জীৱিকাৰ পথ বাচি লবলৈ আৰম্ভ কৰিছে। উদ্যো
পৰিশ্ৰমী আৰু দক্ষ খেতিয়ক তথা আন আবেদনকাৰীৰ বাবে বিত্ত
প্ৰতিষ্ঠানে ভৱিষ্যতেও বিলাসীপাৰা অঞ্চলত সহায়ৰ হাত আগব
যাব।

বিলাসীপাৰাৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে প্ৰয়ো
এখন উৎকোচ বিহীন নিকা সমাজ। সমাজৰ প্ৰতিটো স্তৰৰ মা
মাজত সমন্বয়, উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ, অঞ্চল বিশেষ নমুনা, উ
আৰু পৰিকল্পিত কৃষি পদ্ধতি, লঘু উদ্যোগীকৰণৰ মনোনি
অব্যৱহৃত জলাশয়-কৃষিভূমিৰ প্ৰকৃত ব্যৱহাৰ, পৰিৱেশ সম্ব
অৰ্থনীতিৰ প্ৰচলন, গ্ৰামীণ আন্তঃগাথনিৰ পুনঃনিৰ্মাণ, জলসি
উন্নত পদ্ধতিৰ ব্যৱহাৰ বিত্তীয় প্ৰতিষ্ঠানৰ অহৰহ প্ৰচেষ্টা আৰু সহ
চৰকাৰৰ শিথিল নীতিৰ পৰিৱৰ্তে শক্তিশালী আৰু ফলপ্ৰসূ নী
প্ৰয়োগ আৰু নতুন প্ৰজন্মৰ চিন্তাধাৰাৰ নতুনত্ব আদি বিলাসী
আৰ্থ-সামাজিক উন্নয়নৰ মাপকাঠি।

*(লেখক ভাৰতীয় ষ্টেট বেংকৰ বিলাসীপাৰা শাখাৰ এজন ক্ষেত্ৰ*

❖❖

সুদীৰ্ঘ তিনি দশকৰো অধিক সময় ধৰি আপোনালোকৰ
বিশ্বাস আৰু আস্থা অৰ্জন কৰি অহা ব্যৱসায় প্ৰতিষ্ঠান

একদাম

অশোক বস্ত্ৰালয়



বিলাসীপাৰা, জে,পি, ৰোড
জিলা - ধুবুৰী (অসম)



# মোৰ মানসপটত বিলাসীপাৰা মহকুমা

অশোক কুমাৰ কলি


১৯৮৯ চনৰ ১০ নভেম্বৰ তাৰিখে বিলাসীপাৰা মহকুমা স্থাপনে এতদ অঞ্চলৰ ৰাইজৰ বহু আকাংখিত স্বপ্ন পূৰণ কৰিলে। সমান্তৰালভাৱে মহকুমাধিপতিৰ কাৰ্য্যালয়েও পঁচিশটা বৰ্ষ অতিক্ৰম কৰিলে । মহকুমাখনৰ ভৌগলিক ক্ষেত্ৰত ৫০ (পঞ্চাশ) ৰ পৰা ১০০ (এশ) কিলোমিটাৰ দূৰত্বৰ লোকে যিকোনো কামৰ বাবে ৰ'দ বৰষুণ নেওচি দিনৰ দিনটো সময় অপচয় কৰি ধুবুৰীলৈ অহা যোৱা কৰিবলগীয়া হৈছিল। যাৰ বাবে ৰাইজে অশেষ কষ্ট ভূগিবলগীয়াত পৰিছিল। কিন্তু মহকুমা গঠন হোৱাৰ ফলস্বৰূপে ৰাইজৰ বহু কষ্ট লাঘৱ হয়। সেই সুযোগতে ভালে সংখ্যক স্থানীয় যুৱকৰ কৰ্মসংস্থাপনৰ পথ মুকলি হয়। সেইসকলৰ ভিতৰত ময়ো এজন।

মহকুমা গঠনৰ প্ৰায় এবছৰত অৰ্থাৎ ১৯৯০ চনৰ ১লা আগষ্টত মোৰ চাকৰি জীৱন আৰম্ভ হয়। কৰ্মজীৱনৰ বিগত দিনবোৰত বিভিন্ন শাখাত কাম কৰি বহু অভিজ্ঞতা অৰ্জন কৰিবলৈ সুযোগ পাইছো । তাৰ ভিতৰত বিশেষকৈ দণ্ডাধীশ শাখা , নিৰ্বাচন শাখা, স্থাপন শাখা আদিত কাম কৰাৰ উপৰিও বিভিন্ন শাখাত ওপৰঞ্চিভাৱে কাম কৰি আহিছো। এই কাৰ্য্যালয়ৰ যিকোনো বিভাগৰ কামসমূহ সূচাৰুৰূপে সম্পাদন কৰাৰ ক্ষেত্ৰত অৱসৰপ্ৰাপ্ত শ্ৰীযুত দেবেন্দ্ৰ চন্দ্ৰ ৰায়দেৱে আমাক যথেষ্টখিনি সহায় আৰু দিহা পৰা আগবঢ়াইছিল । বৰ্ত্তমানেও কাৰ্য্যালয়ৰ কাম নিয়াৰিকৈ কৰাৰ ব মোৰ বন্ধুবৰ ভাস্কৰ ভট্টাচাৰ্য্যৰ লগতে অন্যান্য সহকৰ্মী সকলে নানা দিহা পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়াই আছে আৰু ই বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ । মহকুমা গঠনৰ গৌৰৱময় ক্ষণটিক চিৰস্মৰণীয় কৰি ৰখাৰ মানসেৰে মহকুমা ৰূপালী জয়ন্তী মহোৎসৱ উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। বাবে মাননীয় মহকুমাধিপতি শ্ৰীমতী অনুৰাধা অধিকাৰী এ. চি. এছ. ডাঙৰীয়ানীলৈ সমূহ কৰ্মচাৰীৰ হৈ অশেষ কৃতজ্ঞতা জ্ঞ কৰিছোঁ।

শেষত যি সকল ব্যক্তিয়ে আমাৰ লগত কাম কৰি অ গ্ৰহণ কৰিছে আৰু বিলাসীপাৰা মহকুমাৰ যিসকল মহকুমাধিপ আৰম্ভণিৰে পৰা বৰ্ত্তমানলৈ মহকুমাধিপতিৰ আসন অলংকৃত ক তেখেতসকলকো এই স্মৃতিগ্ৰন্থৰ যোগেদি শ্ৰদ্ধা যাচিছোঁ। ল যিসকল কৰ্মচাৰীৰ অকাল বিয়োগ ঘটিছে তেওঁলোকৰ বিদেহী আ চিৰশান্তি কামনাৰে শ্ৰদ্ধাঞ্জলি যাচিছো। অৱশেষত বিলাসী মহকুমাৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰিলো।

*(লেখক বিলাসীপাৰা মহকুমাধিপতি কাৰ্যালয়ৰ এগৰাকী জ্যেষ্ঠ স*

◆◆




গৌৰাং নগৰত বিলাসীপাৰা মহকুমাৰ মহকুমাধিপতিৰ আৱাস


*With Best Compliments From -*



# M/S. MAA MANASHA MISTANNA BHANDAR

Chawk Bazar,
Dist. Dhubri (Assam), PIN-783348
Contact No. 9864766652











## AUTHORISED DISTRIBUTOR

1. HINDUSTAN COCA-COLA BEVERAGES PVT. LTD. (T/up, Coke, Fanta, Sprite, Limca, Maaza).
2. HERSHEY INDIA PRIVATE LTD. (Jumpin).
3. PARLE AGRO (Bailley, Frooti).
4. JAGDALE HEALTH CARE (ORSL).

# গছে-বনে মোহনীয়া মোৰ বিলাসীপাৰা

পিয়াৰ উদ্দিন আহ

বিলাসীপাৰা মহকুমা গছে-বনে মোহনীয়া। ১৯৯০-৯১ চনত 'প্ৰদূষণ দূৰীকৰণ সন্থা'ৰ কৰ্ম-কৰ্ত্তা সকলে বিলাসীপাৰা নগৰৰ লগতে ইয়াৰ বিভিন্ন শিক্ষানুষ্ঠান, প্ৰতিষ্ঠান, চৰকাৰী আৰু বেচৰকাৰী কাৰ্য্যালয় সমূহত বৃক্ষৰোপণ কাৰ্য্যসূচীৰ সংকল্প লয় আৰু তদানীন্তন বিলাসীপাৰা মহকুমাৰ মহকুমাধিপতি শ্ৰীযুত ধ্ৰুৱজ্যোতি হাজৰিকা মহোদয়ক বিশিষ্ট অতিথি ৰূপে লৈ অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ আস্থানত বৃক্ষৰোপণ কাৰ্য্যৰ শুভাৰম্ভ কৰে। আমি ৰোপণ কৰা কেইবিধ মান ৰাধাচূড়া ফুলৰ গছৰ লগতে বিশেষকৈ কৃষ্ণচূড়া ফুলৰ গছবোৰ আজি অতদিনে ডাঙৰ দীঘল হৈ প্ৰতিবছৰে, জুন আৰু জুলাই মাহত ফুল গছবোৰ বগা, টিকটিকিয়া ৰঙা আৰু গুলপীয়া ৰঙৰ ফুল ফুলি নগৰখনৰ প্ৰাকৃতিক সৌন্দৰ্য্য মনমোহা কৰি তোলে। ৰাতি তলসৰা পাহিবোৰে পকী ৰাস্তাৰ ওপৰত ৰঙীণ দলিছা হৈ যেন পদচাৰী সকলক প্ৰতি প্ৰভাততে শুভ সম্ভাষণ জনায় দিনটোৰ শুভ কামনাৰে ।

১৯৯৬ চনৰ পৰা ২০১১ চনলৈ বিলাসীপাৰা পূৰসমষ্টিৰ বিধায়ক শ্ৰদ্ধাৰ প্ৰশান্ত কুমাৰ বৰুৱাদেৱে দক্ষতাৰে মহকুমা পৰ্য্যায়ৰ প্ৰয়োজনীয় কাৰ্য্যালয় সমূহ বিলাসীপাৰা মহকুমাত স্থাপন কৰাই ৰাইজক কাষ চপাই আনিলে যদিও এতিয়াও কেতবোৰ কাৰ্যা অনুষ্ঠান স্থাপন হবলৈ বাকী বৈ গ'ল। যেনে -

(ক) ৰাজহুৱা পুথিভঁৰাল ।

(খ) মহকুমা নিয়োগ বিনিয়োগ কেন্দ্ৰ।

(গ) বিক্ৰী কৰ ব্যৱস্থা কাৰ্যালয়।

ডেকা-গাভৰু সকল মহকুমা গঠনৰ ৰূপালী জয়ন্তী ব বয়োজ্যেষ্ঠ হ'ল । কণ-কণ মইনাহঁতো কৈশোৰ, যৌৱনা হ' বিলাসীপাৰা মহকুমা গাভৰু হ'ল যদিও আজি পঁচিশ বৰ্ষ পূ বিয়লিবেলাত মহকুমাৰ এশখন বিছনাযুক্ত মহকুমা চিকিৎসালয় অৰ্ধনিৰ্মিত হৈ থকাৰ উপৰিও পশু চিকিৎসালয়ৰ কাৰ্য্যালয় গৃহ স হোৱা স্বত্বেও মহকুমা পৰ্য্যায়ৰ কাম কাজ আৰম্ভ নোহোৱাৰ ব পশুধনৰ উন্নতমানৰ চিকিৎসাৰ অভাৱ অনুভূত ।

সেয়েহে এই লিখনিৰ জৰিয়তে কৰ্তৃপক্ষক জনাওঁ স্থাপন হ'বলৈ বাকী থকা কাৰ্য্যালয় সমূহ অনতিপলমে স্থাপন কাৰ্যকৰী কৰাৰ সুব্যৱস্থা কৰি দি এই অঞ্চলৰ ৰাইজক উপকৃত যেন।

*(লেখক বিলাসীপাৰাৰ এগৰাকী সমাজক*

◆◆



বিলাসীপাৰাৰ ফ্ল'ৰিকান উদ্যানৰ একাংশ

# পোৰা নোপোৰাৰ আনৰি

শিবেন্দ্ৰ নাথ চক্ৰবৰ্ত্তী

যোৱা ৫-৮-২০১৪ তাৰিখ মঙ্গলবাৰে দিনৰ ১১ বজাত ৰোকাখাতাত প্ৰতিমা বৰুৱা পাণ্ডেৰ মুৰ্ত্তিৰ সন্মুখত আনুষ্ঠানিক ভাবে বিলাসীপাৰা মহকুমাৰ ৰূপালী জয়ন্তী আৰু প্ৰতিমা বৰুৱা পাণ্ডেৰ আৱক্ষ মুৰ্ত্তিটোৰ ভেটি নবীকৰণৰ শুভ উন্মোচন কৰা হয়। প্ৰতিমা বৰুৱা পাণ্ডেৰ মুৰ্ত্তিত তেখেতৰ স্বামী গৌৰীপুৰ পি.বি. কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰী গঙ্গা শঙ্কৰ পাণ্ডে ডাঙৰীয়াই প্ৰতিমা বৰুৱা পাণ্ডেৰ মুৰ্ত্তিত মাল্যদান কৰি শ্ৰদ্ধা জনায়। বন্তি প্ৰজ্জ্বলন কৰে বিলাসীপাৰাৰ মহকুমাধিপতি শ্ৰীমতী অনুৰাধা অধিকাৰী শৰ্মা আৰু শ্ৰী শিবেন্দ্ৰ নাথ চক্ৰবৰ্ত্তীয়ে । পুষ্পাঞ্জলি দিয়ে বহু গণ্যমান্য ব্যক্তিয়ে। বিলাসীপাৰা মহকুমাৰ ৰূপালী জয়ন্তী আৰু প্ৰতিমা বৰুৱা পাণ্ডেৰ বিষয়ে বহু জনে ভাষণ প্ৰদান কৰে। বিলাসীপাৰা ৰাস কমিটিয়ে ২০০৭ চনত প্ৰতিমা বৰুৱা পাণ্ডেৰ মূৰ্ত্তি আৰু ভেটিটো নিৰ্মাণ কৰে। কিন্তু ২০১৪ চনত বিলাসীপাৰাৰ পি.ডব্লিউ.ডি ৰ ৰাস্তাটো ডাঙৰ কৰাৰ কাৰণে প্ৰতিমা বৰুৱা পাণ্ডেৰ ভেটিটো ভঙাই শ্ৰী অশোক কুমাৰ সিংঘীয়ে নিজা খৰচেৰে নতুন ভেটিটো তৈয়াৰ কৰি দিয়ে। তাৰ কাৰণে মই শ্ৰী অশোক কুমাৰ সিংঘীক অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। এতিয়া ঠাইখিনি দেখিবলৈ ভাল লাগিছে।

৯-৯-১৯৮৯ তাৰিখে গেজেট নোটিফিকেচন যোগে চৰকাৰে বিলাসীপাৰা মহকুমা ঘোষণা কৰিছিল আৰু ১-১০-১৯৮৯ তাৰিখে ধুবুৰীৰ অতিৰিক্ত উপায়ুক্ত শ্ৰী ভগবান বৰাক নিয়োগ কৰি বিলাসীপাৰা চাৰ্কোল অফিচত মহকুমাধিপতিৰ কাৰ্য্যালয় অস্থায়ী ভাবে উদ্বোধন কৰিছিল। ইয়াৰ পিছত ২৫-১১-১৯৮৯ তাৰিখে তৎকালীন মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ফলক উন্মোচন কৰে। ২৬-৮-৯৭ তাৰিখে মহকুমাধিপতিৰ কাৰ্য্যালয় বি.টি.এ.ডিৰ অন্তৰ্গত গৌৰাং নগৰলৈ স্থায়ী ভাৱে স্থানান্তৰিত কৰা হয়। শুনা মতে, বিলাসীপাৰা মহকুমাধিপতিৰ কাৰ্যালয়ৰ কাৰণে ৪১ বিঘা মাটি অধিগ্ৰহণ কৰা আছে। তাৰ উপৰি বিলাসীপাৰা পশু চিকিৎসালয়খনত ইমান মাটি বা ঘৰ নালাগে । শুনামতে বি.টি.এ.ডি. ৰ পৰা ধমক দিয়ে - আমাৰ মাটি আমাক এৰি দিয়ক । তাতকৈ আমাৰ ৪১ বিঘা মাটি অধিগ্ৰহণ কৰা আছে যেতিয়া গৌৰাং নগৰৰ পৰা মহকুমাধিপতিৰ অফিচটো উঠাই অনাটো ভাল বুলি মই বিবেচনা কৰো। আৰু

১) বিলাসীপাৰাৰ ১০০ খন বিছনা যুক্ত হাস্পাতালখন আজিলৈ সম্পূৰ্ণ হৈ নুঠিল ।

২) ৰাজহুৱা পুথিভঁৰালটোৰ কাম আজিলৈ হৈ উঠা নাই।

৩) আৰক্ষ ভৱনটো অৰ্দ্ধ সমাপ্ত হৈ আছে।

৪) মহকুমা পৰ্য্যায়ৰ চৰকাৰী কাৰ্য্যালয় মহকুমা গঠনৰ ২৫ বছৰ হ'ল যদিও বহু চৰকাৰী কাৰ্য্যালয় যেনে সমবায়, সমাজ কল্যাণ, নিয়োগ-বিনিময় কেন্দ্ৰ, বিক্ৰীকৰ কাৰ্যালয় নাই। এইবোৰ অভাৱ দূৰ কৰি মহকুমাটো সম্পূৰ্ণ কৰিব বুলি আশা কৰিলো।

*(লেখক বিলাসীপাৰাৰ ৰোকাখাতা নিবাসী এগৰাকী বয়োজ্যেষ্ঠ শিল্পী )*

◆◆



শাৰদীয় শুভেচ্ছা আৰু ঈদৰ অভিনন্দনেৰে --

# সৰস আৰু মৰম ইটা

**মজবুত আৰু উন্নতমানৰ আমাৰ ইটা ব্যৱহাৰ কৰি**

**দীৰ্ঘস্থায়ী গৃহ নিৰ্মাণ কৰক**





## শ্ৰীগুৰু ব্ৰিকস্

গাওঁ - কলিয়াৰখাল, পোঃ টিলাপাৰা, জিলা - ধুবুৰী (অসম

মোবাইল - **৯৪৩৫১২৫৫৮৭ (O**

**৯৪৩৫২১৪৭৭৮ (F**

## মৰম ব্ৰিকস্




গাওঁ - মছকাগুৰি, পোঃ হাতীপোতা, জিলা - ধুবুৰী (অসম)

মোবাইল - ৯৪৩৫১২৫৫৯৭ (O)
৯৪৩৫১২৫৫৮৭ (O)
৯৪৩৫৬৪৪১৩৯ (F)

# হাকামা গাঁৱৰ ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰয়াস

ভাস্কৰ ভট্টাচাৰ্য

অসমৰ অতি পুৰণি গাওঁ সমূহৰ ভিতৰত হাকামা এখন ঐতিহ্যমণ্ডিত গাওঁ। বিলাসীপাৰা মহকুমাৰ এক গৌৰৱময় স্থল হাকামা। বৰ্তমানে এই গাওঁ খন বিলাসীপাৰা নগৰ সমিতিৰ অন্তৰ্ভূক্ত।

জনশ্ৰুতি মতে হাকামা নামটো বড়ো শব্দ 'হা-খা-মা' ('হা'- মাটি, 'খামা'-পোৰা) ৰ পৰা উৎপত্তি। কিংবদন্তী মতে কোনো এক কছাৰী ৰজাই পলাই আহি হাকামাৰ কুঠীপাৰা নামৰ চুবুৰীটোৰ চৌদিশে এটা গড়খাৱৈ নিৰ্মাণ কৰে। কিন্তু গড়খাৱৈটোৰ পৰা পানী নোলাল। এনেতে ৰজাই এদিন স্বপ্নাদেশ পালে যে, ৰাজ কুঁৱৰীয়ে যদি গড়খাৱৈত পূজা কৰে তেনেহ'লে গড়খাৱৈটো পানীৰে উপচি পৰিব। স্বপ্নাদেশ মতে ৰাজ কুঁৱৰীয়ে পূজা সেৱা আগবঢ়োৱাত গড়খাৱৈটো পানীৰে উপচি পৰিল আৰু ৰাজ কুঁৱৰীকো বুৰাই পেলালে। ৰজাই পাৰৰ পৰা জীয়ৰী পানীত তল যোৱা দেখি 'হা-মা, হা-মা' বুলি আৰ্তনাদ কৰি উঠিল। এইদৰেই গড়খাৱৈটোৰ নাম 'হাকামা' আৰু গাওঁখনৰ নামো 'হাকামা' হিচাপে পৰিচিত হ'ল। কালক্ৰমত এই গড়খাৱৈটো বিলত পৰিণত হ'ল আৰু বৰ্তমানে হাকামাবিল নামেৰে ঐতিহ্য সোঁৱৰাই আছে।

তাহানিতে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ চৰণ-ধূলিয়ে হাকামাৰ ভূমি পৱিত্ৰ কৰি থৈ যোৱাৰ কথা 'কথা গুৰু চৰিত' পুথিত উল্লেখ আছে। — "মাধৱদেৱ গণককুচিৰ পৰা বটিয়ামৰীয়া শুদ্ৰা পাটগিৰিৰ তাতে ৰল। তেওঁ পৰম শ্ৰদ্ধাকৈ তিনিদিন ৰাখি ভকত হৈছে বংশ সমে— পিছদিনা গৈ হাকামাত ৰৈছে আৰু তাৰ পৰা জেমাল কছাৰীৰ গৃহে ৰৈ গৈছে।" (পৃঃ- ১৯৫)

পুৰাতত্ব বিভাগ, অসমে এই অঞ্চলৰ পৰাই কিছু মুদ্ৰা আৰু এটা পিতলৰ সূৰ্য মূৰ্ত্তি উদ্ধাৰ কৰিছিল। পুৰাতত্ববিদ্ সকলৰ অনুমান মতে এই মুদ্ৰা আৰু মূৰ্ত্তিটো অষ্টম-নৱম শতিকাৰ আৰু এইবোৰ বৰ্তমানে গুৱাহাটীৰ যাদুঘৰত সংৰক্ষণ হৈ আছে।

শ্ৰীমন্ত শংকৰদেৱৰ যুগৰ পৰাই এই গাওঁখন শিক্ষাৰ কেন্দ্ৰ স্থল আছিল। ইয়াৰ সাক্ষ্য বহন কৰিছে এই অঞ্চলৰ বিভিন্ন ব্যক্তিৰ সংৰক্ষিত এশখনতৈও অধিক সাঁচিপাত, তুলাপাত, তালপাত আৰু কাকতৰ পাণ্ডুলিপিয়ে। ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিচনৰ গুৱাহাটী বিশ্ববিদ্যালয় শাখাই, কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ তৰফৰ পৰা কেইবছৰমান আগতে পুথি সংৰক্ষণৰ দল এটা আহি এই পুথি সমূহ প্ৰণালীবদ্ধ ভাবে সংৰক্ষণ তথা প্ৰশিক্ষণৰ ব্যৱস্থা কৰি থৈ গৈছে। এয়া অতিকৈ আনন্দ আৰু গৌৰৱৰ বিষয় যে, ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিচনে ৰাষ্ট্ৰীয় পাণ্ডুলিপি তালিকাত এই পুথি সমূহৰ নাম সন্নিবিষ্ট কৰিছে। মিচনৰ ৱেবছাইট- www.namami.org যোগে তালিকা খনত এই গ্ৰন্থ সমূহৰ সন্ধান পলকতে কৰিব পৰা যাব পৃথিবীৰ যিকোনো এটা কোণৰ পৰা। ১৫শ শতিকাৰ পৰাই হাকামা উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ আছিল। সেই সময়ত ৰজা জমিদাৰ সকলৰ উদ্যোগত তথা এই অঞ্চলৰ পণ্ডিতসকলৰ তত্বাবধানত সংস্কৃত শিক্ষাৰ টোল স্থাপন কৰা হৈছিল। উক্ত টোলবোৰত অকল অসমৰেই নহয় পশ্চিমবঙ্গ আদিৰ পৰাও ছাত্ৰ আহি শিক্ষা গ্ৰহণ কৰি ভাৰতৰ আগশাৰীৰ বিজ্ঞজনৰ লগত ফেৰ মাৰিব পৰাকৈ পাণ্ডিত্য অৰ্জন কৰিছিল। এই অঞ্চলৰ বিদগ্ধ পণ্ডিতে তেওঁলোকৰ পাণ্ডিত্যৰ প্ৰখৰতাত কলিকতা সংস্কৃত এচোছিয়েচনৰ সন্মানীয় সদস্য পদ, অসম সংস্কৃত বোৰ্ডৰ সদস্য, অসম সংস্কৃত এচোছিয়েচনৰ সদস্য আদি পদ অলংকৃত কৰিছিল। কিছুমানে কলিকতা সংস্কৃত এচোছিয়েচনৰ আৰু অসম সংস্কৃত বোৰ্ডৰ পৰীক্ষক হিচাপে কাম কৰিছিল। এই অঞ্চলৰ পণ্ডিত দুৰ্গাকিঙ্কৰ শাস্ত্ৰীদেৱে ১৪/০৯/১৯৭২ শকাব্দত তেজপুৰত হোৱা সংস্কৃত এচোছিয়েচনৰ বছৰেকীয়া অধিবেশনৰ সভাপতিৰ দৰে সন্মানীয় পদো অলংকৃত কৰিছিল। সেই সময়ত এই অঞ্চলৰ পণ্ডিতক অসম সাহিত্য সভাৰ দৰে মহান অনুষ্ঠানে ইমানেই গুৰুত্ব দিছিল যে, ইংৰাজী ১৯১২ চনৰ ১৮ ডিচেম্বৰ তাৰিখে গোৱালপাৰাত বহা অসম সাহিত্য সভাৰ দ্বিতীয় অধিবেশনত সভাপতি চন্দ্ৰধৰ বৰুৱাদেৱে তেওঁৰ ভাষণত এই অঞ্চলৰ পণ্ডিত দুৰ্গাকিংকৰ শাস্ত্ৰীদেৱৰ উপস্থিতিক সাহিত্য সভাক কৃতাৰ্থ কৰা বুলি কৈছিল। "পণ্ডিত প্ৰবৰ শ্ৰীযুত দুৰ্গাকিংকৰ শাস্ত্ৰী, কামৰূপ সংস্কৃত চৰ্চাৰ প্ৰাচীন কেন্দ্ৰ। এই প্ৰাচীন কেন্দ্ৰৰ যি চিন আজিকালি অকল কামৰূপ আৰু গোৱালপাৰা এই দুখন জিলাতহে বৰ্তমান আছে। এই দুখন জিলাৰ পণ্ডিত সকলৰ ভিতৰত ক্ষীৰ সমুদ্ৰ সম্ভূত চন্দ্ৰৰ দৰে আপুনি পৰম প্ৰভাকৰ। আপুনি অনুগ্ৰহ কৰি এই

সভাত যোগদান কৰি আমাক কৃতাৰ্থ কৰিলে। আপোনাক এই সভাই ভক্তিভাৱে নমস্কাৰ কৰি আপোনাৰ আশীৰ্বাদ ভিক্ষা কৰিছে।" (চন্দ্ৰধৰ বৰুৱা ১৯১৮ চন ২৮ ডিচেম্বৰ। চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী পৃষ্ঠা ৪৬৬ দ্বিতীয় খণ্ড সংকলন আৰু সম্পাদনা শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী)। এই অঞ্চলৰ শেষ সংস্কৃত শিক্ষাৰ টোলখন আছিল দুৰ্গাকিংকৰ শাস্ত্ৰীদেৱে ইং-১/০৪/১৯১২ তাৰিখে পুনৰাস্থাপন কৰা পৰমেশ্বৰী চতুস্পাঠী। সেই সময়ৰ এই অঞ্চলৰ স্ব-প্ৰজ্ঞাৰে উজ্জ্বলিত বিদগ্ধ পণ্ডিতসকলৰ ভিতৰত মহামহোপাধ্যায় আদ্যনাথ ন্যায় ভূষণ, চন্দ্ৰ নাথ ব্যাকৰণ তীৰ্থ, সাৰদাকিংকৰ বিদ্যাবাগিশ আদি উল্লেখযোগ্য। স্বাধীনোত্তৰ কালত আধুনিক শিক্ষাৰ ফলশ্ৰুতিত গঢ়লৈ উঠে কেইবাখনো প্ৰাথমিক স্কুল, এম.ই. স্কুল, হাইস্কুল। হাকামা বালক বিদ্যালয় আৰু হামাকা বালিকা বিদ্যালয় বিলাসীপাৰাৰ প্ৰথম প্ৰাথমিক বিদ্যালয়। ১৮৯১ চনত এই বিদ্যালয় দুখন স্থাপিত হয়। বৰ্তমান পশু চিকিৎসালয় চৌহদৰ আশে-পাশে এই বিদ্যালয় দুখন আছিল বুলি জনা যায়। ১৯৫২ চনত এই দুখন স্কুল একত্ৰিত কৰি 'হাকামা মডেল স্কুল' নাম দিয়া হয়। ১৯৫০ চনত বঙলা ভাষাত চলা এই বিদ্যালয়খন অসমীয়া মাধ্যমলৈ ৰূপান্তৰিত হয়। ১৯৫৭ চনত স্কুলখন 'হাকামা জুনিয়ৰ বেচিক স্কুল' হিচাপে নামকৰণ হয়।

প্ৰাক্ স্বাধীনোত্তৰ কালত এই অঞ্চলৰ মেধা সম্পন্ন ছাত্ৰ লগতে বাহিৰৰ পৰা অহা কিছু জ্ঞান পিপাসু ছাত্ৰৰ সহযোগত ১৯৩০ চনত গঢ়লৈ উঠিছিল 'হাকামা ষ্টুডেন্টচ্ ক্লাব এণ্ড লাইব্ৰেৰী' নামৰ এটি অনুষ্ঠান। ইয়াত শৈক্ষিক চৰ্চাৰ উপৰিও সেই সময়ৰ সামাজিক পৰিবেশৰ ওপৰত আলোচনা হৈছিল। এই পুথিভঁৰালটোৰ পৰাই স্বৰ্গীয় শৰৎ চন্দ্ৰ সিংহ (প্ৰাক্তন মুখ্যমন্ত্ৰী, অসম), ডালিম কুমাৰ মেধী, জিতেন ৰায়, চৈতন্যদেৱ চক্ৰৱৰ্ত্তী, সত্যকিংকৰ ভট্টাচাৰ্য্য আদি ব্যক্তিসকলৰ পৃষ্ঠপোষকতাত প্ৰকাশিত হৈছিল 'বোধন' নামৰ এখনি হাতে লিখা আলোচনী। প্ৰতিভাধৰ এই ব্যক্তিসকলৰ যোগেদি অসমীয়া ভাষাৰ চৰ্চাৰ পথ মুকলি হৈছিল। বিলাসীপাৰা অঞ্চলত অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ বাবে আন্দোলন আৰম্ভ হয় ১৯৩২ চনত। ডালিম মেধি, হৰিমোহন ৰায়, নৃপেন ৰায়, সুশান্ত চক্ৰৱৰ্ত্তী, গুণীন্দ্ৰ চক্ৰৱৰ্ত্তী, ৰহিমউদ্দিন আহমেদ, ব্যোমকেশ শৰ্মা, ফণীন্দ্ৰ কুমাৰ চক্ৰৱৰ্ত্তী, হৰেন্দ্ৰ সৰকাৰ, অমল চন্দ্ৰ চক্ৰৱৰ্ত্তী, আনন্দ চন্দ্ৰ হীৰা, পৰমানন্দ সৰকাৰ, ইন্দ্ৰমোহন পাটগিৰী, পঞ্চানন নাথ, বাবুৰ আলী, জহিৰুদ্দিন, সমসেৰ আলী, কেদাৰ বৰ্মণ, ভূতনাথ শীল সিংহ আদি এই আন্দোলনৰ অগ্ৰণী পুৰুষ। অসমীয়া ভাষা প্ৰতিষ্ঠাৰ আন্দোলনত উদ্বুদ্ধহৈ ১৯৩৯ চনৰ ২৭ ডিচেম্বৰত হাকামা খেলপথাৰত স্বৰ্গীয় ৰমনীকান্ত গোস্বামীৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয় আৰু উক্ত সভাই 'নতুন অসমীয়া হাইস্কুল স্থাপন কমিটি' গঠন কৰে। বিজনীৰাজৰ সাহাৰ্য্য আৰু ৰাইজৰ সহযোগিতাত ইংৰাজী ১/০৩/১৯৪০ চনত ধুবুৰী জিলাৰ ভিতৰত প্ৰথম অসমীয়া মাধ্যমৰ স্কুল 'বোকাখাতা হাইস্কুল' প্ৰতিষ্ঠা হয়। স্বৰ্গীয় নৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী স্কুলখনৰ প্ৰতিষ্ঠাপক হেডমাষ্টৰ।

১৯৭২ চনৰ ভাষা আন্দোলনত হাকামা অঞ্চলৰ যুৱক চামে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এই আন্দোলনৰ লগত জৰিত যুৱক সকলৰ আন্দোলন বিষয়ক আলোচনাৰ প্ৰাণকেন্দ্ৰ আছিল "হাকামা ষ্টুডেন্টচ্ ক্লাব এণ্ড লাইব্ৰেৰী"।

'বোধন'ৰ আগধৰিয়েই হাকামা লাচিত সংঘ আৰু পুথিভঁৰালে ১৯৯০ চনৰ পৰা 'পাঞ্চজন্য' নামৰ এখনি হাতে লিখা আলোচনী প্ৰকাশ কৰি আহিছে।

হামাকাৰ বহুতো প্ৰখ্যাত ব্যক্তিয়ে স্বাধীনতা আন্দোলনতো সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। তাৰে ভিতৰত শ্যামা প্ৰসাদ চক্ৰৱৰ্ত্তী, প্ৰফুল্ল চক্ৰৱৰ্ত্তী, দ্বাৰিকা নাথ চক্ৰৱৰ্ত্তী, শৰৎ চন্দ্ৰ সিংহ আদিৰ দৰে মহান ব্যক্তি এই অঞ্চলৰ ৰাইজৰ স্বাধীনতা সংগ্ৰামৰ পথ প্ৰদৰ্শক আছিল। অসহযোগ আন্দোলনত কাৰাবৰণ কৰা ব্যক্তিসকলৰ ভিতৰত হাকামাৰ স্বৰ্গীয় প্ৰফুল্ল চক্ৰৱৰ্ত্তীও এজন।

স্বাধীনতা আন্দোলনৰ সময়চোৱাত এই অঞ্চলৰ শিক্ষিত সচেতন মহিলা ক্ষণপ্ৰভা দেৱী, তৰুবালা দেৱী, জিলাপী খাতুন, প্ৰফুল্লবালা দেৱী, সুপ্ৰভা গোস্বামী, ৰাজবালা দেৱী আদিয়ে 'হাকামা মহিলা সমিতি' গঠন কৰিছিল। সেই সময়তে মহিলাৰ শিক্ষা আৰু সৱলীকৰণৰ ওপৰত বিশেষ ভাৱে গুৰুত্ব আৰোপ কৰা হৈছিল। স্বনামধন্যা উপন্যাসিকা মাননীয়া নিৰুপমা বৰগোহাঞি মহোদয়াৰ ১৯৯৬ চনৰ সাহিত্য অকাডেমি পুৰস্কাৰ প্ৰাপ্ত উপন্যাস 'অভিযাত্ৰী'ত অসমৰ চতুৰ্থখন মহিলা সমিতি 'হাকামা মহিলা সমিতি'ৰ বিৱৰণ পোৱা যায় (পৃঃ ৩৮০)। ১৯৫০ চনত হাকামাত সদৌ অসম মহিলা সন্মিলনৰ অধিবেশন অনুষ্ঠিত হৈছিল। ১৯৭৯ চনৰ অসম আন্দোলনতো হাকামা বিশেষ ভাৱে জৰিত হৈ আছিল।

ইয়াৰোপৰি বিভিন্ন সমাজ সংস্কাৰমূলক কামৰ লগত এই অঞ্চলৰ বিভিন্ন ব্যক্তি জৰিত আছিল। তাৰে ভিতৰত নৃপেন ৰায়, কেদাৰ চক্ৰৱৰ্ত্তী, মাধৱকিংকৰ ভট্টাচাৰ্য, শয়ানুদ্দিন আহমেদ, ৰমনী গোস্বামী, নৃপেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, ফণীন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, ব্যোমকেশ শীলশৰ্মা, অংশুমান চক্ৰৱৰ্ত্তী, বিনয় কুমাৰ চক্ৰৱৰ্ত্তী শ্বৰিফুদ্দিন আহমেদ, কৰিমুদ্দিন, শ্যামউল্ল্যা শেখৰ দৰে ব্যক্তিসকল উল্লেখযোগ্য। হাকামা অঞ্চলতে কেবাজনো উল্লেখযোগ্য ব্যক্তিৰ স্মৃতিত তেওঁলোকৰ উত্তৰাধিকাৰী সকলে প্ৰতিষ্ঠা কৰিছিল- শৰ্ব্বৰীনাথ বিদ্যাপীঠ (স্বৰ্গীয় শৰ্ব্বৰীনাথ চক্ৰৱৰ্ত্তীদেৱৰ স্মৃতিত), মন্মথনাথ মধ্য ইংৰাজী বিদ্যালয় (স্বৰ্গীয় মন্মথ নাথ ভট্টাচাৰ্য্যদেৱৰ স্মৃতিত), ব্যোমকেশ জুনিয়ৰ কলেজ (স্বৰ্গীয় ব্যোমকেশ শীলশৰ্মাদেৱৰ স্মৃতিত), দ্বাৰকানাথ প্ৰাথমিক বিদ্যালয় (স্বৰ্গীয় দ্বাৰকানাথ চক্ৰৱৰ্তীদেৱৰ স্মৃতিত), নিশিনাথ হাইস্কুল (স্বৰ্গীয় নিশিনাথ চক্ৰৱৰ্তীৰ স্মৃতিত), নিৰ্মলকুমাৰী শ্মশান (স্বৰ্গীয়া নিৰ্মল কুমাৰী চক্ৰৱৰ্ত্তীৰ স্মৃতিত)। অসম সাহিত্য সভাৰ ত্ৰি-ষষ্ঠিতম্ অধিবেশন ১৯৯৭ চনত বিলাসীপাৰাত অনুষ্ঠিত হৈছিল। এই অধিবেশনৰ আদৰণি সমিতিৰ সভাপতিৰ পদ অলংকৃত কৰিছিল চাপৰৰ সু-সন্তান প্ৰাক্তন অসমৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় শৰৎ চন্দ্ৰ সিংহদেৱে। যিজন ব্যক্তিয়ে তেওঁৰ শিক্ষা জীৱন হাকামাৰ পৰাই আৰম্ভ কৰিছিল। এই আদৰণি সমিতিৰ সম্পাদকৰ পদ অলংকৃত কৰিছিল হাকামাৰে সন্তান তথা সমাজ সেৱক শ্ৰী বিক্ৰমজিৎ চক্ৰৱৰ্ত্তীদেৱে। এই অঞ্চলৰ শ্ৰী বিভৱ কুমাৰ চক্ৰৱৰ্ত্তীদেৱে, প্ৰাক্তন শিক্ষক, নিজকে সমাজৰ বিভিন্ন কামৰ লগত জৰিত ৰখাৰ উপৰিও নিৰলস ভাৱে সাহিত্য সেৱা আগবঢ়াই আহিছে।

সাংস্কৃতিক ক্ষেত্ৰখনতো হাকামা গাওঁখন অতি চহকী। এসময়ত ইয়াৰ পৰাই প্ৰতিবছৰে গাওঁখনৰ যুৱক-যুৱতীসকলৰ দ্বাৰা কমেও একোখন পূৰ্ণাংগ নাট মঞ্চস্থ কৰা হৈছিল।১৯৫৫-৭৫ চনৰ ভিতৰত স্বৰ্গীয় মাধৱ কিংকৰ ভট্টাচাৰ্য্য, স্বৰ্গীয় মন্মথ নাথ ভট্টাচাৰ্য্য, স্বৰ্গীয় সত্য কিংকৰ ভট্টাচাৰ্য্য, স্বৰ্গীয় অংশুমান চক্ৰৱৰ্ত্তী, স্বৰ্গীয় ব্ৰতীন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, স্বৰ্গীয় ৰূপেন ৰায়, স্বৰ্গীয়া তৰুবালা দেৱী, দীপালি ভট্টাচাৰ্য্য, সোণালী চক্ৰৱৰ্ত্তী, তপন চক্ৰৱৰ্তী আদি শিল্পীসকলে বিভিন্ন সময়ত বিভিন্ন নাট মঞ্চস্থ কৰিছিল। পিছলৈ শ্ৰী সঞ্জীৱ চক্ৰৱৰ্ত্তী, বিথীশ চক্ৰবৰ্ত্তী, বিষ্ণু ৰায়, স্বপন চক্ৰৱৰ্ত্তী, ক্ষিতীশ ৰায়, মাধবী চক্ৰৱৰ্ত্তী, মালবিকা ভট্টাচাৰ্য্য শৰ্মা, ভাস্বতী ভট্টাচাৰ্য্য শৰ্মা, স্বৰ্গীয়া তৃপ্তি গোস্বামী, বিৰাজ বৰুৱা, তৃপ্তি বৰুৱা, নিলীমা চক্ৰৱৰ্তী আদি শিল্পীসকলে নাট্য চৰ্চাৰ ধাৰা অব্যাহত ৰাখিছিল। স্থানীয় ক্লাব আৰু পুথিভঁৰাল সমূহৰ দ্বাৰা সময়ে সময়ে বিভিন্ন ধৰণৰ গঠনমূলক কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছিল। সেইবোৰে সামাজিক বন্ধন সুদৃঢ় কৰাত বিশেষভাৱে অৰিহণা যোগাইছিল। হাকামা অঞ্চলত বহুবছৰৰ পৰাই 'জগদ্ধাত্ৰী পূজা', দুৰ্গাপূজা, কালীপূজা, দুধনাথ পূজা আদি হৈ আহিছে। এটা সময়ত জগদ্ধাত্ৰী পূজাত 'কুশান গান' (গোৱালপৰীয়া সংস্কৃতিৰ এক বিশেষ নৃত্য-নাট) প্ৰায় প্ৰতিবছৰেই পৰিৱেশিত হৈছিল। দৌল বা হোলি উৎসৱৰ সময়ত 'সুৱালি খেলা' বুলি এক বিশেষ ধৰণৰ উৎসৱ আজিও এই অঞ্চলত পালন হৈ আহিছে। এই উৎসৱৰ সময়ত 'শ্যামৰায় বিগ্ৰহ' আৰু 'চতুৰ্ভূজ বিগ্ৰহক' এক নিৰ্দিষ্ট স্থানলৈ আনি ফাঁকু প্ৰদান কৰি এই অঞ্চলৰ ৰাইজে একত্ৰিত হৈ হোলি খেলে। এই উৎসৱৰ সময়ত ঘৰে ঘৰে হোলিৰ পৌৰাণিক গীতবোৰ গাই ফুৰে আৰু ৰাতি সমূহ ৰাইজ একত্ৰিত হৈ ভোজ খায়। এই উৎসৱবোৰে সমাজত ঐক্যতা সুদৃঢ় কৰাত বিশেষ অৰিহণা যোগাই আহিছে। এই অঞ্চলৰ কেইবাটাও লেখত ল'বলগীয়া অতি পুৰণি মন্দিৰ ভিতৰত হৈছে দুধনাথ মন্দিৰ। এই মন্দিৰটো ১৩১২ভাস্কৰাব্দৰ প্ৰথম বহাগত আনন্দ প্ৰিয়া দেৱীয়ে প্ৰতিষ্ঠা কৰে। এই মন্দিৰৰ বিগ্ৰহটো অৰ্দ্ধনাৰীশ্বৰ। এই গাঁৱৰ আনটো মন্দিৰ শিৱৰ। মন্দিৰটো ৰিপুঞ্জয় ভট্টাচাৰ্য্য নামে এক বিদগ্ধ সংস্কৃত পণ্ডিতে প্ৰতিষ্ঠা কৰা বুলি জনা যায়। হাকামা হৰি ভক্তি প্ৰদায়িনী সভা নামেৰে আছে এক হৰি মন্দিৰ। এই মন্দিৰটোক কেন্দ্ৰ কৰি এটা সময়ত এক সাংস্কৃতিক, আধ্যাত্মিক তথা বৌদ্ধিক বিকাশৰ ঢৌ উঠিছিল। জনা যায় যে এই মন্দিৰৰ মঞ্চতে এই অঞ্চলৰ বিপিন চক্ৰৱৰ্ত্তী, শশীমোহন চক্ৰৱৰ্ত্তী, ভূতনাথ শীল সিংহৰ দৰে প্ৰতিভাবান ব্যক্তি সকলে অভিনয় প্ৰদৰ্শন কৰিছিল। হাকামা বিলৰ পশ্চিম ফালে অৱস্থিত কালী মন্দিৰটো আৰু এখন ঐতিহ্যমণ্ডিত মন্দিৰ। জনামতে এসময়ত মৎস্যজীৱী মানুহবোৰে হাকামা বিলত মাছ মৰাৰ আগতে এটা নিৰ্দিষ্ট ঠাইত পূজা-অৰ্চনা কৰিহে মাছ মাৰিছিল আৰু কালক্ৰমত ৰাইজৰ তৎপৰতাত সেই নিৰ্দিষ্ট ঠাইখিনিত এটা মন্দিৰ প্ৰতিষ্ঠা হয় আৰু বৰ্তমানেও নিৰ্মাণ কাৰ্য চলি আছে। ইয়াৰ উপৰিও এই অঞ্চলৰ ইছলাম ধৰ্মীয় লোকসকলে ঈদ, ফাতেহা, চবেবৰাত আদি পালন কৰি আহিছে।

হাকামাৰ ঐতিহ্য সাক্ষ্য বহন কৰি আছে হাকামা বিলে।

হাকামা গাঁৱৰ জনজীৱনৰ লগত হাকামা বিল অতীজৰ পৰাই ওতঃপ্ৰোত ভাৱে জৰিত। মানুহখিনিৰ আবেগ-অনুভূতি বিলখনৰ লগত একাত্ম হৈ আছে। এই অঞ্চলৰ মানুহে বিলখনৰ সন্মুখেৰে পাৰ হ'লে এবাৰ হলেও বিলখনলৈ চাই মূৰ দোৱায়। বহলে ৩০০ মিটাৰ আৰু দীঘে ১.৫ কিলোমিটাৰ অশ্বখুড়াকৃতিৰ এই বিলখন এতিয়া প্ৰব্জনকাৰী পক্ষীৰ ৰম্যভূমি স্বৰূপ। প্ৰতি বছৰে শীতকালত ইয়াত হাজাৰ হাজাৰ পৰিভ্ৰমী চৰাই আহে। হাকামা বিলৰ উত্তৰ দিশৰ বিলৰ পাৰৰ এটা অংশ মহাৰাণীৰ ঘাট নামে পৰিচিত। হাকামা বিলৰ পূব দিশৰ পাৰৰ এটি অংশ পুৰি যোৱা মাটি সদৃশ। মাটিখিনিৰ গলি গোট মৰা লো সদৃশ টান ; যিয়ে হাকামা (হা-খামা) নামটোৰ সাৰ্থকতা বহন কৰিছে। এসময়ত বিলখনৰ পৰিৱেশৰ প্ৰতি ভাবুকি হোৱালৈ চাই হাকামা বিলখনৰ প্ৰাকৃতিক পৰিৱেশ অক্ষুন্ন ৰখাৰ বাবে হাকামা বিলৰ পাৰ্শ্ববৰ্ত্তী কিছুমান মানুহে চিন্তা-চৰ্চা কৰিবলৈ বাধ্য হ'ল।

২০০১ চনৰ ফেব্ৰুৱাৰী মাহত 'অৰণ্য সুৰক্ষা সমিতি, অসম'ৰ দ্বিতীয় বাৰ্ষিক অধিৱেশন বিলাসীপাৰাত অনুষ্ঠিত হয় আৰু তাতেই হাকামা বিল সংৰক্ষণৰ বিষয়ে দাবী উত্থাপন হয়। ইয়াৰে আঁত ধৰি ইংৰাজী ১১/০১/২০০৪ তাৰিখে সমূহ হাকামা অঞ্চলৰ ৰাইজক লৈ স্বৰ্গীয় সমৰেন্দ্ৰ গোস্বামীদেৱৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। তাতেই শ্ৰী নুৰুদ্দিন আহম্মেদ, শ্ৰী শিতেশ ৰায়, ডাঃ অখিল কুমাৰ বৰুৱাক উপদেষ্টা হিচাবে,শ্ৰী নঙ্কেৰ আলীক সভাপতি, শ্ৰীআজাদ বিন সৰকাৰক উপ-সভাপতি, শ্ৰী ধ্ৰুৱৰঞ্জন চক্ৰৱৰ্তীক সম্পাদক শ্ৰী ভাস্কৰ ভট্টাচাৰ্য আৰু শ্ৰী ক্ষিতীশ ৰায়ক সহ-সম্পাদক আৰু কেইবাজনো সদস্য সমন্বিতে হাকামা বিল পক্ষী অভয়াৰণ্য নামৰ এখন সমিতি গঠন কৰা হয়। তেতিয়াৰ পৰাই চৰকাৰৰ ওচৰত এই সমিতিখনে হাকামা বিলক পক্ষী অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ দাবীৰ লগতে ইয়াত 'পক্ষীবিদ্ ছেলিম আলী পক্ষী নিৰীক্ষণ কেন্দ্ৰ' স্থাপন, পক্ষী অধ্যয়ণ কেন্দ্ৰ স্থাপন, প্ৰাকৃতিক পৰিৱেশ বিঘ্নিত নোহোৱাকৈ বিলখনৰ উন্নতি সাধন কৰাৰ দাবী উত্থাপন কৰি আহিছে। হাকামা অঞ্চলৰ এই দাবীৰ প্ৰতি সঁহাৰি জনাই সেই সময়ৰ মাননীয় বনমন্ত্ৰী শ্ৰী প্ৰদ্যুৎ বৰদলৈদেৱ হাকামা বিলৰ পাৰত ইংৰাজী ৪/০৬/২০০৪ তাৰিখে অৰণ্য সুৰক্ষা সমিতি, অসম আৰু হাকামা বিল পক্ষী অভয়াৰণ্য দাবী সমিতিৰ উদ্যোগত উদ্‌যাপন কৰা গছ বিহুত বিভাগীয় উচ্চ পদস্থ বিষয়া সমন্বিতে উপস্থিত হয়। মাননীয় মন্ত্ৰী মহোদয়ে তেতিয়া বন বিভাগৰ বিষয়াক বিলখনৰ জৰী কৰিবলৈ নিৰ্দেশ দিয়ে। সেই মৰ্মে বন বিভাগে বিলখন জৰীপ কৰ আৰু বন্যপ্ৰাণী সংৰক্ষণ আইন, ১৯৭২ৰ অধীনত ইয়াৰ সংৰক্ষ প্ৰস্তাৱ চৰকাৰৰ ওচৰত অৰ্পন কৰে। এই ক্ষেত্ৰত তেতিয়াৰ মানন বনমন্ত্ৰী দেৱৰ সঁহাৰি আছিল যথেষ্ট আশাব্যঞ্জক। হাকামাৰ ৰাইজ এই দাবীৰ প্ৰতি সঁহাৰি জনাই সহায়ৰ হাত আগবঢ়াই দিছিল তেতিয় বিলাসীপাৰা মহকুমাৰ মাননীয় মহকুমাধিপতি শ্ৰীযুত সিদ্ধাৰ্থ সি আই.এ.এছ., শ্ৰীযুত ধ্ৰুৱজ্যোতি দাস, এ.চি.এছ. আদিয়ে। তেতিয় মাননীয় মহকুমাধিপতি শ্ৰী সিদ্ধাৰ্থ সিংদেৱে ইংৰাজী ১০/১১/২০০ তাৰিখে বিলাসীপাৰা মহকুমাধিপতিৰ কাৰ্যালয়ত হাকামা বিল উন্নয় বিষয়ক এখন সভা অনুষ্ঠিত কৰে। উক্ত সভাতে হাকামা বিলৰ উন্নয়ন হকে বিলখনক নগৰ সমিতিৰ পৰা পুনৰ নিৰ্দেশনা (De-notifica tion) যোগে গাওঁ এলাকাত অন্তৰ্ভূক্ত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

ইংৰাজী ২০০৪ চনত হাকামা বিল পক্ষী অভয়াৰণ্যৰ সদস সকলে হাকামাৰ ঐতিহ্য তথা বিলখনৰ সংৰক্ষণৰ প্ৰচাৰৰ বা অসমৰ বিভিন্ন অভয়াৰণ্য, বিভিন্ন প্ৰকৃতি প্ৰেমী সংগঠনৰ লগ মত বিনিময়ৰ বাবে মাজুলীলৈকে পৰিভ্ৰমণ কৰিছিল। বৰ্তমানে এই দাবী সমিতিয়ে হাকামা বিলৰ পাৰত বৃক্ষৰোপণ আদিকে ধ পৰিৱেশ সজাগতাৰ ওপৰত বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰি আছে। এ দাবীৰ প্ৰতি সঁহাৰি জনাই বৰ্তমান মহকুমাৰ মহকুমাধিপতি মহোদয় মাননীয়া শ্ৰীমতী অনুৰাধা অধিকাৰী শৰ্মা, এ.চি.এছ. বাইদেউৱে বিশে ভাবে সহায়ৰ হাত আগবঢ়াই আহিছে। পৰিৱেশ সজাগতাৰ বিভি কাৰ্যসূচী সমূহত মহকুমাধিপতি মহোদয়াই নিজে উপস্থিত থাকি দাবী সমিতিক উৎসাহিত কৰি আহিছে। তাৰোপৰি ধুবুৰী জিলাৰ উপায়ু মহোদয় মাননীয় শ্ৰীযুত কুমুদ কলিতা, এ.চি.এছ. দেৱেও বিভি দিশত সহায় আগবঢ়াই আহিছে। ২০১৪চনৰ ৫ জানুৱাৰী তাৰিখে অৰণ্য সুৰক্ষা সমিতি আৰু হাকামা বিল ''পক্ষী আদৰণি উৎসৱ'' পালন কৰে। মহকুমাধিপতি শ্ৰীমতী অনুৰাধা অধিকাৰী শৰ্মা মহোদয়াই এই উৎসৱত অংশলৈ নিজ হাতে হাকামা বিলৰ ছবি আঁকিছিল।

ইংৰাজী ২/০২/২০১৪ বিশ্ব জলাশয় দিৱসৰ দিনা এক বিশেষ কাৰ্যসূচীত হাকামা বিলৰ পাৰত হাকামা বিলৰ ৱেবচাইট (www.hakamabeel.hpage.com) এটা মুকলি কৰা হয়। এনেদৰেই বিভিন্ন কাৰ্য্যসূচীৰ যোগেদি হাকামা বিলপৰীয়া ৰাইজে




*হাকামা বিলৰ পাৰত অৰণ্য সুৰক্ষা সমিতি অসম আৰু হাকামা বিল পক্ষী অভয়াৰণ্য দাবী সমিতিয়ে ২০১৪ চনত ৫ জানুৱাৰী তাৰিখে আয়োজন কৰা পক্ষী আদৰণি উৎসৱত শিশু সকলৰ সৈতে মহকুমাধিপতি অনুৰাধা অধিকাৰী শৰ্মা ডাঙৰীয়ানীয়ে অঁকা হাকামা বিলৰ এখন ছবি ।*

মহকুমাটোৰ বিলখনক পক্ষী অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়াৰ দাবী উত্থাপন কৰি আহিছে। জৈৱ বৈচিত্ৰ্যৰে পৰিপূৰ্ণ এই হাকামা বিলখন অভয়াৰণ্য ৰূপে ঘোষিত হ'লে ইয়াৰ পক্ষীকুলেই যে সংৰক্ষিত হ'ব এনে নহয় ; ইয়াক কেন্দ্ৰ কৰি এক পৰ্যটন উদ্যোগ আৰু প্ৰকৃতি তথা পৰিৱেশ শিক্ষাৰ বাতাৱৰণ সৃষ্টি হ'ব- যি বিলাসীপাৰাৰ উন্নয়নত এক বিশেষ অৱদান হ'ব। উল্লেখযোগ্য যে, হাকামাৰ পূৱ-উত্তৰ দিশত অৱস্থিত চক্ৰশীলা অভয়াৰণ্য আৰু পশ্চিম-উত্তৰ দিশত অৱস্থিত মহামায়া মন্দিৰ তথা মহামায়া বনাঞ্চলৰ মধ্যস্থানৰ এলেকা, ইয়াৰ নাতিদূৰৈত ফ্ৰুৰিকান গাৰ্ডেন আৰু গৌৰাং নৈ। বিলৰ চৌপাশৰ এই শুৱনি গাওঁখনত সেয়েহে পৰ্যটন প্ৰকল্প এটা সুন্দৰ ভাৱে গঢ়ি তুলিব পাৰি। কেন্দ্ৰটোৱে চক্ৰশীলাৰ পৰা মহামায়ালৈকে এই পৰ্যটন এলেকাটোক পৰ্যটনৰ বাবে অধিক আকৰ্ষণীয় কৰি তুলিব।

বিলাসীপাৰা মহকুমাটোৰ ৰূপালী জয়ন্তী উৎসৱৰ এই শুভলগনত বিলাসীপাৰা মহকুমা গঠন তথা উন্নয়নত যিসকল ব্যক্তিয়ে আত্মোৎসৰ্গ কৰিলে সেই সকল শ্ৰদ্ধাস্পদ ব্যক্তিলৈ থাকিল আমাৰ আন্তৰিক প্ৰণাম।

**সমল ঃ**

১) অসম সাহিত্য সভাৰ ত্ৰি-ষষ্ঠিতম্ অধিবেশনৰ স্মৃতিগ্ৰন্থ-

(ক) হাকামা মৌজাৰ অতীত সুঁৱৰি- শ্ৰী বিভব কুমাৰ চক্ৰৱৰ্তী।

(খ) জনজাগৰণৰ প্ৰতিভূস্বৰূপ ৰোকাখাতা উচ্চতৰ মাধ্যমিক বিদ্যালয়- শ্ৰী অমিয় কান্তি সৰকাৰ।

২) ড° হৰিচৰণ দাসদেৱৰ গৱেষণা পুঁথি- Rural Information in Leading News Paper of Assam.

৩) হাকামা লাচিত সংঘ আৰু পুথিভঁৰালৰ পৰা প্ৰকাশিত 'পাঞ্চজন্য' আলোচনী।

৪) শ্ৰীধ্ৰুৱৰঞ্জন চক্ৰৱৰ্তী, শ্ৰী অভিজিৎ চক্ৰৱৰ্তী, শ্ৰী সঞ্জীৱ চক্ৰৱৰ্তী।

*(লেখক মহকুমাধিপতি কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক)*

◆◆

*With best compliments from*

Contact No. (03667) 250355/250114

# Ajay Singh Surendra Kumar

**Whole Sale Cloth Merchant**

P.O. Bilasipara, Dist.Dhubri (Assam) PIN - 783348



*Authorised Dealer -*

DONEAR® RUPA® BABA MINU Saree

# বিলাসীপাৰা মহকুমাত ৰেডক্ৰছ ছোচাইটি

ডাঃ কানুলাল দাস

ৰেডক্ৰছ ছোচাইটী মানৱ সেৱাত উৎসৰ্গীত এক আন্তঃৰাষ্ট্ৰীয় স্বেচ্ছাসেৱী সংগঠন। ইয়াৰ সকলো কাৰ্য্যাৱলী মানৱীয় প্ৰকৃতিৰ আৰু ই বিশ্বজনীন। ৰেডক্ৰছ ছোচাইটী মানৱতা, ভেদাভেদহীনতা, নিৰপেক্ষতা, স্বাধীনতা, স্বেচ্ছাসেৱা, একতা আৰু বিশ্বজনীনতা এই সাতটা মূলনীতিৰ দ্বাৰা পৰিচালিত। ইয়াৰ মুখ্য উদ্দেশ্য মানুহৰ দুখ-কষ্ট লাঘৱ কৰা, স্বাস্থ্যৰ উন্নতি সাধন কৰা আৰু ৰোগৰ প্ৰতিৰোধ কৰা। ৰেডক্ৰছৰ সাৰ্ব্বজনীন ধাৰণাটো সঠিকভাৱে ৰূপায়িত কৰিবলৈ ইয়াৰ দায়িত্বৰ ক্ষেত্ৰখন তিনিটা ভাগত বিভক্ত। আন্তজাতিক কমিটী, (I.R.C.S.), ৰেডক্ৰছ আৰু ৰেডক্ৰিছেন্ট ফেডাৰেচন আৰু ৰাষ্ট্ৰীয় সমিতি। প্ৰথম দুটাৰ মুখ্য কাৰ্য্যলয় – জেনেভাত আৰু ৰাষ্ট্ৰীয় সমিতিৰ মুখ্য কাৰ্য্যালয় – নিজ নিজ দেশৰ ৰাজধানীত। চুইজাৰলেণ্ডৰ এগৰাকী বিশিষ্ট ব্যৱসায়ী জীন হেনৰী ডুনাণ্ট ৰেডক্ৰছ আন্দোলনৰ জনক আৰু তেওঁৰ জন্মদিনটো (৮ মে') 'সমগ্ৰ বিশ্ব ৰেডক্ৰছ' দিৱস হিচাবে পালন কৰা হয়। ৰেডক্ৰছ ছোচাইটীৰ প্ৰতীক চুইজাৰলেণ্ডৰ জাতীয় পতাকাৰ ৰঙাৰ ওপৰত বগা ক্ৰছৰ পৰা লোৱা হৈছে। ইচলাম ধৰ্মাৱলম্বী দেশবিলাকত পৰবৰ্ত্তীকালত ৰেডক্ৰছ ছোচাইটীৰ পৰিবৰ্ত্তে কাঁচি জোনক প্ৰতীক হিচাপে স্বীকৃতি দিয়া হৈছে। ৰেডক্ৰছ ছোচাইটীৰ প্ৰতীক ৰেডক্ৰছ আন্দোলনৰ লগত জৰিত ব্যক্তি বা সম্পত্তি তথা সৈন্যবাহিনীৰ চিকিৎসাসেৱাত জৰিত ব্যক্তি বা বাহনত ব্যৱহাৰ কৰা হয়। কোনো পেছাদাৰী চিকিৎসক বা ব্যৱসায়িক চিকিৎসা প্ৰতিষ্ঠানত এই প্ৰতীকৰ ব্যৱহাৰ নিষিদ্ধ। ই আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় আইনমতে দণ্ডণীয়। ভাৰতীয় ৰেডক্ৰছ ছোচাইটী এই আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ এটা অংশ। ইং ১৯২০ চনত ভাৰতীয় সংসদত এখন আইনৰ যোগেদি ইয়াক গঠন কৰা হৈছিল আৰু সেই একে বছৰতে ভাৰতীয় ৰেডক্ৰছ ছোচাইটীৰ অধীনত অসম ৰাজ্যিক শাখাও গঠিত হৈছিল। সংবিধান মতে সমিতিৰ সভাপতি হ'ল সেইখন দেশৰ ৰাষ্ট্ৰপতি। আনহাতে ৰাজ্যিক কমিটীৰ সভাপতি হ'ল ৰাজ্যৰ ৰাজ্যপাল। জিলা পৰ্য্যায় আৰু মহকুমা পৰ্য্যায়ৰ শাখা বিলাকৰ সভাপতি হ'ল যথাক্ৰমে উপায়ুক্ত আৰু মহকুমাধিপতি।

বিলাসীপাৰা জিলা শাখা ইং ২০০২ চনত তদানীন্তন লোকসভাৰ সাংসদ মাননীয় শ্ৰীযুত আনোৱাৰ হুছেইন মহাশয়ৰ উদ্যোগত গঠিত হৈছিল আৰু তেখেত এই জিলা শাখাৰ প্ৰতিষ্ঠাপক অবৈতনিক সম্পাদক আছিল। ইং ২০০৫ চনত তেখেতে এই দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ ফলত সাধাৰণ সভাত মোক অবৈতনিক সম্পাদকৰ দায়িত্ব দিয়া হৈছিল। আকৌ ইং ২০১০ চনত সকলো জিলা শাখা সাংগঠনিক সমৰূপ নিয়মৰ অধীনত মোক কাৰ্য্যকৰী কমিটীৰ অধ্যক্ষৰ দায়িত্ব দিয়া হৈছে।

বিলাসীপাৰা জিলাশাখাৰ মানৱ সেৱামূলক কাম-কাজৰ খতিয়ান তলত দাঙি ধৰা হ'ল।

(১) যিকোনো ধৰণৰ দুৰ্যোগ মোকাবিলা কৰিবৰ বাবে আৰু প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ কমোৱাৰ কাৰণে অসম ৰাজ্যিক শাখাৰ নিৰ্দ্দেশ আৰু সহযোগিতাত দুৰ্যোগ প্ৰশমনৰ অধীনত অনুষ্ঠিত হোৱা বিভিন্ন কৰ্ম্মশালা আৰু প্ৰশিক্ষণ সমূহ হ'ল ঃ -

(ক) গাওঁ ভিত্তিক দুৰ্যোগৰ বাবে প্ৰস্তুতিৰ কৰ্ম্মশালা।
(খ) দুৰ্যোগৰ বিপদ হ্ৰাসকৰণ কৰ্ম্মশালা।
(গ) দুৰ্ব্বলতা আৰু শক্তিৰ মূল্যায়ন।
(ঘ) প্ৰাথমিক চিকিৎসাৰ প্ৰশিক্ষণ।
(ঙ) বিদ্যালয়ত সজাগতা কাৰ্য্যক্ৰম অনুষ্ঠিত কৰা।
(চ) ৰাজমিস্ত্ৰীৰ প্ৰশিক্ষণ।
(ছ) কৃত্ৰিম আখৰা।

উপৰোক্ত কৰ্ম্মশালা আৰু প্ৰশিক্ষণৰ যোগেদি প্ৰায় চাৰিশতকৰ অধিক স্বেচ্ছাসেৱক, স্বেচ্ছাসেৱিকা, শিক্ষক, ৰাজমিস্ত্ৰী আৰু বিভিন্ন গাঁৱৰ জনপ্ৰতিনিধিক প্ৰশিক্ষণ দিয়া হৈছে।

(২) 'স্বাস্থ্য সকলোৰে বাবে' কথাষাৰ তেতিয়া সফল হ'ব যেতিয়া সকলো মানুহ স্বাস্থ্য সম্পৰ্কে সজাগ হ'ব, আৰু স্বাস্থ্য সম্পৰ্কে এক বিজ্ঞানসন্মত ধাৰণা থাকিব। এতিয়াও সমাজৰ এক বৃহৎ অংশ স্বাস্থ্যজনিত সমস্যাৰ সমাধান বিচাৰি কবিৰাজ, বৈদ্য, ওজা, জ্যোতিষী, মন্দিৰ, মছজিদ আদিৰ শৰণাপন্ন হোৱা দেখা যায়। ফলত স্বাস্থ্যজনিত সমস্যা আৰু বেছি জটিল হয়। সেই কাৰণে বিলাসীপাৰা জিলা শাখাই

ৰাইজক স্বাস্থ্য সম্পৰ্কে সজাগ কৰি দিবলৈ, 'স্বাস্থ্য সচেতনতা অভিযান'ৰ অধীনত তলত উল্লেখ কৰা কাৰ্য্যসূচী বিলাক ৰূপায়ণ কৰিছে।

(ক) অসমৰ দৈনিক পত্ৰিকা 'আজি' ৰ স্বাস্থ্য শিতানত নিয়মিত স্বাস্থ্য সম্পৰ্কে লিখনি দিয়া হৈছিল লগতে বিভিন্ন আলোচনীতো সময়ে সময়ে লিখা-মেলা কৰা হৈ আছে।

(খ) গ্ৰীষ্মকালীন বন্ধত বিভিন্ন ছাত্ৰ সংগঠনে আয়োজন কৰা বিনামূলীয়া পাঠদানত স্বাস্থ্য সম্পৰ্কে পাঠদান কৰা হৈ আছে।




(গ) স্থানীয় বিভিন্ন বিদ্যালয়ত সময়ে সময়ে স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন মাদকদ্ৰব্য আৰু মদৰ কু-প্ৰভাৱ, ড্ৰাগছৰ অপব্যৱহাৰ, এইডছ্‌ৰ ভয়াবহতা আৰু প্ৰতিকাৰ, জনন স্বাস্থ্য, মাতৃ আৰু শিশুৰ যতন, ব্যক্তিগত আৰু পৰিৱেশগত স্বাস্থ্য বিজ্ঞান, পানী বিশুদ্ধকৰণ , অন্ধ বিশ্বাস, কু-সংস্কাৰ, বিভিন্ন বেমাৰ আৰু দুৰ্ঘটনাৰ প্ৰাথমিক চিকিৎসা আদি আলোচনা কৰা হৈছে।

(ঘ) কিছুমান বেমাৰ যেনে মেলেৰিয়া, ডেঙ্গু, জাপানীজ এনকেফেলাইটিছ্ আৰু পক্ষী জ্বৰ সম্পৰ্কে বেনাৰ আৰু প্ৰচাৰ পত্ৰ বিতৰণ কৰা হৈছে।

(৩) বিভিন্ন উল্লেখযোগ্য দিৱস যেনে— বিশ্ব ৰেডক্ৰছ দিৱস, বিশ্ব স্বাস্থ্য দিৱস, এইডছ্ দিৱস, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দুৰ্যোগ হ্ৰাসকৰণ দিৱস আদি কৰা হৈছে।

(৪) স্বাস্থ্য শিবিৰ ঃ-

মহকুমা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ সহযোগত অনুষ্ঠিত হোৱা স্বাস্থ্য শিবিৰ সমূহ হ'ল ঃ-

(ক) মাতৃ আৰু শিশু স্বাস্থ্য শিবিৰ ।

(খ) মেলেৰিয়া প্ৰতিৰোধ শিবিৰ ।

(গ) টীকাকৰণ শিবিৰ ।

(ঘ) তেজদাতাৰ তেজৰ গ্ৰুপ পৰীক্ষা আৰু পঞ্জীয়ণ শিবিৰ ।

(ঙ) ভ্ৰাম্যমান প্ৰাথমিক চিকিৎসা শিবিৰ ।

৫) দুৰ্যোগকালীন সেৱা (মহকুমা প্ৰশাসনৰ সহযোগত) ঃ-

(১) <u>বানপানীৰ সময়ত</u> ঃ-

(ক) আশ্ৰয় শিবিৰত থকা ৰাইজলৈ খাদ্যৰ যোগান ধৰা ।

(খ) চিকিৎসা সেৱা আগবঢ়োৱা।

(গ) চৰ অঞ্চলত খাদ্য আৰু চিকিৎসা সেৱা প্ৰদান ।

(২) <u>বানপানীৰ পাছত</u> ঃ-

(ক) পৰিস্কাৰ-পৰিচ্ছন্নতা অভিযান (নগৰ সমিতিৰ সহযোগত)

(খ) ভ্ৰাম্যমান চিকিৎসা সেৱা।

(গ) সজাগতা সভা ।

(৩) <u>বি.টি.এ.ডিত হোৱা গোষ্ঠীগত সংঘৰ্ষৰ সময়ত (মহকুমা প্ৰশাসনৰ সহযোগত)</u> ঃ-

(ক) বিলাসীপাৰাৰ আশ্ৰয় শিবিৰ সমূহত থকা খাদ্যৰ যোগান ধৰা ।

(খ) আশ্ৰয় শিবিৰত স্বেচ্ছাসেৱক নিয়োগ।

(গ) চিকিৎসা সেৱা প্ৰদান ।

(৪) বিভিন্ন উৎসৱ - পাৰ্বন, সামাজিক ও ধৰ্মীয় অনুষ্ঠানত আগবঢ়োৱা সেৱা সমূহ ঃ

(ক) অশোকাষ্টমী, ছটপূজা, দেৱী-বিসৰ্জনৰ ঘাটত প্ৰাথমিক চিকিৎসা আৰু উদ্ধাৰকাৰী দল নিয়োগ।

(খ) মুছলমান ভাইসকলে আয়োজন কৰা ইস্তেমাত চিকিৎসা শিবিৰ পতা।

(গ) শঙ্কৰদেৱ শিশু নিকেতনে আয়োজন কৰা বিজ্ঞানমেলা, ২১ জাট ৰেজিমেণ্টে আয়োজন কৰা স্বাস্থ্যমেলাত স্বেচ্ছাসেৱক নিয়োগ আৰু চিকিৎসাসেৱা প্ৰদান ।






(ঘ) মহকুমা প্ৰশাসনে আয়োজন কৰা স্বাধীনতা আৰু গণতন্ত্ৰ দিৱসৰ পেৰেড গ্ৰাউণ্ডত প্ৰাথমিক চিকিৎসাৰ প্ৰশিক্ষণপ্ৰাপ্ত স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা নিয়োগ।

অন্যান্য কাম-কাজ ঃ-

(১) ৰেডক্ৰছ প্ৰসূতি চিকিৎসালয় ঃ- 'লেণ্ড এডভাইচৰী ব'ৰ্ড' এ আবন্টন দিয়া ১ বিঘা মাটিত সাংসদ শ্ৰীযুত আনোৱাৰ হুছেইন দেৱৰ সংসদীয় এলেকা উন্নয়ন পুঁজিৰ ১৫ লাখ টকাৰে গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। বৰ্তমান গৃহ অসম্পূৰ্ণ হৈ আছে। ইতিমধ্যে অসমৰ মাননীয় স্বাস্থ্যমন্ত্ৰীক লগ ধৰা হৈছিল আৰু তেওঁৰ নিৰ্দেশ মৰ্মে ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ সঞ্চালকক মুখ্য অভিযন্তাই বিচৰা ধৰণে সমস্ত কাগজ-পত্ৰ জমা দিয়া হৈছে। কিন্তু এতিয়ালৈকে কোনো অনুদান পোৱা হোৱা নাই।

ৰেডক্ৰছৰ কাৰ্য্যালয় ঃ- বিলাসীপাৰা জিলা শাখাৰ কাৰ্য্যালয় গৃহ নিৰ্মাণৰ বাবে ইতিমধ্যে 'লেণ্ড এডভাইচৰী ব'ৰ্ড' এ তিনি কঠা মাটি ৩ নং ৱাৰ্ডত আবন্টন দিছে।

বিলাসীপাৰা মহকুমাৰ ৰূপালী জয়ন্তী উপলক্ষে বিলাসীপাৰা জিলা শাখা কাৰ্য্যসূচী সমূহ হ'ল ঃ-

১) স্বাস্থ্য সচেতনতা অভিযানৰ অধীনত বিভিন্ন বিদ্যালয়ত হ'ব লগা অনুষ্ঠান।

(ক) গ্ৰীষ্মকালীন বন্ধত বিভিন্ন ছাত্ৰ সংগঠনৰ উদ্যোগত বিনামূলীয়া পাঠদানত নিয়মিত স্বাস্থ্য সম্পৰ্কে পাঠদান ।

(খ) স্বাস্থ্য সম্পৰ্কে প্ৰশ্নমঞ্চ অনুষ্ঠান, (গ) জনন স্বাস্থ্য, (ঘ) মাতৃ আৰু শিশু স্বাস্থ্য, (ঙ) স্বাস্থ্য বিজ্ঞান, (চ) স্বাস্থ্যৰ ওপৰত কুইজ প্ৰতিযোগিতা ।

(চ) স্বাস্থ্য শিবিৰ ঃ-

(ক) জ্যেষ্ঠ নাগৰিক সকলৰ স্বাস্থ্য পৰীক্ষাৰ লগতে তেজ পৰীক্ষা ।

(খ) গৰ্ভৱতী মহিলাৰ স্বাস্থ্য পৰীক্ষা (স্ত্ৰীৰোগ বিশেষজ্ঞৰ দ্বাৰা)

(গ) শিশুৰ স্বাস্থ্য পৰীক্ষা ( শিশুৰোগ বিশেষজ্ঞৰ দ্বাৰা)

(ঘ) তেজদাতাৰ তেজৰ গ্ৰুপ পৰীক্ষাৰ লগতে তেজদান ( বিলাসীপাৰা জীৱনবীমাৰ এজেন্ট সকলৰ সহযোগত)

৩) প্ৰশিক্ষণ শিবিৰ ঃ-

(ক) প্ৰাথমিক চিকিৎসাৰ পাঁচদিনীয়া প্ৰশিক্ষণ ।


(খ) প্ৰাথমিক চিকিৎসাৰ কৃত্ৰিম আখৰা ।

বিলাসীপাৰা মহকুমাৰ বিভিন্ন স্থানত এনে সেৱাৰাজি ৰেডক্ৰছে চলাই আহিছে। ৰাইজৰ সক্ৰিয় সহযোগিতাত বিলাসীপাৰাত এই আন্তঃৰাষ্ট্ৰীয় সেৱা প্ৰতিষ্ঠানটিৰ ক্ৰমাৎ বিকাশ হ'বলৈ ধৰিছে। উঠি অহা যুৱক-যুৱতী সকলে এই অনুষ্ঠানৰ সদস্য হৈ জনসেৱাৰ মহৎ কাৰ্যত নিজকে নিয়োজিত কৰিব পাৰে।

*(লেখক বিলাসীপাৰা ৰেডক্ৰছ ছোচাইটিৰ মুখ্য সংগঠক )*

◆◆


*With best compliments from*



CHAPAR T.E.

# CHAPAR TEA ESTATE

P.O. Chapar,
Dist. Dhubri (Assam)
Pin Code - 783371



# কৃষি প্ৰযুক্তি আৰু ধুবুৰী জিলাত ইয়াৰ সম্প্ৰসাৰণ

ড° চিন্ময় কুমাৰ শৰ্মা
অভিজিৎ পাল

কৃষি খণ্ডই আমাৰ দেশৰ অৰ্থনীতি সবল কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু জনসংখ্যাৰ প্ৰায় শতকৰা ৫২ ভাগেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্বাহ কৰি আছে। কৃষিৰ বাবে ব্যৱহৃত ভূমিৰ পৰিমান ক্ৰমান্বয়ে সংকুচিত হৈ আহিছে আৰু দেশৰ বৰ্দ্ধিত জনসাধাৰনৰ প্ৰয়োজনীয় খাদ্য চাহিদা পূৰণ কৰিবৰ বাবে কৃষি খণ্ডত উৎপাদন বৃদ্ধিৰ প্ৰয়োজন আহি পৰিছে। ইয়াৰ বাবে প্ৰয়োজনীয় উন্নত কৃষি প্ৰযুক্তি কৌশল সমুহ উদ্ভাৱন কৰিবলৈ কৃষি বিজ্ঞানী সকল দেশৰ বিভিন্ন গৱেষণা প্ৰতিষ্ঠানত নিয়োজিত হৈ আছে। যোৱা ২৯ জুলাই, ২০১৪ তাৰিখে নতুন দিল্লীত ভাৰতীয় কৃষি গৱেষনা পৰিষদৰ (Indian Council of Agricultural Research) ৮৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত এক অনুষ্ঠানত দেশৰ প্ৰধান মন্ত্ৰীয়ে কৃষি উৎপাদন বৃদ্ধিৰ বাবে বৈজ্ঞানিক গৱেষণাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে দেশ আৰু সমগ্ৰ বিশ্বকে খাদ্যৰ যোগান ধৰিবলৈ আমাৰ কৃষক যে সক্ষম সেই কথাৰ প্ৰমান কৰাৰ আহ্বান জনাইছে। তেওঁ এই কথাও দোহাৰিছে যে যদিহে কৃষকৰ উৎপাদন বৃদ্ধি নাপায় তেন্তে কৃষি খণ্ডই নিজৰ লক্ষ্যত উপনীত হোৱাৰ সম্ভাৱনা নাথাকিব। সেউজ আৰু শ্বেত বিপ্লৱৰ সমান্তৰাল ভাবে নীলা বিপ্লৱেৰে মাছৰ উৎপাদন বৃদ্ধি কৰি আন্তঃৰাষ্ট্ৰীয় বানিজ্যৰ বাবে আগবাঢ়িবলৈ প্ৰধানমন্ত্ৰী গৰাকীয়ে আহ্বান জনাইছে।

বৰ্তমান সময়ত কৃষি বিজ্ঞান আৰু প্ৰযুক্তি এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ মাজেৰে আগ বাঢ়িছে। পেটে-ভাতে খাই থকা অৱস্থাৰ পৰা কৃষি ব্যৱস্থাক বৰ্তমান কৃষি বানিজ্যৰ মৰ্য্যাদা প্ৰদান কৰা হৈছে। বিভিন্ন গৱেষণাৰ পৰা জানিব পৰা গৈছে যে যোৱা অৰ্দ্ধশতিকাত 'জেনেটিক উন্নয়ন' আৰু উন্নত কৃষি পদ্ধতিৰ দ্বাৰা আমাৰ প্ৰধান শস্যসমূহৰ উৎপাদন ৫০-৬০ শতাংশ বৃদ্ধি হৈছে। এটা জৰীপত ২২ বিজ্ঞানীয়ে ২০০০-২০৩০ চনৰ ভিতৰত শস্যৰ উৎপাদিকা শক্তি বৃদ্ধিৰ উৎস সমুহ নিৰ্দ্ধাৰন কৰিছে আৰু ২০৩০ চনৰ ভিতৰত প্ৰজনন বিদ্যা (Plant Breeding), জলসিঞ্চন আৰু পানী সংৰক্ষন ব্যৱস্থা (Irrigation and Water Conservation), জেনেটিক ইঞ্জিনিয়াৰিং আদি সম্পৰ্কীয় প্ৰযুক্তি বিদ্যাই শস্যৰ উৎপাদন বৃদ্ধিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। অৱশ্যে এই কথা স্বীকাৰ্য্য যে উদ্ভাৱিত কৃষি প্ৰযুক্তি কৌশল সমূহ সঠিক পদ্ধতিৰ দ্বাৰা সঠিক ৰূপত কৃষকৰ পথাৰলৈ সম্প্ৰসাৰিত কৰিব পাৰিলেহে ইয়াৰ পৰা কৃষক সকলে সুফল লাভ কৰিব। এই ক্ষেত্ৰত দেশৰ জিলাসমূহৰ কৃষি বিজ্ঞান কেন্দ্ৰ সমুহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ প্ৰয়োজন আছে।

নামনি অসমৰ ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাৰ জনসাধাৰনৰ শতকৰা ৮০ ভাগ লোকেই কৃষি কাৰ্য্যৰ লগত জৰিত। এই অঞ্চলৰ প্ৰধান শস্যসমুহৰ ভিতৰত ধান, ঘেঁহু, মৰাপাট, কুঁহিয়াৰ, মাটিমাহ, সৰিয়হ জলকীয়া, বিভিন্ন শাক পাচলি আদি উল্লেখযোগ্য। এই শস্যসমূহৰ গড় উৎপাদিকা শক্তি অসমৰ অন্যান্য জিলাসমূহৰ তুলনাত সন্তোষজনক হ'লেও সৰ্বভাৰতীয় হাৰৰ তুলনাত এতিয়াও কম হৈ থকা পৰিলক্ষিত হৈছে। ইয়াৰ এক প্ৰধান কাৰন হৈছে জিলাখনত জলসিঞ্চনৰ সু-ব্যৱস্থা নথকাটো। মুঠ কৃষি ভূমিৰ মাত্ৰ ৩৭% মাটিতহে জলসিঞ্চনৰ সুবিধা থকা হেতুকে সময়ে সময়ে দেখা দিয়া খৰাং পৰিস্থিতি মোকাবিলা কৰাত কৃষকসকলে অসুবিধাত পৰিছে আৰু ই উৎপাদন বৃদ্ধিৰ অন্তৰায় হিচাপে থিয় দিছে। অঞ্চলটোত গড় হিচাপে প্ৰতি বছৰে প্ৰায় ২৮০০ মিঃমিঃ বৰষুণ (১৯৯০ চনৰ পৰা ২০১২ চনলৈ গড় হিচাপত) হয় যদিও বৰষুণৰ পানীৰ সিংহ ভাগেই সংৰক্ষণৰ ব্যৱস্থাৰ অভাৱত নষ্ট হোৱা পৰিলক্ষিত হৈছে। উপযুক্ত জল-সংৰক্ষনৰ ব্যৱস্থাৰ যোগেদি সঠিক ভাৱে ইয়াক জলসিঞ্চনৰ বাবে ব্যৱহাৰ কৰিলে ই উৎপাদন বৃদ্ধিৰ সহায়ক হ'ব। উন্নত জাতৰ ব্যৱহাৰে কৃষি উৎপাদন বৃদ্ধিত সহায় কৰে যদিও অঞ্চলটোত ধান (মুঠ ভূমিৰ ৬০ শতাংশ) আৰু শাক পাচলিৰ বাহিৰে অন্যান্য শস্যত ইয়াৰ প্ৰয়োগ সন্তোষজনক নহয়। অসম কৃষি বিশ্ববিদ্যালয়ে অসমৰ মাটি আৰু জলবায়ু উপযোগী বিভিন্ন জাত উদ্ভাৱন কৰি উলিয়াইছে আৰু এইবোৰৰ সফল প্ৰয়োগ কৃষকৰ পথাৰত প্ৰয়োজনীয় হৈছে। বীজ সলনি কৰাৰ হাৰো (Replacement Rate) মাত্ৰ ১১-১২ শতাংশ হোৱা হেতুকে উৎপাদিকা শক্তি ক্ৰমান্বয়ে হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। অঞ্চলটোৰ কৃষি খণ্ডৰ আন এক অত্যন্ত চিন্তনীয় বিষয় হৈছে ৰাসায়নিক সাৰ আৰু ৰাসায়নিক দৰৱৰ যথে মধে প্ৰয়োগ। ই ভয়ঙ্কৰ ভাৱে অঞ্চলটোৰ মাটি, পানী আৰু বায়ুমণ্ডলৰ পৰিৱেশ প্ৰদুষিত কৰাত অৰিহণা যোগাইছে। এই ক্ষেত্ৰত মাটি, পানী পৰীক্ষাৰ যোগেদি সঠিক পদ্ধতিত সুষমভাবে সাৰ, দৰৱ প্ৰয়োগ কৰাৰ লগতে বিজ্ঞলোকৰ পৰামৰ্শ গ্ৰহন কৰাৰ প্ৰয়োজন আহি পৰিছে।

এই অঞ্চলৰ এক মূল সমস্যা হ'ল বানপানী। ধুবুৰী জিলাৰ প্ৰায় ৯৮,০০০ হেক্টৰ মাটি (মুঠ ভূমিৰ প্ৰায় ৩৬ শতাংশ) বানপানীৰ দ্বাৰা প্লাৱিত হয় আৰু প্ৰতি বছৰে ই ধন, জন আৰু শস্যৰ বিস্তৰ ক্ষতি কৰে। বিলাসীপাৰা মহকুমাত প্ৰতি বছৰে বানপানীৰ দ্বাৰা প্ৰধানকৈ আক্ৰান্ত হোৱা শস্যবিধ হ'ল ধান। জেঠ মাহৰ পৰা প্ৰায় ভাদ মাহৰ শেষলৈকে সময়ে সময়ে দেখাদিয়া বানপানীয়ে প্ৰতি বছৰে ধানৰ বিভিন্ন অৱস্থাত বিস্তৰ ক্ষতিসাধন কৰে। ফলত বানাক্ৰান্ত অঞ্চলৰ এক বৃহৎ অংশ বৰষা ঋতুৰ সময়ত পৰিত্যক্ত (Fallow) অৱস্থাত থকা দেখা যায়। অসম কৃষি বিশ্ববিদ্যালয়ে বানপানীৰ ডুব (Submergence)সহ্য কৰিব পৰা ধানৰ জাত উদ্ভাৱন কৰি উলিয়াইছে আৰু এইবোৰৰ ব্যৱহাৰ বানাক্ৰান্ত অঞ্চলত প্ৰয়োজনীয় হৈ পৰিছে। তদুপৰি বানাক্ৰান্ত অঞ্চলৰ লগত খাপ খোৱাকৈ উপযুক্ত শস্যক্ৰম নিৰ্বাচন কৰি কৃষি কাৰ্য্যত বিনিয়োগ কৰাৰ দৰকাৰ আছে।

এনেধৰনৰ প্ৰতিকূল পৰিৱেশৰ লগত খাপখোৱাকৈ কৃষকৰ বাবে উপযুক্ত শস্য, জাত, শস্যক্ৰম আৰু কৃষি পদ্ধতি নিৰ্বাচন কৰা আৰু সেইমতে আঁচনি প্ৰস্তুত কৰা, কৃষকক প্ৰশিক্ষন দিয়া, কৃষকৰ পথাৰত পৰীক্ষামূলক আৰু প্ৰৰ্দশনীমূলক খেতি কৰা আদি বিভিন্ন উদ্দেশ্য আগত ৰাখি ভাৰতবৰ্ষৰ প্ৰায় প্ৰতিখন জিলাত এখনকৈ কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা হৈছে।

কৃষি বিজ্ঞান কেন্দ্ৰ সমূহ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ দ্বাৰা পৰিচালিত এটি অনুষ্ঠান যি কৃষকৰ পথাৰত বিজ্ঞান আৰু প্ৰযুক্তি প্ৰয়োগৰ লগত জৰিত হৈ আছে। মোহন সিং মেহেতা কমিটিৰ অনুমোদন ক্ৰমে ১৯৭৪ চনত পডুচেৰিত ভাৰতৰ প্ৰথমটো কৃষি বিজ্ঞান কেন্দ্ৰ স্থাপন কৰা হয়।বৰ্তমান ভাৰতবৰ্ষত প্ৰায় ৬৬৪টা কৃষি বিজ্ঞান কেন্দ্ৰ কৃষকৰ পথাৰত কাম কৰি আছে।

কৃষি বিজ্ঞান কেন্দ্ৰ সমূহে কৃষকৰ পথাৰত কৰিবলগীয়া বিভিন্ন কামৰ ভিতৰত-

১· উপযুক্ত স্থান, প্ৰযুক্তি, আৰু জাত অনুসৰি কৃষকৰ পথাৰত গৱেষণা কৰা,

২· উন্নত আৰু বৈজ্ঞানিক কৃষি পদ্ধতি কৃষক সকলৰ মাজত সম্প্ৰসাৰন কৰাৰ উদ্দেশ্যে কৃষকৰ পথাৰত প্ৰৰ্দশনীমূলক খেতি কৰা,

৩· কৃষিকাৰ্য্যত কৃষক সকলৰ জ্ঞান, কৰ্মনিপুনতা বৃদ্ধি কৰাৰ বাবে প্ৰশিক্ষনৰ ব্যৱস্থা কৰা,

৪· উৎপাদনৰ নতুন প্ৰযুক্তিৰ বিষয়ে কৃষি সম্প্ৰসাৰন কৰ্মী সকলৰ বাবে প্ৰশিক্ষনৰ ব্যৱস্থা কৰা যাতে তেখেতসকলে কৃষকসকলৰ মাজত নতুন, উন্নত আৰু বৈজ্ঞানিক কৃষি পদ্ধতি সমূহ সম্প্ৰসাৰন কৰিব পাৰে,

৫· জিলাৰ কৃষি অৰ্থনীতি উন্নয়নৰ হেতু জনসাধাৰন, ব্যক্তিগত প্ৰতিষ্ঠান আৰু সেচ্ছাসেবী সংগঠন সমূহৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰ সমূহ কৃষি প্ৰযুক্তিৰ জ্ঞান আৰু সম্পদৰ ভঁৰাল হিচাপে কাম কৰা,

৬· কৃষকৰ মাজত উন্নত প্ৰযুক্তিৰ সজাগতা আনাৰ বাবে বিভিন্ন সম্প্ৰসাৰন কাৰ্য্যক্ৰম যেনে কৃষকৰ পথাৰত বীজ আৰু ৰোপন সামগ্ৰী উৎপাদন, শিক্ষামূলক ভ্ৰমণ আদিৰ ব্যৱস্থা কৰা ইত্যাদি

কৃষক ৰাইজৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে ইং ২০০৬চনত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অনুমোদনক্ৰমে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰী, বিলাসীপাৰা মহকুমাৰ অৰ্ন্তগত সাতবেৰত অস্থায়ীৰূপে স্থাপন কৰা হয়। আৰম্ভণিৰ পৰাই কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰীয়ে কৃষক ৰাইজৰ উন্নতিৰ কাৰনে বিভিন্ন ধৰনৰ প্ৰশিক্ষন, প্ৰৰ্দশনীমূলক খেতি, পৰীক্ষামূলক খেতি, শিক্ষামূলক ভ্ৰমন, সজাগতা শিবিৰ, কৃষক-বিজ্ঞানীৰ মুখামুখি অনুষ্ঠান আদি কৰি আহিছে।

কৃষি, পশুপালন,মীন বিজ্ঞান, গাৰ্হস্থ বিজ্ঞান, সম্প্ৰসাৰন শিক্ষা আদি কৃষিৰ সকলো বিভাগকে সামৰি কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰীয়ে কৃষক ৰাইজৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে সৰ্বতোপ্ৰকৰে চেষ্টা চলাই আছে। মীনপালন, পশুপালন, কাঠফুলা খেতি আদিৰ জৰিয়তে মহিলা সবলীকৰনৰ আৰু শিক্ষিত নিবনুৱাসকলৰ বাবে আত্মসংস্থাপনৰ চেষ্টা চলাই আহিছে।

বতৰ আৰু জলবায়ু পৰিবৰ্তন আজি গোটেই পৃথিৱীজুৰি এটি ডাঙৰ সমস্যা। খৰাং বতৰ, বানপানী আদি আমাৰ কৃষি ব্যৱস্থাত যথেষ্ট নেতিবাচক প্ৰভাৱ পেলাইছে আৰু ই কৃষক তথা ৰাষ্ট্ৰীয় অৰ্থনীতিক দুৰ্বল কৰিছে। সেয়ে বতৰ আৰু জলবায়ু পৰিবৰ্তনৰ লগত খাপখুৱাই কৃষি পদ্ধতিৰ ওপৰত কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰীয়ে বিভিন্ন ধৰনৰ গৱেষণা চলাই আছে। এইটো ক্ষেত্ৰত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সহযোগিতাত যোৱা তিনি বছৰৰ পৰা বিলাসীপাৰা মহকুমাৰ উদমাৰী গাৱঁত জলবায়ু সাপেক্ষ কৃষি ব্যৱস্থাপনা পদ্ধতি (NICRA) ৰ প্ৰৰ্দশনী চলি আছে। বানপানী আৰু খৰাং বতৰত কৰিব পৰা বিভিন্ন ধৰনৰ শস্য, পশুপালন আৰু মীনপালন ব্যৱস্থাপনা, বিভিন্ন কাৰ্য্যত ব্যৱহৃত পুখুৰী, বৰষুণৰ পানী ধৰি ৰাখা পুখুৰী আদি নিৰ্মান কৰা হৈছে।

বানপানী আৰু খৰাংসদৃশ পৰিস্থিতিৰ লগত সংগতি ৰাখি কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰী উদমাৰী গাৱঁত বিভিন্ন ধৰণৰ ধানৰ জাতৰ প্ৰৰ্দশনীমূলক খেতি কৰি আছে। খৰাংসদৃশ পৰিস্থিতি অথবা বানপানীৰ বাবে মূল পথাৰত সঠিক সময়ত কঠীয়া ৰোৱাত অসুবিধা হোৱা অঞ্চলৰ বাবে উপযোগী জাতসমূহ হ'ল- "গীতেশ"। এইবিধ জাতৰ কঠীয়া জেঠ, আহাৰ মাহত সিঁচি



প্ৰয়োজন সাপেক্ষে ৩০ ৰ পৰা ৬০ দিনীয়া কঠীয়া আহাৰ/ শাওন/ ভাদ মাহৰ ভিতৰত ৰুই বিঘাই প্ৰতি ১৮- ২০ মোন উৎপাদন পোৱা গৈছে। সচৰাচৰ বানপানী হোৱা অথবা হঠাতে বানপানী হোৱা অঞ্চল অথবা পানীৰ অভাৱত শেহতীয়াকৈ কৰিবলগা অঞ্চলৰ বাবে এটি উপযোগী জাত হ'ল – লুইত। এই জাতৰ ধানৰ কৃষিকাল ১০০-১০৫ দিন আৰু উৎপাদিকা শক্তি বিঘাই প্ৰতি ১২-১৫ মোন। বানাক্ৰান্ত অঞ্চলৰ বাবে উপযোগী আৰু প্ৰায় ১২ৰ পৰা ১৫ দিন পৰ্যন্ত পানীৰ তলত ডুব সহ্য কৰিব পৰা উন্নত জাতসমূহ হ'ল- 'জলশ্ৰী, 'জলকুঁৱৰী' আৰু 'স্বৰ্ণ-ছাব-১'। এই জাতসমূহৰ বীজ জেঠ/আহাৰ মাহৰ ভিতৰত সিঁচি কঠীয়া আহাৰ/ শাওন মাহৰ ভিতৰত ৰুব লাগে। কৃষিকাল ১৪০-১৫৫ দিন আৰু গড় উৎপাদন বিঘাই প্ৰতি ১৮- ২০ মোন। একেদৰে উন্নত জাতৰ সৰিয়হ যেনে টি-এছ-৩৬, মৰাপাট (তৰুন), মাটিমাহ, ভোলাকচু, ঘেঁহু আদিৰ বৈজ্ঞানিক পদ্ধতিত খেতি বহল ভাবে প্ৰৰ্দশিত কৰা হৈছে। কৃষক ৰাইজৰ মাজত জৈৱ খেতি জনপ্ৰিয় কৰি তোলাৰ উদ্দেশ্যে কেঁচুসাৰ তৈয়াৰিৰ পদ্ধতি কৃষকৰ পথাৰত প্ৰৰ্দশিত কৰা হৈছে।

প্ৰতিকুল পৰিস্থিতিৰ লগত খাপখুৱাই পশুপালনৰ ক্ষেত্ৰতো কৃষি বিজ্ঞান কেন্দ্ৰ ধুবুৰীয়ে বিভিন্ন কাৰ্য্যব্যৱস্থা গ্ৰহন কৰি আহিছে। বানপানী হৈ থকা সময়ত পশুধনবোৰক বিপদমুক্তকৈ ওখ ঠাইত ৰখাৰ ব্যৱস্থা কৰাৰ কাৰণে জনসাধাৰণৰ মাজত আগতীয়াকৈ সজাগতা শিবিৰ আয়োজন কৰা হৈছে। বানপানীৰ সময়ত আৰু পাছত পশুধনৰ হ'ব পৰা ৰোগসমূহৰ বিৰুদ্ধে আগতীয়াকৈ চিতাকৰন কৰা আৰু পেলুৰ ঔষধ খুওৱাৰ ব্যৱস্থা কৰা হৈছে। কুকুৰা, হাঁহ আৰু ছাগলীৰ অধিক উৎপাদন পোৱাৰ বাবে ক্ৰমে 'বনৰজা', 'খাকি-কেম্বল', 'বিটল' আদি জাতৰ সংযোজন কৰা হৈছে যি আমাৰ কৃষক সকলক যথেষ্ট লাভান্বিত কৰিছে। পশুধনৰ পুষ্টিকৰ আহাৰৰ বাবে উন্নত জাতৰ ঘাঁহ যেনে 'নেপিয়াৰ'ৰ খেতিৰ বাবে প্ৰয়োজনীয় উদ্যোগ লোৱা হৈছে।

মীনপালনৰ ক্ষেত্ৰতো উদমাবী গাৰঁত যথেষ্ট পদক্ষেপ




লোৱা হৈছে। বানপানীৰ সময়ত যাতে পুখুৰীৰ পৰা মাছ ওলাই যাব নোৱাৰে তাৰ বাবে পুখুৰীৰ চাৰিওফালে মজবুতকৈ বাঁহৰ খুঁটা পুতি নাইলন নেটেৰে ঘেৰি দিয়া হৈছে। বান পানী হৈ যোৱাৰ পাচত পুখুৰীৰ পানীৰ গুনাগুণ ভাল ৰাখাৰ কাৰনে চূণ আৰু পটেছিয়াম পাৰমাংগানেট প্ৰয়োগ কৰা হয়। বানপানীৰ পিছত পুখুৰীত পুনৰ মাছ মেলাৰ বাবে গাৰঁত মাজতেই "মীন বীজ বেঙ্ক"(Fish Seed Bank) কাৰ্য্যসূচী গ্ৰহন কৰা হৈছে। দ' মাটিত অধিক উৎপাদনৰ বাবে সমন্বিত ধান-মাছ পালনৰ বৈজ্ঞনিক পদ্ধতি প্ৰদৰ্শিত কৰি থকা হৈছে।

বানপানী প্লাৱিত অঞ্চলত বৃহৎ নলা সাজি উলিওৱা হৈছে যি গোটেই প্ৰকল্প চলি থকা গাওঁখনক বানপানীৰ কুপ্ৰভাৱৰ পৰা মুক্ত ৰাখিব পাৰিছে। প্ৰতকুল বতৰত কৰিব পৰা উন্নত প্ৰজাতিৰ বিভিন্ন শস্যৰ গুটি সংৰক্ষনৰ ব্যৱস্থা কৰা হৈছে। কৃষিত অসমৰ প্ৰধান শস্য হ'ল ধান আৰু ধান উৎপাদনত স্বাৱলম্বীতাৰ দিশত কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰীৰ আন এক পদক্ষেপ হ'ল কৃষকৰ পথাৰত বীজ উৎপাদন আৰু কৃষি প্ৰযুক্তিৰ প্ৰদৰ্শন। যোৱা চাৰি বছৰৰ পৰা প্ৰায় ৫০০হেঃ মাটিত বিভিন্ন উন্নত প্ৰজাতিৰ ধান, সৰিয়হ আদিৰ বীজ উৎপাদন আৰু কৃষি প্ৰযুক্তি প্ৰদৰ্শিত কৰি থকা হৈছে।

ইয়াৰ ওপৰিও বাহিৰা ৰাজ্য তথা বিদেশৰ কৃষি প্ৰযুক্তিৰ জ্ঞান আহৰনৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰই আমাৰ স্থানীয় কৃষক সকলক সময়ে সময়ে বাহিৰা ৰাজ্য আৰু বিদেশতো শিক্ষামূলক ভ্ৰমনৰ ব্যৱস্থা কৰি আহিছে।

আমাৰ সমাজৰ নতুন প্ৰজন্ম আৰু কৃষকৰ মাজত আধুনিক কৃষি ব্যৱস্থাক জনপ্ৰিয় কৰি তোলাৰ প্ৰয়াসেৰে কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰীয়ে সময়ে সময়ে বিভিন্ন প্ৰৰ্দশনী, আলোচনা চক্ৰ, পৰিবেশ দিৱস আদি অনুষ্ঠান আয়োজন কৰি অহিছে। Internate, AIP Mobile Solution, বেতাঁৰ অনুষ্ঠান আদি আধুনিক গনমাধ্যমৰ জৰিয়তে কৃষি বিজ্ঞান কেন্দ্ৰ, ধুবুৰীয়ে অতি কম সময়ত অধিক কৃষকৰ ওচৰত নতুন নতুন কৃষি প্ৰযুক্তি সম্প্ৰসাৰন কৰি ৰামধেনু বিপ্লৱ (Rainbow Revolution) অনাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

*(লেখকদ্বয় - ধুবুৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি বৈজ্ঞানিক)*

◆◆

*With best compliments from*

CHOIBARI

# CHOIBARI TEA ESTATE

P.O.Choibari, Via Choraikhola,
Dist. Dhubri (Assam)
Rly. & T.O. Kokrajhar, Pin Code 783376
E-mail : choibari.testate@gmail.com

**Telephone Nos. 03664-291605/291606**



# বিগত পঁচিশ বছৰত বিলাসীপাৰাৰ শৈক্ষিক বিকাশ

হিৰণ্য কুমাৰ নাথ

বৰ্ত্তমানকালৰ দৰে শৃঙ্খলাবদ্ধ আৰু আনুষ্ঠানিক শিক্ষা ব্যৱস্থা বিলাসীপাৰা অথবা পুৰণি গোৱালপাৰা জিলাত গঢ় লৈ উঠা নাছিল। সেই সময়ত ব্ৰাহ্মণ পণ্ডিতসকলৰ প্ৰচেষ্টা আৰু উদ্যোগত সংস্কৃত ভাষা শিক্ষাদানৰ বাবে টোল, চতুষ্পাঠী বা পাঠশালা আদি গঢ় লৈ উঠিছিল। এই শিক্ষানুষ্ঠানবোৰৰ পণ্ডিতৰ গৃহত অথবা মঠ-মন্দিৰ আদিক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল। গৌৰীপুৰৰ (ৰাঙামাটি) জমিদাৰ প্ৰতাপচন্দ্ৰ বৰুৱাৰ প্ৰচেষ্টাত তেখেতৰ মাতৃৰ স্মৃতিত আৰ্য শিক্ষাৰ মূল বাহক সংস্কৃত ভাষা চৰ্চাৰ শিক্ষানুষ্ঠান 'তাৰিণীপ্ৰিয়া চতুষ্পাঠী' টোল প্ৰতিষ্ঠা হৈছিল ১৮৩৪ চনত। এইখনেই আছিল পুৰণি গোৱালপাৰাৰ প্ৰথম শিক্ষানুষ্ঠান। অসমৰ বিভিন্ন স্থানৰ শিক্ষাৰ্থীৰ লগতে সীমামুৰীয়া বঙ্গদেশৰ কোচবিহাৰ, ৰংপুৰ, চিলেট, জলপাইগুৰি আদিৰ পৰাও আগ্ৰহী ছাত্ৰ আহি ইয়াত শিক্ষা লৈছিল। বহুতো গুণী-জ্ঞানী অধ্যাপক আৰু পণ্ডিতৰ মিলনক্ষেত্ৰ হৈ পৰিছিল এই শিক্ষানুষ্ঠানখন। বিদ্যোৎসাহী জমিদাৰসকলে অধ্যাপক-ছাত্ৰৰ থকা-খোৱাৰ সু-ব্যৱস্থা কৰি দিছিল। আৰম্ভণিৰ পৰাই এই সংস্কৃত টোলখন শিক্ষাৰ অন্যতম পীঠস্থান হৈ পৰিছিল।

পৰৱৰ্ত্তী সময়ত পণ্ডিত তাৰানাথ গোস্বামীৰ প্ৰচেষ্টাত গৌৰীপুৰত 'নৰেশ্বৰ টোল', অভয়াপুৰীৰ ৰাণী অভয়েশ্বৰীৰ প্ৰচেষ্টাত ১৯০৭চনত 'অভয়েশ্বৰী টোল', হাকামাৰ দুৰ্গাকিংকৰ শাস্ত্ৰীদেৱৰ পৃষ্ঠপোষকতাত 'হাকামা পৰমেশ্বৰী টোল' স্থাপনৰ মাজেৰে শিক্ষাৰ জ্যোতি বিতৰণ কৰা হৈছিল।

বিলাসীপাৰাত আধুনিক শিক্ষানুষ্ঠানৰূপে ১৮৯১ চনত হাকামা বালক বিদ্যালয় স্থাপিত হৈছিল। এই বিদ্যালয়ৰ সমীপতে এখন বালিকা বিদ্যালয়ো স্থাপিত হৈছিল। ১৯৫২চনত দুয়োখন বিদ্যালয় একত্ৰিত কৰি 'হাকামা মডেল স্কুল' আৰু পৰৱৰ্ত্তী সময়ত ১৯৫৭ চনত 'হাকামা জুনিয়ৰ বেচিক স্কুল' ৰূপে পৰিচিত হয়।

চাপৰ এষ্টেটৰ জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে তেখেতৰ পূৰ্বজসকলে স্থাপন কৰি থৈ যোৱা মজলীয়া বিদ্যালয়খনকে ১৯২৮ চনত হাইস্কুললৈ উন্নীত কৰিছিল। তেখেতৰ পিতৃদেৱৰ নামত 'ইন্দ্ৰ নাৰায়ণ একাডেমী হাইস্কুল' নামাকৰণ কৰি ১১ মাৰ্চৰ দিনা বিদ্যালয়ৰ শুভ-উদ্বোধন কৰা হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল ক্ষিতিশ চন্দ্ৰ বসু। বাংলা ভাষাত শিক্ষাদান কৰা এই বিদ্যালয়ত আৰম্ভণিতে ছাত্ৰকহে ভৰ্ত্তি কৰা হৈছিল। ১৯৪৩ চনৰ পৰা ছোৱালীৰ ভৰ্ত্তিকৰণ আৰম্ভ হৈছিল।

বিলাসীপাৰা অঞ্চলত শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত এইখন বিদ্যালয়ে যি অৱদান আগবঢ়াইছিল আজিও তাৰ জ্যোতি ম্লান পৰা নাই। এইখিনিতে উল্লেখযোগ্য যে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, জননেতা প্ৰয়াত শৰৎচন্দ্ৰ সিংহ এইখন বিদ্যালয়ৰে ছাত্ৰ আছিল।

১৯৩৯ চনৰ ২৭ ডিচেম্বৰ তাৰিখে হাকামা খেলপথাৰত (বৰ্ত্তমান পশু চিকিৎসালয় চৌহদ) প্ৰয়াত ৰমনীকান্ত গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত গৃহীত এক প্ৰস্তাৱ যোগে ২২ জনীয়া সদস্যৰে 'নতুন অসমীয়া হাইস্কুল স্থাপন কমিটি' গঠন কৰা হৈছিল। সৰ্ব্বজন শ্ৰদ্ধেয় ৰমনীকান্ত গোস্বামীক সভাপতি, কালীচৰণ শৰ্মাক উপসভাপতি, নৃপেন্দ্ৰনাথ চক্ৰৱৰ্ত্তীক সম্পাদকৰূপে গঠন কৰা এই সভাই বিদ্যালয় স্থাপনৰ তৎপৰতা আৰম্ভ কৰিছিল। সমিতিৰ ফালৰ পৰা মাটিৰ বাবে বিজনী ৰজাৰ ওচৰত আৱেদন জনোৱাত ৰজাৰ মেনেজাৰ প্ৰয়াত লক্ষেশ্বৰ শৰ্মাই ৰোকাখাতা দিহিৰ অন্তৰ্গত প্ৰায় ১৮ বিঘা মাটি প্ৰস্তাৱিত স্কুলৰ নামত আৱণ্টন দি নিজে হাতীৰ পিঠিত উঠি আহি সমিতিক মাটিখিনি হস্তান্তৰ কৰিছিল। মাটিৰ সমস্যা সমাধান হোৱাত কমিটিৰ সদস্যসকলে খেৰ, বাঁহ, খুটা, অৰ্থ সংগ্ৰহ অভিযান আৰম্ভ কৰি ৰাইজৰ পৰা আন্তৰিকতা পূৰ্ণ, সহায় তথা সহযোগ লাভ কৰিছিল। ১৯৪০ চনৰ ২৭ ফেব্ৰুৱাৰীৰ সভাত বিদ্যালয়ত শিক্ষাদানৰ বাবে নৃপেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী, ইন্দ্ৰমোহন দাস, ৰমেশচন্দ্ৰ চক্ৰৱৰ্ত্তী , শৈলেন্দ্ৰ চক্ৰৱৰ্ত্তী, দুৰ্গাপ্ৰসাদ চক্ৰৱৰ্ত্তীক

নিযুক্তি দিছিল। কাৰ্যালয় সহায়কৰূপে ফণীন্দ্ৰ কুমাৰ চক্ৰৱৰ্ত্তীক নিয়োগ কৰা হৈছিল। যুদ্ধ সদৃশ তৎপৰতাৰে নিৰ্মাণ সম্পূৰ্ণ কৰা বিদ্যালয়খনৰ নামাকৰণ 'ৰোকাখাতা হাইস্কুল' কৰা হৈছিল। গোৱালপাৰা জিলাৰ তদানীন্তন উপায়ুক্ত হাদি ছুচেইন চাহাবে ১৯৪০ চনৰ এক মাৰ্চৰ দিনাখন দুৱাৰ মুকলি কৰি বিদ্যালয়ৰ শিক্ষাদান কাৰ্যৰ শুভাৰম্ভ কৰিছিল। সেইদিনাই শনিৰাম ব্ৰহ্মা নামৰ ছাত্ৰ এগৰাকীয়ে নাম ভৰ্ত্তি কৰি বিদ্যালয়ৰ প্ৰথম ছাত্ৰৰূপে গৌৰৱৰ অধিকাৰী হৈছিল।

১৯৫৯ চনত দুই বন্ধু প্ৰয়াত হীৰেণ শৰ্মা আৰু প্ৰয়াত ধীৰেন্দ্ৰনাথ ঘোষে 'বান্ধৱ প্ৰেছ' নাম দি বিলাসীপাৰাৰ প্ৰথম প্ৰেছটো স্থাপন কৰিছিল। এই আড্ডাতে চহৰত এখন অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপনৰ আলোচনা হৈছিল। চহৰৰ সমীপৱৰ্ত্তী গাওঁত প্ৰতিষ্ঠিত ৰোকাখাতা হাইস্কুলত অভাৱনীয়ভৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাত সকলোৰে নামভৰ্ত্তি কৰিব পৰা নাছিল। এই লক্ষ্যত ১৯৬০ চনৰ ২৭ নৱেম্বৰৰ দিনা বিলাসীপাৰা প্ৰাথমিক বালিকা বিদ্যালয় প্ৰাঙ্গণত বিলাসীপাৰা কলেজৰ তদানীন্তন অধ্যক্ষ প্ৰয়াত প্ৰফুল্ল প্ৰাণ চাংকাকতি দেৱৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হৈছিল। এই সভাতে পৰৱৰ্ত্তী শিক্ষাবৰ্ষৰ পৰাই এম. ই স্কুল স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰি ৰহিম উদ্ দীন আহমেদদেৱক সভাপতি আৰু প্ৰয়াত উপেন্দ্ৰ বিজয় দাসদেৱক সম্পাদকৰূপে লৈ এখন পৰিচালনা সমিতি গঠন কৰা হৈছিল। প্ৰাথমিক বালিকা বিদ্যালয়ত ছাত্ৰীৰ সংখ্যা কম থকা হেতু ইয়াৰে দুটা কোঠা বিভাগীয় অনুমতি লৈ এম. ই স্কুলৰ পাঠদানৰ বাবে প্ৰস্তুত কৰা হৈছিল। এই সমিতিৰ প্ৰচেষ্টাত ১৯৬১ চনৰ এক জানুৱাৰীৰ দিনা স্কুল উপ পৰিদৰ্শক চেকেণ্ডাৰ শ্বাহদেৱে বিলাসীপাৰা এম. ই স্কুলখন উদ্বোধন কৰিছিল। শ্ৰীযুত প্ৰভাত চন্দ্ৰ ৰায়ক এই এম.ই.স্কুলখনৰ প্ৰধান শিক্ষকৰ দায়িত্ব দিয়া হয়।

অভিভাৱক আৰু শিক্ষাপ্ৰেমী ৰাইজে বিদ্যালয়খন হাইস্কুল পৰ্যায়লৈ উন্নীত কৰাৰ পৰামৰ্শ আগবঢ়োৱাত আৰু বিভিন্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী নামভৰ্ত্তিৰ বাবে আগ্ৰহী হোৱাত বিদ্যালয় সমিতিয়ে ইয়াক গুৰুত্ব সহকাৰে লৈছিল। সমিতিয়ে চতুৰ্থ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ শিক্ষাদানৰ সিদ্ধান্ত গ্ৰহণ কৰি বিদ্যালয়খনৰ নতুন নামাকৰণ কৰি 'বিলাসীপাৰা পাব্লিক হাইস্কুল' কৰা হয়। চৰকাৰী অনুদানৰ আশাৰে এম.ই. আৰু হাইস্কুলৰ পৃথক অস্তিত্ব বাহাল ৰখা হয়। হাইস্কুলখনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰে ৰহিম উদ্ দীন আহমেদদেৱে।

প্ৰয়াত ধীৰেন্দ্ৰনাথ ঘোষ প্ৰধান শিক্ষক হৈ থকা সময়ত ১৯৮৪ চনত এই বিদ্যালয়খনক চৰকাৰে কলাশাখাৰ উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰিছিল। ১৯৭০ চনৰ পৰা এইখন বিদ্যালয়ত অসম মাধ্যমিক শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু ১৯৮৯ চনৰ পৰা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ কেন্দ্ৰ অনুমোদিত কৰিছিল। আৰম্ভনিৰ পৰাই বিদ্যালয়খনে পৰীক্ষাৰ ফলাফল আৰু অন্যান্য দিশত চমকপ্ৰদ সাফল্য দেখুৱাই আহিছে।

মহিলাক শিক্ষা-দীক্ষাৰ লগতে অন্যান্য উপাৰ্জ্জনমুখী কাম-কাজত জৰিত কৰি আত্মনিৰ্ভৰশীল হোৱাত সহায়ক হোৱাকৈ হাকামাৰ তৰুবালা দেৱীয়ে যথেষ্ট গঠনমূলক কাম-কাজত আত্মনিয়োগ কৰিছিল। এখন ছোৱালী শিক্ষা প্ৰতিষ্ঠান গঢ়ি তোলাৰ বাবে তৰুবালা দেৱীয়ে অঞ্চলটোৰ কিছু সংখ্যক লোকক পৰামৰ্শ আগবঢ়াইছিল। প্ৰয়াত হীৰেণ শৰ্মা, প্ৰয়াত অনিমেষ বৰ্মনে এই পৰামৰ্শক্ৰমে ছোৱালী হাইস্কুল স্থাপনৰ বাবে উদ্যোগ লৈছিল। এই ক্ষেত্ৰত তেওঁলোকক বিলাসীপাৰা পাব্লিক হাইস্কুলৰ প্ৰধান শিক্ষক ৰহিম উদ্ দীন আহমেদ, ডাঃ অমৰেন্দ্ৰ কুমাৰ দাস, শিবেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী, বিনয়ভূষণ চক্ৰৱৰ্ত্তী, শব্দে আলী, শ্ৰীমন্ত আলী প্ৰমূখ্যে অনেকে সহযোগ আগবঢ়াইছিল। ৰাইজৰ দান-বৰঙণি আৰু অন্যান্য উৎসৰ পৰা অৰ্থ সংগ্ৰহ কৰি গৃহ নিৰ্মাণ হোৱাত ১৯৬৬ চনত বিলাসীপাৰা ছোৱালী এম. ই. স্কুল আৰু বিলাসীপাৰা ছোৱালী হাইস্কুল একেটা চৌহদতে শিক্ষাদান আৰম্ভ কৰা হৈছিল। বিভাগীয় স্বীকৃতি, অনুদান আৰু প্ৰাদেশীকৰণৰ লক্ষ্যত দুয়োখন বিদ্যালয় সুকীয়া সুকীয়াকৈ ৰখা হৈছিল। কিন্তু দুয়োখনৰে প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল প্ৰয়াত অনিমেষ বৰ্মণ। বিভাগীয় কৰ্ত্তৃপক্ষই ১৯৬৯ চনত এই বিদ্যালয় দুখনক স্বীকৃতি দিয়ে আৰু এম. ই. স্কুলখন ১৯৭৭ চনত প্ৰাদেশীকৰণ কৰে। এইখন বিদ্যালয় প্ৰাদেশীকৰণ হোৱাত হাইস্কুলখনৰ প্ৰধান শিক্ষকৰ দায়িত্ব মুকুল দেৱী চক্ৰৱৰ্ত্তীক অৰ্পন কৰা হয়। তেখেতৰ কাৰ্যকালতে হাইস্কুলখন ১৯৯৫ চনৰ আগষ্ট মাহত প্ৰাদেশীকৰণ কৰে চৰকাৰে।

একেদৰে বিলাসীপাৰা চহৰতো ছোৱালী হাইস্কুল স্থাপনৰ চিন্তা চৰ্চা আৰম্ভ হৈছিল। হৰিদাস ভৌমিকৰ আহ্বানত এখন ৰাজহুৱা সভা ১৯৬৮ চনৰ ১৮ ডিচেম্বৰৰ দিনাখন এই সম্পৰ্কে আলোচনাৰ্থে মহামায়াবাৰীত আহ্বান কৰা হৈছিল। সভাত আলোচনাক্ৰমে 'বিলাসীপাৰা টাউন গাৰ্লছ হাইস্কুল' স্থাপনৰ সিদ্ধান্ত লোৱা হয়। বিলাসীপাৰা কলেজৰ ওচৰত চৰকাৰী মাটিৰ সন্ধান উলিয়াই বিভাগীয় অনুমোদনৰ অন্তত ১৯৬৯ চনৰ জানুৱাৰী মাহৰ শুভ দিনত বিদ্যালয় গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। আধাৰশিলা স্থাপন কৰে তেতিয়াৰ ৰাজ্যিক শিক্ষামন্ত্ৰী চৈয়দ আহমেদ আলী (টুকুমিঞা) মহোদয়ে। বিদ্যালয়খন ১৯৮৮ চনত প্ৰাদেশীকৰণ হয়। বৰ্ত্তমান চহৰৰ এখন উল্লেখযোগ্য বিদ্যালয়ৰূপে স্বীকৃতি পাইছে বিলাসীপাৰা টাউন গাৰ্লছে।

বিলাসীপাৰা চহৰ তথা চহৰ সংলগ্ন ইছলামধৰ্মী লোকসকলে ইছলামী শিক্ষা প্ৰদানৰ লক্ষ্যৰে এক নং ৱাৰ্ডৰ আনন্দনগৰ বেপাৰীপাৰা গাঁৱত ১৯৭৮ চনত বিলাসীপাৰা চিনিয়ৰ মাদ্ৰাছা স্থাপন কৰিছিল। বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সভাপতি আছিল হাজী আব্দুল আলিম আৰু সম্পাদক তথা অধীক্ষক আছিল মন্তাজ উদ্দিন আহমেদ। বিদ্যালয়খনে প্ৰতিষ্ঠা বৰ্ষতে বিভাগীয় স্বীকৃতি আৰু ১৯৮৮ চনত ঘাটি মঞ্জুৰী আৰু ১৯৭৭ চনত প্ৰাদেশীকৰণ হয়। এইখনো চহৰৰ এখন উল্লেখযোগ্য শিক্ষা প্ৰতিষ্ঠানৰূপে পৰিগণিত হৈছে।

বিলাসীপাৰা চহৰ আৰু পাৰ্শ্ববৰ্ত্তী গাওঁসমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি চহৰত আন এখন হাইস্কুল স্থাপনৰ চিন্তা চৰ্চাৰ পাতনি মেলিছিল ১৯৮৫ চনত। ইয়াৰ ফলশ্ৰুতিত প্ৰয়াত দেৱকুমাৰ চক্ৰৱৰ্ত্তী আৰু প্ৰয়াত ৰমেশ চন্দ্ৰ ৰায়ক সভাপতি আৰু সম্পাদকৰূপে লৈ 'বিলাসীপাৰা উচ্চ-মাধ্যমিক বিদ্যালয়' স্থাপনৰ প্ৰয়োজনীয় প্ৰস্তুতি লৈছিল। বিভাগীয় নিৰ্দ্দেশনা অনুসৰি ১৯৮৯ চনত এম. ই. শাখাটো 'বিলাসীপাৰা মাধ্যমিক বিদ্যাপীঠ' নামেৰে হাইস্কুলৰ পৰা পৃথক কৰা হয়। এইখনে ২০০৫ চনত বিভাগীয় বিত্তীয় অনুদান আৰু ২০১৩ চনত প্ৰাদেশীকৃত হয়।

ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ সমস্যা দূৰীকৰণাৰ্থে হাকামা অঞ্চলত এখন হাইস্কুল স্থাপনৰ চিন্তা চৰ্চা আৰম্ভ হৈছিল ১৯৮৯চন মানৰ পৰাই। প্ৰয়াত নিশিনাথ চক্ৰৱৰ্ত্তীৰ পৰিয়ালৰ পৰা বিদ্যালয় স্থাপনৰ বাবে তিনি বিঘা মাটি দান কৰে আৰু এই মাটিতে ১৯৯০ চনত 'নিশিনাথ হাইস্কুল' স্থাপন কৰা হয়। বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল প্ৰয়াত ৰনেন্দ্ৰ কুমাৰ চক্ৰৱৰ্ত্তীদেৱ। বিদ্যালয়খনে বিভাগীয় স্বীকৃতি লাভ কৰি বৰ্ত্তমান প্ৰাদেশীকৰণৰ অপেক্ষাত।

বিলাসীপাৰা চহৰৰ পাঁচ নং ৱাৰ্ডত ১৯৯২ চনত ব্যক্তিগত মালিকাধীন 'কে. এম. লিটিল ফ্লাৱাৰ ইংলিচ মিডিয়াম হাইস্কুল' প্ৰতিষ্ঠা কৰা হৈছিল। ২০০৪ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিশাল চান্দ ভাণ্ডাৰীয়ে অসম মাধ্যমিক শিক্ষা পৰিষদৰ ফলাফলত একাদশ স্থান অধিকাৰ কৰি সমগ্ৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

ব্যক্তিগত খণ্ডত অসমীয়া মাধ্যমৰ হাইস্কুল এখন স্থাপনৰ প্ৰাৰম্ভিক আলোচনা আৰম্ভ হৈছিল ১৯৯২ চনৰ মাজভাগত। বিলাসীপাৰা উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা সঞ্জীৱ বৰুৱা, পুলক নাথ চক্ৰৱৰ্ত্তী, ফণীভূষণ কণ্ঠ আদি কৰি কেইগৰাকীমান জাতীয়তাবাদী চিন্তাধাৰাৰ শিক্ষাপ্ৰেমীয়ে এই উদ্যোগ লৈছিল। এই উদ্যোগৰ ফলশ্ৰুতিত ১৯৯২ চনৰ ২২ ডিচেম্বৰৰ দিনা অনুষ্ঠিত এখন সভাত বিলাসীপাৰা মহাবিদ্যালয়ৰ অধ্যাপক যতীন্দ্ৰ চন্দ্ৰ বৰুৱাক সভাপতি আৰু সঞ্জীৱ বৰুৱাক সম্পাদকৰ দায়িত্ব দি এখন সমিতি গঠন কৰা হৈছিল। শিক্ষা বিষয়া জ্যোৎস্না ৰায়, অসম প্ৰশাসনীয় সেৱাৰ বিষয়া ইন্দ্ৰাৱতী দাস, বিথিকা চক্ৰৱৰ্ত্তী, অনুৰাধা বৰুৱা আদি কৰি অনেক শিক্ষাপ্ৰেমীয়ে গঠনমূলক পৰামৰ্শৰে বিদ্যালয় স্থাপনৰ উদ্যোক্তাসকলক উৎসাহিত কৰিছিল। এইখন সভাতে 'কণমইনা শিক্ষা কেন্দ্ৰ' নামে বিদ্যালয়খনৰ নামকৰণ কৰি ইন্দ্ৰাৱতী দাসে বন্তিপ্ৰজ্জ্বলন কৰি শুভকামৰ আৰম্ভণি কৰিছিল। ২০০০ চনত কণমইনা শিক্ষাকেন্দ্ৰ অসম জাতীয় বিদ্যালয়ৰ অন্তৰ্ভূক্ত হোৱাত এইখন বিদ্যালয়ৰ নতুন নামকৰণ কৰা হয় 'ব্যোমকেশ স্মৃতি কণমইনা জাতীয় বিদ্যালয়' নামেৰে।

সৰ্ব্বভাৰতীয় বিদ্যাভাৰতীৰ অধীনস্থ শিশু শিক্ষা সমিতি, অসমৰ নীতি-নিৰ্দ্দেশনাৰ ভিত্তিত ১৯৯৫ চনত শংকৰদেৱ শিশু আৰু বিদ্যানিকেতন নামৰ বেচৰকাৰী পৰ্যায়ৰ শিক্ষানুষ্ঠানখন বিলাসীপাৰা চহৰত প্ৰতিষ্ঠিত হৈছিল। এই শিক্ষা প্ৰতিষ্ঠানখন স্থাপনৰ আগৰণুৱাৰূপে বিনয়কৃষ্ণ সাহা, পৰিতোষ ঘোষ, ৰাজনাৰায়ণ পাণ্ডে,

গোপাল সাহা, নিত্যানন্দ সাহা, কৃষ্ণ প্রসাদ ৰায়, শিৱাজী কৰ্মকাৰ আদি শিক্ষাপ্রেমী ব্যক্তিসকল জৰিত হৈছিল। অসম প্রশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত ত্ৰিদিৱেশ ভট্টাচাৰ্য আৰু গোপাল সাহা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদক আছিল। প্রতিষ্ঠা কালৰ প্ৰধান শিক্ষক আছিল কৃষ্ণ প্রসাদ ৰায় আৰু পৰৱৰ্ত্তী সময়ত শিৱাজী কৰ্মকাৰে এই দায়িত্ব গ্ৰহণ কৰি বিদ্যালয়ৰ উন্নয়নত ব্ৰতী হৈ আহিছে। অঙ্কুৰৰ পৰা দশম শ্ৰেণীলৈ শিক্ষাদান কৰা এইখন বিদ্যালয়ৰ আৰম্ভণিতে ভাড়াঘৰত শ্ৰেণীসমূহ কৰা হৈছিল। পৰৱৰ্ত্তী সময়ত বিলাসীপাৰা নামঘৰৰ সমীপত মাটি ক্ৰয় কৰি বিদ্যালয়ৰ গৃহ নিৰ্মাণ হোৱাত ইয়াত স্থায়ীভাৱে বিদ্যালয়খন চলি আছে। ২০০৬ চনত এইখন বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে প্ৰথম হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। প্ৰথমবাৰ পৰীক্ষাতে এশ শতাংশ উত্তীৰ্ণ হোৱাৰ লগতে অসম মাধ্যমিক শিক্ষা পৰিষদৰ ফলাফলত শ্ৰী দেৱজিৎ বসাকে একাদশ স্থান অধিকাৰ কৰি বিদ্যালয়ৰ লগতে সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছিল। যোৱা ২০১২ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাতো শ্ৰী কমলিনী কলিতাই সপ্তম স্থান অধিকাৰ কৰি গৌৰৱৰ ধাৰা অক্ষুন্ন ৰাখিছে। প্ৰতি বছৰে শ্ৰেষ্ঠ ফলাফল প্ৰদৰ্শনৰ লগতে অন্যান্য প্ৰতিযোগিতা বা অনুষ্ঠানত এই স্কুলৰ অংশগ্ৰহণ চমকপ্ৰদ আৰু সাফল্যৰ গতিধাৰা অব্যাহত আছে।

কেইগৰাকীমান শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মব্যস্ত হোৱাৰ লক্ষ্যৰে বিলাসীপাৰা চহৰৰ সমীপৰ বেলতলী চাৰিআলিত ২০০৫ চনৰ ১৮ ডিচেম্বৰৰ দিনাখন 'জ্ঞানালয় জাতীয় বিদ্যালয়' এখন প্রতিষ্ঠাৰ সিদ্ধান্ত লৈছিল। এই সিদ্ধান্ত মৰ্মে ঘৰভাড়া কৰি ২০০৬ চনৰ ১৮ জানুৱাৰীৰ দিনা ৫৪ গৰাকী ছাত্ৰ-ছাত্ৰীৰে বিদ্যালয়ৰ শ্ৰেণীৰ শুভাৰম্ভ কৰা হয়। শিলগাৰা হাইস্কুলৰ প্ৰধান শিক্ষক মাননীয় নূৰউদ্দিন আহমেদে এই শুভকাৰ্য সু-সম্পন্ন কৰে। প্ৰথম বৰ্ষতে অংকুৰ, প্ৰাক্ প্ৰাথমিক, প্ৰথম আৰু পঞ্চম শ্ৰেণী মুকলি কৰা হয়। আৰম্ভণিতে প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰে ফইজুল হকে। মাননীয় নূৰউদ্দিন আহমেদে অৱসৰ গ্ৰহণ কৰাত বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ দায়িত্ব তেখেতৰ ওপৰত অৰ্পিত হয়। এখেতে লব্ধ অভিজ্ঞতাৰে গঢ় দি সম্প্ৰতি এখন আদৰ্শ বিদ্যালয়ৰূপে 'জ্ঞানালয় জাতীয় বিদ্যালয়'ক উন্নীত কৰিছে। প্ৰথমবাৰৰ বাবে ২০১০ চনত ১৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এইখন বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ এশ শতাংশই উত্তীৰ্ণ হয়। পৰৱৰ্ত্তী বৰ্ষ সমূহতো এই ধাৰা অব্যাহত ৰাখিছে। বিদ্যালয়ৰ বাবে নিজস্ব ভূমি ক্ৰয় কৰিও আৰ্থিক কাৰণত ভাড়াঘৰৰ পৰা স্থানান্তৰ কৰিব পৰা হোৱা নাই।

অতি সম্প্ৰতি চহৰখনত ইডেন ভেলী, গ্ৰীণলেণ্ড, চানফ্লাৱাৰ আৰু ফিনিক্স একাডেমী নামৰ চাৰিখন ইংৰাজী মাধ্যমৰ বিদ্যালয় গঢ়ি উঠিছে।

হাইস্কুলীয়া শিক্ষাতে সীমাবদ্ধ থকা বৃহত্তৰ বিলাসীপাৰা অঞ্চলবাসী ৰাইজে উচ্চ-শিক্ষাৰ বাবে কলেজ এখনৰ প্ৰয়োজন দীৰ্ঘ বছৰৰ পৰাই অনুভৱ কৰি আহিছিল। বৃহত্তৰ গ্ৰাম্যাঞ্চলৰ আৰু চৰ অঞ্চলৰ আগ্ৰহী ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ আহিছিল। এই অভাৱ দূৰীকৰণৰ অৰ্থে ১৯৫৮ চনৰ প্ৰাৰম্ভণিতে চাপৰ জমিদাৰীৰ প্ৰাক্তন জমিদাৰ নৃপেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে মহাবিদ্যালয় এখন প্ৰতিষ্ঠাৰ বাবে ৰাইজে আগ্ৰহ প্ৰকাশ কৰাৰ তেখেতৰ ওঠৰকোঠীয়া ৰংমহল 'কীৰ্ত্তি মন্দিৰ' ৰাইজৰ হিতাৰ্থে দান কৰাৰ অভিপ্ৰায় ব্যক্ত কৰিছিল। ১৯৫৬ চনৰ ১৫ এপ্ৰিলত চৰকাৰে জমিদাৰী অধিগ্ৰহণ কৰাত আৰ্থিক দৈন্যতাৰ মাজেৰে জীৱনযাপন কৰা প্ৰয়াত চৌধুৰীৰ অপূৰ্ব কাৰুকাৰ্য্য খচিত কীৰ্ত্তি মন্দিৰ (১৩২৮ ভাস্কৰাব্দত নিৰ্মিত) আৰু তৎসলগ্ন প্ৰায় আঢ়ৈ বিঘা মাটি যাৰ সেই সময়ত আনুমানিক মূল্য বিশ লাখ টকাৰ অধিক আছিল, সেই সম্পত্তি দান কৰাৰ মানসিকতা বিদ্যোৎসাহী ব্যক্তিৰ মহান উদাৰতা আৰু বহল হৃদয়ৰ পৰিচায়ক আছিল। জমিদাৰ গৰাকীৰ আগ্ৰহক সন্মান জনাই স্থানীয় নেতৃস্থানীয় ৰাইজৰ সহযোগত ১৯৫৮ চনৰ ২৭ আগষ্টৰ ৰাজহুৱা সভাত গ্ৰহণ কৰা তিনি নং প্ৰস্তাৱ যোগে মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰস্তাৱিত কলেজৰ নাম 'নৃপেন্দ্ৰ নাৰায়ণ কলেজ' নামকৰণৰ সৰ্ব্বসন্মত সিদ্ধান্ত লোৱা হয়। এই সিদ্ধান্ত অনুসৰি ১৯৬০চনৰ ১০ আগষ্ট তাৰিখে উলহ-মালহৰ এক অনুষ্ঠানযোগে কীৰ্ত্তিমন্দিৰৰ সন্মুখৰ চালৰ ওপৰত কলেজৰ নামফলকখন স্থাপন কৰা হয়। কলেজৰ প্ৰথম অধ্যক্ষৰূপে প্ৰয়াত প্ৰফুল্ল প্ৰাণ চাংকাকতি দেৱে দায়িত্ব গ্ৰহণ কৰে আৰু ১৯৬০-৬১ শিক্ষাবৰ্ষৰ ইন্টাৰমিডিয়েট প্ৰথম বাৰ্ষিকৰ শ্ৰেণী ১৮ গৰাকী ছাত্ৰ-ছাত্ৰীকলৈ পাঠদান আৰম্ভ কৰা হয়। ১৯৬১ চনৰ ১৮ জানুৱাৰীত অসম চৰকাৰৰ তদানীন্তন



*With best compliments from*
*Prop. Manoj Paul*

*Tel : 03667217448 (O)*
*03667250040 (O)*
*07577009009 (O)*

# Maa Durga Enterprise

Maszid Road
P.O. Bilasipara, Dist. Dhubri (Assam)-783348
Email : mpaul600@gmail.com





AN EXCLUSIVE SHOWROOM OF
MOBILE HANDSETS
AND
COMPUTERS.



NOKIA Connecting People | Karbonn Mobiles | LAVA | micromax nothing like anything | HITECH MOBILES | SAMSUNG

অৰ্থমন্ত্ৰী মাননীয় ফকৰউদ্দিন আহমেদে কলেজখন আনুষ্ঠানিক উদ্বোধন কৰে। ১৯৬৬ চনৰ ৫ জানুৱাৰী তাৰিখে কলেজৰ নাম 'বিলাসীপাৰা কলেজ' কৰা হয়। নাম পৰিৱৰ্ত্তনৰ ফলশ্ৰুতিত ১৯৬৬ চনৰ জুলাই মাহৰ পৰা কলেজখনে চৰকাৰী মঞ্জুৰী পাবলৈ সক্ষম হয় আৰু ১৯৬৯ চনৰ ছেপ্তেম্বৰ মাহৰ পৰা চৰকাৰী ঘাটি মঞ্জুৰী লাভ কৰে। ১৯৯১-৯২ চনৰ পৰা কলেজখনত বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰা হয়।

বৃহত্তৰ বগৰীবাৰী-মহামায়া অঞ্চলৰ উচ্চশিক্ষা গ্ৰহণৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে বিলাসীপাৰা, গৌৰীপুৰ, ধুবুৰী বা আন ঠাইলৈ গৈ শিক্ষা ল'বলগীয়া হৈছিল। অঞ্চলবাসী ৰাইজ আৰু অভিভাৱকসকলে শিক্ষাৰ এই সমস্যা দুৰীকৰণাৰ্থে ২০০৯ চনত অনুষ্ঠিত ৰাজহুৱা সভাত এখন মহাবিদ্যালয় স্থাপনৰ সৰ্বসন্মত সিদ্ধান্ত লৈ 'মহামায়া ডিগ্ৰী কলেজ, বগৰীবাৰী' নামকৰণ কৰা হয়।

ছোৱালী শিক্ষাৰ্থী বৃদ্ধি পোৱা হেতুকে বিলাসীপাৰাত কন্যা মহাবিদ্যালয় এখন স্থাপনৰ বাবে অশোক কান্তি শৰ্মা, পিয়াৰ উদ্দিন আহমেদ, মনোৰঞ্জন সৰকাৰ প্ৰমুখ্যে কিছু সু-চিন্তক ব্যক্তিয়ে গুৰুত্ব দিছিল। বিলাসীপাৰাৰ নাগৰিক ব্যোমকেশ শৰ্মাই তেখেতৰ মৃত্যুৰ আগমুহূৰ্তত হাকামা চতুৰ্থ খণ্ডৰ গাষ্টীপাৰা অঞ্চলৰ ২৪ বিঘা মাটিত তেওঁৰ স্মৃতি ৰক্ষাৰ্থে কোনো সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি তোলাৰ বাবে ইচ্ছা প্ৰকাশ কৰিছিল। তেওঁৰ এই অন্তিম ইচ্ছাক সাকাৰ ৰূপ দিয়াৰ বাবে ব্যোমকেশ ট্ৰাষ্ট গঠন কৰি মাটিখিনি তেখেতৰ আত্মীয়সকলে ট্ৰাষ্ট বোৰ্ডক হস্তান্তৰ কৰিছিল। কন্যা মহাবিদ্যালয় স্থাপনৰ উদ্যোগ লোৱা সকলে 'ব্যোমকেশ মেমোৰিয়েল কন্যা মহাবিদ্যালয়' নামকৰণ কৰি ১৯৯১ চনত পাঠদান কাৰ্যৰ শুভাৰম্ভণি কৰা হৈছিল। বিলাসীপাৰা সাহিত্য সভা ভৱনত শ্ৰেণী আৰম্ভ কৰা হৈছিল আৰু ১৯৯২ চনৰ শেষৰফালে মহাবিদ্যালয়খন ট্ৰাষ্টৰ ভূমিলৈ স্থানান্তৰ কৰা হৈছিল। পৰৱৰ্ত্তী সময়ত বিশেষ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ব্যোমকেশ মেমোৰিয়েল কন্যা মহাবিদ্যালয়ৰ নাম সলনি কৰি 'ব্যোমকেশ মেমোৰিয়েল কনিষ্ঠ মহাবিদ্যালয়' নামকৰণ কৰা হয়। কলা শাখাৰ +২ স্তৰৰ শিক্ষা এইখন মহাবিদ্যালয়ত দি অহা হৈছে। ল'ৰা-ছোৱালী উভয়কে নামভৰ্ত্তিৰ সুবিধা দিছে।

বৃহত্তৰ বগৰীবাৰী-মহামায়া অঞ্চলত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ কলাশাখাৰ জুনিয়ৰ কলেজ এখন স্থাপনৰ প্ৰস্তুতি অঞ্চলবাসী ৰাইজে গ্ৰহণ কৰিছিল। 'বগৰীবাৰী জুনিয়ৰ কলেজ, বগৰীবাৰী' নামকৰণ কৰি ১৯৯৬ চনৰ পৰা শিক্ষাদান কাৰ্যৰ শুভাৰম্ভণি হৈছিল। এইখন কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে বিলাসীপাৰা মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ শ্ৰী মনমোহন দাসে সেৱা আগবঢ়াইছিল।

চাপৰ ৰাজহ চক্ৰৰ বহলপুৰ ৰাঙামাটি অঞ্চলত সমবায় আন্দোলনক শক্তিশালী কৰাৰ বাবে প্ৰয়াত জননেতা শৰৎচন্দ্ৰ সিংহই 'চম্পাৱতী কৃষি পাম নিগম' গঠন কৰিছিল। প্ৰথমাৱস্থাত এই পামখনে যথেষ্ট সফলতা প্ৰদৰ্শন কৰি হিতাধিকাৰীক সুফল দিছিল। পৰৱৰ্ত্তী সময়ত নানা কাৰণত পামখন ধ্বংসৰ পথলৈ গতি কৰিছিল। অসম চৰকাৰে এই পামখনৰ ভূমিতে অসমৰ তৃতীয়খন কৃষি কলেজ স্থাপনৰ উদ্যোগ লয়। যোৱা ২০০৯ চনৰ ৭ ফেব্ৰুৱাৰীৰ দিনাখন মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱে এইখন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি মহাবিদ্যালয়খন জননেতা শৰৎচন্দ্ৰ সিংহৰ নামত নামকৰণ কৰাৰ কথা ঘোষণা কৰিছিল। সেইদিনাৰ অনুষ্ঠানত তদানীন্তন কৃষিমন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্ম, স্থানীয় সাংসদ আনোৱাৰ হুচেইন, স্বাস্থ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত আছিল। 'শৰৎ চন্দ্ৰ সিংহ কৃষি কলেজ''ৰ বাবে চৰকাৰে ৫১ কোটি টকাৰ ব্যয় নিৰ্দ্ধাৰিণ কৰিছিল। অতি সম্প্ৰতি মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য সম্পন্ন হৈছে ।

বিলাসীপাৰা চহৰৰ সমীপৱৰ্ত্তী বৃহত্তৰ চৰ অঞ্চলত ১৯৭০ চনত নায়েৰ আলগা হাইস্কুল স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল ছোৰহাব আলী আহমেদ। অতি সম্প্ৰতি এই শিক্ষানুষ্ঠানখন কলা শাখাৰ উচ্চতৰলৈ উন্নীত কৰা হৈছে। চৰ অঞ্চলৰ প্ৰায় সকলো ঠাইতে এম. ই., এম. ই. মাদ্ৰাছা আৰু হাইস্কুল স্থাপিত হৈছে। নায়েৰ আলগা চিনিয়ৰ মাদ্ৰাছাখনো এইবছৰ প্ৰাদেশীকৰণ হৈছে।

বিলাসীপাৰা মহকুমাত চাপৰৰ ৰত্নপীঠ মহাবিদ্যালয় (১৯৭৮), বিলাসীপাৰা মহাবিদ্যালয় (১৯৬০), সাপটগ্ৰাম মহাবিদ্যালয় (১৯৭২) মহামায়া কলেজ (২০১০) শৰৎ চন্দ্ৰ সিংহ কৃষি কলেজ (২০০৯), বি. এম. জুনিয়ৰ কলেজ(১৯৯১), বগৰীবাৰী জুনিয়ৰ কলেজ (১৯৯৬) উচ্চ শিক্ষানুষ্ঠান। ৰোকাখাতা, বিলাসীপাৰা পাব্লিক, ইন্দ্ৰনাৰায়ণ একাডেমী, চাপৰ, চাপৰ মাদ্ৰাছা, শালকোচা, নায়েৰ আলগা, বৰকান্দা, বগৰীবাৰী, ৰাণীগঞ্জ, লক্ষীগঞ্জ এই ১১ খন উচ্চতৰ







মাধ্যমিকৰ এখন কলা আৰু বিজ্ঞান শাখাৰ ; তিনিখন বিজ্ঞান শাখাৰ আৰু বাকী কেইখন কলা শাখাৰ। মহকুমাটোত প্ৰাদেশীকৃত হাইস্কুলৰ সংখ্যা হৈছে ২৮ খন। ইয়াৰে ছোৱালীৰ হাইস্কুল ৫ খন। চাপৰ, নায়েৰ আলগা, বিলাসীপাৰা আৰু ৰাণীগঞ্জত প্ৰাদেশীকৃত চিনিয়ৰ মাদ্ৰাছা আছে। চাপৰ প্ৰাথমিক শিক্ষা খণ্ডৰ অধীনত প্ৰাথমিক বিদ্যালয় ১৭১ খন, উচ্চ প্ৰাথমিক বিদ্যালয় ১৮ খন। বিলাসীপাৰা শিক্ষাখণ্ডৰ অধীনত প্ৰাথমিক বিদ্যালয় ৪৭০ খন আৰু উচ্চ প্ৰাথমিক বিদ্যালয় ৭৯ খন আছে। মহকুমাটোত প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু হাইস্কুল যথেষ্ট সংখ্যক 'ভেঞ্চাৰ' পৰ্যায়তে আছে।

বিলাসীপাৰা চহৰত এখন মহাবিদ্যালয়, এখন কনিষ্ঠ মহাবিদ্যালয়, তিনিখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, পাঁচখন হাইস্কুল, ৩৬ খন প্ৰাথমিক বিদ্যালয়, ৮ খন উচ্চ প্ৰাথমিক বিদ্যালয় আছে। ব্যক্তিগত খণ্ডৰ ৫ খন ইংৰাজী মাধ্যমৰ আৰু ৪ খন অসমীয়া মাধ্যমৰ বিদ্যালয় আছে।

বিগত পঁচিছ বছৰত শিক্ষাৰ দিশত বিলাসীপাৰাৰ গুৰুত্বপূৰ্ণ অৱস্থান প্ৰাপ্তি ঘটিছে আৰু আগন্তুক বৰ্ষসমূহত এই গুৰুত্ব সৰ্বাধিক হোৱাৰ ইঙ্গিত পোৱা গৈছে।

তথ্যসূত্ৰ ঃ— বিভিন্ন শিক্ষানুষ্ঠানৰ মুখপত্ৰ, স্মৃতিগ্ৰন্থ আৰু ব্যক্তিৰ পৰা লাভ কৰা তথ্য।

(আমাৰ অজ্ঞাতে বৈ যোৱা তথ্যৰ বাবে ক্ষমা প্ৰাৰ্থী। এনে তথ্য জানিবলৈ দিলে সুখী হ'ম — লেখক ।)


*(লেখক ৰোকাখাতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ)*

◆◆

শাৰদীয় শুভেচ্ছাৰে -

# মাতৃ জুইটচ্

কৰিতলা, বিলাসীপাৰা



জগতৰ আনন্দযজ্ঞলৈ আমাৰ নিমন্ত্ৰণ

উৎকৃষ্ট মানঁৰ মিঠাইৰ এক নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান

ইয়াত বিবাহ, অন্নপ্ৰাশন, সভা-সমিতি আদিৰ মিঠাই যোগানৰ অৰ্ডাৰ লোৱা হয়।

মোবাইল নং - ৯৭০৬৬৫৯১২৭

# বিলাসীপাৰাৰ সংবাদ পত্ৰ-আলোচনীৰ ইতিহাস

**আলতাপ হুচেইন আহমেদ**

সংবাদ পত্ৰ ক্ষুদ্ৰই হওক বা প্ৰচলন সংখ্যা যিমানেই কম বা বেচি নহওক কিয়, সকলো সংবাদ পত্ৰৰ ধৰ্ম, ক্ষমতা, ঐশ্বৰ্য সদায় সমপৰ্যায়ৰ। যাৰ বাবে আজিৰ তথ্য প্ৰযুক্তিৰ যুগত বৈদ্যুতিক মাধ্যমৰ চমক, নিত্য নতুন, পূৰ্ণ পৰ্যায়ৰ বাতৰি কাকতৰ মাজতো ক্ষুদ্ৰ ক্ষুদ্ৰ সংবাদ পত্ৰ, বাৰ্তালোচনী প্ৰকাশিত হৈ আছে। আশাতীতভাৱে বাঢ়িছে সংবাদ পত্ৰৰ সংখ্যা। সৰু সৰু চহৰ-নগৰৰ পৰা সংবাদ পত্ৰ প্ৰকাশ পাই আহিছে। মূলতঃ স্থানীয় নগৰ বা চহৰখন জিলা বা অঞ্চলটোৰ নাগৰিকৰ সমস্যাসমূহ উপস্থাপন কৰা, ৰাইজক প্ৰতিনিধিত্ব কৰা, বৌদ্ধিক বিকাশ, কৰ্ম সন্তুষ্টি, সমাজৰ বাবে কিবা এটা কৰি যোৱাৰ লক্ষ্যৰে জিলা বা মহকুমা সদৰ ঠাইৰ পৰা ক্ষুদ্ৰ সংবাদ পত্ৰ প্ৰকাশ পাই আহিছে। ৰাজনৈতিক, বা অৰ্থনৈতিক লাভালাভৰ কথা চিন্তা নকৰি জেপৰ ধনব্যয় কৰিও এনে ক্ষুদ্ৰ সংবাদ পত্ৰ প্ৰকাশ কৰা দেখা যায়। অৱশ্যে কোনো কাকত গোষ্ঠীয়ে লাভৰ মুখ নেদেখাও নহয়। বৃহৎ বা বহুল প্ৰচলিত সংবাদ পত্ৰক বাদ দি এই ক্ষুদ্ৰ সংবাদ পত্ৰৰ গুৰি ধৰোঁতাসকলে সমাজ সেৱাৰ সন্তুষ্টিৰ বাবেই অহৰহ এনে কামত নিয়োজিত হোৱা দেখা যায়। ১৬০৯ চনত জাৰ্মানিত প্ৰকাশ পোৱা প্ৰথমখন সংবাদ পত্ৰ আছিল এখন ক্ষুদ্ৰ সংবাদ পত্ৰ। অসমৰ প্ৰথমখন সংবাদ পত্ৰ মাহেকীয়া 'অৰুণোদই সম্বাদ পত্ৰ'ও আছিল এখন অতি ক্ষুদ্ৰ বাতৰি কাকত। ১৮৪৬ চনত প্ৰকাশ পোৱা অৰুণোদই সম্বাদ পত্ৰই আৰম্ভ কৰা অসমৰ সংবাদ পত্ৰৰ ডেৰশ বছৰীয়া ইতিহাসত সহস্ৰাধিক সংবাদ পত্ৰৰ অৱদান অনস্বীকাৰ্য। ১৮৪৬ চনৰ পিছৰ পৰা অসমৰ চুকে-কোণে প্ৰকাশ পোৱা ক্ষুদ্ৰ ক্ষুদ্ৰ সংবাদ পত্ৰই ইতিহাস সৃষ্টি কৰিছে। পশ্চিম অসমৰ ঐশ্বৰ্যময় বিলাসীপাৰাৰ সংবাদ পত্ৰৰ ইতিহাসো বৰ্ণিল। সংবাদ পত্ৰৰ ইতিহাসত বিলাসীপাৰাৰ সংবাদ পত্ৰৰ কথা নিশ্চয় সোণালী আখৰেৰে লিখা থাকিব। মহকুমাটোৰ পৰা বহু সংবাদ পত্ৰৰ লগতে হাতে লিখা বাৰ্তালোচনীও প্ৰকাশ পাইছিল। আজিও বিভিন্ন সমস্যাৰ মাজেদি কেইখনমান তেনে সংবাদ পত্ৰ, বাৰ্তালোচনী সগৰ্বে প্ৰকাশ পাই থকাই নহয় আন্তৰ্জাতিক মানৰ গৱেষণামূলক ই-পত্ৰিকাও প্ৰকাশ পাই আছে।

বিলাসীপাৰাত সংবাদ পত্ৰ বা বাৰ্তালোচনীৰ কঠিয়া ৰোৱা সকলৰ অন্যতম আছিল জননেতা শৰৎ চন্দ্ৰ সিংহদেৱ। বিলাসীপাৰাৰ বৌদ্ধিক ক্ষেত্ৰখনৰ ৰাজধানী হিচাপে খ্যাত হাকামা অঞ্চলৰ এচাম উদ্যমী যুৱকৰ লগতে শৰৎ চন্দ্ৰ সিংহৰ স্পৰ্শত জাতিষ্কাৰ হৈছিল 'বোধন' নামৰ আলোচনীখন। "১৯৩০-৩৫ চনত হাকামা গাৱঁত ছাত্ৰ জীৱনৰ কালছোৱাত কেনেকৈ স্থানীয় যুৱকসকলক সংঘবদ্ধ কৰি, পুথিভঁৰাল নিৰ্মাণ কৰি তাৰ জৰিয়তে 'বোধন' নামৰ এখন ত্ৰৈমাসিক, ত্ৰৈভাষিক হাতে লিখা আলোচনী সম্পাদনা কৰি, ছাত্ৰ সমাজৰ বৌদ্ধিক বিকাশত অৰিহনা যোগাইছিল তাৰ বিস্তৃত বিৱৰণ তেওঁ (শৰৎ চন্দ্ৰ সিংহ) নিজ হাতে লিপিবদ্ধ কৰি থৈ গৈছে।" ( – শৰৎ স্মৃতি , লেখক বিভৱ কুমাৰ চক্ৰৱৰ্ত্তী)। উপৰিউক্ত উদ্ধৃতিটোত স্পষ্ট হৈ পৰিছে যে শৰৎ চন্দ্ৰ সিংহদেৱে ১৯৩০-৩৫চনত 'বোধন' নামৰ এখন হাতেলিখা আলোচনী প্ৰকাশ কৰে। হাতেলিখা আলোচনীখনত বিভিন্ন বিষয়ৰ লেখা প্ৰকাশ হোৱাৰ লগতে সাহিত্যিক গুৰুত্ব দিয়া হৈছিল। পাছলৈ হাকামাৰ লাচিত সংঘই 'বোধন'ৰ ঐতিহ্য অটুট ৰাখি 'পাঞ্চজন্য' নামেৰে এখন হাতে লিখা আলোচনী প্ৰকাশ কৰে।

## বিলাসীপাৰাত সংবাদ পত্ৰৰ নৱ দিগন্ত

১৯৭০ চনত বিলাসীপাৰাৰ পৰা প্ৰথমখন ছপা সংবাদ পত্ৰ বাৰ্তালোচনী 'নৱদিগন্ত' প্ৰকাশ পায়। ১৯৬৯ চনত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ শাখা বিলাসীপাৰাত গঠন হোৱাৰ পাছত পাৰ্টিৰ পৰা সমবায় ভিত্তিত এখন সাপ্তাহিক কাকত প্ৰকাশৰ পৰিকল্পনা গ্ৰহণ কৰা হয়। সেইমতে ১৯৭০ চনৰ ডিচেম্বৰত অনিমেষ কান্তি চৰকাৰৰ সম্পাদনাত 'নৱদিগন্ত' প্ৰকাশ কৰি বিলাসীপাৰাত সংবাদ পত্ৰৰ নৱ দিগন্তৰ সূচনা কৰা হয়। অসম বিধান সভাৰ প্ৰাক্তন উপাধ্যক্ষ গিয়াছ উদ্দিন আহমেদক সভাপতি আৰু প্ৰয়াত অনিমেষ কান্তি চৰকাৰক সম্পাদক হিচাপে লৈ নৱদিগন্ত ঔদ্যোগিক সমবায় সমিতি নামৰ সমবায় সমিতি গঠন কৰি, উক্ত সমিতিখনৰ সৌজন্যত আৰু বিশিষ্ট সাংবাদিক দয়াল পাল, খগেশ ৰায় আদিৰ প্ৰচেষ্টাত ১৯৭০ চনৰ ২২ ডিচেম্বৰত 'নৱদিগন্ত'ৰ প্ৰথম সংখ্যা প্ৰকাশ হয়। অসমীয়া ভাষাৰ কাকতখনে অতি কম সময়ৰ ভিতৰত প্ৰতিষ্ঠা লাভ কৰে।

**ধূমকেতু**

বিলাসীপাৰাত বান্ধৱ প্ৰেছৰ পৰা ১৯৭০ চনত প্ৰকাশ হয় 'ধূমকেতু' নামৰ মাহেকীয়া বাৰ্তালোচনী। প্ৰয়াত হীৰেন শৰ্মাৰ সম্পাদনাত প্ৰকাশ পোৱা আলোচনীখনত ৰাজনৈতিক, সামাজিক আলোচনা, গল্প, প্ৰবন্ধ আদি প্ৰকাশ হৈছিল। কটন কলেজৰ 'গোৱালপাৰীয়া ছাত্ৰাবাস'ৰ ছাত্ৰসকলে কৰা পৰিকল্পনা মতেই 'ধূমকেতু' প্ৰকাশ পায়। উল্লেখযোগ্য যে, ধূমকেতু প্ৰকাশৰ আঁৰত থকা সকলৰ অন্যতম আছিল জননেতা শৰৎ চন্দ্ৰ সিংহ। নিধু দাস, অনিমেষ কান্তি সৰকাৰ, অনিমেষ বৰ্মণ আদি জৰিত থকা আলোচনীখন মাত্ৰ দুই-এটা সংখ্যা প্ৰকাশৰ পাছত বন্ধ হৈ পৰে।

**ফিৰিঙতি**

ধূমকেতুৰ সমসাময়িক আন এখন তিনিমহীয়া আলোচনী হ'ল 'ফিৰিঙতি'। বিলাসীপাৰাৰ পৰা সত্তৰৰ দশকত প্ৰকাশ পোৱা আলোচনীখনৰ সম্পাদক আছিল অনিমেষ বৰ্মণ। সহযোগী সম্পাদক আছিল খগেন ৰায় আৰু অনিমেষ কান্তি চৰকাৰ। দুটা সংখ্যা প্ৰকাশৰ পাছতে আলোচনীখন বন্ধ হৈ পৰে।

**আছাম অৱজাৰভাৰ**

১৯৭৩ চনত বিলাসীপাৰা মহকুমাৰ সাপটগ্ৰামৰ পৰা প্ৰকাশ হয় 'দি আছাম অৱজাৰভাৰ' (The Assam Observer) নামৰ ইংৰাজী পষেকীয়া বাতৰি কাকত। প্ৰয়াত নাৰায়ণ ৰায়ৰ দ্বাৰা সম্পাদিত দি আছাম অৱজাৰভাৰ নামৰ কাকতখনেই হ'ল ধুবুৰী জিলাৰ পৰা প্ৰকাশ হোৱা প্ৰথমখন ইংৰাজী কাকত।

**ছায়াতৰু**

১৯৭৬ চনত বিলাসীপাৰাৰ পৰা তুষাৰ কান্তি সাহাৰ সম্পাদনাত 'ছায়াতৰু' নামৰ এখন বাংলা সাহিত্য আলোচনী প্ৰকাশ পায়। আলোচনীখন ক্ষণস্থায়ী আছিল।

**সবুজপাতা**

১৯৭৭ চনত সাপটগ্ৰাম চহৰৰ পৰা নন্দ ভৌমিকৰ সম্পাদনত 'সবুজপাতা' নামৰ এখন মাহেকীয়া সাহিত্য আলোচনী প্ৰকাশ হয়। বাংলা ভাষাৰ আলোচনীখন প্ৰায় দুবছৰ প্ৰকাশ হোৱাৰ পাছত বন্ধ হয়।

**দি নৰ্থ ইষ্টাৰ্ণ হেৰল্ড**

১৯৭৮ চনত পূৰ্বৰ দি আছাম অৱজাৰভাৰ কাকতৰ সম্পাদক প্ৰয়াত নাৰায়ণ ৰায়ৰ সম্পাদনাত সাপটগ্ৰামৰ পৰা প্ৰকাশ হয় আন এখন ইংৰাজী কাকত 'দি নৰ্থ ইষ্টাৰ্ণ হেৰল্ড' (The North Eastern Herald)। তিনিমহীয়া ইংৰাজী বাৰ্তালোচনীখনৰ কেইটামান সংখ্যা প্ৰকাশৰ পাছত বন্ধ হয়।

**পূৰ্বাভাষ**

১৯৮৬ চনৰ পৰা বহু বছৰ বিৰতিৰ পাছত ১৯৯৬ চনত সুভাষ চৌধুৰী আৰু জিতেন নাথৰ উদ্যোগত বিলাসীপাৰাৰ পৰা 'পূৰ্বাভাষ' নামৰ এখন মাহেকীয়া আলোচনী প্ৰকাশ হয়। জিতেন নাথৰ সম্পাদনাত ১৯৯৬ চনৰ চেপ্টেম্বৰ মাহৰ পৰা প্ৰকাশ হোৱা আলোচনীখনৰ কেইটামান সংখ্যা প্ৰকাশ হোৱাৰ পাছত বন্ধ হৈ পৰে।

**বিহুৱান**

নব্বৈৰ দশকত বিলাসীপাৰা আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে প্ৰকাশ কৰে বাৰ্ষিক আলোচনী (স্মৰণিকা) 'বিহুৱান'। বাৰ্ষিক এই আলোচনীখন প্ৰতি বছৰে ৰঙালী বিহুৰ সময়ত প্ৰকাশ পায়। বিহুৱানৰ সম্পাদনাৰ দায়িত্ব বহু কেইজন শিক্ষাবিদ, লেখকে লোৱাৰ দৰে এই নিৱন্ধৰ লেখকো দুটা সংখ্যাৰ সম্পাদক আছিল। বিহুৱান নব্বৈৰ দশকৰ পৰা নিয়মীয়াকৈ প্ৰকাশ হৈ আছে।

**সেউজ পত্ৰিকা**

বিলাসীপাৰা সংবাদ পত্ৰ, আলোচনীৰ ক্ষেত্ৰখনৰ উজ্জ্বল নক্ষত্ৰ হিচাপে বিবেচিত 'সেউজ পত্ৰিকা' নামৰ মাহেকীয়া আলোচনীখন প্ৰকাশ পায় ২০০৩ চনত। বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰ পাঠক-পাঠিকা তথা সাহিত্যানুৰাগী কিছুলোকৰ প্ৰচেষ্টাত প্ৰকাশ পোৱা সাহিত্য আৰু পৰিৱেশ বিষয়ক বাৰ্তালোচনী 'সেউজ পত্ৰিকা'ই ইতিমধ্যে এঘাৰ বছৰ সম্পূৰ্ণ কৰিছে। বিলাসীপাৰা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰৰ পাঠক-পাঠিকাসকলৰ সহযোগিতাত অৰণ্য সুৰক্ষা সমিতি, অসমে প্ৰকাশ কৰা সেউজ পত্ৰিকাত বিভিন্ন বিষয়ৰ লেখা প্ৰকাশ হৈ আহিছে। সামগ্ৰিকভাৱে অসমৰ পৰিৱেশ পত্ৰিকাৰূপে পৰিচিত সেউজ পত্ৰিকাৰ মুখ্য সম্পাদকৰ দায়িত্বত আছে ড° হৰিচৰণ দাস আৰু সম্পাদকৰ দায়িত্বত আছে বিশ্বজিৎ গোস্বামী। আলোচনীখনৰ ISBN হ'ল 978-81-922276-34.

**চিত্ৰলেখা**

বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰে ২০০৯ চনৰ পৰা প্ৰকাশ কৰি আহিছে – 'চিত্ৰলেখা'। ২০০৯ চনৰ জানুৱাৰী মাহত

প্ৰথম সংখ্যা প্ৰকাশ হোৱা 'চিত্ৰলেখা' প্ৰথম অৱস্থাত বছৰেকীয়া আছিল যদিও পাছলৈ ছমহীয়া কৰা হয়। সাহিত্য বিষয়ক আলোচনীখনৰ প্ৰথম সংখ্যাৰ সম্পাদকৰ দায়িত্বত আছিল অজন্ত কলিতা। সেইদৰে সঞ্জীৱ কুমাৰ শৰ্মাই কাৰ্যবাহী সম্পাদক, উৎপল কলিতাই সহকাৰী সম্পাদকৰ দায়িত্ব পালন কৰে। চিত্ৰলেখাৰ শেহতীয়া সংখ্যাৰ প্ৰকাশিত পত্ৰিকাখনে প্ৰথম দুবছৰ নিয়মীয়াকৈ প্ৰকাশ হয় যদিও পাছলৈ চেগা-চেৰেকাকৈ প্ৰকাশ পাই থাকে।

বিলাসীপাৰা মহকুমা ৰাজহুৱা গ্ৰন্থাগাৰে ২০০৮-২০০৯ চনত 'চিত্ৰলেখা' নামেৰে এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰে। পত্ৰিকাখনে আজিও অনিয়মীয়াকৈ হ'লেও প্ৰকাশ পাই আছে।



অসমৰ বাতৰি কাকতৰ দেৰশ বছৰীয়া জয়ন্তী উপলক্ষে বিলাসীপাৰা প্ৰেছ ক্লাবে প্ৰকাশ কৰা, ড° হৰিচৰণ দাসে প্ৰণয়ন কৰা *Bibliography of 150 years of Assamese Newspapers* উন্মোচনৰ মূহুৰ্তত বিলাসীপাৰাৰ একাংশ সাংবাদিক আৰু সমাজকৰ্মী।

মুখ্য সম্পাদকৰ দায়িত্বত আছে ড° হৰিচৰণ দাস আৰু সম্পাদকৰ দায়িত্বত আছে মুজাম্মিল হ'ক।

**অৱবাহিকা**

বিলাসীপাৰাৰ পৰা নতুনকৈ জন্মলাভ কৰা অসমীয়া আলোচনীখনৰ নাম 'অৱবাহিকা'। স্বেচ্ছাসেৱী, অৰাজনৈতিক সংগঠন 'ফ'ৰাম ফ'ৰ ছ'চিয়েল চেঞ্জ এন্ড ডেভেল'পমেণ্ট' (Forum For Social Change and Development) ২০১৪ চনৰ জানুৱাৰী মাহৰ পৰা প্ৰকাশ কৰা তিনিমহীয়া আলোচনীখনৰ সম্পাদকৰ দায়িত্বত আছে মঃ শাহজামাল আলম (অবৈতনিক)। কাকতখনৰ ISBN হ'ল 2348-1544.


**প্ৰাচীৰ পত্ৰিকা – সাধনা, চিত্ৰলেখা**

১৯৯৪ চনত বিলাসীপাৰাৰ বেলতলী চাৰিআলিত সাহিত্যানুৰাগী মীনু হামিদা আখতাৰ, ফইজুল হ'ক আৰু এই লেখকে প্ৰকাশ কৰে এখন মাহেকীয়া প্ৰাচীৰ পত্ৰিকা। এই লেখকৰ সম্পাদনাত তাৰোপৰি অৰণ্য সুৰক্ষা সমিতিৰ দ্বাৰা বিলাসীপাৰা শাখা সাহিত্য সভা ভৱনত 'কপৌফুল' নামৰ এখন প্ৰাচীৰ পত্ৰিকাও ২০০৩ চনত ওলাইছিল। হাকামাৰ লাচিত সংঘইও 'অৰুণোদয়' নামে প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰিছিল ।

**গ্লোবেল ৰিচাৰ্চ মেথোডোল'জি জাৰ্ণাল**

বিলাসীপাৰাৰ পৰা আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন গৱেষকৰ সহযোগিতাত গৱেষণামূলক 'ই-জাৰ্ণেল' গ্লোবেল ৰিচাৰ্চ মেথোডোল'জি জাৰ্ণাল' ওলাই থকাটো বিলাসীপাৰাৰ বাবে বিশেষ গৌৰৱৰ। অৰণ্য সুৰক্ষা সমিতি - অসমৰ দ্বাৰা, বিলাসীপাৰা মহাবিদ্যালয় গ্ৰন্থাগাৰৰ পৰা প্ৰকাশ পাই অহা এই গৱেষণা পত্ৰিকাত ভাৰতৰ গৱেষকেইনহয় আমেৰিকা, নেপাল, বাংলাদেশ প্ৰভৃতি দেশৰ গৱেষকো জৰিত হৈ আছে। আমেৰিকাৰ ইলিনইজ বিশ্ববিদ্যালয়ৰ কৃষি-অভিযান্ত্ৰিক বিভাগৰ ডীন ড° প্ৰশান্ত কলিতা (কলিতাৰ ঘৰ চাপৰত,

কিন্তু চাকৰি সূত্ৰে আমেৰিকাত থাকে।), অসম মহাবিদ্যালয় অধ্যক্ষ পৰিষদৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাস, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অমিয়কুমাৰ দত্ত, ড° মনোৰঞ্জন দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° নৰেন্দ্ৰ নাথ শৰ্মা, গুৱাহাটীৰ ভোলানাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° দীনেশ বৈশ্য, ছয়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু বৰদলৈ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° কৃষ্ণ গোপাল ভট্টাচাৰ্য, অমিয় কুমাৰ দাস গৱেষণা প্ৰতিষ্ঠানৰ গৱেষক ড° কল্যাণ দাস, ওছমানিয়া বিশ্ববিদ্যালয়ৰ একাডেমিক ষ্টাফ কলেজৰ সঞ্চালক এই গৱেষণামূলক ই-জাৰ্ণালখনৰ উপদেষ্টা পৰিষদৰ সদস্য। ২০১১ চনৰ ১৯ জুনত, গুৱাহাটী প্ৰেছ ক্লাৱত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতি উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰীয়ে উন্মোচন কৰা এই গৱেষণা পত্ৰিকাখনৰ সম্পাদনাৰ দায়িত্ব বহন কৰি আহিছে লেখক-পৰিৱেশবিদ্‌ ড° হৰিচৰণ দাসে। পত্ৰিকা খনৰ ৱেবচাইট হ'ল www.grmgrlaranya.com ই-ঠিকনা editorharicharan@gmail.com.



হাতেলিখা আলোচনী 'পাঞ্চজন্য'ৰ প্ৰথম সংখ্যাটো

বিলাসীপাৰাৰ পৰা বিভিন্ন সময়ত বহুতো স্মৰণিকা প্ৰকাশ পাই আহিছে। অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিৱেশনত 'চান্দৰডিঙা', বিলাসীপাৰা শাখা সাহিত্য সভাৰ 'গৌৰাং', বিষ্ণু ৰাভা দিৱস উদ্‌যাপন সমিতিৰ 'কলাগুৰু', জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিৱসত 'ৰূপকোঁৱৰ', আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱস উদ্‌যাপন সমিতিয়ে 'বিয়লিৰ জিলিঙনি', বিলাসীপাৰা প্ৰেছ ক্লাৱৰ প্ৰতিষ্ঠা দিৱসৰ 'দৰ্পন', চাপৰ শাখা সাহিত্য সভাৰ 'চম্পক', ৰাস উদ্‌যাপন সমিতিৰ স্মৰণিকা আদিৰ লগতে বিভিন্ন শিক্ষানুষ্ঠানে ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, হীৰক জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি স্মৰণিকা, মুখপত্ৰ প্ৰকাশ কৰি আহিছে।

বিলাসীপাৰাৰ পৰা প্ৰকাশ পোৱা প্ৰায় একুৰি কাকত আলোচনীৰ অধিকাংশৰে প্ৰকাশ বন্ধ হৈ গৈছে যদিও কাকত আলোচনীৰ ক্ষেত্ৰখনত এইসমূহ কাকত-আলোচনীৰ নাম সদায় জিলিকি থাকিব।

(অবাঞ্চিতভাৱে কোনো কাকত-আলোচনীৰ নাম বাদ পৰি গ'লে - সুহৃদ পাঠক-পাঠিকাই ক্ষমা কৰে যেন -- লেখক।)

*(লেখক 'দৈনিক বাতৰি' কাকতৰ সাংবাদিক)*

◆◆

বিহঙ্গম দৃষ্টিত

# বিলাসীপাৰা মহকুমাৰ ঐতিহাসিক স্থানসমূহ

বিশ্বজিৎ গোস্বামী

'নতুন প্ৰাণৰ ন'চকুযুৰি
দীপিতি ঢালিদে তাত,
পুৰণি পৃথিৱী ন'কৈ চাই লওঁ
হে বীণ এবাৰি মাত।"

*(বীণ ব'ৰাগী - লক্ষ্মীনাথ বেজবৰুৱা।)*

সময় গতিশীল। কালৰ এই গতিত ভৱিষ্যত বৰ্তমানলৈ, বৰ্তমান অতীতলৈ সদায় পৰিবৰ্ত্তিত হৈ আছে। অতীত সদায়েই মধুৰ। এই মধুৰ অতীতেই বৰ্তমানত সিঁচি দিয়ে সম্ভৱনাপূৰ্ণ ভৱিষ্যতৰ বীজ। যাক আপডাল কৰি মানৱ সভ্যতাই গতি কৰি আছে। সেয়েহে পুৰণি পৃথিৱীখনত এভুমুকি মৰাৰ হেঁপাহ এটি প্ৰায় সকলোৰে মনত জাগি উঠে - চেগাচোৰোকাকৈ হ'লেও। ইয়ে অনেককে জীয়াই থকাৰ আনন্দও প্ৰদান কৰে। পিছে অতীতত ভুমুকি মৰাৰ বাবে প্ৰয়োজন হয় এটি আলমৰ - এক পদচিহ্নৰ। ঐতিহাসিক কৃতিচিহ্ন-স্থানসমূহে এই কাৰ্য্য অতি নিয়াৰিকৈ পালন কৰি আহিছে - অতীজৰে পৰাই।

এই প্ৰৱন্ধটিৰ জৰিয়তে বিলাসীপাৰা মহকুমাৰ অতীতৰ চিহ্নসমূহৰ ওপৰত এক আলোকপাত কৰিবলৈ বিচৰা হৈছে। এয়া এক আৰম্ভণিৰ প্ৰক্ৰিয়াহে মাথোন। আমি অনুভৱ কৰো যে, বিলাসীপাৰা মহকুমাৰ ঐতিহাসিক স্থান-কৃতিচিহ্ন সমূহৰ ওপৰত এক বিস্তৃত অধ্যয়ণৰ প্ৰয়োজন আছে। সেয়েহে, বেছিভাগ ক্ষেত্ৰতে কেৱল স্থানসমূহৰ নামবোৰ মাথো উল্লেখ কৰি স্বল্প পৰিচিত বুলি অনুভৱ কৰা দুই এটা স্থানৰ চমু পৰিচয় দিয়া হৈছে।

অবিভক্ত গোৱালপাৰা জিলাৰ অনেক স্থানৰ দৰেই এই মহকুমাটোৰো বিভিন্ন ঠাইৰ উল্লেখ প্ৰাচীন ধৰ্মপুথিবোৰত পোৱা যায়। তাৰোপৰি জনশ্ৰুতিৰ পৰাও বহু ইতিহাস নাইবা কিম্বদন্তিৰ বিষয়ে জনা যায়। সেয়েহে, ইয়াৰ পাহাৰ-পৰ্বতবোৰত ইতিহাসৰ বহু তথ্য লুকাই থকাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। এই সন্দৰ্ভত চান্দৰডিঙা পাহাৰ, টোকৰাবান্ধা পাহাৰ, সোনামুখী, শাঁখাতি পাহাৰ, বুঢ়াঠাকুৰৰ পাহাৰ, মহামায়া পাহাৰ আদি পাহাৰসমূহৰ নাম উল্লেখ কৰিব পাৰি। ইয়াৰে বুঢ়াঠাকুৰৰ পাহাৰখনত (হাপাপাৰা, শালকোচা) থকা ডাঙৰ ডাঙৰ শিল কেইটামানত গৰু আদি বিভিন্ন জন্তুৰ ছবি খোদিত কৰি থোৱা আছিল। প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে হোৱা অৰক্ষয়ে এইবোৰ প্ৰায় নিচিহ্ন কৰি পেলালে যদিও, এটি ডাঙৰ শিলত থকা কিছুমান গাঁত (জনশ্ৰুতি মতে১০৮ টা বুলি শুনা গ'লেও, প্ৰকৃততে মুঠ ৩২টা বুলিহে জানিবলৈ পোৱা যায়।) আজিও আছে। এই গাঁতসমূহ কেনেকৈ সৃষ্টি হ'ল তাৰ সবিশেষ পোৱা নগলেও নিকটৰে জোৰনাগৰা গাওঁৰ (বৰ্তমানে বি.টি.এ.ডি-ৰ অন্তৰ্গত) গাতে লাগি থকা পাহাৰত (চক্ৰশীলা পাহাৰ) এটি শিলৰ পুখুৰী (মানৱ নিৰ্মিত বুলি সহজেই বুজা যায়), তথা চক্ৰশীলা পাহাৰৰ আন এটি ডাঙৰ শিলত থকা চক্ৰৰ চিন আদি থকালৈ চাই, বুঢ়াঠাকুৰৰ পাহাৰৰ এই গাঁতবোৰো কোনো বিশেষ উদ্দেশ্যৰে তৈয়াৰ কৰাৰ সম্ভাৱনা নথকা নহয়। অৱশ্যে স্থানীয় ৰাইজে এইবোৰ শিৱপ্ৰভূৰে এক লীলা বুলিয়ে বিশ্বাস কৰে। ঠিক তেনেদৰে, শাঁখাতি পাহাৰৰ শিলক তাহানিৰ (পৰাধীন ভাৰতৰ প্ৰৱল প্ৰতাপী বৃটিছ চৰকাৰৰ অভিযন্তাই) ডিনামাইট দিও ভাঙিব নোৱাৰা কথাটি হেনো কেৱল জনশ্ৰুতিয়ে নহয়, ইতিহাসো। মহামায়া পাহাৰত থকা জঙ্গি টিলাটোত হেনো ৰজাৰ সৈন্য চাউনি আছিল। এইদৰে বিভিন্ন স্থানৰ লগত জড়িত বহু কথাই কালক্ৰমত সঁচা বুলি প্ৰমাণিত হৈ অহাৰ দৰে এই মহকুমাৰ ক্ষেত্ৰতো কিছু জনশ্ৰুতি ভৱিষ্যতে প্ৰমাণিত হ'বগৈ পাৰে বুলিয়ে আমাৰ বিশ্বাস।

বিলাসীপাৰা মহকুমাটো সীমাৰেখাই আগুৰি থকা (৯০°২০" ৰ পৰা ৯১°১১" পূব দ্ৰাঘিমাংশ আৰু ২৬°১১"ৰ পৰা ২৬°৭" উত্তৰ অক্ষাংশলৈ বিস্তৃত) বৃহৎ অঞ্চলটিৰ বিভিন্ন অংশই বিভিন্ন সময়ত ভিন্ ভিন্ ৰজা-মহাৰজাৰ অধীনত নিজৰ জীৱনকাল পাৰ কৰি আহিছে। এই ইতিহাসৰ অনেকখিনিয়েই এতিয়া তামাদী (এটি থলুৱা শব্দ ; যাৰ অৰ্থ - পাহৰণিৰ গৰ্ভত হেৰাই যোৱা অতীত।) হ'ল। পিছে আমাৰ প্ৰৱন্ধটিয়ে নিজৰ সীমাৰেখা কেৱল ইতিহাসৰ পদচিহ্নবোৰৰ আলোচনাতে সীমাবদ্ধ কৰি ৰখাত আন বিষয়বোৰ আলোচনা কৰাৰ পৰা বিৰত থকা হ'ল।

জমিদাৰী প্ৰথাৰ শাসন ব্যৱস্থাত থকা এই মহকুমাটোৰ জমিদাৰসকলৰ (চাপৰ আৰু পৰ্বত জোৱাৰ জমিদাৰ) বাসগৃহসমূহত

(চাপৰৰ জমিদাৰৰ বিলাসীপাৰাস্থিত বাসভৱন) এতিয়াও তাহানি কালৰ কিছু চিন বৰ্তি থকা দেখা যায়। তেতিয়াৰ দিনতে সুদূৰ ঢাকাৰ পৰা অহা শিল্পীয়ে প্ৰস্তুত কৰি উলিওৱা কাঠৰ সুন্দৰ নক্সাসমূহৰ বহুখিনিয়ে বৰ্তমানলৈকে ভালে থকা দেখা যায়। জমিদাৰৰ বাসগৃহৰ এটা অংশত গঢ়ি উঠা বিলাসীপাৰা মহাবিদ্যালয়খনৰ কাৰ্য্যালয় আৰু পুথিভঁৰালৰূপে ব্যৱহৃত হৈ অহা ঘৰটোতো এই ধৰণৰ নক্সা দেখা যায়। পৰ্বতজোৱাৰ (বগৰীবাৰী) জমিদাৰী পিছলৈ আঠআনী, আঢ়ৈআনী আদি বিভিন্ন জমিদাৰীলৈ বিভক্ত হয়। এই জমিদাৰসকলৰ বাসভৱনবোৰেও কিছু প্ৰাচীন সাক্ষ্য এতিয়ালৈকে বহন কৰি আছে। ব্যক্তিগত বাসভৱনসমূহৰ ভিতৰত শালকোচাৰ আৰৱউদ্দিন সৰকাৰৰ বাসগৃহতো তাহানিৰ লক্ষ্ণৌৰ পৰা অনা বিভিন্ন সামগ্ৰী ভগ্নৰূপত হ'লেও দেখা পোৱা যায়। এই গৃহটিৰ ইছলামিক গঠনশৈলীও মনকৰিবলগীয়া। এইদৰে আন বহুতো জমিদাৰৰ তথা আন ব্যক্তিৰ বাসগৃহত বৰ্তমানেও কিছু পৰিমাণে হ'লেও পুৰণি স্থাপত্যশৈলী বা সামগ্ৰী দেখা যায়।

শালকোচাৰ শ্ৰীগ্ৰামৰ ওচৰতে থকা কেৰখাগাৰা গাৱঁত এযোৰ শিলৰ স্তম্ভ (গাঁত ফুটা থকা) আছে। জনশ্ৰুতি মতে, তাহানিৰ জমিদাৰী আমোলত মৃত্যুদণ্ডেৰে দণ্ডিত লোকসকলক দণ্ড দিয়াৰ বাবে ৰখা কেৰখা (বলিশাল) হিচাপে এইবোৰ ব্যৱহাৰ কৰা হৈছিল। শালকোচা অঞ্চলৰে শিলগাৰাত (বৰ্তমানে বি.টি.এ.ডি.-ৰ অন্তৰ্গত) আন এটা শিলৰ স্তম্ভ দেখা যায় (শিলগাৰা হাইস্কুলৰ সন্মুখতে)। দাঁতিবোৰ সৰু সৰু অৰ্ধগোলাকাৰ আকৃতিকৈ কটা এই শিলটো মোগল সেনাপতি মিৰজুমলাই তেওঁৰ বিজয়ৰ চিনৰূপে পুতিছিল বুলি জনশ্ৰুতি প্ৰচলিত।

ঐতিহাসিক স্থানৰ ভিতৰত অসম তথা সমগ্ৰ ভাৰতবৰ্ষতে ধৰ্মীয় উদ্দেশ্যেৰে স্থাপন কৰা মঠ, মন্দিৰ, মছজিদ আদিয়ে এক উল্লেখনীয় স্থান দখল কৰি আছে। আলোচিত মহকুমাটোতো এনে ধৰণৰ দেৱালয়, মছজিদ আদি আছে। উদাহৰণ স্বৰূপে - মহামায়া মন্দিৰ (বৰ্তমান বি.টি.এ.ডি ৰ অন্তৰ্গত), দুধনাথ মন্দিৰ (শালকোচা, তাহানিৰ উত্তানপাদ ৰজাই স্থাপন কৰা মন্দিৰটোৰ কোনো চিন আজি পাবলৈ নাই), বুঢ়াঠাকুৰৰ মন্দিৰ (শালকোচা), আই শাঁখাতি মন্দিৰ (সাপটগ্ৰাম), বৃন্দাৱন আশ্ৰম (সাপটগ্ৰাম, নীলানন্দ বাবাই স্থাপন কৰা এই আশ্ৰমখনিত অহৰ্নিশে নাম-কীৰ্ত্তন চলি থাকে), বাসন্তী মন্দিৰ (চাপৰ), পাতালপুৰৰ আশ্ৰম (বহলপুৰ), শ্ৰীগ্ৰাম মছজিদ (শালকোচা), আইৰ থান (শালকোচা), শিৱ মন্দিৰ (পাগলা বাবাৰ স্থান, উদমাৰী) আদিৰ নাম উল্লেখ কৰা হ'ল। এইখিনিতে উল্লেখ কৰা যায় যে এই মহকুমাৰ বিভিন্ন ব্যক্তিৰ বাসগৃহতো বহু প্ৰাচীন বিগ্ৰহ (ধাতু অথবা মাটিৰে নিৰ্মিত) থকা পৰিলক্ষিত হয়।

চাৰিগুৰুৰ দেশ বুলি খ্যাত অসমৰ আন আন ঠাইৰ দৰে বিলাসীপাৰা মহকুমাতো কেইবাখনো সত্ৰ আছিল যদিও বৰ্তমানে প্ৰায় সকলোবোৰেই নিষ্ক্ৰিয় অৱস্থাতহে থকা বুলি জানিবলৈ পোৱা গৈছে। আমি জনাত একমাত্ৰ সক্ৰিয় সত্ৰখন হ'ল - পুখুৰীপাৰা সত্ৰ (দামোদৰীয়া)। জানিবলৈ পোৱা মতে এই সত্ৰৰ মূল বিগ্ৰহজনা (মাটিৰে নিৰ্মিত) আনুমানিক ৩০০ বছৰৰ পুৰণি। প্ৰতি বছৰে দৌলযাত্ৰাৰ সময়ত বিগ্ৰহজনাক ৰং কৰা আৰু নৱবস্ত্ৰ পৰিধান কৰোৱা হয়। সত্ৰখনত থকা পাণ্ডুলিপিৰ (সাঁচিপতীয়া, তুলাপতীয়া আৰু কাগজৰ) সংখ্যা এশৰো অধিক হ'ব। এইদৰে বিলাসীপাৰা মহকুমাৰ বিভিন্ন স্থানত থকা পাণ্ডুলিপিৰ সংখ্যা ৬০০ৰো অধিক। তাৰে শ্ৰীযুক্তা দীপা ভট্টাচাৰ্য্য, শ্ৰীযুত ভাস্কৰ ভট্টাচাৰ্য্য (উভয়ে বিলাসীপাৰাৰ) আদি কেইবাজনৰো ঘৰত সৰহ সংখ্যাত পাণ্ডুলিপি সংগৃহীত আছে। হাকামা আৰু শালকোচাৰ অনেক ব্যক্তিৰ ঘৰতে দুই-এখনকৈ (আনকি বহু ক্ষেত্ৰত কেৱল এখিলা পাত) পাণ্ডুলিপি দেখা পোৱা যায় (এই পাণ্ডুলিপিসমূহৰ সৰহভাগেই 'ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিচন'ৰ তালিকাভুক্ত)। আন অনেক পাণ্ডুলিপিয়ে সংৰক্ষণৰ অভাৱত বৰ্তমান নষ্ট হৈ গৈছে।

বিলাসীপাৰা মহকুমাৰ বিভিন্ন স্থানত সংৰক্ষিত হৈ থকা ভাস্কৰ্য্যসমূহ বিশেষকৈ শিল, ধাতু আৰু পোৰামাটিৰ মাধ্যমত গঢ়ি তোলা হৈছিল। উদাহৰণ স্বৰূপে - ৰত্নপীঠ মহাবিদ্যালয়ৰ চৌহদত সংৰক্ষিত ধাতুৰে নিৰ্মিত কৃষ্ণৰ বেণুগোপাল মূৰ্তি (দক্ষিণ ভাৰতৰ 'হয়শালা' আৰ্হিৰ গঠন), হাকামাৰ (বিলাসীপাৰা) খেতি পথাৰত পোৱা ৰথবিহীন সূৰ্য্য মূৰ্তি (আনুমানিক অষ্টম শতিকাৰ এই মূৰ্তি বৰ্তমানে ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত), বিলাসীপাৰা আৰক্ষী চকীত সংৰক্ষিত টোকোবাবান্ধা পাহাৰত আৱিষ্কৃত শিলৰ ব্যাঘ্ৰমূৰ্তি (যুৰীয়া), শালকোচাৰ বৰুৱাঘৰৰ (তাহানিৰ জমিদাৰ) ধাতু নিৰ্মিত বুঢ়ীঠাকুৰাণীৰ মূৰ্তি, শালকোচাৰ নিয়োগীঘৰৰ (তাহানিৰ জমিদাৰ) ধাতুৰ কৃষ্ণ মূৰ্তি, সাপটগ্ৰাম মহাবিদ্যালয়ত থকা কিছু সামগ্ৰী আদিৰ কথা উনুকিয়াব পাৰি। কাঠমাধ্যমত গঢ়ি তোলা ভাস্কৰ্য্যসমূহ বিশেষকৈ ব্যক্তিগত গৃহত (জমিদাৰসকলৰ বাসভৱন, দেৱগৃহ আদিকে ধৰি) সংৰক্ষিত নাইবা ব্যৱহৃত হৈ আছে। তাহানিৰ জমিদাৰৰ বাসগৃহবোৰত কাছাৰী, মালখানা, তোপখানা, নহবৎখানা, দেৱীগৃহ-দৌলমণ্ডপ ইত্যাদি পৃথকভাৱে নিৰ্ম্মাণ কৰা হৈছিল। গঠনৰ মূল মাধ্যম হিচাবে শিল, ইটা, বালি ইত্যাদি ব্যৱহাৰ কৰা হৈছিল যদিও ; দুৱাৰ, খিৰিকী, খটখটী ইত্যাদি

কাঠৰ দ্বাৰাই নিৰ্ম্মাণ কৰিছিল। সেইদৰে, অসমৰ বিভিন্ন সত্ৰসমূহত কাঠমাধ্যমৰ ভাস্কৰ্য্যৰ প্ৰাচুৰ্য্যতা পোৱাৰ দৰে পুখুৰীপাৰা সত্ৰতো কাঠৰ দেৱ-আসন, মকৰৰ মূৰ্তি (এনে আকৃতিৰ মকৰ কেৱল চিত্ৰ-ভাগৱতত হে দেখা পোৱা গৈছে) আদি সংৰক্ষিত হৈ থকা দেখা যায়।

মহকুমাটিত থকা ঐতিহাসিক স্থাপত্য, ভাস্কৰ্য্য, পাণ্ডুলিপি আদি সকলোবোৰেই আমাৰ বাবে অতি গৌৰৱৰ সম্পদ। অসমৰ দৰে সেমেকা জলবায়ু থকা ঠাইত এনে সম্পদবোৰৰ স্বাভাৱিক ক্ষয়ীভৱন কিছু দ্ৰুত হয় সঁচা, পিছে এইবোৰৰ প্ৰতি আমাৰ উদাসীনতাই সম্পদবোৰৰ ক্ষয়ীভৱনক অধিক দ্ৰুত কৰাত অৰিহণা যোগাইছে বুলিয়ে আমাৰ বিশ্বাস। তাৰোপৰি, ব্যাপকভাৱে বনাঞ্চল ধ্বংসৰ দ্বাৰাও মহামায়া মন্দিৰকে আদি কৰি বিভিন্ন মঠ-মন্দিৰৰ অস্তিত্বৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰা বুলি মহকুমাটিৰ অনেকে মত পোষণ কৰে।

এই লিখনিৰ পৰা বিলাসীপাৰা মহকুমাৰ অনেক ঐতিহাসিক স্থান বা ভাস্কৰ্য্য আদি বাদ পৰি যাব পাৰে। সেয়া অনিচ্ছাকৃত।

**তথ্যৰ উৎস ঃ**

১/ শালকোচা ঃ ইয়াৰ ঐতিহ্য- মনতোষ চক্ৰৱৰ্ত্তী, 'চান্দৰডিঙা' (অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিৱেশনৰ স্মৃতিগ্ৰন্থ) (পৃঃ- ৫৫)

২/ বিলাসীপাৰা মহকুমা ঃ এটি সংক্ষিপ্ত ভৌগলিক পৰিচয় - পয়োধৰ গোস্বামী, 'চান্দৰডিঙা' (অসম সাহিত্য সভাৰ বিলাসীপাৰা অধিৱেশনৰ স্মৃতিগ্ৰন্থ) (পৃঃ- ৬)

**কৃতজ্ঞতা ঃ**

শ্ৰীযুত অনুপম কুমাৰ চক্ৰৱৰ্ত্তী, শ্ৰীযুত তৰণী কান্ত ৰায়, শ্ৰীযুত ভৰত চন্দ্ৰ বৰ্মণ, শ্ৰীযুত কমল কৃষ্ণ সাহা ।

*(লেখক -বিলাসীপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক)*

◆◆






*With best compliments from*

Contact No. 9435126546

# M/s. Aashka Agro Industries

**MANUFACTURER OF MUSTARD OIL**

## ROSE BRAND

W/No. 2, Surjyakhata
P.O. Bilasipara, Dist.Dhubri (Assam)
PIN - 783348

# স্বাধীনোত্তৰ বিলাসীপাৰা মহকুমাৰ আৰ্থ-সামাজিক অৱস্থা ঃ এক চমু আলোকপাত

অপৰ্ণা চক্ৰৱৰ্ত্তী

অসমৰ পশ্চিম সীমান্তত অৱস্থিত ধুবুৰী জিলাৰ তিনিটা মহকুমাৰ অন্তৰ্গত বিলাসীপাৰা মহকুমা হ'ল দুটা বিধানসভা সমষ্টি আৰু তিনিটা ৰাজহ চক্ৰেৰে গঠিত এক বৃহৎ জনবসতিপূৰ্ণ অঞ্চল। জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে ই এক শান্তিপূৰ্ণ অঞ্চল। ইয়াৰ মাটি কালি ৯৮৮.৮৬ বৰ্গ কিলোমিটাৰ। নদ-নদী, পথাৰ-সমাৰ, বাঁহনি-কাঠনিৰে আপাত দৃষ্টিত বিলাসীপাৰা মহকুমা এখন সম্ভাৱনাপূৰ্ণ অঞ্চল। সময়ে সময়ে দেখা দিয়া বিভিন্ন দুৰ্যোগ বা দুনীতিয়ে অৰ্থনীতিৰ দিশটো কিছু নিষ্প্ৰভ কৰিছে যদিও গ্ৰাম্য অৰ্থনীতি কিছু স্বনিৰ্ভৰশীল আৰু গ্ৰাম্য সৰলতাৰে ভৰা।

এক নিৰ্দ্দিষ্ট অঞ্চলৰ আৰ্থিক উন্নয়ণৰ লগত জৰিত দিশ কেইটা হ'ল - জনমূৰি আয়, উৎপাদন ব্যৱস্থা, বজাৰ ব্যৱস্থা, জনসংখ্যাৰ হেঁচা, কৃষিজীৱী, চাকৰিজীৱী আদি। আনহাতে সামাজিক উন্নয়নৰ লগত জৰিত দিশ কেইটা হ'ল – শিক্ষা, চিকিৎসা, সমাজব্যৱস্থা, ৰাজনৈতিক পৰিৱৰ্তন, ধৰ্ম, ৰীতি-নীতি, বিজ্ঞানৰ প্ৰভাৱ ইত্যাদি।

স্বাধীনোত্তৰকালত বিশেষকৈ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আৰম্ভণিৰ পিছৰে পৰা এই অঞ্চলৰো আৰ্থ-সামাজিক দুয়োটা দিশৰে বহুখিনি পৰিৱৰ্তন হোৱা দেখা যায়। জমিদাৰী প্ৰথাৰ বিলুপ্তিৰ পিছত এই অঞ্চলৰ জনসংখ্যাৰ তুলনাত যিখিনি উৎপাদন হৈছিল সেইখিনিৰে কৃষিজীৱী মানুহখিনিয়ে উৎপাদনজাত সামগ্ৰী বিক্ৰীৰ জৰিয়তে স্বচ্ছলতাৰে জীৱন যাপন কৰিছিল। কিন্তু ১৯৫৫-৫৬ চনৰ পৰা অসমৰ জনমূৰি আয় বৃদ্ধিৰ হাৰ নিম্নগামী হ'বলৈ ধৰিলে আৰু ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক জনমূৰি আয়ৰ পাৰ্থক্যও বৃদ্ধি পাবলৈ ধৰিলে। যি সময়ত দেশৰ বাকী অংশই পৰিকল্পিত অৰ্থনীতিৰ সুফল প্ৰাপ্তিৰ পথত ভৰি দিলে তেতিয়াৰ পৰাই অসম পিছ পৰি গ'ল আৰু ইয়াৰ প্ৰভাৱ সকলো অঞ্চলতে পৰাৰ দৰে এই অঞ্চলতো নপৰাকৈ নাথাকিল। শুনামতে ষাঠিৰ পৰা সত্তৰৰ দশকত বিশেষকৈ আহিনৰ পৰা কাতি মাহলৈকে অৰ্থাৎ ধান চপোৱাৰ ঠিক আগে আগে মানুহৰ মাজত বৰ অভাৱে দেখা দিছিল। কিছুমানে বাটৰ কচু-ঢেঁকীয়া শাক খাই থাকিবলগীয়া হৈছিল। চাউলৰ অভাৱত খুদকণ খাইও মানুহে দিন কটাইছিল। সেইসময়ত সেউজ বিপ্লৱৰ প্ৰভাৱ পৰা নাছিল। কিন্তু বৰ্ত্তমান সেউজ বিপ্লৱৰ প্ৰভাৱ অঞ্চলভেদে পৰা বাবে আগৰ দুৰ্দিনবোৰৰ উপশম ঘটা দেখা গৈছে। আৰ্থিক দিশটোৰ কিছু উন্নতি ঘটিছে। আৰ্থিক উন্নয়নৰ দিশটোত চৰ অঞ্চলৰ কঠোৰ পৰিশ্ৰমী মানুহখিনিৰ অৱদান অনস্বীকাৰ্য্য। কাৰণ চৰ অঞ্চলৰ মানুহখিনিয়ে যথেষ্ট ৰবি শস্য উপাদান কৰি বিলাসীপাৰা অঞ্চলৰ চাহিদা পূৰণ কৰাৰ লগতে ওচৰ-পাজৰৰ জিলাবোৰতো পঠিয়াবলৈ সক্ষম হৈছে।

বিলাসীপাৰা মহকুমাৰ শতকৰা ৮০ শতাংশ লোক কৃষিজীৱী। এই অঞ্চলৰ সাৰুৱা মাটি ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, শাক-পাচলি আদি খেতিৰ বাবে উপযোগী। যিহেতু প্ৰাপ্ত তথ্য মতে অসমৰ মুঠ মাটি কালিৰ ৪২ শতাংশ মাটিতহে খেতি কৰা হয়, অসমৰ লগত সংগতি ৰাখি ধাৰণা কৰা যায় এই অঞ্চলটোতো ৪০ৰ পৰা ৫০ শতাংশ মাটিহে কৃষিৰ বাবে উপযোগী। ইয়াৰ কাৰণ হ'ল এই অঞ্চলটোৰ বহু অংশ খাল-বিল, নদী, পাহাৰ আৰু বনাঞ্চলে আগুৰি আছে। অৱশ্যে পাহাৰীয়া কিছু অঞ্চলত ঝুম খেতিৰ প্ৰভাৱ আছে। কৃষি সঞ্চালকালয়ৰ সমীক্ষা মতে নামনি অসমত উৎপাদনৰ হাৰ কম, সেয়েহে নামনি অসমৰ অন্তৰ্গত এই অঞ্চলটোতো উৎপাদনৰ হাৰ নিম্নগামী হোৱাৰ কাৰণ হ'ল – উৰ্বৰতা কমি যোৱা, জলসিঞ্চনৰ অভাৱ, আওপুৰণি কৃষি পদ্ধতি আদি। তথাপি ষাঠি বা সত্তৰ দশকৰ তুলনাত অঞ্চলভেদে সেউজ বিপ্লৱৰ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। ইয়াৰ ফলস্বৰূপে নতুন নতুন অধিক উৎপাদনক্ষম বীজৰ প্ৰয়োগ কৰি আৰ্থিক দিশটোত উন্নতি কৰিছে। অঞ্চলভেদে শিক্ষিত নিবনুৱা সকলেও স্বনিৰ্ভৰশীল হোৱাৰ বাবে খেতি-বাতি আৰম্ভ কৰি কৰ্ম সংস্থানৰ সৃষ্টি কৰিছে। তাৰোপৰি পশুপালন বা মীনপালনৰ যোগেদিও আৰ্থিক দিশত বৰঙণি যোগাইছে। কিন্তু এই

অঞ্চলত পৰ্য্যাপ্ত পৰিমাণে বিক্ৰীৰ ব্যৱস্থা নথকাত কৃষক ৰাইজ উপকৃত হ'ব পৰা নাই। হয়তো ৰেলৰ চলাচল বা আন ধৰণে যাতায়ত ব্যৱস্থাৰ উন্নতি হ'লে ভৱিষ্যতে এই অঞ্চল আৰ্থিক দিশটোত অধিক টনকিয়াল হ'ব পাৰিব। তাৰোপৰি চহৰ অঞ্চলৰ লগত গাওঁ অঞ্চলৰ সংযোগী পথ ব্যৱস্থাৰ উন্নতি সাধন হ'লেহে আৰ্থিক উন্নয়ণ হ'ব। কাৰণ আৰ্থিক উন্নয়নৰ মূল চাবি-কাঠিয়ে হ'ল পৰিবহন ব্যৱস্থা।

উদ্যোগ খণ্ডত বিলাসীপাৰা অঞ্চল কিছু পিছ পৰাৰ কাৰণ ইয়াত বৃহৎ উদ্যোগ গঢ়ি উঠা নাই। অৱশ্যে কিছু ক্ষুদ্ৰ উদ্যোগ, কল-কাৰখানা আছে। যেনে - ইটাভাটা, কাঠফলা কল, তেলৰ মিল, ধান কল, বিড়ি ফেক্টৰী আদি। এই মহকুমাৰ অন্তৰ্গত চাপৰ অঞ্চলত কেইখনমান চাহ বাগিছা আছে। গতিকে এই উদ্যোগ প্ৰতিষ্ঠানসমূহে হাজাৰ হাজাৰ লোকক কৰ্মসংস্থাপনৰ সুযোগ দি আৰ্থিক উন্নয়নত যথেষ্ট অৰিহণা যোগাইছে। শুনামতে, অতীজত ইয়াতে জাহাজ ঘাট আছিল আৰু বিলাসীপাৰা চহৰখন ব্যৱসায়ৰ এক কেন্দ্ৰ আছিল। এই চহৰৰ মাজেদি গৌৰাং নদীখন ব্ৰহ্মপুত্ৰৰ লগত সংযোগী হৈ থকা বাবে ইয়াৰ পৰা বহু সামগ্ৰী বিশেষকৈ কাঠ আৰু বাঁহ আদি বিভিন্ন ঠাইলৈ বিক্ৰী হৈছিল আৰু তাৰ যোগেদি বহু মানুহে ব্যৱসায়-বাণিজ্য কৰি জীৱিকা অৰ্জন কৰিছিল। কিন্তু কালৰ গতিত নদীৰ গতি সলনিয়ে এই বাণিজ্য কেন্দ্ৰ নোহোৱা হ'ল। এই অঞ্চলত বহুতো মৃৎ শিল্পীও আছে। কিন্তু প্লাষ্টিকৰ বহুল ব্যৱহাৰে এই শিল্পটো কিছু নিষ্প্ৰভ কৰিছে যদিও, বৰ্তমান সময়ত ফুলৰ টাবৰ চাহিদা বৃদ্ধি হোৱাৰ ফলত এই শিল্পটোৰ প্ৰসাৰৰ যোগেদি বহু মানুহে আৰ্থিক দিশটোত অৰিহণা যোগাইছে। গতিকে এই অঞ্চলত যদি চৰকাৰে ক্ষুদ্ৰ উদ্যোগ বা সৰু ডাঙৰ কল-কাৰখানা স্থাপনত গুৰুত্ব দিয়ে, তেন্তে হয়তো অদূৰ ভৱিষ্যতে এই অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়ন ক্ষীপ্ৰ হ'ব।

স্বাধীনোত্তৰ কালৰ পৰা বৰ্তমানলৈ জনসংখ্যাৰ হেঁচায়ো এই অঞ্চলৰ আৰ্থ-সামাজিক উন্নয়ণত ভালেখিনি ব্যাঘাত জন্মাইছে। পঞ্চাশৰ দশকৰ পিছৰে পৰাই অঞ্চলভেদে বহিৰাগতৰ প্ৰব্ৰজনে আৰু জনসংখ্যা বৃদ্ধিৰ হাৰে বহুক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলাইছে বুলি ক'ব পাৰি। ইয়াৰ কাৰণ হ'ল শিক্ষাৰ অভাৱ আৰু ৰাইজৰ অসচেতনতা। অকল এই অঞ্চলতে নহয়, ১৯৫০-৯১ চনৰ ভিতৰত অসমৰ জনসংখ্যাও তিনিগুণলৈ বৃদ্ধি পাইছে। জনসংখ্যাৰ বৃদ্ধিৰ হাৰে অঞ্চলভেদে জনমূৰি আয়ৰ হ্ৰাস-বৃদ্ধি ঘটাইছে।

সামাজিক উন্নয়নৰ দিশটোৰ লগত সমাজ ব্যৱস্থা, ৰীতি-নীতি, ধ্যান-ধাৰণা, ঐক্য-সংহতি ইত্যাদি বিষয়সমূহ ওতঃপ্ৰোত ভাৱে জৰিত হৈ থাকে। এই মহকুমাটোত বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহে নিজৰ নিজৰ ৰীতি-নীতিৰ মাজেদি সুন্দৰভাৱে ইজনে সিজনৰ লগত সহমৰ্মিতা-সহযোগিতা বজাই ৰাখি শান্তিৰ বাতাৱৰণ বজাই ৰাখি জীৱন নিৰ্বাহ কৰি আছে। মহকুমাটোত শান্তি বজাই ৰাখি সুস্থ আৰু সংযতভাৱে সকলোৱে একেলগে মিলাপ্ৰীতিৰে আগৰে পৰা বৰ্তমানলৈকে পৰম্পৰা বজাই ৰাখি চলি থকা দেখা যায়। বিশেষকৈ গাওঁ অঞ্চলত বিয়া-সবাহ, শ্ৰাদ্ধ, বেমাৰ-আজাৰ আদিত ইজনে সিজনলৈ সহায় আগবঢ়ায়। বৰ্তমান সময়ৰ লগে লগে কিছু আধুনিকতাৰ প্ৰভাৱ এই অঞ্চলত নপৰাকৈ থকা নাই। সাজ-পোচাকৰ ক্ষেত্ৰত, দুচকীয়া বাহন চলোৱাৰ ক্ষেত্ৰত মহিলাসকলো পিছ পৰি থকা নাই। সকলো অঞ্চলতে কম বেছি পৰিমাণে টিভি, কম্পিউটাৰ, মোবাইল ফোন আদিৰ বহুল ব্যৱহাৰে সামাজিক উন্নয়নত প্ৰভাৱ পেলাইছে। এই অঞ্চলত সামাজিক উন্নয়নৰ লগতে মানুহৰ মানসিক দৃষ্টিভংগীৰো পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে।


বনজ সম্পদত এই অঞ্চল যথেষ্ট চহকী। ইয়াত মূল্যৱান কাঠৰ লগতে বহুতো শিলৰ কুৰেৰী আৰু বহুতো জীৱ-জন্তুও আছে। চক্ৰশীলাত সোনালী বান্দৰ আছে। এই অঞ্চলত 'পৰ্যটন উদ্যোগ'ৰ যথেষ্ট সম্ভাৱনা আছে। বৰ্তমান দুখন ইকো পাৰ্কো হৈছে। ইয়াত থকা অব্যৱহৃত প্ৰাকৃতিক সম্পদসমূহৰ সঠিক ব্যৱহাৰৰ জৰিয়তে আৰ্থিক তথা সামাজিক উন্নয়নৰ যথেষ্ট থল আছে। গতিকে ইয়াৰে সচেতন ৰাইজৰ লগতে চৰকাৰৰ সদিচ্ছা থাকিলে হয়তো অদূৰ ভৱিষ্যতে বিলাসীপাৰা মহকুমা উন্নত মহকুমা হিচাপে অসমত জনাজাত হ'বগৈ।

যি কি নহওক, আৰ্থিক আৰু সামাজিক উন্নয়ণৰ লগত বিশেষকৈ জৰিত থাকে কৃষি আৰু উদ্যোগ। কিন্তু বৰ্তমান অসমৰ অৰ্থনৈতিক সমীক্ষাৰ প্ৰতিবেদনত উল্লেখ কৰা মতে ২০০৪-০৫ চনত কৃষি আৰু ইয়াৰ সৈতে জৰিত কাম-কাজৰ অৱদান আছিল মুঠ ২১.৭ শতাংশ। কিন্তু ২০১৩-১৪ বৰ্ষত এই পৰিমাণ ১৭.৮ শতাংশলৈ হ্ৰাস পাইছে। আকৌ উদ্যোগ খণ্ডৰ অৱস্থাও পূৰ্বৰ তুলনাত

নিম্নগামী হৈছে। ২০০৪-০৫ বিত্তীয় বৰ্ষত এই পৰিমাণ ২৭.৫৪ শতাংশ আছিল কিন্তু ২০১৩-১৪ বিত্তীয় বৰ্ষত এই পৰিমাণ ২১.২৭ শতাংশলৈ হ্ৰাস পাইছে। যিহেতু ৰাজ্যৰ অৰ্থনীতিৰ লগত এই অঞ্চলো যুক্ত গতিকে আৰ্থ-সামাজিক উন্নয়নৰ গতি লেহেমীয়া বুলিয়ে ধৰি ল'ব লাগিব। গতিকে অৰ্থনৈতিক উন্নয়নৰ গতি ত্বৰান্বিত কৰিবলৈ হ'লে জনসাধাৰণৰ পূৰ্ণ সহযোগিতাৰ লগতে চৰকাৰৰ সঁহাৰিও লাগিব। বিলাসীপাৰা মহকুমা যিহেতু নদ-নদী, বিস্তীৰ্ণ সেউজীয়া পথাৰ, ঘাঁহনি-বননি আদি অপৰূপ সৌন্দৰ্যৰে সুশোভিতা আৰু জলজ - বনজ সম্পদেৰে পৰিপূৰ্ণ, গতিকে এই অঞ্চলৰ সমাজকৰ্মী, বুদ্ধিজীৱী, ৰাজনৈতিক নেতা-কৰ্মী আৰু এই অঞ্চলৰ জনসাধাৰণ যদি সচেতন হয়, তেন্তে আৰ্থ-সামাজিক উন্নয়নৰ মাজেদি বিলাসীপাৰা মহকুমাও অসমৰ অইন মহকুমাৰ তুলনাত বিশেষ স্থান দখল কৰিবলৈ সক্ষম হ'ব।

*(লেখিকা ব্যোমকেশ কনিষ্ঠ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা)*

◆◆







কাৰ্টুনিষ্ট চিৰঞ্জীৱ দত্ত বিলাসীপাৰা মহকুমাৰ প্ৰাক্তন তথ্য আৰু জন সংযোগ বিষয়া

*With best compliments from*




# Vinit Enterprise
# Vikash Enterprise

**Ramesh Agarwal**

H.M. Road,
Bilasipara, Dist. Dhubri (Assam)
PIN - 783348
Contact No. 9435125625
Vinitenterprise.info5blp@gmail.com

# USE FRESH BUILD STRONG ASSAM




Purbanchal Cement Ltd.

Telephone : 0361-2305953/5951 Fax : (0361-2305952)
Corporate Office : Megha Plaza, 2nd Floor, Basistha Chariali,
Beltala, Guwahati-781029
Works : Vill. Sarutari, P.O. Byrnihat, Via 14th Mile, G.S. Road, (NH-40)
Dist. Kamrup, Assam - 793101

# বিলাসীপাৰাত মহকুমা স্থাপন আৰু আমাৰ বিষন্ন অতীত স্মৃতি

হৃদয়ানন্দ দাস

১৯৮৩ চন । জুইয়ে পোৰা নিৰ্বাচনী বতৰ। অসমত সেই সময়ত চলি আছিল বিদেশী বহিস্কাৰ কৰাৰ এক ঐতিহাসিক গণ আন্দোলন। ক্ৰমাগত বাঢ়ি অহা গণ চেতনাৰে লক্ষ্য ৰাখি সদৌ অসম ছাত্ৰ সন্থাই অসমৰ বিভিন্ন সামাজিক সাংস্কৃতিক সংগঠন আৰু আঞ্চলিক ৰাজনৈতিক দলৰ সহযোগত ১৯৭৯ চনৰ ২৫ আৰু ২৬ আগষ্টত ডিব্ৰুগড়ত সদৌ অসম গণ সংগ্ৰাম পৰিষদ গঠন কৰে । আন্দোলন গঢ়ি উঠে তীব্ৰ পৰা তীব্ৰতৰ ৰূপত।

দুখ আৰু পৰিতাপৰ বিষয় অসমৰ এনে নাজল-নাথল অৱস্থাত ১৯৮৩ চনৰ ৬ জানুৱাৰীত কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচনী আয়োগৰ যুটীয়া সিদ্ধান্তত অসমৰ ৰাইজৰ ইচ্ছাৰ বিৰুদ্ধে নিৰ্বাচনৰ জাননী জাৰি কৰা হ'ল। দেশতকৈ মোমাই ডাঙৰ বুলি কব পৰা সকলে তেজৰ ফাকু খেলি হ'লেও নিৰ্বাচন পাতিলে । এনেকৈ ১৯৮৩ চনত হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰ শাসনলৈ আহে। এই খন চৰকাৰৰ দিনতে সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰে সৃষ্টি কৰা পুৰনিকলীয়া প্ৰশাসনীয় গোটৰ সংস্কাৰ সাধন কৰি আমাৰ ৰাজ্যখনক নতুনকৈ জিলা আৰু মহকুমা ভিত্তিত পুনৰগঠন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ বিষয়ে জানিব পাৰি বিলাসীপাৰাবাসী ৰাইজেও দীৰ্ঘ দিনে অনুভৱ কৰি অহা মহকুমাৰ অভাৱ বাৰুকৈ অনুভৱ কৰিব ধৰিলে।

নতুনকৈ জিলা আৰু মহকুমা গঠন কৰাৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়া হিচাপে শৰৎচন্দ্ৰ সিংহ অসমৰ মুখ্যমন্ত্ৰী হৈ থকা সময়তে ১৯৭৬ চনত " কোহলী কমিটী" গঠন কৰি দিয়া হৈছিল চৰজমিন তদন্ত কৰি প্ৰতিবেদন দাখিল কৰাৰ কাৰণে । বিলাসীপাৰা ডাক-বাংলাত যি সকল প্ৰতিনিধিৰ সৈতে কোহলীৰ বাৰ্তালাপ হৈছিল সেই সকলৰ ভিতৰত আছিল ঁ ৰমেশ চন্দ্ৰ ৰায়, ঁঅনিমেষ বৰ্মণ, অনিমেষ কান্তি সৰকাৰ, অৰ্দ্ধেন্দু নাথ চক্ৰবৰ্তী প্ৰমুখ্যে বিলাসীপাৰাৰ বিশিষ্ট নাগৰিক সকল।

সেই সকলৰ ভিতৰত কোহলীৰ কথা-বাৰ্তাত শ্ৰী অৰ্দ্ধেন্দু নাথ চক্ৰবৰ্তী মুঠেই সন্তুষ্ট নাছিল আৰু তেওঁৰ প্ৰতিবেদন আশা ব্যঞ্জক হ'ব বুলিও ভবা নাছিল ।

সি, যিকি নহওক ১৯৭৯ চনৰ ৭ জানুৱাৰী তাৰিখে বিলাসীপাৰা নগৰ সমিতিৰ পৌৰপতি ঁ ডাঃ হীৰেন ভট্টাচাৰ্য, প্ৰাক্তন পৌৰপতি ঁবলৰাম সাহা, ঁঅনিমেশ বৰ্মণ, ঁৰমেশ ৰায়, ঁসুকোমল সাহা, ঁমানিক দাস, ঁ হাবিবৰ ৰহমান, আব্দুল ফজল হক, আছৰউদ্দিন মণ্ডল, দানচান্দ জৈন, ঁডাঃ অনিল চক্ৰবৰ্তী, ঁশৰদিন্দু কুমাৰ চক্ৰবৰ্তী, ঁপিয়াৰ উদ্দিন আহমেদ স্বাক্ষৰিত এক গোহাৰিৰ জৰিয়তে ১৯৭৯ চনৰ ৭ জুন তাৰিখে বিলাসীপাৰা পাব্লিক উঃমাঃ বিদ্যালয়ত এখন প্ৰতিনিধিত্বমূলক জনসভা অনুষ্ঠিত কৰা হয়।

উক্ত সভাৰ সিদ্ধান্ত মৰ্মে স্মাৰক পত্ৰ প্ৰদান আৰু অসমৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ বাবে ১৫ জনীয়া প্ৰতিনিধি দল প্ৰেৰণ কৰাৰ সিদ্ধান্ত গৃহীত হয়। ঁশৰৎ চন্দ্ৰ সিংহ, গিয়াচউদ্দিন আহমেদ, ঁডালিম কুমাৰ মেধি, ঁ চিৰাজউদ্দিন এম.এল.এ, ঁমজিবৰ ৰহমান, ঁপুলক কুমাৰ চক্ৰবৰ্তী, ঁঅনিমেষ বৰ্মণ, ঁহবিবৰ ৰহমান, ঁৰমেশ ৰায়, আনোৱাৰ হুছেইন , ঁমানিক দাস, ইউচুফ আলী আহমেদ, প্ৰবীৰ কুমাৰ দে, সুৰত জামাল, ঁআহমেদ হুছেইন, ঁচৈয়দ আহমেদ আলী স্বাক্ষৰিত স্মাৰক পত্ৰ পানী নসৰকা যুক্তিৰে বিলাসীপাৰা মহকুমা স্থাপনৰ যুক্তিযুক্ততা প্ৰদৰ্শন কৰি বিলাসীপাৰা মহকুমাৰ বাবে নিম্নলিখিত এলেকা অন্তৰ্ভুক্ত কৰা হয়।

১) বিলাসীপাৰা, বগৰীবাৰী, চাপৰ ভূমিচক্ৰ।

২) গোৱালপাৰা মহকুমাৰ মাজেৰআলগা গাওঁ পঞ্চায়ত

৩) গোৱালপাৰা মহকুমা যোগীঘোপা গাওঁ পঞ্চায়তৰ সুতীৰমুখ, গাছপাৰা, কচুদোলা, ঝৌডুবি গাওঁ ।

৪) গোৱালপাৰা মহকুমাৰ কলচাভাঙ্গা গাওঁ পঞ্চায়ত।

৫) দক্ষিণ-শালমাৰা থানাৰ জৰুৱাবন্দীহানা গাওঁ পঞ্চায়ত।

সেই সময়তে মহকুমা গঠনৰ দাবী জোৰদাৰ কৰাৰ কাৰণে ঁপুলক কুমাৰ চক্ৰবৰ্তীক মুখ্য আহ্বায়ক হিচাপে লৈ এখনি মহকুমা দাবী কমিটীও গঠন কৰা হয়।

১৯৮৩ চনৰ ২৩ জুন তাৰিখে ১৫ জনীয়া সৰ্বদলীয় এটি সজাতি দলে দিছপুৰ জনতা ভৱনত অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক লগ ধৰি প্ৰস্তাৱিত বিলাসীপাৰা মহকুমাৰ যুক্তিযুক্ততা সম্পৰ্কে আলোচনা কৰি তেওঁৰ ওচৰত এখন স্মাৰক

পত্ৰ দাখিল কৰে। মুখ্যমন্ত্ৰী গৰাকীয়ে উক্ত দাবী সম্পৰ্কে সকলো দিশ সহানুভূতিৰে বিবেচনা কৰা হ'ব বুলি প্ৰতিনিধি দলটোক আশ্বাস দিয়ে। উক্ত স্মাৰক পত্ৰৰ প্ৰতিলিপি জিলাৰ বিধায়ক সকলকো দিয়া হয়। ইতিমধ্যে অসম মন্ত্ৰী সভাৰ দুগৰাকী সদস্য ঁজহিৰুল ইছলাম আৰু ঁকবীৰ চন্দ্ৰ ৰায় প্ৰধানীকো বিশেষভাৱে আচুতীয়াঁকে লগ ধৰি স্মাৰক পত্ৰৰ প্ৰতিলিপি তেওঁলোকৰ হাতত অৰ্পণ কৰি প্ৰস্তাৱিত বিলাসীপাৰা মহকুমাৰ প্ৰতি তেওঁলোকৰ পূৰ্ণ সমৰ্থন বিচাৰি অনুৰোধ জনোৱা হয়।

বিলাসীপাৰাত এটি মহকুমা স্থাপনৰ নাৰ্য্য দাবীৰ প্ৰতি অসম গণ পৰিষদ, বিলাসীপাৰা আঞ্চলিক সমিতি আৰু সদৌ অসম ছাত্ৰ সন্থা, বিলাসীপাৰা আঞ্চলিক সমিতিৰ কোনো প্ৰকাৰে মতবিৰোধ নাছিল যদিও আদৰ্শগত কাৰণত হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ ওচৰত কোনোপধ্যে মহকুমা গঠন সম্পৰ্কে কোনো আৰ্জি লৈ কাষ নেচাপিব বোলা ভাব এটি যে নাছিল এনে নহয়।

সময়ৰ অগ্ৰগতিৰ লগে লগে অসমৰ ৰাজনৈতিক পট পৰিৱৰ্তন হ'ল। ১৯৮৫ চনৰ বিধান সভা নিৰ্বাচনত অসম গণ পৰিষদে নিৰংকুশ সংখ্যা গৰিষ্ঠতাৰে জয়লাভ কৰি শাসনৰ বাঘজৰী হাতত তুলি লয়। মূখ্যমন্ত্ৰী হয় প্ৰফুল্ল কুমাৰ মহন্ত। যিকোনো কাৰণতে নহওঁক কিয় বিলাসীপাৰাৰ প্ৰতি মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ যে এক ভালপোৱা আছিল– ই সত্য । অৰুণ দাস আছিল তেওঁৰ ভালপোৱা এগৰাকী যুৱনেতা। বিলাসীপাৰা বা গৌৰীপুৰলৈ আহিলে খন্তেকৰ বাবে হলেও অৰুণ দাসৰ ঘৰত পদাৰ্পণ কৰি সুখ-দুখৰ বতৰা ল'বলৈ নাপাহৰিছিল ।

দলীয় সূত্ৰত প্ৰকাশ যে এবাৰ অসম গণ-পৰিষদ ধুবুৰী জিলা সমিতিৰ সভাপতি শ্ৰী অৰ্দ্ধেন্দু নাথ চক্ৰবৰ্তীৰ নেতৃত্বত এটি সজাতি দলে জিলা খনৰ লগতে বিলাসীপাৰাৰ অভাৱ অভিযোগ সম্পৰ্কে আলোচনা কৰাৰ সময়ত মুখ্যমন্ত্ৰী শ্ৰী মহন্তই 'বিলাসীপাৰাত এটি মহকুমা নিবিচাৰে কিয়' বুলি আওপকীয়া পৰামৰ্শ আগবঢ়ায় । এই কথা বনজুইৰ দৰে বিলাসীপাৰাত বিয়পি পৰাৰ লগে লগে বিলাসীপাৰা আঞ্চলিক ছাত্ৰ সন্থা আৰু অ.গ.প. বিলাসীপাৰা আঞ্চলিক সমিতিয়ে জোৰদাৰ দাবী উত্থাপনেৰে বিলাসীপাৰাত মহকুমা স্থাপনৰ নাৰ্য্যতা প্ৰতিপন্ন কৰিবলৈ অহোপুৰুষাৰ্থ কৰে ।

বিলাসীপাৰা আঞ্চলিক ছাত্ৰসন্থাৰ সভাপতি উত্তম চৌধুৰী, আৰু সম্পাদক জীতেন শৰ্মাৰ আহবানত ১৯৮৯ চনৰ ২৪ মাৰ্চ তাৰিখে বিলাসীপাৰাৰ মহামায়াবাৰী প্ৰাঙ্গণত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাত দীৰ্ঘদিন ধৰি মহকুমা গঠনৰ প্ৰচেষ্টা চলাই থাকি উপযুক্ত মূহুৰ্তত প্ৰয়োজনীয় ভূমিকা পালন নকৰিলে সুবৰ্ণ সুযোগ হাতত পাই বাটত হেৰুৱাব লাগিব বুলি কৈ উদ্যোক্তা সকলে ৰাইজক অধিক কৰ্মতৎপৰ হবলৈ আহ্বান জনায়। এই কাৰ্যত ছাত্ৰ সন্থাৰ সেই সময়ৰ উদীয়মান নেতা– দেবব্ৰত দাস, ৰাতুল দাস, কেশৱ দেৱ বাৰ্মা, অগপ বিলাসীপাৰা আঞ্চলিক সমিতিৰ বিষয়ববীয়া সকলৰ ভিতৰত সঞ্জিৎ দাস, মহম্মদ হুছেইন, ঁনীলাম্বৰ দাস, অৰ্দ্ধেন্দু কলিতা, স্বপন বসাক প্ৰমূখ্যে আন বহুজন আছিল ।

এইখিনিতে এটি আপ্তবাক্যলৈ মনত পৰিছে — 'ৰজাই ভাল পায় যাক, হাতী-ঘোঁৰা নালাগে তাক।' অৰ্থাৎ ৰজাই ভালপালে তেওঁৰ ক্ষমতাই যাক যেনেকৈ সন্তুষ্ট কৰিবলৈ ইচ্ছা কৰে তেনেদৰে সন্তুষ্ট কৰিব পাৰে। তাৰ বাবে অমুকৰ অনুমোদন , তমুকৰ অনুমোদনৰ কোনো প্ৰয়োজন নহয়।

১৯৮৯ চনৰ ১৪ আগষ্ট তাৰিখে বিলাসীপাৰাত মহকুমা গঠন সম্পৰ্কে অসম চৰকাৰে আনুষ্ঠানিক ঘোষণা কৰাৰ বাতৰি পোৱাৰ লগে লগে বিলাসীপাৰাবাসী ৰাইজৰ আনন্দে নধৰে হিয়া। মহকুমা ঘোষণা সম্পৰ্কে 'Gazette Notification' ত কোৱা হয় এইদৰে –

**GAG (B) 370/87/110 :** The Governor of Assam is, for administrative expediency, pleased to sanction the formation of a new Sub-Division in the District of Dhubri to be known as Bilasipara Sub-Division with the headquarter at Bilasipara comprising the area shown in the Schedule.


**Schedule:**

1. Chapar Circle
2. Bilasipara Circle.
3. Bagribari Circle.

These order shall take effect from 1st October - 1989.

৯-৯-৮৯ তাৰিখে বিলাসীপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ এটি সজাতি দলে শৰাই, গামোছা আৰু সম্বৰ্দ্ধনা পত্ৰেৰে ৰাতিপুৱা ১০ বজাত মুখ্যমন্ত্ৰীৰ বাসভৱনত মুখ্যমন্ত্ৰীক সম্বৰ্দ্ধনা জ্ঞাপন কৰে ।

উল্লেখযোগ্য যে বিলাসীপাৰাৰ ৰাইজেও মুখ্যমন্ত্ৰীক গণ সম্বৰ্দ্ধনা জনাবৰ বাবে বিলাসীপাৰালৈ আমন্ত্ৰণ জনায় । সেই আমন্ত্ৰণ তেওঁ ৰক্ষা কৰে। ১৫-১১-৮৯ তাৰিখে ৰোকাখাতা.উঃ মাঃ বিদ্যালয় খেলপথাৰত ত্ৰিশ সহস্ৰাধিক জনগণৰ উপস্থিতিত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক ফুলাম গামোছা, দুই ফালে যুগল হাতীৰ মাজত ৰূপৰ দণ্ডত দলীয় পতাকা, এটা কাঁচৰ আয়ত ক্ষেত্ৰত বন্ধাই উষ্ম উপহাৰ আৰু এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয়। স্মাৰক পত্ৰ খনত উল্লেখ কৰা বিষয় সমূহ আছিল -- মহকুমাধিপতিৰ স্থায়ী কাৰ্যালয় স্থাপন, মহকুমাৰ লগত সংশ্লিষ্ট সকলো কাৰ্যালয় অনুষ্ঠান আদি স্থাপনৰ আশুব্যৱস্থা গ্ৰহণ, চিকিৎসাসেৱাৰ বাবে ২০০ খন বিচনাযুক্ত হাস্পাতাল স্থাপন, চৰ অঞ্চলৰ ক্ষিপ্ৰ উন্নয়নৰ ব্যৱস্থা, শিল্পোদ্যোগ স্থাপনৰ যোগেদি নিবনুৱা সমস্যা সমাধান, কৃষি উন্নয়ন, জলপৰিবহণ আৰু নিয়ন্ত্ৰণ , যাতায়তৰ সুব্যৱস্থাৰ বাবে আলি পদূলিৰ উন্নয়ন, গৃহৰক্ষী বাহিনীৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থানান্তৰ স্থগিতকৰণ, বিজ্ঞান শিক্ষাৰ প্ৰসাৰ, খেল ধেমালি প্ৰসাৰৰ বাবে ষ্টেডিয়াম নিৰ্মাণ, বন সম্পদ সংৰক্ষণ আৰু পৰিৱেশবোধ আদি প্ৰধান ।




দুখ আৰু পৰিতাপৰ বিষয় বিলাসীপাৰা মহকুমা আজি ৰূপালী জয়ন্তী বৰ্ষত উপনীত হোৱা সত্বেও এটি পূৰ্ণাঙ্গ মহকুমাত থাকিবলগীয়া বহু কাৰ্যালয় বা বিভাগ আজিলৈকে হৈ নুঠিল । ক'বলৈ বেয়া লাগে বিলাসীপাৰা মহকুমাৰ তদানীন্তন মাননীয় মহকুমাধিপতি হেমেন দাসৰ উদ্যোগত বিগত ০২-০১-২০০৭ তাৰিখে সেই সময়ৰ জিলা উপায়ুক্ত যতীন্দ্ৰ নাথ লহকৰ ডাঙৰীয়াৰ শ্ৰীহাতেৰে বিলাসীপাৰা মহকুমা গ্ৰন্থাগাৰ এটি অস্থায়ী ৰূপত বিলাসীপাৰা নগৰ সমিতিৰ এটি কোঠাত মুকলি কৰা হৈছিল যদিও আজিলৈকে স্থায়ী ৰূপত তাৰ কোনো উন্নয়ন পৰিলক্ষিত নহ'ল । বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° হৰিচৰণ দাসৰ লগত কতিপয় ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ ফলত মহকুমা গ্ৰন্থাগাৰৰ পৰিচয়টোহে মাত্ৰ ৰক্ষা পৰি আছে। ইয়াৰ তাৎক্ষণিক স্থায়ী উন্নয়ন অতীব প্ৰয়োজন । কিয়নো 'A room without book is a room without window" ৰ নিচিনাকৈ মহকুমা এটিত মহকুমা গ্ৰন্থাগাৰ নথকা কথাটো অনুৰূপ কথা বুলি ভাবো। ইয়াৰ উপৰিও সম্প্ৰতি কেন্দ্ৰীয় বিদ্যালয় সমূহত গ্ৰন্থাগাৰিক নিযুক্তি দিয়া হৈ আছে। ইয়াৰ কাৰণে প্ৰাৰ্থীৰ অৰ্হতা স্নাতক ডিগ্ৰীধাৰী হোৱাৰ উপৰিও গ্ৰন্থাগাৰিক হিচাপে এবছৰীয়া পাঠ্যক্ৰমৰ ডিপ্ল'মাধাৰী হ'ব লাগিব । এই কথাৰ প্ৰতি লক্ষ্য ৰাখি বিলাসীপাৰা মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ মুকলি বিশ্ববিদ্যালয়ৰ অধীনত গ্ৰন্থাগাৰ বিজ্ঞানৰ এবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম মুকলি কৰা হৈছে। বিলাসীপাৰা মহকুমাত এটি পূৰ্ণাঙ্গ গ্ৰন্থাগাৰ থাকিলে এই বিদ্যাৰ্থী সকল উপকৃত হ'ব ।

এই ক্ষেত্ৰত ৰাইজৰ হেঁচা, নিৰ্বাচিত জন-প্ৰতিনিধিৰ চেষ্টা আৰু চৰকাৰৰ সদ্ ইচ্ছাৰ ওপৰত ই বহুখিনি নিৰ্ভৰশীল । আমি আশা কৰিম বিলাসীপাৰা মহকুমাৰ পূৰ্ণাঙ্গ ৰূপে মহকুমাবাসী ৰাইজক সকলো ধৰণৰ প্ৰশাসনিক সা-সুবিধা আগবঢ়াবলৈ সক্ষম হৈ আন আন জিলাৰ দৰে ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাবাসী ৰাইজকো প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ সক্ষম হ'ব। এই শুভ কামনাৰে অসম চৰকাৰক ক'ব খোজো, দেহৰ এটা অঙ্গক আওকান কৰি শৰীৰৰ সামগ্ৰিক বিকাশ সাধন হ'ব নোৱাৰাৰ দৰে, দেশৰ এটা অংশক অৱহেলা কৰি অসমৰ সামগ্ৰিক উন্নতিৰ কথাও ভাবিব নোৱাৰি আৰু ভবাটোও উচিত নহয়।

◆◆


বিলাসীপাৰা মহকুমাৰ ৰূপালী জয়ন্তী উপলক্ষে ৰাইজলৈ শুভেচ্ছা জ্ঞাপন কৰিলো

শক্তিশালী, মজবুত আৰু অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত
"মমতা" ইটা আৰু "ৰহণ" ইটা ব্যৱহাৰ কৰক

মেচাৰ্চ মমতা ইটা উদ্যোগ




আৰু




মেচাৰ্চ টি. জি. ব্ৰীকচ্‌ৰ ৰহন

ধীৰঘাট, চাপৰ

---

*With Best Compliments From -*

# R.K. ENTERPRISE

**A house of Offset Printing, Screen Printing and Multicolour printing.**

J.P. Road, Bilasipara
(Near C.I. Office)
Dist.Dhubri (Assam) PIN - 783348

# গ্ৰাম্য অৰ্থনীতিত সমবায়ৰ ভূমিকা

**তৰণীকান্ত ৰায়**

সমাজৰ পৰা ক'লাবেপাৰী, দালাল আৰু দুৰ্নীতি দূৰ কৰি অধিক উৎপাদন, সংৰক্ষণ আৰু সমবিতৰণৰ জৰিয়তে অত্যাৱশ্যকীয় বস্তু মূল্য নিয়ন্ত্ৰণৰ বাবেই সমবায় সমিতিৰ প্ৰয়োজন। বিশেষকৈ গ্ৰাম্য অৰ্থনীতিত সমবায়ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ ।

কৃষক সমবায় সমিতি গঠনৰ মূলতঃ তিনিটা উদ্দেশ্য ঃ-
১) উৎপাদন ২) সংগ্ৰহ আৰু ৩) সমবিতৰণ।

১৯৭৩ চনত অসমত সমবায় আন্দোলন আৰম্ভ হয়। চৰকাৰে এই উদ্দেশ্যে অসমৰ ৬৬০ খন গাওঁ পঞ্চায়ত সামৰি ৬৬০ খন সমবায় সমিতি গঠন কৰে আৰু এই সমবায় সমিতি সমূহক দুখীয়া কৃষিজীৱী ৰাইজৰ স্বাৰ্থ ৰক্ষাৰ্থে কিছুমান ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিয়ে।

১) প্ৰতি পৰিয়ালৰ পৰা মাথোন এজনহে সমবায়ৰ সদস্য হ'ব পাৰিব।
২) দুৰ্বল শ্ৰেণীৰ লোকৰ মাজৰ পৰাই সমবায়ৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচিত হ'ব ।
৩) পঞ্চায়ত সমূহ সমবায় সমিতিৰ সহযোগী অনুষ্ঠান হিচাপে গণ্য হ'ব।


সমবায় সমিতিত ৰাইজৰ ব্যাপক অংশ গ্ৰহণৰ বাবে গাওঁ পঞ্চায়তৰ উপৰিও বিধান সভা, লোকসভাৰ সদস্য সকল, ৰাজনৈতিক দল আৰু সমাজকৰ্মী লোকেও সমবায়ৰ অংশীদাৰ হিচাপে জৰিত থাকিব ।

১৯৭৫ চনত তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী প্ৰয়াত শৰৎ চন্দ্ৰ সিংহদেৱে সমবায় সমিতিক কেৱল আটা-চেনি-চাউল বিতৰণৰ কেন্দ্ৰ হিচাপে ব্যৱহাৰ নকৰি গ্ৰাম্য অৰ্থনীতিৰ কেন্দ্ৰ ৰূপে নৱজাগৰণৰ সৃষ্টি কৰে। এই সমবায় সমিতিৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীক কৰ্ম-সংস্থাপন, স্বাৱলম্বী তথা আত্ম সংস্থাপনৰ ব্যৱস্থাও কৰিছিল।

এনে ব্যৱস্থাৰ ফলত সেই সময়ত সমবায়ৰ জৰিয়তে বহুতো ডেকা-গাভৰুয়ে জীৱিকা নিৰ্বাহৰ সুবিধা পাইছিল। মাটিহীন দুখীয়া কৃষকে কোনো আমানত জমা দিয়া বা কোনো জামিনদাৰ নোহোৱাকৈয়ে বেঙ্কৰ পৰা ঋণ লৈ জীৱিকাৰ পথ লাভ কৰিছিল। সমবায় সমিতিয়ে ঋণলোৱা ব্যক্তিজনৰ ঋণ সঠিক সময়ত আদায় দিয়া আৰু তেওঁৰ কাৰ্য্য পৰিচালনা কৰাৰ প্ৰতি সততে দৃষ্টি ৰাখিছিল আৰু প্ৰয়োজনবোধে সহযোগিতাও কৰিছিল।

সমবায় সমিতিত সমবায় বেঙ্কৰ ব্যৱস্থাও কৰিছিল। সেই বেঙ্কত টকা জমা থব পাৰিছিল আৰু ঋণ ল'বও পাৰিছিল। সমবায়ৰ জৰিয়তে সাধাৰণলোকৰ এক সঞ্চয় আঁচনিও প্ৰস্তুত কৰা হৈছিল। এসময়ত জমিদাৰী শাসন শোষণেৰে পিষ্ট বিলাসীপাৰা মহকুমাবাসীয়ে সমবায় বেংক ব্যৱস্থাৰ দ্বাৰা যথেষ্ট উপকৃত হৈছিল।

পৰবৰ্ত্তীকালত মৎস্যজীৱী সকলৰ সুবিধাৰ বাবে মীন নিগম গঠন কৰে। কাৰণ তেতিয়া বিল-নদীবোৰ ডাকত দিয়া হৈছিল আৰু ডাঙৰ ধন, প্ৰতিপত্তি থকা মৎস্যজীৱী বিলাকৰহে সেই বিল - নদীবোৰ ডাকত লৈছিল। সেয়ে- চৰকাৰে আইন কৰিলে 'জাল যাৰ বিল তাৰ'। মৎস্যজীৱীৰ মাজত এটি নিগম তৈয়াৰ কৰি নিগম বা চৰকাৰে জালৰ যোগান ধৰিব, নাও আৰু মাছ বিক্ৰীৰ বাবে এখন



ভেন গাড়ীৰ ব্যৱস্থা কৰিব । মাছবিক্ৰীৰ মাছ মৰীয়াই ৬০% শতাংশ পাব আৰু নিগমে ৪০% শতাংশ ধন পাব । প্ৰতিজন মাছমৰীয়াৰ বাবে বেঙ্কত পাছ-বুক থাকিব আৰু তেওঁৰ আয়ৰ টকা তেওঁৰ নামত থকা পাচ-বুকত জমা হ'ব । মৎস্যজীৱীলোকে নিষ্ঠাৱান হ'বৰ বাবেও নিগমে ব্যৱস্থা কৰিব। বিলাসীপাৰা মহকুমাৰ ধীৰ, হাকামা আদি বিলৰ মাছমৰীয়াসকল ইয়াৰ দ্বাৰা উপকৃত হৈছিল।

তেতিয়াৰ চৰকাৰে কৃষি আৰু কৃষকৰ উন্নতিৰ বাবে সমূহীয়াভাৱে খেতি কৰি অধিক উৎপাদন কৰাৰ বাবেও কৃষি-নিগম গঠন কৰি দিছিল। সমাজত আমূল পৰিবৰ্ত্তনৰ বাবে সমবায়ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বৰ্তমান সময়তো এনে সমবায় ব্যৱস্থা প্ৰাসংগিক । সমবায় আন্দোলনৰ মূল হোতা আছিল বিলাসীপাৰা পূৱ সমষ্টিৰ পৰা বিধায়ক হৈ মুখ্যমন্ত্ৰীত্বৰ পদ অলংকৃত কৰা শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া । তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাই বিলাসীপাৰা মহকুমাবাসী ৰাইজে সমবায় আন্দোলনক জীয়াই ৰখা উচিত ।

*(লেখক ৰত্নপীঠ কলেজৰ প্ৰাক্তন অধ্যক্ষ)*

◆◆

# বিলাসীপাৰা মহকুমাৰ ৰূপালী জয়ন্তীৰ গীত

ৰচনা আৰু সুৰ ঃ
**ভোলানাথ ৰায়**

ঐতিহাসিক জিলা গোৱালপাৰা
চাপৰ শালকোচা বিলাসীপাৰা
ৰত্নপীঠৰ এক স্থান
ব্ৰহ্মপুত্ৰ, টিপকাই, গৌৰাং
চম্পাই দিয়ে প্ৰমাণ ।

নদীৰে ...... অ...... অ ......
অ ...... হো ...... হেইয়া

এই নদীৰ চৰ-চাপৰিৰ
ভাটিয়ালী গান আৰু
মাটিৰ গান ।

আমৰা হিন্দু-মুছলমান ভাই ভাই
আমাৰ মাজত কোনো ভেদাভেদ নাই ।
আমাৰ মাজত ভেদাভেদে নাই
ৰাজাৰ বংশ আৰ জনগোষ্ঠী
বাচেয়া ৰাখেন ভাই লোক কৃষ্টি
কৰেন না ভাই জাত পাতেৰ বিচাৰ।

ভাইৰে ভাই বাচেয়া ৰাখেন
ভাই লোক কৃষ্টি ।

এয়া শঙ্কৰ আজানৰ দেশ
পাণবাৰী, পাতালপুৰী ডিহিদাৰী
জমিদাৰী বিলাসীপাৰা
আৰু বগৰীবাৰী।
যেন ইতিহাসে ৰিঙিয়াই । ।

সময় বাগৰি বাগৰি
পালেহি ৰূপালী জয়ন্তী
আশাৰ বন্তি জ্বলাই
নতুন উদ্যমেৰে
যাওঁ আমি
আগুৱাই যাওঁ
গাওঁ সবে মিলনৰ গান ।
ব্ৰহ্মপুত্ৰ ......
অ ......

◆◆




হাকামা বিলৰ পাৰত ৫ জানুৱাৰী, ২০১৪ তাৰিখে অনুষ্ঠিত পখী আদৰণি উৎসৱত শিশু সকলৰ চিত্ৰাংকণ

২০০২ চনৰ স্বাধীনতা দিৱস উপলক্ষে মহকুমা প্ৰশাসনে আয়োজন কৰা নাট্যাংশ প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান লাভ কৰা বিলাসীপাৰা মহাবিদ্যালয়ৰ ছাত্ৰদলটো।

*With Best Compliments From -*


03667-250054(M), 9435125594 (M), 9706486183 (M)

# M/S. SATYAM DAS

**Bharat Complex, Ground floor of**

**A.G.V. Bank**

J.P. Road, Bilasipara,
Dist. Dhubri (Assam) PIN - 783348







**A Reliable Outlet For**




**All kinds of Stationery, Cosmetics, City Gold, Gift Items, Toy's, Invitation Cards, Disposable Item, School Bag Also Available Sports & Gym Item etc.**

Nestle Hawkins USHA LORDS ELECTRICAL

V.I.P. khaitan JOVEES

LOTUS LAKMĒ COSMETICS






২০১১ চনৰ ১৯ আৰু ২০ ফেব্ৰুৱাৰীত বিলাসীপাৰা মহাবিদ্যালয় গ্ৰন্থাগাৰত ৰাষ্ট্ৰীয় পাণ্ডুলিপি মিছনৰ কৰ্মশালাত সমল ব্যক্তি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন গ্ৰন্থাগাৰিক ভূপেন গোস্বামীয়ে বিলাসীপাৰাত সংৰক্ষিত পাণ্ডুলিপিৰ ওপৰত বক্তৃতা দিছে।



হাকামা বিলৰ পাৰত গছ-বিহু উপলক্ষে ৰাইজে গছক বিহুৱান দিছে



বিলাসীপাৰালৈ প্ৰব্ৰজিত হিমালয়ান শগুণ



২০০১ চনত মহকুমা ভিত্তিত অনুষ্ঠিত শিল্পী দিবসৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কেইগৰাকীমান নাগৰিক ।

# Call of the wild

Anuradha Adhikari Sarma

Blazing thus 'the morning' sun,
A glorious trumpet heard !
Echoing the valley dawn,
A roaring, distant heard !
Ah ! Primeval nature endowed'
Are God's creation feared ?

A melody soft, threading past,
could angels be near ?
Footprints in the earth cast,
a murmur heard, of something deer !

Gazing at the horizon new,
A flutter past by,
Little butterflies suck the dew,
Braving thorns in the sky.

Chitter chatter comes the crowd,
Atop hills & highs,
on the fields graze the flock,
seems a heaven, passing by .......

Gushing of the streams galore,
Tiny silver, gold, float by,
Little rabbits, squirrels run
Birdies twitter as they fly !

Humming does the bee aglow,
A glorious night descends,
Waiting for horizon to glow,
As the early sun ascends !

Ah ! Nature ! a treasure cart !
An awesome sight to behold !
Leaves me with a lighted heart
And dreams woven on a crystal fold !!

[ Poet is the S.D.O. (C) of Bilasipara Sub-Division ]



Celebration of Independence Day, 2014




Celebration of Republic Day, 2014



Memento of Silver Jubilee Celebration



Inauguration of Silver Jubilee Memento




Health Camp, Red Cross Society, Bilasipara



A training programme on A.R.T.P.S. Act, 2012




Workshop on R.T.I. Act, 2005



Seminar on Income Tax Rule (T.D.S./T.C.S)



Rally on International Womens' Day

A Rally on International Womens' Day



Safai Abhijan on Womens Day

Public Initiative to Clean Bilasipara Town




Felicitation to the meritorius students

Felicitation to the Meritorious Students




Book Conservation Workshop at Bilasipara College Library from 6th to 30th June, 2014




Onion cultivation programme, 2013




Workshop on International Womens' Day




Workshop on World Environment Day at Sapatgram College

kshop on World Environment Day at Sapatgram College



Plantation Programme at SDO(C)'s Office

Plantation Programme at SDO(C)'s Office




Inauguration Ceremony of SCS College of Agriculture, Rangamati

Inauguration Ceremony of SCS College of Agriculture



Inauguration Ceremony of SCS College of Agriculture




An Amaging Football Match !! Independence Day, 2014



Workshop on Bihu Dance at Rokakhata H.S. School




S.D.O.(C), Bilasipara, Executive Magistrates, Officers and Staff, 2014




Statue of Pratima Barua Pandey, Bilasipara



Gandhi Chowk, Bilasipara



Statue of Sarat Ch. Singha, Chapar



Statue of Netaji Subhash Ch. Bose, Bilasipara



Sarat Ch. Singha Agriculture College, Rangamati



Ratnapith College, Chapar



Sapatgram College


Bilasipara College



Rs. 100/-

ISBN-978-81-922276-6-5